UG EC S3-01
Exam. Code: ECM6C

ভাৰতৰ গ্ৰাম্য উন্নয়ন আৰু গ্ৰাম্য বিত্ত

ষষ্ঠ ষাণ্মাসিক

অর্থ বিজ্ঞান

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

প্রাধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয
প্রাধ্যাপক ৰাতুল মহন্ত, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
প্রাধ্যাপক ৰাজশ্রী বেদমত্ত, মানৱিকী বিদ্যা আৰু সমাজ বিজ্ঞান বিভাগ, আই আই টি গুৱাহাটী

সমন্বয়ৰক্ষী ঃ শর্মিষ্ঠা ৰাণী বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ৰূপালী তালুকদাৰ, কে.চি.দাস কমার্চ কলেজ	বর্ণালী তালুকদাৰ (অধ্যায়-১)
৩	ড° জয়শ্রী চৌধুৰী, সন্দিকৈ ছোৱালী মহাবিদ্যালয়	গীৱিন্দ্র শইকীয়া (অধ্যায়-২ আৰু ৩)
২, ৪, ৫, ৬ আৰু ৭	প্রিয়ংকা শর্মা, কটন বিশ্ববিদ্যালয়	কন্যা কুমাৰী দাস (অধ্যায়- ৪)
		মৃন্ময় লহকৰ (অধ্যায়- ৫,৬ আৰু৭)
৮, ৯, ১০ আৰু ১১	.	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ বিদ্যুৎ বিকাশ বৈশ্য, পি.এচ.ডি. (অধ্যায় ১ আৰু ২)
দিপাংকৰ মালাকাৰ, পি.এচ.ডি. (অধ্যায় ৩,৪,৫,৬ আৰু ৭)

গাঁথনি সম্পাদনা ঃ দিপাংকৰ মালাকাৰ, পি.এচ.ডি. কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিদ্যালয়

জুন, ২০২৪

ISBN:

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ গ্রাম্য উন্নয়নৰ মৌলিক ধাৰণা ৭-১৯

গ্রাম্য উন্নয়নৰ সংজ্ঞা আৰু ধাৰণা; গ্রাম্য বিকাশৰ পৰিকল্পনা; ভাৰতবর্ষত গ্রাম্য বিকাশৰ প্রয়োজনীয়তা আৰু নীতি; গ্রাম্য বিকশৰ মুখ্য অর্থনৈতিক অনুষ্ঠানসমূহ আৰু ইয়াৰ অসুবিধাসমূহ।

অধ্যায় ২ ঃ ভাৰতৰ গ্রামীণ অর্থনীতি ২০-৩৬

ভাৰতীয় গ্রামীণ অর্থনীতিৰ আকাৰ, গাঁথনি, ভূমিকা আৰু গুৰুত্ব; ভাৰতৰ গ্রামীণ অর্থনীতিৰ বৈশিষ্ট্য; গ্রামীণ পশ্চাদপদতাৰ ধাৰণা আৰু কাৰক।

অধ্যায় ৩ ঃ গ্রামীণ বিকাশৰ পদক্ষেপ ৩৭-৫২

সমূহীয়া বিকাশৰ অর্থ, বৈশিষ্টৰাজি আৰু কার্যক্রম; গ্রামীণ বিকাশৰ বাবে গান্ধীবাদী পদক্ষেপ; মহাত্মা গান্ধীৰ মতে গ্রামীণ বিকাশৰ বিভিন্ন নীতি; গ্রামীণ বিকাশৰ অর্থ, বিষয়সমূহ আৰু পৰামর্শৱলী; নগৰীয়া বিকাশৰ অর্থ আৰু কাৰকসমূহ; নগৰীয়া নিযুক্তিৰ সৈতে জড়িত সমস্যা আৰু বিষয়সমূহ।

অধ্যায় ৪ ঃ ভাৰতৰ কুটিৰ শিল্প ৫৩-৬২

কুটিৰ শিল্পৰ ধাৰণা; ভাৰতীয় অর্থনীতিত কুটিৰ শিল্পৰ ভূমিকা; কুটিৰ শিল্পৰ বাবে চৰকাৰী নীতি।

অধ্যায় ৫ ঃ ভাৰতৰ গ্রাম্য ঋণগ্রস্ততা ৬৩-৭২

গ্রাম্য ঋণগ্রস্ততাৰ অর্থ, প্রকৃতি, কাৰণ আৰু ফলাফল; ভাৰতৰ গ্রাম্য ঋণগ্রস্ততা সমাধানৰ বাবে লোৱা ব্যৱস্থাৱলী; গ্রাম্য ঋণগ্রস্ততা নির্মূলৰ কার্যসূচী।

অধ্যায় ৬ ঃ ভাৰতৰ গ্রাম্য নিৱনুৱা ৭৩-৮৩

নিবনুৱা সম্পর্কে ধাৰণা; নিবনুৱাৰ প্রকাৰ, বৈশিষ্ট্য আৰু উদাহৰণ; নিয়োগ সৃষ্টিৰ ব্যৱস্থাৱলী।

অধ্যায় ৭ ঃ ভাৰতৰ গ্রাম্যাঞ্চলত দাৰিদ্র্য ৮৪-৯৪

ভাৰতত দাৰিদ্রতা; দাৰিদ্র আৰু দাৰিদ্র সীমাৰেখাৰ ধাৰণা আৰু প্রকাৰ; গ্রাম্য ভাৰতৰ দাৰিদ্র্যৰ বৈশিষ্ট্যাৱলী; ভাৰতৰ গ্রাম্যাঞ্চলৰ দাৰিদ্র্যৰ হাৰ।

অধ্যায় ৮ ঃ গ্রাম্য উন্নয়নত প্রযুক্তিৰ ভূমিকা ৯৫-১০৬

গ্রাম্য প্রযুক্তিৰ অর্থ; কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ অর্থ; সেউজ বিপ্লৱ আৰু আধুনিক কৃষি পদ্ধতিৰ ওপৰত ইয়াৰ প্রভাৱ; শ্বেতবিপ্লৱ আৰু নীল বিপ্লৱ-এটা চমু ধাৰণা; গ্রাম্য উন্নয়নত প্রযুক্তিৰ ভূমিকা; কৃষি আৰু আনুষাঙ্গিক খণ্ডবোৰত গ্রাম্য প্রযুক্তিৰ গুৰুত্ব; প্রযুক্তিৰ ব্যৱহাৰ প্রসঙ্গত।

অধ্যায় ৯ ঃ ভাৰতৰ গ্ৰাম্য বিত্তত বাণিজ্যিক বেংকৰ ভূমিকা **১০৭-১২২**

ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ অগ্ৰগতি; অগ্ৰাধিকাৰ খণ্ডৰ ঋণ; অগ্ৰণী বেংক আঁচনি ঃ অগ্ৰণী বেংক আঁচনিৰ উদ্দেশ্য আৰু সীমাবদ্ধতা; ১৯৯০ চনৰ পৰা বাণিজ্যিক বেংকৰ জৰিয়তে ভাৰত চৰকাৰে বিভিন্ন খণ্ডত ৰূপায়িত কৰা কিছুমান প্ৰধান আঁচনিৰ পৰ্যালোচনা ঃ এই আঁচনিসমূহ ৰূপায়নত থকা মূখ্য অসুবিধাসমূহ।

অধ্যায় ১০ ঃ আঞ্চলিক গাঁৱলীয়া বেংক **১২৩-১৩৪**

আঞ্চলিক গাঁৱলীয়া বেংকৰ উদ্দেশ্যবোৰ; আঞ্চলিক গাঁৱলীয়া বেংকৰ কাৰ্যৱলী; আঞ্চলিক গাঁৱলীয়া বেংকৰ অগ্ৰগতিৰ আৰু কাৰ্য্যকলাপৰ মূল্যয়ন; আঞ্চলিক গাঁৱলীয়া বেংকৰ কাৰ্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন।

অধ্যায় ১১ ঃ নাবার্ড **১৩৫-১৪৪**

নাবার্ডৰ উদ্দেশ্য আৰু কাৰ্য্যৱলী, নাবার্ডৰ অগ্ৰগতি আৰু কাৰ্য্যকলাপৰ মূল্যায়ন, নাবার্ডৰ কাৰ্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন।

পাঠ্যবিষয়ৰ পৰিচয়

"ভাৰতৰ গ্ৰাম্য উন্নয়ন আৰু গ্ৰাম্য বিত্ত" এই পাঠ্যবিষয়টি শিক্ষাৰ্থীসকলক গ্ৰাম্য উন্নয়ন বিষয়ে এক ধাৰণা দিবলৈ প্ৰস্তুত কৰা হৈছে। ভাৰতবৰ্ষ এখন গ্ৰাম্য প্ৰধান দেশ য'ত বেছি সংখ্যক লোক গ্ৰাম্যাঞ্চলত বাস কৰে। সেয়েহে, ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বিশেষ প্ৰয়োজন আছে। গ্ৰাম্য উন্নয়নৰ লগত বিভিন্ন দিশ সাঙোৰ খাই আছে। এই পাঠ্যবিষয়টিত ১১ টা অধ্যায় অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰথম অধ্যায়ত আমি গ্ৰাম্য উন্নয়নৰ ধাৰণা, গ্ৰাম্য উন্নয়নৰ প্ৰয়োজনীয়তা, গ্ৰাম্য উন্নয়ন আৰু নগৰ উন্নয়নৰ পাৰ্থক্য আলোচনা কৰিছো। দ্বিতীয় অধ্যায়ত আমি ভাৰতীয় গ্ৰাম্য অৰ্থনীতিৰ আকাৰ আৰু প্ৰকৃতি, ভাৰতবৰ্ষত গ্ৰাম্য অৰ্থনীতিৰ গুৰুত্ব, গ্ৰাম্য অনগ্ৰসৰতাৰ কাৰণ ইত্যাদি আলোচনা কৰিম। তৃতীয় অধ্যায়ত সমুহীয়া বিকাশ আৰু গান্ধীজী গ্ৰাম্য বিকাশৰ নীতিৰ বিষয়ে আলোচনা কৰিম। ভাৰতৰ কুটীৰ শিল্পৰ বিষয়ে অধ্যায় চতুৰ্থত আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ত গ্ৰাম্য ঋণ গ্ৰস্ততাৰ বিষয়ে আলোচনা কৰা হৈছে। ষষ্ঠ আৰু সপ্তম অধ্যায়ত ভাৰতীয় অৰ্থনীতিৰ দুটা গুৰুত্বপূৰ্ণ বিষয় নিবনুৱা আৰু নিবনুৱা সমস্যাৰ বিষয়ে আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ত গ্ৰাম্য উন্নয়নত প্ৰযুক্তিৰ ভূমিকাৰ লগতে গ্ৰাম্য প্ৰযুক্তিৰ অৰ্থ, কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ অৰ্থ, সেউজ বিপ্লৱ আৰু আধুনিক কৃষি পদ্ধতিৰ ওপৰত ইয়াৰ প্ৰভাৱ আদিৰ বিষয়ে আলোচনা কৰা হৈছে। নৱম অধ্যায়ত ভাৰতৰ গ্ৰাম্য বিত্তত বাণিজ্যিক বেংকৰ ভূমিকাৰ লগতে ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ অগ্ৰগতি, অগ্ৰাধিকাৰ খণ্ডৰ ঋণ, অগ্ৰণী বেংক আঁচনি আদি আলোচনা কৰা হৈছে। দশম অধ্যায়ত আঞ্চলিক গাঁৱলীয়া বেংক আদিৰ লগতে আঞ্চলিক গাঁৱলীয়া বেংকৰ উদ্দেশ্যবোৰ; আঞ্চলিক গাঁৱলীয়া বেংকৰ কাৰ্যৱলী; আঞ্চলিক গাঁৱলীয়া বেংকৰ অগ্ৰগতিৰ আৰু কাৰ্য্যকলাপৰ মূল্যয়ন; আঞ্চলিক গাঁৱলীয়া বেংকৰ কাৰ্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন সন্নিৱিষ্ট কৰা হৈছে আৰু

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ গ্রাম্য উন্নয়নৰ মৌলিক ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ গ্রাম্য উন্নয়নৰ সংজ্ঞা আৰু ধাৰণা

১.৪ গ্রাম্য বিকাশৰ পৰিকল্পনা

১.৫ ভাৰতবর্ষত গ্রাম্য বিকাশৰ প্রয়োজনীয়তা

১.৬ ভাৰতৰ গ্রাম্য বিকাশৰ নীতি

১.৭ গ্রাম্য বিকশৰ মুখ্য অর্থনৈতিক অনুষ্ঠানসমূহ

১.৮ বিকাশক লৈ থকা অসুবিধাসমূহ

১.৮.১ গ্রাম্য বিকাশ বনাম নগৰীয় বিকাশ

১.৮.২ কৃষি বিকাশ বনাম উদ্যোগীক বিকাশ

১.৮.৩ অর্থ বনাম শ্রম বিকাশ

১.৮.৪ স্বৰাজ বনাম প্রেৰিত বিকাশ

১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১০ অধিক জানিবলৈ

১.১১ অগ্রগতিৰ খতিয়ান

১.১২ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গ্রাম্য বিকাশৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- গ্রাম্য বিকাশৰ পৰিকল্পনাৰ বিষয়ে জানিব পাৰিব
- গ্রাম্য বিকাশৰ প্রয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব
- গ্রাম্য বিকাশৰ অসুবিধাসমূহৰ বিষয়ে জানিব।

১.২ পৰিচয়

ভাৰতবর্ষ এখন গ্রাম্য প্রধান দেশ কিয়নো ইয়াৰ বেছি সংখ্যক জনসাধাৰণ গাওঁত বাস কৰে। সেয়েহে দেশখনৰ গ্রাম্য অঞ্চলৰ উন্নয়ন ইয়াৰ প্রধান অগ্রাধিকাৰ। যদিওবা স্বাধীনতাৰ ৭০ বছৰ পিছতো দেশখনৰ গ্রাম্য অবস্থাৰ বিশেষ উন্নতি হোৱা নাই।

এই অধ্যায়টিত আমি গ্রাম্য উন্নয়নৰ কিছুমান মৌলিক কথা আলোচনা কৰিম।

১.৩ গ্রাম্য বিকাশৰ সংজ্ঞা আৰু ধাৰণা

গ্রাম্য বিকাশ বুলিলে আমি গ্রাম্য অঞ্চলৰ লোকসকলৰ জীৱন ধাৰণৰ প্রণালী উন্নীত কৰা এক সর্বাংগীন বিকাশৰ কথা ক'ব পাৰো। ই এক সামূহিক প্রক্রিয়া যিয়ে সমাজৰ দুখীয়া শ্রেণীৰ সামাজিক, আর্থিক, ৰাজনৈতিক আৰু ধর্মীয় বিকাশক সামৰি লয়। গ্রাম্য বিকাশ বুলিলে আমি কিছুমান নিষ্ঠাবান লোকৰ জৰিয়তে গ্রাম্যাঞ্চলৰ লোকসকলক তেওঁলোকৰ নিজৰ অঞ্চলৰ প্রতিটো কামৰ বাবে আগুৱাই যোৱাত সহায় কৰাৰ লগতে তেওঁলোকক সমাজ সেৱা, ন্যায় বিচাৰ, ঐক্যতা আৰু সুৰক্ষা, অতীতৰ সেই অন্যায়ৰ বিৰুদ্ধে মাত মতা আৰু গ্রাম্যাঞ্চলৰ লোকসকলৰ সুৰক্ষা (বিশেষকৈ নাৰী সুৰক্ষা) আদিৰ প্রতি সজাগ কৰি তোলা আৰু এইবোৰৰ জৰিয়তে তেওঁলোকৰ বিকাশ সাধন কৰাটো বুজো। গ্রাম্য বিকাশ হৈছে এক প্রক্রিয়া যিয়ে সমাজৰ দুখীয়া শ্রেণীক তেওঁলোকৰ মৌলিক প্রয়োজনতকৈ বেচি অর্জন কৰাৰ বাবে উপার্জনৰ পথ বিচাৰি দিয়ে। ই সমাজৰ দুখীয়া শ্রেণীৰ জীৱন-ধাৰণৰ প্রণালী উন্নীতকৰণকো সামৰি লয়।

তলত কেইটামান স্পর্শকাতৰ বিষয় সামৰি লোৱা হৈছে। যিকেইটা অতি সোনকালে কার্যকৰী হোৱা দৰকাৰ।

১) মানৱ সম্পদৰ বিকাশ।
২) ভূমি হস্তান্তৰ।
৩) প্রতিটো অঞ্চলত স্থায়ীভাৱে পোৱা সম্পদৰ বিকাশ।
৪) আন্তঃগাঁথনিসমূহ যেনে বিজুলী, খোৱা পানী, ৰাস্তা-ঘাট আদিৰ বিকাশ সাধন।
৫) দুখীয়া শ্রেণীৰ বিকাশ।

আমি সঁচা অর্থত বিকাশ সাধন হোৱা বুলি তেতিয়ালৈ ক'ব নোৱাৰিম যেতিয়ালৈ সমাজৰ বৃহৎ সংখ্যক মানুহৰ মৌলিক প্রয়োজনখিনিৰ বিষয়ে অৱগত নহওঁ। বর্তমান বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ যুগতো বহুসংখ্যক গ্রামবাসীয়ে এতিয়াও প্রয়োজনীয় পুষ্টি, ভাল শিক্ষা, সম্যক যোগাযোগ আৰু সামাজিক ন্যায়ৰ পৰা বঞ্চিত হৈ আহিছে। গতিকে গ্রাম্য বিকাশে বিকশিত আৰু বিকাশশীল দুয়োটা ঠাইতে গুৰুত্ব পাই আহিছে। গ্রাম্য উন্নয়নৰ কোনো সর্বসম্মত সংজ্ঞা নাই। গ্রাম্য বিকাশৰ ধাৰণাটো সর্বাত্মক আৰু পৰিসৰপূর্ণ। ই হ'ল গ্রাম্য জীৱনশৈলী উন্নীতকৰণৰ বাবে কৰা কৃষি আৰু কৃষিৰ লগত জড়িত ব্যৱস্থাটোৰ উন্নীতকৰণ। ঘটনা হিচাপে গ্রাম্য বিকাশ হৈছে দৈহিক প্রযুক্তিবিদ্যা, অর্থসামাজিক আৰু আনুষ্ঠানিক সমন্বয়। যেনে— যদি আমি কৃষিজাত কার্যকলাপৰ জৰিয়তে গ্রাম্য বিকাশৰ কথা ভাৱো তেনেহ'লে কৃষকসকলক আধুনিক কৃষি পদ্ধতি যেনে- High Yeilding Varieties (HYV) শস্যৰে প্রকাৰ, যান্ত্রিক কৃষিপদ্ধতি, কীটনাশক আৰু সাৰৰ প্রয়োগ, আর্থিক সহায়ৰ বাবে আত্মসহায়ক গোট বনোৱা, যাতায়ত ব্যৱস্থা উন্নীতকৰণ, বিজুলী যোগান, বজাৰ আদিৰ জৰিয়তে চিনাকী কৰাই দিব লাগিব। প্রক্রিয়া হিচাপে গ্রাম্য বিকাশত সদায় গাঁৱৰ দুখীয়া শ্রেণীক সামৰি লোৱা হৈছে। কৃষি বিজ্ঞান, সমাজ বিজ্ঞান, শাৰীৰিক বিজ্ঞান, আভিযান্ত্রিক আৰু পৰিচালনা বিজ্ঞানৰ সৈতে ইয়াৰ এক ওচৰ সম্পর্ক আছে।

গ্রাম্য বিকশৰ সংজ্ঞা হিচপে আমি গ্রাম্য জীৱনলৈ আনুষ্ঠানিক, গঠনমূলক আৰু মনোভাৱৰ সালসলনি কৰি তেওঁলোকৰ সর্বাংগীন উন্নতিৰ বাবে চলোৱা প্রচেষ্টাক বুজো। গ্রাম্য বিকাশ হ'ল বিভিন্ন গ্রাম্য বিকাশ আঁচনিৰ জৰিয়তে গাঁৱলীয়া জনজীৱন উন্নীতকৰণ। বিকাশৰ উদ্দেশ্য হ'ল গড় আয় বঢ়োৱা, নিবনুৱা সমস্যা হ্রাস কৰা আৰু বিকাশৰ হাৰ তৰান্বিত কৰোৱা। গ্রাম্য বিকাশে অতিজৰে পৰা সমাজৰ দুর্বল শ্রেণীৰ লোকৰ সর্বাংগীন উন্নতিকে সামৰি লৈছে। গতিকে গ্রাম্য বিকাশক আমি তলত দিয়া ধৰণে দর্শাব পাৰে।

(ক) গ্রাম্য বিকাশে কৃষিৰ উন্নতিক বুজায় কিয়নো কৃষিয়েই হৈছে গ্রাম্য জীৱনৰ জীৱন ধাৰণৰ প্রধান শৈলী।

(খ) গ্রাম্য বিকাশ হ'ল গ্রাম্য জীৱনৰ কৃষি, অর্থনীতি আদিৰ উন্নতি আৰু দৰিদ্রতা, নিবনুৱা সমস্যা আদিৰ সমাধান কৰি তেওঁলোকৰ সর্বাংগীন উন্নতি সাধন কৰা।

বর্তমান সমাজত গ্রাম্য বিকাশ মানে কেৱল কৃষি বিকাশ। যদিও কৃষি বিকাশ গ্রাম্য বিকাশৰ এক গুৰুত্বপূর্ণ ক্ষেত্র, ইয়াৰ লগতে স্বাস্থ্য, শিক্ষা, অর্থনৈতিক ক্ষেত্রটো বিকাশৰ প্রয়োজন। গতিকে গ্রাম্য বিকাশ হ'ল বহুতো ক্ষেত্র সামৰি লোৱা এক প্রক্রিয়া। ই বহুতো অর্থসামাজিক দিশ সামৰি লয় তাৰেই কিছুমান তলত উল্লেখ কৰা হ'ল—

(ক) কৃষি আৰু প্রাকৃতিক সম্পদ- শস্য, পশুধন, মৎস্য উৎপাদন, বনাঞ্চল।

(খ) কৃষিৰ সমল যেনে- যোগান, বিক্রী, যোগাযোগ, অর্থ আদিৰ যোগান।

(গ) গ্রাম্য আন্তঃগাঁথনি যেনে- ৰাস্তা-ঘাট, যোগাযোগ, শক্তি, পানী যোগান আদি।

(ঘ) শিক্ষা।

(ঙ) স্বাস্থ্য।

১.৪ গ্রাম্য বিকাশৰ পৰিকল্পনা

গ্রাম্য বিকাশৰ বাবে গ্রাম্য বিকাশৰ পৰিকল্পনাসমূহ কার্যকৰী হোৱা উচিত। কিছুমান গুৰুত্বপূর্ণ পৰিকল্পনা এনেধৰণৰ ঃ

(ক) কৃষক গোট সংগঠনলৈ সহায়ৰ হাত আগবঢ়োৱা যাতে তেওঁলোকে কৃষকসকলক সহায় কৰিব পাৰে।

(খ) কৃষিজাত সামগ্রীৰ বিকাশৰ বাবে স্থানীয় উপায় অৱলম্বন কৰা।

(গ) পানী যোগান আঁচনিৰ তদাৰক কৰা।

(ঘ) ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানসমূহৰ জৰিয়তে বাণিজ্যিকৰণ কৰা।

(ঙ) যোগাযোগ আৰু গুণ নিৰূপণ।

(চ) গ্রাম্য ক্ষুদ্র আর্থিক গোটসমূহৰ বিকাশ সাধন কৰা আৰু শস্য ৰেহাই মূল্যত দিয়া।

(ছ) কৃষিত প্রযুক্তিবিদ্যাৰ প্রয়োগ।

(জ) বজাৰ আৰু মূল্য নির্ধাৰণত উদাৰতা।

(ঝ) যিকোনো বতৰৰ লগত মিলিব পৰা যাতায়াত ব্যৱস্থা।

(ঞ) কৃষিজাত সামগ্রীসমূহ পুনৰাৱৰ্তন কৰিব পৰাকৈ চৰকাৰৰ সহায় লৈ অর্থনৈতিক মুনাফা লাভৰ প্রচেষ্টা।

(ট) উৎপাদক আৰু কিনোতাসকলৰ লগত পোনপটীয়া সম্পর্ক স্থাপন কৰি তেওঁলোকৰ (কৃষকৰ) লাভৰ পৰিমাণ বৃদ্ধি কৰা।

(ঠ) পথাৰত হোৱা কীট প্রতংগ আৰু শস্যৰ বেমাৰ ৰোধ কৰিবলৈ ভাল বীজ, ভাল সাৰ আৰু ভাল কীটনাশক দ্রব্যৰ প্রয়োগ।

(ড) কৃষিত আধুনিক যন্ত্রপাতিৰ ব্যৱহাৰ।

(ঢ) কৃষিজাত সামগ্রীৰ উৎপাদন বৃদ্ধি।

(ণ) কৃষিজাত সামগ্রী প্রচেচিং কৰাৰ বাবে নতুন শৈলী উদ্ভাৱন আৰু বিকাশ।

(ত) কৃষক সেৱা কেন্দ্রৰ স্থাপন।

(থ) কৃষিৰ লগত জৰিত সকলো বস্তুৰ জৰীপ।

(দ) জৈৱিক কৃষিৰ গুৰুত্ব।

উপৰোক্ত পৰিকল্পনাসমূহ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি ঃ

কৃষিৰ বিকাশ ঃ কৃষি গ্রাম্য জীৱনৰ ৰাজহাড় স্বৰূপ। ই দেশৰ অর্থনৈতিক বিকাশ আৰু মুঠ ঘৰুৱা আয় বৃদ্ধিত গুৰুত্বপূর্ণ ভূমিকা আগবঢ়ায়। যদিও মুঠ ঘৰুৱা আয়ৰ ১৭ শতাংশহে কৃষিৰ পৰা আহে, কিন্তু কৃষিয়ে ৫০ শতাংশ জনসাধাৰণক সংস্থাপন দিয়ে। গতিকে গুৰুত্বপূর্ণ অর্থনৈতিক সেৱাও আগবঢ়ায়। ই আমাৰ দেশৰ খাদ্য উদ্যোগৰ লগত জড়িত। ইয়াৰ লগতে বিভিন্ন বেলেগ বেলেগ ক্ষেত্রৰ লগতো জৰিত। কৃষি ক্ষেত্রত গুৰুত্ব আৰোপ কৰাই হৈছে গ্রাম্যাঞ্চলক গুৰুত্ব আৰোপ কৰা কাৰণ গ্রাম্যাঞ্চল কৃষিৰ উন্নতিৰ অবিহনে উন্নয়ন নহয়।

পশুপালনৰ উন্নয়ন ঃ পশুপালনক ভাৰতৰ কৃষি ক্ষেত্রত ৰাজহাড় বুলি জনা যায়। পশুপালন এই উদ্যোগৰ এক প্রধান কার্য য'ত পশুধনৰ যত্ন আৰু প্রতিপালন কৰা হয়। ই গাইগৰু, ষাঁড় গৰু, মুর্গী, ছাগলী, গাহৰি, ঘোঁৰা আৰু ভেড়া পালনক সামৰি লয়। ইয়াৰ কাৰণেই ভাৰত পশু বৈচিত্র্যত বিখ্যাত বুলি কোৱা হয়। গতিকে প্রয়োজনীয় বৈজ্ঞানিক শৈলীৰে পশু পালন কৰাটো ভাৰতৰ ৰূপ সলনি কৰাৰ ক্ষেত্রত মাইলৰ খুটা বুলিব পাৰি।

ক্ষুদ্র উদ্যোগৰ বিকাশ ঃ ভাৰতৰ নিচিনা কৃষিভিত্তিক দেশ এখনত ক্ষুদ্র উদ্যোগৰ ভূমিকা বহুত বেছি। ভাৰত চৰকাৰে এই ক্ষুদ্র উদ্যোগসমূহে আমাৰ মুঠ ঘৰুৱা আয়ত ভাগ ল'ব পৰাকৈ বহুতো আঁচনি হাতত লৈছে। এই উদ্যোগসমূহে মুঠ ঘৰুৱা আয় (GDP) ত অংশ দিয়াৰ লগতে বহু নিবনুৱাক সংস্থাপনো দিছে।

গ্রাম্য বিকাশৰ পৰিকল্পনা হিচাপে ক্ষুদ্র বিত্ত ঃ ক্ষুদ্র বিত্ত হ'ল কিছুমান সৰু সৰু অনুষ্ঠান যিয়ে গ্রাম্য সমাজৰ সেইসকল লোকক ঋণ দিয়ে, যাৰ বেংকত গৈ উপযুক্ত নথি পত্র বা ঋণ ঘূৰাই দিয়াৰ আশ্বাস দিব পৰাকৈ প্রয়োজনীয় সম্পত্তিৰ নথিপত্রৰ অভাৱত ঋণ ল'ব পৰা নাই। ক্ষুদ্র বিত্তই গ্রাম্য বিকাশ খৰতকীয়া কৰাত সহায় আগবঢ়ায়। গাঁৱৰ আত্মসহায়ক গোটসমূহে

গ্রাম্য জনজীৱনক স্বাৱলম্বী কৰাত সহায় কৰাৰ লগতে সম্পত্তি আহৰণ আৰু সঞ্চয়ৰ অভ্যাস গঢ়ি তোলাত সহায় কৰে।

গ্রাম্য বিকাশৰ বাবে কর্মসংস্থাপনৰ পৰিকল্পনা ঃ ভাৰতবর্ষৰ দৰে দেশত কর্মসংস্থাপনৰ পৰিকল্পনা গ্রাম্য জীৱনৰ প্রতিটো স্তৰক পুনৰুজ্জীৱিতকৰণৰ উদ্দেশ্য আগত ৰাখি কৰিব লগা হয়। এই প্রয়াসে যোৱা কিছু বছৰৰ পৰা হোৱা আবয়ৰিক আন্তঃগাঁথনিৰ বিকাশ যেনে- ৰাস্তা-ঘাট বনোৱা, শক্তিৰ বিস্তৃতকৰণ আৰু টেলিকম ব্যৱস্থা আদিয়ে কর্মসংস্থাপন আৰু আত্মনিয়োজনক সামৰি লৈছে। এই বিকাশৰ পৰিকল্পনা হ'ব লাগিব আধুনিকীকৰণ আৰু কর্মসংস্থাপন বৃদ্ধিৰ মাজত ভাৰসাম্যতা ৰক্ষা কৰি দেশৰ প্রগতিত অৰিহনা যোগোৱা এক পন্থা।

গ্রাম্য বিকাশৰ পৰিকল্পনা হিচাপে গ্রাম্য আন্তঃগাঁথনি ঃ গ্রাম্য আন্তঃগাঁথনিয়ে কৃষি, কৃষিৰ লগত জৰিত উদ্যোগ আৰু গ্রাম্যাঞ্চলৰ সামূহিক অর্থনৈতিক বিকাশৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা লয়। ই গ্রাম্য জীৱনৰ মৌলিক প্রয়োজনবোৰ পুৰাই জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰে। আন্তঃগাঁথনি দুই প্রকাৰৰ— অর্থনৈতিক আৰু সামাজিক। অর্থনৈতিক আন্তঃগাঁঠনিয়ে পৰিবহন, শক্তি আৰু যোগাযোগক সামৰি লৈছে। সামাজিক আন্তঃগাঁঠনিয়ে শিক্ষা, গৱেষণা, স্বাস্থ্য, পৰিয়াল কল্যাণ, গৃহ নির্মাণ, পানী যোগান, অনাময় আদিক সামৰি লয়। 'ভাৰত নির্মাণ' হ'ল গ্রাম্য আন্তঃগাঁঠনিৰ বাবে এক সময় নির্ধাৰিত আঁচনি। এই আঁচনিয়ে জলসিঞ্চন, গৃহ নির্মাণ, গ্রাম্য পানী যোগান, বিজুলী যোগান আৰু গ্রাম্য জনসংযোগ বিভাগক উন্নীতকৰণক সামৰি লয়।

১.৫ ভাৰতবর্ষত গ্রাম্য বিকাশৰ প্রয়োজনীয়তা

ভাৰতবর্ষৰ বেছিভাগ মানুহেই গ্রাম্যাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ বেছিভাগেই কৃষিৰ ওপৰত নির্ভৰশীল আৰু সেই কাৰণেই ভাৰতৰ অর্থনীতিক কৃষিভিত্তিক অর্থনীতিও বোলা হয়। যদিও ভাৰতৰ দুই তৃতীয়াংশ মানুহেই কৃষিৰ ওপৰত নির্ভৰশীল তথাপি মুঠ ঘৰুৱা আয় (GDP)ত কৃষিৰ অংশ কমি আহিছে যিটো এক চিন্তনীয় বিষয়। কৃষি আৰু কৃষিজাত কার্যকলাপ যেনে— পশুপালন, দুগ্ধ উৎপাদন, বনাঞ্চল আৰু ক্ষুদ্র উদ্যোগসমূহে গ্রাম্যাঞ্চলৰ লোকসকলক শ্রমিক লোৱা আৰু আয় বৃদ্ধিৰ জৰিয়তে সহায় কৰি আহিছে। গ্রাম্যাঞ্চলৰ উৎপাদন বৃদ্ধিয়ে গ্রাম্য জনজীৱনৰ ক্রয় কৰা ক্ষমতা আৰু কৃষিজাত আৰু উদ্যোগজাত সামগ্রীৰ চাহিদা বৃদ্ধি কৰে। আৱাসিক আৰু ক্ষুদ্র উদ্যোগসমূহে ভোগ্য সামগ্রী উৎপাদন কৰি স্বনিয়োজনত বৃহৎ অৰিহনা যোগাই আহিছে। গ্রাম্য জনজীৱনে বহুতো উত্থান পতন আৰু দৰিদ্রতাৰ সন্মুখীন হৈ আহিছে। গ্রাম্য লোকসকল দক্ষতাৰ অভাৱত নিবনুৱা হৈ থাকে। যদি গ্রাম্য লোকসকল শিক্ষিত হয় তেন্তে ব্যৱসায় বাণিজ্য সহজ হৈ পৰে আৰু ই বিকাশ সহজলভ্য কৰি তোলে। গতিকে দেশৰ অর্থনৈতিক বিকাশৰ বাবে গ্রাম্য বিকাশ অত্যন্ত গুৰুত্বপূর্ণ। গ্রাম্য বিকাশৰ প্রয়োজনীয়তাসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

(ক) দৰিদ্রতা দূৰীকৰণ আৰু আয় বৃদ্ধি।

(খ) কৃষিক্ষেত্রত নিয়োজন বৃদ্ধি কৰি চহৰমুখী যাত্রা ৰোধ কৰা।

(গ) গ্রাম্যাঞ্চলৰ জীৱন ধাৰণৰ মানদণ্ড আৰু পৰিৱেশ উন্নীতকৰণ।

(ঘ) ভূমি, পানী আদি সম্পদসমূহ ভালকৈ পৰিচালনা কৰা।

(ঙ) কৃষিৰ জৰিয়তে বিভিন্ন খাদ্য সামগ্রী প্রস্তুতকৰণ।

(চ) কৃষকৰ লাভালাভ বৃদ্ধি কৰা।

(ছ) উদ্যোগীক ক্ষেত্রলৈ কেঁচামাল যোগান ধৰা।

১.৬ ভাৰতৰ গ্রাম্য বিকাশৰ নীতি

ভাৰতত গ্রাম্য বিকাশৰ নীতি তলত দিয়া ধৰণে ভাগ কৰিব পাৰি

(ক) গান্ধীজীৰ গ্রাম্য বিকাশৰ নীতি ঃ গান্ধীজীৰ মতে গ্রাম্য বিকাশ হ'ল সাধাৰণ মানুহৰ উত্থান। তেওঁ সামূহিক গ্রাম্য বিকাশৰ প্রয়োজনবোধ কৰিছিল। শিক্ষা হ'ল শক্তিৰ জ্ঞান আৰু স্বাস্থ্য হ'ল সমাজ আৰু মানুহৰ সহনশীলতা। তেওঁৰ গ্রাম্য বিকাশৰ নীতি আছিল অহিংসা। এয়া আছিল গ্রাম্য দাৰিদ্র গুচাবলৈ খাদ্য, বস্তু আৰু বাসস্থান স্বকীয় আৰু পৰিপূর্ণ হোৱা এক প্রক্রিয়া। তেওঁ গ্রাম্যাঞ্চলৰ সর্বাংগীন উন্নতিৰ জৰিয়তে কৃষিজাত আৰু অনা কৃষিজাত সামগ্রীৰ সর্বাধিক উৎপাদন। লগতে গ্রাম্য বিকাশে গাঁও অঞ্চলৰ কৃষিজাত সামগ্রীৰ আৰু গ্রাম্য উদ্যোগ, তাঁত শিল্প আদিৰ বিকাশক সামৰি লৈছে। ই গ্রাম্য অঞ্চলৰ দুর্বল শ্রেণীক কর্মসংস্থাপন দিছে। গান্ধীজীৰ মতে বিকাশৰ ধাৰণা নির্ভৰ কৰে এখন সমাজৰ ধাৰণাৰ ওপৰত। তেওঁ বিশ্বাস কৰিছিল যে বিকাশ হ'ব লাগিলে ভাৰতীয় মানুহ চহৰত নাথাকি গ্রাম্যাঞ্চলত থাকিব লাগিব। অট্টালিকাত নাথাকি পঁজা ঘৰত থাকিব লাগিব। তেওঁ নিশ্চিত আছিল যে গ্রাম্য অর্থনীতি সৱলীকৰণ বিকাশ ব্যৱস্থাৰ প্রধান সূত্র। গান্ধীজীৰ এই অর্থনৈতিক ধাৰণাসমূহ আজিও দেশৰ অর্থনীতিৰ লগত সম্বন্ধিত। গান্ধীজীৰ গ্রাম্য অর্থনীতিৰ আর্হি কিছুমান আদর্শৰ ওপৰত আধাৰিত। সেইবোৰ এনেধৰণৰ—

(ক) প্রকৃত ভাৰত নগৰত নহয় গাঁৱতহে বিচাৰি পোৱা যায়।

(খ) গ্রাম্যাঞ্চলৰ পুনৰাৱর্তন তেতিয়াহে সম্ভৱ যেতিয়া গ্রাম্যাঞ্চলৰ ওপৰত শোষণ বন্ধ হ'ব।

(গ) শ্রমৰ মর্যদা।

(ঘ) স্বদেশী বস্তুৰ বর্য্যহাৰত গুৰুত্ব প্রদান কৰা।

আটাইতকৈ গুৰুত্বপূর্ণ গ্রাম্য উন্নয়নৰ নীতিটোৱেই হ'ল গান্ধীজীৰ মানৱ কেন্দ্রিক নীতি। স্বাধীনতাৰ পিচৰে পৰা বহুতো নীতি-নির্দেশনা গ্রাম্য উন্নয়নৰ বাবে প্রণয়ন কৰা হৈছে।

(খ) গ্রাম্য বিকাশৰ আধুনিক নীতি ঃ স্বাধীনতাৰ পিচৰ গ্রাম্য বিকাশৰ নীতিসমূহ এইদৰে ভাগ কৰিব পাৰি—

(ক) বিকাশৰ বহুমুখী নীতি ঃ এই নীতিয়ে গ্রাম্যাঞ্চলৰ সর্বাংগীন উন্নতিক সূচায়। ইয়ে পশুপালন, কৃষি, জলসিঞ্চন, ক্ষুদ্র উদ্যোগ, স্বাস্থ্য, অনাময়, গৃহ, যাতায়াত আৰু

যোগাযোগ, নাৰী কল্যাণ আৰু গ্রাম্য সংস্থাপন আদি কার্যক সামৰি লয়। বহুমুখী নীতিয়ে গ্রাম্য উন্নয়নৰ ক্ষেত্রত বহুখিনি অৱহিনা যোগাইছে। সামুহিক বিকাশ যোজনা এনে এক নীতি।



জানি থোৱা ভাল

সামুহিক বিকাশ যোজনা এই যোজনা ১৯৫২ চনত আৰম্ভ হৈছিল। ই এক সর্বাংগীন বহুমুখী নীতি আছিল যিয়ে দেশৰ বিকাশত গুৰুত্ব দিছিল। এই যোজনাই কৃষি, পশুপালন, জলসিঞ্চন, স্বাস্থ্য, শিক্ষা আৰু গ্রাম্য উদ্যোগক সামৰি লয়।

(খ) **ক্ষেত্রীয় নীতি ঃ** সামাজিক নীতি গ্রাম্য অর্থনীতিৰ কেইটামান বিশেষ ক্ষেত্রক সামৰি লয়। এই নীতিৰ কেইটামান গুৰুত্বপূর্ণ আঁচনি হ'ল —

Intensive Agricultural Development Programme (1960) ইয়াৰ পিছত ১৯৬৩ চনত Intensive Agricultural Area Programe যুগুত কৰা হৈছিল। এই দুয়োটা আঁচনিয়েই আশাৰ বতৰা কঢ়িয়াই আনিছিল।

(গ) **লক্ষ দল নীতি ঃ** এই নীতিয়ে সামাজিক ন্যাসৰ জৰিয়তে গ্রাম্য বিকাশৰ কথা ভাবিছিল। এই লক্ষ দলসমূহে সৰু সুৰা কৃষক আৰু ভূমিহীন কৃষকৰ লগত কিছু শিথিলতাৰে ব্যৱসায় কৰিছিল। এই নীতিৰ গুৰুত্বপূর্ণ আঁচনিসমূহ এনেধৰণৰ—

Small Finance Development Agency (SFDA) ঃ এই আঁচনি ১৯৭১-৭২ চনত কেইখনমান নির্বাচিত জিলাত অনুষ্ঠিত হৈছিল। ইয়াৰ খৰচ কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে বহন কৰিছিল। আৰু ই ২৫%-৫০% কৃষকলৈ চাবচিডি দিয়াৰ ব্যৱস্থা কৰিছিল। ইয়াৰ উদ্দেশ্যসমূহ এনেধৰণৰ—

(১) কৃষকৰ সমস্যাসমূহ বিচাৰি উলিওৱা আৰু বিভিন্ন সেৱাসমূহ কৃষকলৈ যোগান ধৰা।

(২) কৃষকে কো-অ'পাৰেটিভ বেংকসমূহৰ পৰা ঋণ পোৱাটো নিশ্চিত কৰা।

(৩) কৃষকে পাব লগা সুবিধাসমূহ পোৱাটো নিশ্চিত কৰা।

Marginal Farm and Agricultural Labour Development Agency ঃ এই আঁচনিত (SFDA) ৰ লগত একেলগে সৰু সুৰা কৃষকক পশুপালন, ফলমূল, শাক-পাচলিৰ খেতিৰ জৰিয়তে সহায় কৰাৰ উদ্দেশ্যে যুগুত কৰা হৈছিল।

(ঘ) **মৌলিক প্রয়োজন নীতি ঃ** এই নীতিয়ে সমাজৰ দুখীয়া শ্রেণীক এটা ভাল জীৱন ধাৰণৰ মানদণ্ড দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গতিকে এই নীতিয়ে সমাজৰ পৰা দাৰিদ্র আৰু অসমতা আতৰাবলৈ কর্মসংস্থাপন আৰু সমান ন্যায়ৰ পোষকতা কৰে। ই এটা বহল ধাৰণা যিয়ে সামাজিক আৰু ব্যক্তিগত প্রয়োজনীয়তা, মানৰ অধিকাৰ, সংস্থাপন, ন্যায়ৰ জৰিয়তে বিকাশ আদিক সামৰি লয়। ইয়াৰ গুৰুত্বপূর্ণ আঁচনিসমূহ হ'ল—

Minimum Need Programme ঃ এই আঁচনি ১৯৪৭ চনত প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত লোৱা হৈছিল। ইয়াৰ প্ৰধান বিষয়বস্তু হ'ল— গ্ৰাম্য স্বাস্থ্য, গ্ৰাম্য শিক্ষা, গ্ৰাম্য শিক্ষা, গ্ৰাম্য পথ, গ্ৰাম্য পানীযোগান, গ্ৰাম্য বিজুলী যোগান, ভূমিহীনৰ বাবে গৃহ, বস্তি অঞ্চলৰ বিকাশ আৰু পৰিপুষ্টি।

(ঙ) **কৰ্মসংস্থাপনজনিত নীতি ঃ** এই নীতিৰ প্ৰধান উদ্দেশ্য হ'ল সমন্বয়ৰ জৰিয়তে নিবনুৱা সমস্যা আৰু দৰিদ্ৰতা নিবাৰণ। এই নীতিয়ে সমাজৰ দুখীয়া শ্ৰেণীৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰা। ইয়াৰ গুৰুত্বপূৰ্ণ আঁচনিসমূহ হ'ল—

(১) Integrated rural development programme (IRDP) ঃ এই আঁচনি ১৯৭৮-৭৯ চনত লোৱা হৈছিল আৰু ২ অক্টোবৰ ১৯৮০ চনত ৰূপায়িত কৰা হৈছিল। এই আঁচনিয়ে দুখীয়া শ্ৰেণীক সংস্থাপনৰ সুবিধাৰ বাবে বেংকৰ ঋণ আৰু চাবচিডি দিছিল।

(২) Training Rural Youth for Self Employment (TRYSEM) ঃ এই আঁচনি ১৯৭৯ চনত গাঁৱৰ দুখীয়া শ্ৰেণীৰ (১৮-৩৫) বছৰৰ মাজৰ যুৱ প্ৰজন্মক বিভিন্ন কাৰিকৰী বিদ্যাৰ শিক্ষা দি বিভিন্ন ক্ষেত্ৰ যেনে- কৃষি, উদ্যোগ, ব্যৱসায় ইত্যাদিত কৰ্মসংস্থাপনৰ বাবে সুবিধা কৰি দিছিল।

(৩) Jamahar Rojgar Yojna (JRY) ঃ ১৯৮৯ চনৰ এপ্ৰিলত এই আঁচনি আৰম্ভ হৈছিল। এই আঁচনিয়ে নিবনুৱাসকলৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিছিল। ইয়াৰোপৰি গাঁৱৰ দুখীয়া শ্ৰেণীৰ প্ৰত্যক্ষ আৰু অহৰহ লাভালাভৰ বাবে গাঁৱৰ সম্পদ আৰু আন্তঃগাঁথনি উন্নীতকৰণ কৰি স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰাত এই আঁচনিৰ অন্তৰ্গত।

(৪) Employment Assurance Scheme (EAS) ঃ এই আঁচনি ২ অক্টোবৰ ১৯৯৩ ত ২৬১ খন জিলাৰ ১৭৭৮খন ব্লকত আৰম্ভ হৈছিল। যিটো Revamped Public Distribution System (RPDS) এ চলাইছিল। ১৯৯৫ চনৰ মাৰ্চ মাহত এই আঁচনি আৰু ২৫৬টা ব্লকলৈ প্ৰসাৰিত হয় যাৰ ২৩৩টা ব্লক আছিল বানপীড়িত অঞ্চল যেনে- উত্তৰ প্ৰদেশ, বিহাৰ, অসম আৰু ২৩টা ব্লক আছিল জম্মু-কাশ্মীৰত। এই আঁচনিৰ উদ্দেশ্য আছিল খেতি নোহোৱা সময়ত যিসকল লোক। কৰ্মৰ সন্ধানত থাকে তেওঁলোকক কৰ্মসংস্থাপন দি সহায় কৰা।

(৫) Swampurna Gramin Rojgar Yojna (SGRY) ঃ এই আঁচনি ২০০১ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা আৰম্ভ হৈছিল। এই আঁচনিৰ প্ৰধান লক্ষ্য আছিল কৰ্মসংস্থাপন আৰম্ভ কৰা। গ্ৰাম্যাঞ্চলত স্থায়ী অৰ্থনৈতিক আন্তঃগাঁথনিৰ ব্যৱস্থা কৰা আৰু দুখীয়া শ্ৰেণীৰ খাদ্য আৰু পৰিপুষ্টিৰ যতন লোৱা।

(৬) Mahatma Gandhi National Rural Employment Guarantee Art (MRNREGA) 2005 ঃ এই আঁচনি ৭ ছেপ্টেম্বৰ ২০০৫ অত ৰূপায়ণ

কৰা হৈছিল। এই আঁচনিৰ লক্ষ আছিল দুখীয়া গঁএগা ৰাইজক অতিকমেও ১০০ দিনৰ কাৰণে কর্মসংস্থাপনৰ নিশ্চয়তা দি তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীতকৰণৰ চেষ্টা কৰা।

১.৭ গ্রাম্য বিকশৰ মুখ্য অর্থনৈতিক অনুষ্ঠানসমূহ

গ্রামীন বেংক প্রতিষ্ঠানসমূহে গ্রাম্যাঞ্চলৰ সর্বাংগীন বিকাশৰ বাবে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। গ্রাম্য বেংক ব্যৱস্থাক সহায় আগবঢ়াবলৈ বর্তমান সময়ত Regional Rural Bank (RRB) আৰু National Bank of Rural Agriculture and Rural Development (NABARD)ৰ সৃষ্টি হৈছে।

Regional Rural Bank (RRB) ঃ এই বেংক ভাৰত চৰকাৰে ২ অক্টোবৰ ১৯৭৫ চনত স্থাপন কৰে। এই বেংকে ভাৰতৰ গ্রামীন কৃষি আৰু গ্রামীন বিকাশত গুৰুত্বপূর্ণ ভূমিকা লয়। এই (RRB) ৰ বিকাশ সংযোগ ব্যৱস্থাৰ জৰিয়তে গ্রাম্য অঞ্চলৰ লগত ইয়াৰ বহুত বেচি পৰিচয় আছে। ভাৰতৰ গ্রামীন ঋণৰ সফলতা ইয়াৰ অর্থনৈতিক শক্তিৰ ওপৰত নির্ভৰশীল। এই (RRB) হৈছে গ্রাম্যাঞ্চলৰ প্রধান অর্থনৈতিক অনুষ্ঠান যিয়ে বিভিন্ন শ্রেণীৰ কৃষি ঋণৰ প্রয়োজনীয়তা পূৰাব পাৰে।

NABARD ঃ নাবার্ড ১৯৮২ চনৰ জুলাই মাহত আৰম্ভ হৈছিল। এই প্রতিষ্ঠান হৈছে এক বিশাল প্রতিষ্ঠান যিয়ে গ্রামীণ অর্থনীতিৰ লগত জড়িত প্রতিষ্ঠানক পৰিচালনা কৰে। ইয়াৰ বিভিন্ন কার্যসমূহ এনেধৰণৰ—

- ঋণ প্রদান
- বিকাশ আৰু প্রচাৰ
- পথ প্রদর্শক
- আনুষ্ঠানিক আৰু ক্ষমতা নিৰূপণ আদি।

নাবার্ড প্রত্যক্ষভাৱে গ্রাম্য জনজীৱনৰ লগত জড়িত নহয়। কিন্তু ই বাকী বেংকসমূহ যেনে— কো-অপাৰেটিভ বেংক, কমার্চিয়েল বেংক আৰু RRB আদিক সহায় আগবঢ়ায় যিয়ে গাঁৱলীয়া লোকক ঋণ দিয়ে। নাবার্ডে আত্মসহায়ক গোটসমূহৰ উন্নয়নতো এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গ্রাম্য বিকাশৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং ২ ঃ গ্রাম্য বিকাশৰ পৰিকল্পনা দুটা লিখা।

.....

.....

১.৮ বিকাশক লৈ থকা অসুবিধাসমূহ

বিকাশৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

১.৮.১ গ্ৰাম্য বিকাশ বনাম নগৰীয় বিকাশ

আমাৰ অৰ্থনীতিত এহাতে নগৰীয় অঞ্চলৰ সৰু কিন্তু অত্যাধুনিক বিকাশ হৈছে যিয়ে প্ৰায়খিনি সামগ্ৰী, অৰ্থ আৰু প্ৰতিভাশালী শ্ৰম শক্তিখিনি ব্যৱহাৰ কৰিছে আৰু আনহাতে গ্ৰাম্যাঞ্চল বৃহৎ কিন্তু পৰম্পৰাগত আৰু অবিকশিত অৱস্থাতেই আছে যিয়ে দাৰিদ্ৰ, নিবনুৱা সমস্যা, কম উৎপাদন আদিৰ সৃষ্টি কৰিছে। এই পৰিস্থিতি প্ৰতিখন উন্নয়নশীল ৰাষ্ট্ৰতেই দেখা যায়।

আৰ্থিক উন্নয়ন আজিও নগৰীকৰণ উন্নয়নৰ লগত জড়িত হৈ আছে। অৰ্থনীতিবিদ সকলেও নগৰীকৰণকহে আৰ্থিক উন্নতিৰ মাপকাঠি বুলি ভাৱে। আনহাতে অন্য এটা বহুলভাৱে প্ৰসাৰ লাভ কৰা নীতি হ'ল যে গ্ৰাম্য বিকাশ হ'ল সৰ্বাংগীন বিকাশৰ আধাৰ। গতিকে ই সম্পদ আৱন্তনৰ ক্ষেত্ৰত বেচি গুৰুত্ব পাব লাগে। গ্ৰাম্য বিকাশৰ এই হাবিয়াস চিন্তাধাৰাৰ সমৰ্থকসকলে হয়তো উপেক্ষা কৰে আৰু নহ'লে গ্ৰাম্য আৰু নগৰীয় অৰ্থনীতিৰ ভাগ দুটাক নিজৰ হাতৰ মুঠিত ৰাখে। গতিকে এই চিন্তাধাৰাক নাশ কৰিবলৈ বিকাশৰ এক নতুন নীতিৰ দৰকাৰ। যিয়ে গ্ৰাম্য আৰু নগৰীয় অৰ্থনীতিৰ মাজত সমন্বয়ৰ সেতু গঢ়ি দেশৰ উন্নতিত অৰিহনা যোগাব।

১.৮.২ কৃষি বিকাশ বনাম উদ্যোগীক বিকাশ

কিছুমান অৰ্থনীতিবিদে ক'ব বিচাৰে যে উদ্যোগীকৰণে কৃষিৰ আধুনিকীকৰণৰ জৰিয়তে কৃষিৰ উৎপাদন বৃদ্ধি কৰিব পাৰে। এই নীতিক সাৰোগত কৰি বহুতো উন্নয়নশীল দেশে উন্নত দেশসমূহৰ দৰে বহু খৰচী আৰু জটিল উদ্যোগীক ব্যৱসায় আৰম্ভ কৰিছে। এনে পদক্ষেপে বহু ক্ষেত্ৰত তিক্ত অভিজ্ঞতাৰ সন্মুখীন কৰায় যেতিয়া বিচৰা ধৰণে সুফল পোৱা নাযায়। এই যোজনাসমূহে বিকাশত যি অৰিহনা যোগায় সি অতি নগন্য আৰু বহুক্ষেত্ৰত ই ৰাইজৰ মৌলিক প্ৰয়োজনসমূহ পুৰাব নোৱাৰি নয়ৰ্থক প্ৰভাবহে পেলায়।

আন এটা দিশ হ'ল কৃষিভিত্তিক উন্নয়ন প্ৰথম স্তৰত যেতিয়া প্ৰতি ব্যক্তিৰ গড় আয় কম আছিল তেতিয়া কৃষিয়ে অকলেই বিকাশৰ আহিলা হিচাপে আছিল আৰু সেই কৃষিৰ উৎপাদন বৃদ্ধিয়েই আয় বৃদ্ধি আৰু উদ্যোগীকৰণৰ আধাৰ আছিল। এই নীতিৰ সমৰ্থকসকলে বেছি সম্পদ আৰু উদ্যোগতকৈ কৃষিক বেচি প্ৰাধান্য দিয়াৰ বাবে দাবী জনালে। গতিকে গ্ৰাম্যাঞ্চলত সৰু আৰু কম খৰচী ব্যৱসায় নতুন প্ৰযুক্তিবিদ্যাৰ সৈতে আৰম্ভ কৰা হ'ল। যিয়ে অৰ্থনৈতিক বিকাশত সহায় কৰে।

১.৮.৩ অর্থ বনাম শ্রম বিকাশ

উন্নত দেশৰ কিছুমান অর্থনীতিবিদে মত পোষণ কৰে যে বিকাশৰ প্রধান আধাৰ হ'ল অর্থ। Marrod Domar মডেলটোৱে এই কথাষাহৈ প্রমাণ কৰে। এই আর্হি (মডেল) মতে শ্রম আৰু অর্থ এটা আনটোৰ পৰিপূৰক হ'ব নোৱাৰে। যদি শ্রম বেচি হয় তেন্তে অর্থৰ অভাৱ এটা প্রধান সমস্যাত পৰিণত হ'ব। অর্থৰ ওপৰত নির্ভৰ কৰি হোৱা বিকাশে সঞ্চয় বঢ়োৱা, আয় শ্রমিকৰ পৰা পুঁজিপতিৰ হাতত অর্পণ কৰা, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সংস্থাসমূহক একাধিকাৰ দিয়া, বিদেশী ৰাষ্ট্রৰ ওপৰত নির্ভৰ কৰা, অর্থৰ মূল্য নির্ধাৰণ যেনে— পুঁজিগত বস্তুৰ জৰিয়তে বিদেশী মুদ্রা আহৰণ আদিৰ ওপৰত গুৰুত্ব দিয়ে। এই বিকাশে বহু ওলোটা প্রভাৱো পেলাব পাৰে।

শ্রম ভিত্তিক বিকাশে অর্থতকৈ শ্রমৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰে। যিয়ে বেচি কর্মসংস্থাপনৰ সুবিধা দিয়ে আৰু উৎপাদন কম খৰচী হয়। কিন্তু বিকশিত ৰাষ্ট্রসমূহৰ লগত ফেৰ মাৰিবলৈ অর্থনীতি কেৱল শ্রম ভিত্তিক হ'লেও নহ'ব। গতিকে শ্রম আৰু অর্থভিত্তিক বিকাশৰ মাজত এক মসৃণ সেতু নির্মাণ কৰিব লাগিব।

১.৮.৪ স্বৰাজ বনাম প্রেৰিত বিকাশ

স্বৰাজ বিকাশ হ'ল বিকাশৰ এনে এক স্তৰ য'ত চৰকাৰৰ হস্তক্ষেপ অবিহনেই বিকাশ হৈ থাকে। আনহাতে প্রেৰিত বিকাশ হ'ল যি বিকাশ চৰকাৰৰ দ্বাৰা প্রেৰিত, য'ত চৰকাৰে হস্তক্ষেপ কৰে। কিছুমান বিকাশ সময়ৰ লগে লগে নিজে নিজে হৈ থাকে মানুহৰ নিজৰ আগ্রহৰ বাবে কৰা কামবোৰৰ জৰিয়তে। কিন্তু এই বিকাশে জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰিব নোৱাৰিবও পাৰে। এই কাৰণেই চৰকাৰৰ হস্তক্ষেপ প্রয়োজনীয় হৈ পৰে। বিকাশৰ পৰিকল্পনা এনে এক চৰকাৰৰ হস্তক্ষেপৰ উদাহৰণ যিটো বহুতো উন্নয়নশীল দেশত গ্রহণ কৰা হৈছে। উন্নত দেশসমূহে অর্থনৈতিক বিকাশত চৰকাৰৰ হস্তক্ষেপ যে জৰুৰী সেইটো উপলব্ধি কৰিব পাৰিছে। আমিও এইটো অনুভৱ কৰিব লাগিব যে পৰিকল্পনাই তেতিয়াহে ভাল ফল দিব যেতিয়া স্বৰাজ বিকাশ বেচি সোনকালে আৰু বেচি ভালকৈ হ'ব। বর্তমান এইটো সকলোৰে জ্ঞাত যে বিকাশৰ প্রক্রিয়াটো কেৱল চৰকাৰৰ হাততেই অর্পণ কৰি দিলে নহ'ব, এই ব্যক্তিগত খণ্ড, সমবায় আৰু এন জি অ' সমূহৰো সহায় ল'ব লাগিব। সকলোতকৈ ওপৰত সমাজৰ মানুহৰো সহায় লাগিব। সকলোৰে ঐক্যবদ্ধ প্রচেষ্টাতহে ই সম্ভৱ।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বিকাশৰ অসুবিধাসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ শ্ৰম-অৰ্থ নীতি মানে কি বুজে?

.....

.....

প্ৰশ্ন নং ৫ ঃ উৎপাদনৰ পুঁজি প্ৰধান প্ৰথা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৬ ঃ উৎপাদনৰ শ্ৰম প্ৰধান প্ৰথা বুলিলে কি বুজে?

.....

.....



জানি থোৱা ভাল

- গ্ৰাম্য বিকাশ হ'ল এক বস্তুনিষ্ঠ আৰু গুণগত সলনি, যিয়ে গ্ৰাম্য জীৱনৰ অৱস্থাৰ উন্নতি ঘটায়।
- গ্ৰাম্য বিকাশ এক ব্যাপক আৰু বহুৰূপী বিকাশ।
- গ্ৰাম্য বিকাশৰ কৃষি, কৃষি বিজ্ঞান, সমাজ বিজ্ঞান, স্বাস্থ্য বিজ্ঞান আদিৰ লগত সু-সম্পৰ্ক আছে।
- গ্ৰাম্য বিকাশে প্ৰধানত গ্ৰাম্য জনজীৱনক অধিক গুৰুত্ব দিয়ে।



১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- গ্ৰাম্য উন্নয়ন হ'ল গ্ৰাম্য অঞ্চলৰ উন্নতিৰ বাবে এক সংখ্যাগত আৰু গুণগত প্ৰক্ৰিয়া।
- গ্ৰাম্য উন্নয়নৰ ধাৰণাটো সৰ্বাত্মক আৰু পৰিসৰপূৰ্ণ।
- কৃষি বিজ্ঞান, সমাজ বিজ্ঞান, পৰিচালনা বিজ্ঞান আদিৰ লগত গ্ৰাম্য উন্নয়নৰ এক ওচৰ সম্পৰ্ক আছে।
- গ্ৰাম্য উন্নয়নৰ মুখ্য দৃষ্টি গাওঁৰ দুখীয়া জনসাধাৰণৰ উন্নয়নত।
- যিকোনো দেশৰ উন্নয়নৰ প্ৰক্ৰিয়াটো সদায় কিছুমান সংকটত পৰা দেখা যায়। যেনে- গ্ৰাম্য উন্নয়নৰ বিপৰিতে নগৰ উন্নয়ন, কৃষি উন্নয়নৰ বিপৰিতে উদ্যোগীকৰণ ইত্যাদি।



১.১০ অধিক জানিবলৈ

1) B.N. Ghosh and Rama Ghosh,'Concise History of Economic Thought'. Himalaya Publishing House.
2) H.L.Bhatia, 'History of Economic Thought', Vikas publication.
3) P.K.Dhar ,Indaian Economy , Kalyani Publications.
4) G. Datt and A. Mahajan, Indian Economy, S. Chand.



১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য বিকাশ বুলিলে গ্রাম্য জনজীৱনৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰিবলৈ কৰা এক সর্বাংগীন উন্নয়ন।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য বিকাশৰ দুটা গুৰুত্বপূর্ণ নীতি হ'ল—

(ক) কৃষকক সহযোগ কৰা।

(খ) কৃষিজাত সামগ্রীৰ বিতৰণৰ বাবে স্থানীয় উপায় অৱলম্বন কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিকাশৰ কিছুমান অসুবিধা হ'ল গ্রাম বনাম নগৰীয় বিকাশ, কৃষি বনাম উদ্যোগীক বিকাশ আদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ শ্রম অর্থ নীতি হ'ল বিকাশৰ বাবে যিকোনো এটাক প্রাধান্য দিয়াৰ অসুবিধা।

৫ নং প্রশ্নৰ উত্তৰ ঃ পুঁজি প্রধান প্রক্রিয়া হ'ল উৎপাদন প্রক্রিয়াতকৈ অর্থক বেচি প্রাধান্য দিয়া এক প্রক্রিয়া।

৬ নং প্রশ্নৰ উত্তৰ ঃ শ্রম প্রদান প্রক্রিয়া হ'ল অর্থতকৈ শ্রমক বেচি গুৰুত্ব দিয়া প্রক্রিয়া।



১.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ গ্রাম্য বিকাশৰ পৰিকল্পনা আলোচনা কৰক।

প্রশ্ন ২ ঃ গ্রাম্য বিকাশৰ নীতি আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতৰ গ্ৰামীণ অৰ্থনীতি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতি
২.৪ ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ আকাৰ আৰু গাঁথনি
২.৫ ভাৰতৰ গ্ৰামীণ অৰ্থনীতিৰ ভূমিকা আৰু গুৰুত্ব
২.৬ ভাৰতৰ গ্ৰামীণ অৰ্থনীতিৰ বৈশিষ্ট্য
২.৭ গ্ৰামীণ পশ্চাদপদতাৰ ধাৰণা
২.৮ গ্ৰামীণ পশ্চাদপদতাৰ কাৰক
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্ৰগতিৰ খতিয়ান
২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ আকাৰ আৰু গাঁথনি সম্পৰ্কে জানিব পাৰিব
- ভাৰতত গ্ৰামীণ খণ্ডৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- গ্ৰামীণ পশ্চাদপদতাৰ কাৰকবিলাক ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

ভাৰতখন প্ৰধানত এখন গ্ৰাম্য দেশ, য'ত দুই-তৃতীয়াংশ জনসংখ্যা আৰু ৭০% কৰ্মশক্তি গ্ৰামাঞ্চলত বসবাস কৰে। গ্ৰাম্য অৰ্থনীতিয়ে ৰাষ্ট্ৰীয় উপাৰ্জনৰ ৪৬% গঠন কৰে। নগৰীকৰণ বৃদ্ধি পোৱা সত্বেও দেশখনৰ আধাতকৈও বেছিসংখ্যক জনসাধাৰণ ২০৫০ত গাঁৱত ৰখাৰ পৰিকল্পনা কৰা হৈছে। এনেদৰে গ্ৰামীণ অৰ্থনীতি আৰু জনসংখ্যাৰ অগ্ৰগতি আৰু বিকাশ হৈছে দেশখনৰ সামূহিক উন্নয়নৰ প্ৰধান চৰ্ত। এই অধ্যায়টিত আমি ভাৰতৰ গ্ৰামীণ অৰ্থনীতিৰ আকাৰ আৰু গাঁথনি, ইয়াৰ বৈশিষ্ট্য আৰু গ্ৰামীণ পশ্চাদপদতাৰ বিষয়ে আলোচনা কৰিম।

২.৩ ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতি

পৰম্পৰাগতভাৱে, কৃষি হৈছে গ্ৰামীণ অৰ্থনীতি আৰু গ্ৰামীণ নিয়োগৰ প্ৰধান খণ্ড। কৃষিৰ পৰা হোৱা উপাৰ্জন আৰু ইয়াক বৃত্তি হিচাপে গ্ৰহণ কৰাৰ ফলত দেশখনত কৃষিখণ্ডক অৰ্থনৈতিক বিকাশৰ এটা গুৰুত্বপূৰ্ণ উৎস হিচাপে গণ্য কৰা হয়। অৱশ্যে ভাৰতৰ গ্ৰামীণ অৰ্থনীতিৰ পৰিৱৰ্তনবিলাকক বিশ্লেষণ কৰিবৰ বাবে এতিয়াও বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাই। ভাৰতৰ গ্ৰামীণ অৰ্থনীতি সন্দৰ্ভত কৰা অধ্যয়নত দেখা গৈছে যে কৰ্মসংস্থানৰ ক্ষেত্ৰত গ্ৰামাঞ্চলত কৃষি আৰু অনাকৃষি খণ্ডত লিংগভিত্তিত ব্যাপক নিয়োগ সম্পন্ন হৈছে। ইয়াৰ বিপৰীতে, গ্ৰামীণ অৰ্থনীতিত কৃষিখণ্ডৰ আধিপত্য সম্পৰ্কে থকা ধাৰণাটো লাহে লাহে সলনি হ'বলৈ লৈছে আৰু কৃষি-বহিৰ্ভূত কাম-কাজ সম্পন্ন হ'বলৈ লৈছে। বৰ্তমান গ্ৰামীণ উপাৰ্জনৰ দুই-তৃতীয়াংশ কৃষি-বহিৰ্ভূত কাম-কাজৰ পৰা সম্পন্ন হয়। একেদৰে, আমোদজনকভাৱে দেখা গৈছে যে ভাৰতৰ মূল্য সংযোজিত প্ৰস্তুতকৰণ কাৰ্যৰ আধাতকৈও বেছি অংশ গ্ৰামীণ অঞ্চলত সম্পন্ন হয়। অৱশ্যে কৃষি-বহিৰ্ভূত খণ্ডৰ এই প্ৰভাৱশালী অগ্ৰগতিয়ে দেশখনত নিতৌ সৃষ্টি হৈ থকা কৰ্মক্ষম লোকৰ সংখ্যাৰ তুলনাত সৃষ্টি কৰা নিয়োগৰ পৰিমাণ তাকৰ। ই গ্ৰামীণ অৰ্থনীতিৰ স্থানান্তৰ প্ৰক্ৰিয়াক নিৰ্দেশিত কৰিবৰ বাবে এক নতুন পদক্ষেপৰ প্ৰয়োজনীয়তা প্ৰতিপন্ন কৰে।

ভাৰতৰ গ্ৰামীণ অৰ্থনীতি সামগ্ৰিকভাৱে কৃষিভিত্তিক আৰু ইয়াৰ গুৰুত্ব অপৰিসীম। কিয়নো অন্য ভাৰতীয় উদ্যোগসমূহৰ সৈতে ইয়াৰ যোগান আৰু চাহিদাৰ গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। দেশখনৰ মাটিৰ সাৱঁৰা অৱস্থাই ভাৰতত কৃষিখণ্ডক আকৰ্ষণীয় কৰি তুলিছে। তদুপৰি ভাৰতত গ্ৰামীণ অৰ্থনীতিয়ে সামগ্ৰিক বিকাশৰ লগতে দেশখনৰ সামাজিক অগ্ৰগতিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ভাৰত পূৰ্বৰে পৰা এখন কৃষিপ্ৰধান দেশ আৰু পৌৰাণিক কালত কৃষিয়েই আছিল একমাত্ৰ জীৱিকাৰ উৎস। প্ৰাক-ঐতিহাসিক কালত যেতিয়া কোনো মুদ্ৰাৰ প্ৰচলন নাছিল, সেই সময়ত ভাৰতত লেনদেনৰ বাবে বিনিময় প্ৰথা (Barter System) চলিছিল, অৰ্থাৎ কৃষিজাত সামগ্ৰী অন্য সামগ্ৰীৰ সৈতে সালসলনি কৰা হৈছিল। ভাৰতত কৃষিজাত সামগ্ৰী আৰু পদ্ধতিবিলাক বিভিন্ন ধৰণৰ আৰু এনেকৈয়ে দেশখনত কৃষিজাত সামগ্ৰীৰ বিভিন্নতা প্ৰতিপন্ন হৈছিল। সম্প্ৰতি ভাৰতৰ গ্ৰামীণ অৰ্থনীতি আৰু ইয়াৰ উৎপাদনশীলতাৰ অগ্ৰগতি নিৰ্ভৰ কৰিছে দেশখনৰ গ্ৰামাঞ্চলত বসবাস কৰা ৭০০ নিযুত জনসংখ্যাৰ উন্নয়নৰ ওপৰত। ভাৰতৰ কৃষি অৰ্থনীতি গ্ৰামীণ ভাৰতৰ প্ৰয়োজনীয়তাৰ ওপৰত নজৰ ৰাখি প্ৰস্তুত কৰা হৈছে, যিহেতু দেশখনৰ অধিকাংশ জনসাধাৰণ ইয়াৰ ৬০০,০০০খন ক্ষুদ্ৰ গাঁৱত থাকে। ভাৰততে, মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ১৯% কৃষিখণ্ডৰ পৰা আহে। ভাৰতৰ জনসংখ্যাৰ গ্ৰামীণ অংশটো প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৃষিৰ সৈতে জড়িত। কৃষি মন্ত্ৰ্যালয়, গ্ৰামীণ আন্তঃগাঁথনি মন্ত্ৰ্যালয় আৰু ভাৰতৰ পৰিকল্পনা আয়োগ হৈছে প্ৰধান শাসকীয় সংস্থা, যি ভাৰতীয় অৰ্থনীতিৰ আশাপ্ৰদ উন্নয়নৰ বাবে দেশখনৰ গ্ৰামীণ অৰ্থনীতিৰ সৈতে জড়িত নীতি প্ৰস্তুত আৰু বলবৎ কৰে।

গ্ৰামীণ উপাৰ্জন আৰু নিয়োগৰ খণ্ডভিত্তিক সংমিশ্ৰণ, সিবিলাকৰ সম্পৰ্ক আৰু বিকাশৰ

বাবে সিবিলাকৰ প্ৰয়োগ, সমগ্ৰ খণ্ডবিলাকত হোৱা উপাৰ্জনৰ বৈষম্য হৈছে বৰ্তমান ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ অন্যতম মন কৰিবলগীয়া বিষয়।

ভাৰতৰ গ্ৰামীণ অৰ্থনীতিৰ ভাগ্য নিয়ন্ত্ৰণ কৰা প্ৰধান কৃষিজাত সামগ্ৰীবিলাক তলত দিয়াৰ দৰে ঃ

- **খাদ্য শস্য ঃ** চাউল, ঘেঁহু, দাইল, মটৰ, গোমধান, মাকৈ, যৱধান, চাগু, বজ্ৰা, চয়া শস্য, চুজি, মাটিমাহ, মগুমাহ ইত্যাদি।
- **ফল-মূল আৰু বাদাম ঃ** বিভিন্ন প্ৰকাৰৰ কাজু বাদাম, আমলখি, বিভিন্ন ধৰণৰ শুকান ফল, বাদাম, নাচপতি, আখৰোত, বিভিন্ন ভাৰতীয় বাদাম, নাৰিকল ইত্যাদি।
- **ফল-মূল ঃ** কল, লেচেৰা, চেৰি, তিয়ঁহ, শুকান ফল, গাজৰ, নেমু, চিৰাল, আম, আনাৰস, আপেল, আঙুৰ, কমলা, জামু, অমিতা ইত্যাদি।
- **শাক-পাচলি ঃ** আলু, তিতাকেৰেলা, ধুন্দুলি, ৰঙালাউ, ফুলকবি, বন্ধাকবি, বিলাহী, পিয়াঁজ, জলকীয়া, লেচেৰা মাহ, ভেন্দি, কল, অমিতা, পালেং, তিয়ঁহ, কাঠফুলা ইত্যাদি।
- **বীজ, কলি, গছ আৰু আনুষংগিক উৎপাদন ঃ** মাহজাতীয় শস্য, জিৰা, জালুক, ধনীয়া, নহৰু, আদা, বৰ্ণসংকৰ বীজ, সূৰ্যমুখীৰ বীজ, সৰিয়হ, তেলৰ বীজ, উদ্ভিদজাতীয় খাদ্য সামগ্ৰী, গছ, শাক-পাচলিৰ গুটি, হালধিৰ বীজ ইত্যাদি।
- **মছলা ঃ** জালুক, জলকীয়াৰ গুৰি, ধনীয়াৰ গুৰি, জলকীয়া, পান-মছলা, হালধিৰ গুৰি, জিৰাৰ গুৰি, আঞ্জত দিয়া গুৰি, শুকান আদা, ৰঙা জলকীয়াৰ গুৰি, ইলাচী, নিমখ, পিয়াঁজৰ গুৰি, জালুক, আদা, হালধি ইত্যাদি।
- **চাহ আৰু কফি ঃ** ক'লা চাহ, কফি, কফিৰ গুটি, দাৰ্জিলিঙৰ চাহ, অসমৰ চাহ, তাৎক্ষণিক কফি, পাত কফি, পেকেট কৰা চাহ, সেউজীয়া চাহ, চিটিচি ইত্যাদি।
- **ধঁপাত আৰু ধঁপাতজাতীয় সামগ্ৰী ঃ** বিড়ি, পাণ, তামোল, বিড়িৰ পাত, মলি খোৱা চাধা, চিগাৰেট, জৰ্দা, সুগন্ধি ধঁপাত, হুপি খোৱা খোৱা ধঁপাত, স্নাফ, কানি, পাণ, চাটনি, পাণ-মচলা, গুটখা-জৰ্দা, জাফৰানি জৰ্দা ইত্যাদি।
- কপাহ, ৰবৰ, মৰাপাট ইত্যাদি।

২.৪ ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ আকাৰ আৰু গাঁথনি

ভাৰতৰ অৰ্থনীতিলৈ গ্ৰামীণ অঞ্চলৰ অৱদান ১৯৭০-৭১ৰ পৰা ২০১১-১২লৈ ৰাষ্ট্ৰীয় উপাৰ্জনৰ সৈতে তলৰ তালিকা (২.১)ত দেখুওৱা হৈছে। সৰ্বমুঠ কৰ্মশক্তিৰ ৮৪.১% আছিল গ্ৰামীণ অঞ্চলৰ আৰু তেওঁলোকে ১৯৭০-৭১ত মুঠ ঘৰুৱা উৎপাদন (এনডিপি)ৰ ৬২.৪ শতাংশ উৎপাদন আগবঢ়ায়। একেদৰে ১৯৯৯-০০ পৰ্যন্ত ৰাষ্ট্ৰীয় উপাৰ্জনত গ্ৰাম্যাঞ্চলৰ অৰিহণা হ্ৰাস পাবলৈ ধৰে। দেশৰ মুঠ নিয়োগৰ ক্ষেত্ৰত গ্ৰামাঞ্চলৰ অংশীদাৰিত্ব হ্ৰাস পোৱা পৰিলক্ষিত হয় যদিও ৰাষ্ট্ৰীয় উপাৰ্জনৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ সৈতে গ্ৰামাঞ্চলৰ পৰিৱৰ্তনৰ সংগতি পৰিলক্ষিত হোৱা নাই। ৰাষ্ট্ৰীয় উপাৰ্জনত গ্ৰামাঞ্চলৰ অৰিহণা হ্ৰাস পোৱাৰ সমান্তৰালভাৱে কৰ্মসংস্থানৰ

ক্ষেত্ৰতো দেশখনৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ সৈতে সংগতি স্থাপন কৰিব পৰা গুৰুত্বপূৰ্ণ খণ্ডটো হৈছে গ্ৰামীণ খণ্ড।

তালিকা ২.১ ঃ মুঠ এনডিপি আৰু কৰ্মশক্তিত গ্ৰামাঞ্চলৰ অংশ (শতাংশ হিচাপত)

Year	Economy(NDP)	Workforce
1970-71	62.4	84.1
1980-81	58.9	80.8
1993-94	54.3	77.8
1999-00	48.1	76.1
2004-05	48.1	74.6
2011-12	46.9	70.9

১৯৯৯-০০ পিছত গ্ৰামীণ অৰ্থনীতিৰ বিকাশ ত্বৰান্বিত হয়। ইয়াৰ ফলত দেশৰ মুঠ এনডিপিত গ্ৰামীণ অৰ্থনীতিৰ পৰিমাণ হয়গৈ প্ৰায় ৪৮.১%। ২০০৪-০৫ৰ পৰা ২০১১-১২লৈ দেশৰ মুঠ অৰ্থনীতিৰ বিকাশ বৃদ্ধি পালেও গ্ৰামীণ অৰ্থনীতিৰ অংশ সামান্য হ্ৰাস পায়। আনহাতে, ১৯৯৯-০০ত গ্ৰামীণ অৰ্থনীতিৰ মুঠ কৰ্মশক্তি ৭৬.১%ৰ পৰা ২০১১-১২ত ৭০.৯%লৈ হ্ৰাস পায়। ৰাষ্ট্ৰীয় এনডিপিৰ তুলনাত গ্ৰামীণ অৰ্থনীতিৰ পৰিমাণ মুঠ কৰ্মসংস্থানৰ ক্ষেত্ৰত দ্ৰুত অৱনতি ঘটাৰ ফলত ২০১১-১২ত গ্ৰামীণ কৰ্মসংস্থানৰ পৰিমাণ ২৪%লৈ অৱনমিত হয়। এই পৰিমাণ বিলাকৰ পৰা এই কথা প্ৰতিপন্ন হৈছে যে উপাৰ্জনৰ ক্ষেত্ৰত গ্ৰামীণ অৰ্থনীতিত নগৰীয়া অৰ্থনীতিয়ে আধিপত্য বিস্তাৰ কৰিছে যদিও নিযুক্তিৰ ক্ষেত্ৰত নগৰীয়া অৰ্থনীতিৰ প্ৰভাৰ গ্ৰামাঞ্চলত আঘাতকৈও কম পৰিছে। ইয়াৰ ফলত গ্ৰামীণ আৰু নগৰীয়া অঞ্চলত শ্ৰমিক সৃষ্টিৰ মাজত ব্যাপক ব্যৱধান পৰিলক্ষিত হয়। উপাৰ্জন আৰু নিযুক্তিৰ ক্ষেত্ৰত বিভিন্ন খণ্ডত গ্ৰামাঞ্চলৰ অংশ ৰাষ্ট্ৰীয় অৰ্থনীতিত যথেষ্ট কম দেখা গৈছে। প্ৰায় সকলো কৃষিজাত সামগ্ৰী উৎপাদন কৰাৰ পিছতো গ্ৰামাঞ্চলসমূহে কৃষি বহিৰ্ভূত উপাৰ্জন প্ৰায় এক-তৃতীয়াংশ কৰা পৰিলক্ষিত হয় আৰু দেশৰ নিয়োগৰ ৪৮.৭% কৃষি বহিৰ্ভূত খণ্ডৰ পৰা হোৱা দেখা যায় (তালিকা ২.২)। বিভিন্ন খণ্ডত গ্ৰামাঞ্চলৰ কৃষি বহিৰ্ভূত অৰ্থনীতিৰ পৰা হোৱা অৰিহণাৰ ক্ষেত্ৰত বৃহৎ ব্যৱধান পৰিলক্ষিত হয়।

তালিকা ২.২ ঃ বিভিন্ন খণ্ডত মুঠ এনডিপি আৰু কৰ্মশক্তিত গ্ৰামাঞ্চলৰ অংশ (শতাংশ হিচাপত)

Year	Agriculture		Manufacturing		Construction		Services		Non-agri.	
	NDP	Emp.	NDP	Emp.	NDP	Emp.	NDP	Emp.	NDP	Emp.
1970-71	96.2	96.8	25.8	51.5	43.2	64.6	32.8	42.1	32.4	47.3
1980-81	94.9	95.9	31.8	48.1	45.6	58.8	34.0	41.7	35.0	44.9
1993-94	93.9	95.8	29.8	51.3	45.1	57.2	33.6	42.3	34.8	46.6
1999-00	93.2	96.6	41.6	51.5	43.3	57.6	27.1	40.7	31.8	45.8
2004-05	94.1	96.1	42.5	49.6	45.5	64.4	32.7	41.9	36.7	47.2
2011-12	95.1	95.9	51.3	47.4	48.7	74.6	25.9	39.6	35.3	48.7

Note: Emp.: Employment, Non-agri. Includes manufacturing, construction, services and other sectors

গ্ৰামাঞ্চলৰ অংশীদাৰিত্বৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন পৰিলক্ষিত হয় প্ৰস্তুতকৰণ (manufacturing) খণ্ডত। ১৯৭০-৭১ আৰু ২০১১-১২ৰ মাজত, উপাৰ্জন আৰু প্ৰস্তুতকৰণ খণ্ডত গ্ৰামাঞ্চলৰ অংশ আছিল দুগুণ আৰু গ্ৰামাঞ্চলত প্ৰস্তুতকৰণ খণ্ডৰ উৎপাদন যথেষ্ট আছিল। ২০১১-১২ বৰ্ষত প্ৰস্তুত সামগ্ৰীৰ উপাৰ্জন গ্ৰামাঞ্চলৰ পৰা আছিল ৫১.৩%। অৱশ্যে গ্ৰামাঞ্চলৰ উপাৰ্জনৰ হাৰ এনেদৰে বৃদ্ধি পোৱাৰ ফলত প্ৰস্তুতকৰণ খণ্ডত গ্ৰামাঞ্চলত নিয়োগৰ অংশ বৃদ্ধি পোৱা নাছিল। ইয়াৰ বিপৰীতে, ২০১১-১২ বৰ্ষৰ শেষৰ ফালে প্ৰস্তুতকৰণ খণ্ডত দেশৰ সৰ্বমুঠ নিয়োগৰ প্ৰতি গ্ৰামাঞ্চলৰ অৰিহণা আছিল মাত্ৰ ৪.১%। স্পষ্টভাৱে ক'ব পাৰি যে প্ৰস্তুতকৰণ খণ্ডটো গ্ৰামাঞ্চললৈ স্থানান্তৰিত হৈছিল যদিও নিয়োগ খণ্ডত কোনো চকুত লগা পৰিৱৰ্তন সংঘটিত হোৱা নাছিল। একেখিনি সময়ত গ্ৰামাঞ্চলৰ নিৰ্মাণ খণ্ডৰ উপাৰ্জন আছিল ৫.৫%, যিসময়ত দেশৰ নিয়োগ খণ্ডৰ বৃদ্ধি হৈছিল ১০.০%। পাঁচটা সেৱা খণ্ডৰ ক্ষেত্ৰত, গ্ৰামাঞ্চলত ২০০৪-০৫ৰ পিছত নগৰাঞ্চলৰ তুলনাত যথেষ্ট অৱনতি ঘটা পৰিলক্ষিত হয় আৰু ২০১১-১২ বৰ্ষত দেশৰ সেৱাখণ্ডৰ উপাৰ্জন আছিল ২৫.৯%। এই পৰিৱৰ্তনবিলাকে এই কথাকে প্ৰতিপন্ন কৰিছে যে কম পৰিমাণৰ পৰিশোধ কৰা নিৰ্মাণ কাৰ্যকলাপৰ তুলনাত গ্ৰামাঞ্চলত নিৰ্মাণ খণ্ডত নিয়োগ দ্ৰুতগতিত বৃদ্ধি পাইছিল।

বিভিন্ন সময়ত বিভিন্ন খণ্ডত দেশত উপাৰ্জন আৰু নিয়োগৰ ক্ষেত্ৰত বিস্তৰ ব্যৱধান পৰিলক্ষিত হৈছে, যিটো দেশখনৰ গ্ৰামীণ অৰ্থনীতিৰ পৰিৱৰ্তন সম্পৰ্কে বুজিবৰ বাবে অত্যন্ত আৱশ্যকীয়। তিনিটা বেলেগ বেলেগ সময়ত ১৯৭০-৭১ৰ পৰা ১৯৯৩-৯৪লৈ (যাক সংস্কাৰ-পূৰ্বক সময় বুলি কোৱা হৈছে), ১৯৯৩-৯৪ৰ পৰা ২০০৪-০৫লৈ (যাক সংস্কাৰ পৰৱৰ্তী সময় বুলি কোৱা হৈছে), আৰু ২০০৪-০৫ৰ পৰা ২০১১-১২লৈ (যাক অৰ্থনৈতিক দ্ৰুতগমনৰ সময় বুলি কোৱা হৈছে) এনডিপি আৰু নিয়োগৰ ক্ষেত্ৰত খণ্ডভিত্তিক বিকাশ তালিকা ৩.১ত দেখুওৱা হৈছে আৰু তালিকা ৩.২ত খণ্ডভিত্তিক গাঁথনি দেখুওৱা হৈছে।

তালিকা ৩.২ ঃ গ্ৰামাঞ্চলত বিকাশৰ হাৰ (এনডিপি) (২০০৪-০৫ৰ মূল্যত) আৰু গ্ৰামীণ নিয়োগ (শতাংশ হিচাপত)

Period	Agriculture	Manufacturing	Construction	Services	Non-agriculture	Total
Net Domestic Product (at constant prices)						
1971-94	2.57	5.18	3.94	6.10	5.70	3.72
1994-05	1.87	8.38	7.92	8.55	7.93	5.06
2005-12	4.27	15.87	11.49	3.48	9.21	7.45
Employment (usual status)						
1973-94	1.72	3.55	4.82	4.51	4.22	2.16
1994-05	0.74	2.79	8.32	3.25	3.70	1.45
2005-12	-2.04	0.67	12.09	1.35	3.65	-0.28

১৯৭০-৭১ৰ পৰা ১৯৯৩-৯৪লৈ সময়ছোৱাত কৃষিখণ্ডৰ এনডিপিৰ বাৰ্ষিক বিকাশ আছিল ২.৫৭% আৰু ইয়াৰ বিপৰীতে কৃষি বহিৰ্ভূত খণ্ডৰ বাৰ্ষিক বিকাশ আছিল ৫.৭০% (তালিকা ৩.১)। পৰিমাণস্বৰূপে, গ্ৰামীণ এনডিপিত কৃষিখণ্ডৰ অংশ ১৯৯৩-৯৪ বৰ্ষত ৭২.৪%ৰ পৰা

৫৭%লৈ হ্ৰাস পাইছিল (তালিকা ৩.২)। কৃষি বহির্ভূত খণ্ডৰ মাজত সংস্কাৰপূৰ্বক সময়ছোৱাত, প্ৰস্তুতকৰণ, নিৰ্মাণ আৰু সেৱাখণ্ডত বাৰ্ষিক বিকাশ সম্পন্ন হৈছিল ৫.১৮%, ৩.৯৪% আৰু ৬.১০% আৰু এনডিপিত সিবিলাকৰ অংশ ২%, ২% আৰু ১০%লৈ বৃদ্ধি পায়। সংস্কাৰ পৰৱৰ্তী সময়ছোৱাত (১৯৯৩-৯৪ আৰু ২০০৪-০৫), কৃষিখণ্ডত বিকাশ ১.৮৭%লৈ হ্ৰাস পায়, ইয়াৰ বিপৰীতে কৃষি বহির্ভূত অৰ্থনীতি খণ্ডত ৭.৯৩% বৃদ্ধি পায়। গ্ৰামীণ অৰ্থনীতিত কৃষিখণ্ডৰ অৱনতিৰ ফলত কৃষি বহির্ভূত খণ্ডত অধিক বিকাশ পৰিলক্ষিত হয়, যি গ্ৰামীণ অৰ্থনীতিক পাঁচ শতাংশ ওপৰলৈ নিয়ে, ইয়াৰ বিপৰীতে এই পৰিমাণ আছিল সংস্কাৰপূৰ্বক সময়ছোৱাত ৩.৭২%। এই পৰিৱৰ্তনবিলাকে পৰৱৰ্তী সময়ত গ্ৰামীণ অৰ্থনীতিত কৃষিখণ্ডৰ অংশ হ্ৰাস কৰি ১৯৯৩-৯৪ত ৫৭% আৰু ২০০৪-০৫ত মাত্ৰ ৩৯% কৰেগৈ। এনেদৰে ২০০৪-০৫ বৰ্ষত গ্ৰামীণ অৰ্থনীতি অধিক পৰিমাণে কৃষিভিত্তিক নহৈ কৃষি বহির্ভূত খণ্ডৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। কৃষি বহির্ভূত খণ্ডৰ মাজত সেৱা, প্ৰস্তুতকৰণ আৰু নিৰ্মাণ খণ্ডই ২০০৪-০৫ বৰ্ষত গ্ৰামীণ উপাৰ্জনৰ অংশ ৩৭.৩%, ১১.৫% আৰু ৭.৮% নিশ্চিত কৰে (তালিকা ৩.২)

তালিকা ৩.২ ঃ গ্ৰামাঞ্চলত এনডিপিত বিভিন্ন খণ্ডৰ অংশ আৰু নিয়োগ ঃ ১৯৭০ৰ পৰা ২০১১লৈ

Year	Agriculture	Manufacturing	Construction	Services
		Share in rural NDP (at current prices)		
1970-71	72.4	5.9	3.5	17.1
1980-81	64.4	9.2	4.1	20.6
1993-94	57.0	8.2	4.6	26.8
1999-00	51.4	11.1	5.6	28.6
2004-05	38.9	11.5	7.8	37.3
2011-12	39.2	18.4	10.5	27.0
		Share in rural employment		
1972-73	85.5	5.3	1.4	7.3
1983	83.6	6.2	1.3	8.8
1993-94	78.4	7.0	2.4	11.4
1999-00	76.3	7.4	3.3	12.5
2004-05	72.6	8.1	4.9	13.9
2011-12	64.1	8.6	10.7	15.5

Note: Shares do not sum up to 100 due to exclusion of some minor sectors.

উল্লেখযোগ্য যে ২০০৪-০৫ৰ পৰা ২০১১-১২লৈ সময়ছোৱাত কৃষি বহির্ভূত খণ্ডৰ তুলনাত কৃষিজাত সামগ্ৰীৰ দাম যথেষ্ট বৃদ্ধি পায় আৰু চলিত মূল্যত কৃষিজাত আৰু কৃষি বহির্ভূত খণ্ডৰ বিকাশ আছিল প্ৰায় সমান। সেয়ে চলিত মূল্যত গ্ৰামীণ এনডিপিত কৃষিখণ্ডৰ অংশ পৰৱৰ্তী সময়ত হ্ৰাস পোৱা নাছিল আৰু ২০০৪-০৫ বৰ্ষৰ ওপৰত ২০১১-১২ বৰ্ষত এই পৰিমাণ ৩৯.২%ৰ দৰে উচ্চস্তৰতে আছিল। পৰিণামস্বৰূপে এই সাতটা বছৰত (অৰ্থাৎ ২০০৪-০৫ৰ পৰা ২০১১-১২লৈ) সেৱাখণ্ডৰ অংশ ৩৭.৩%ৰ পৰা ২৭.০%লৈ হ্ৰাস পায় আৰু ইয়াৰ বিপৰীতে গ্ৰামীণ অৰ্থনীতিত প্ৰস্তুতকৰণ খণ্ডৰ অংশ ১১.৪%ৰ পৰা ১৮.৪%লৈ বৃদ্ধি পায় আৰু নিৰ্মাণ খণ্ডত অংশ বৃদ্ধি পায় ৭.৮%ৰ পৰা ১০.৫%লৈ। গ্ৰামীণ অৰ্থনীতিত বিকাশৰ ধৰণ কৃষি বহির্ভূত বিভিন্ন খণ্ডৰ বৈচিত্ৰ্য মন কৰিবলগীয়া বিধৰ আছিল। অৰ্থনৈতিক বিকাশৰ দৃষ্টিকোণৰ

পৰা নিয়োগ খণ্ডতো একেই ধাৰা প্ৰতিফলিত হ'ব লাগিছিল। ৰাষ্ট্ৰীয় পৰিসংখ্যাত উপলব্ধ নিয়োগ সম্পৰ্কীয় বিভিন্ন তথ্যত প্ৰতিফলিত হোৱা ৰাষ্ট্ৰীয় আয়ৰ বিতৰণৰ ছবিখন এইক্ষেত্ৰত মন কৰিবলগীয়া। তালিকা ৩.১ত দেখুওৱা হৈছে যে গ্ৰামীণ নিয়োগ আৰু উপাৰ্জন বেলেগ বেলেগ ধৰণত বিকশিত হৈছে। গ্ৰামীণ নিয়োগৰ ক্ষেত্ৰত দেখা গৈছে সংস্কাৰপূৰ্বক সময়ছোৱাত ২.১৬% বাৰ্ষিক বিকাশৰ হাৰ, যিটো সংস্কাৰ পৰৱৰ্তী সময়ত ১.৪৫%লৈ অৱনমিত হৈছে আৰু অৰ্থনৈতিক দ্ৰুতগমনৰ সময়ত নেতিবাচক (-০.২৮%) হৈছেগৈ। একেখিনি সময়ত উপাৰ্জনৰ বিকাশৰ হাৰ বৃদ্ধি পাইছিল। এনেদৰে, উপাৰ্জনৰ তুলনাত খুব কম নিৰিখত নিয়োগ বৃদ্ধি পাইছিল আৰু ই ২০০৪-০৫বৰ্ষত উপাৰ্জন যথেষ্ট বৃদ্ধি হোৱা সত্বেও হ্ৰাস পোৱা পৰিলক্ষিত হৈছিল। গ্ৰাম্য নিয়োগৰ ক্ষেত্ৰত উপাৰ্জন বৃদ্ধি পোৱা সত্বেও হ্ৰাস পৰিলক্ষিত হোৱাৰ কাৰণটো হৈছে কৃষি বহিৰ্ভূত খণ্ডত কৃষিজাত খণ্ডই এৰি দিয়া কৰ্মশক্তি পৰ্যাপ্ত পৰিমাণে নিয়োজিত হোৱা নাছিল। তালিকা ৩.১ত উপস্থাপিত তথ্যই লগতে এই কথাও দেখুৱাইছে যে গ্ৰামাঞ্চলত নিয়োগৰ স্থিতিস্থাপকতা পাৰ হৈ অহা সময়খিনিত বৃদ্ধি পাইছে আৰু ২০০৪-০৫ বৰ্ষৰ পিছত ই নেতিবাচক স্তৰলৈ অৱনমিত হৈছে। নিয়োগৰ বিকাশৰ গতি এনেদৰে অৱনমিত হোৱাটো গ্ৰামীণ অৰ্থনীতিৰ সক্ষমতাৰ ক্ষেত্ৰত এক গুৰুতৰ বিষয়, যি ক্ৰমবৰ্দ্ধমান উৎপাদনক প্ৰভাৱিত কৰাৰ উপৰি বৃহৎ সংখ্যক কৰ্মশক্তি কৃষিখণ্ডৰ পৰা ওলাই যোৱাটো ৰোধ কৰিব নোৱাৰে। কৃষি বহিৰ্ভূত খণ্ডবিলাকৰ মাজত নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত হোৱা অৱনতিৰ প্ৰভাৱ প্ৰস্তুতকৰণ আৰু সেৱাখণ্ডতো প্ৰতিফলিত হয়; কিন্তু নিৰ্মাণ খণ্ডত সময় পাৰ হোৱাৰ লগে লগে নিয়োগৰ প্ৰসাৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হয়।

২.৫ ভাৰতত গ্ৰামীণ খণ্ডৰ ভূমিকা আৰু গুৰুত্ব

১। **ৰাষ্ট্ৰীয় আয়লৈ অৰিহণা ঃ** বহুতো উন্নত দেশৰ অৰ্থনৈতিক ইতিহাস লক্ষ্য কৰিলে আমি দেখো যে অৰ্থনৈতিক অগ্ৰগতিত কৃষিভিত্তিক সমৃদ্ধিয়ে উল্লেখযোগ্য বৰঙণি যোগায়। এই কথা সত্য যে, আজিৰ আগশাৰীৰ উদ্যোগীকৃত দেশসমূহ এসময়ত কৃষি প্ৰধান আছিল য'ত এতিয়াও উন্নয়নশীল অৰ্থনীতিত কৃষিৰ আধিপত্য চলে আৰু ই ৰাষ্ট্ৰীয় আয়লৈ বৃহৎ অৰিহণা আগবঢ়ায়। ভাৰতত, এতিয়াও ৰাষ্ট্ৰীয় আয়ৰ ২৮% এই খণ্ডৰ পৰা আহে।

২। **খাদ্য যোগানৰ উৎস ঃ** পৃথিৱীৰ প্ৰায় সকলো দেশৰ খাদ্য যোগানৰ প্ৰাথমিক উৎস হৈছে কৃষি— য'ত অনুন্নত, উন্নয়নশীল আনকি উন্নত দেশো আছে। অনুন্নত আৰু উন্নয়নশীল দেশসমূহত জনসংখ্যাৰ ব্যাপক হেঁচাৰ ফলত আৰু ইয়াৰ দ্ৰুত বৃদ্ধিৰ ফলত, খাদ্যৰ চাহিদা দ্ৰুত গতিত বৃদ্ধি পাব ধৰিছে। যদি কৃষিয়ে খাদ্য সামগ্ৰীৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিব নোৱাৰে, তেতিয়া ই দেশখনৰ বিকাশৰ হাৰত ওলোটা প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। কৃষিখণ্ডৰ পৰা সেয়ে বৰ্দ্ধিত খাদ্যৰ যোগানৰ একোখন দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত

অত্যন্ত গুৰুত্ব আছে।

৩। **কেঁচামালৰ পূৰ্ব প্ৰয়োজনীয়তা ঃ** কৃষিভিত্তিক উদ্যোগসমূহৰ বাবে, বিশেষকৈ উন্নয়নশীল দেশসমূহত, কেঁচামালৰ যোগান উন্নত কৰিবৰ বাবে কৃষিৰ অগ্ৰগতি খুবেই প্ৰয়োজনীয়। কৃষিজাত সামগ্ৰীৰ জমাকৰণে ঔদ্যোগিক উৎপাদনৰ ওপৰত প্ৰভাৱ পেলায় আৰু সাধাৰণ মূল্যমানৰ বৃদ্ধিত ইয়াৰ এটা পৰিণাম থাকে। ই একোখন দেশৰ অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আটাৰ মিল, ধান বনা কল, তেল আৰু দাইলৰ মিল, ৰুটী, ঘেঁহু, গাখীৰৰ সামগ্ৰী, চেনিৰ কাৰখানা, পানীয়ৰ কাৰখানা, মৰাপাটৰ মিল, বস্ত্ৰশিল্পৰ মিল আৰু অগণন উদ্যোগ কৃষিজাত সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল।

৪। **আন্তঃগাঁথনি সৃষ্টি ঃ** ঔদ্যেগিক সামগ্ৰী আৰু বাণিজ্যিক খণ্ডৰ বিকাশৰ বাবে আন্তঃগাঁথনি সৃষ্টি কৰাৰ ক্ষেত্ৰত কৃষিখণ্ডৰ উন্নতিৰ বাবে বাট-পথ, বজাৰ, ভঁৰাল, ৰে'লৰ দৰে পৰিবহন, ডাকসেৱা আৰু বহুতো ব্যৱস্থাৰ প্ৰয়োজন হয়।

৫। **মূলধন জমাৰ ক্ষেত্ৰত সকাহ ঃ** কৃষিখণ্ডৰ উন্নতিয়ে উন্নত দেশৰ বিভিন্ন বোজা কমাই দিয়ে, য'ত বিদেশী পুঁজিৰ ভঁৰাল টনকিয়াল কৰাৰ সমস্যা থাকে। যদি বিদেশী পুঁজি অধিক পৰিমাণে জমা হয়, তেনেহ'লে ই আন এটা গুৰুতৰ সমস্যাৰ সৃষ্টি কৰে। কৃষিখণ্ডৰ উন্নয়নৰ বাবে বিদেশী মূলধনৰ প্ৰয়োজন কম আৰু সেয়ে ইয়াৰ দ্বাৰা বিদেশী পুঁজিৰ বৃদ্ধিৰ আশংকা নাথাকে।

৬। **বৈষম্য হ্ৰাস কৰাত সহায়ক ঃ** একোখন কৃষিপ্ৰধান দেশত, য'ত জনসংখ্যাৰ হাৰ অধিক, তাত গ্ৰামীণ আৰু নগৰীয়া অঞ্চলৰ জনসাধাৰণৰ মাজত বৈষম্য প্ৰকট। উপাৰ্জনৰ এই বৈষম্য হ্ৰাস কৰিবৰ বাবে, কৃষিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ দৰকাৰ। কৃষিখণ্ডৰ সমৃদ্ধিয়ে গ্ৰামাঞ্চলৰ লোকসকলৰ উপাৰ্জন বৃদ্ধি কৰে আৰু নগৰাঞ্চলৰ সৈতে থকা উপাৰ্জনৰ বৈষম্য ই যথেষ্ট হ্ৰাস কৰে।

৭। **গণতান্ত্ৰিক দেশবিলাকৰ ওপৰত আধাৰিত ঃ** যদি কৃষিখণ্ড দ্ৰুতগতিত আগনাবাঢ়ে, তেনেহ'লে তাৰ প্ৰতিফলন গণতান্ত্ৰিকভাৱে পৰিচালিত চৰকাৰৰ দ্বাৰা শাসিত জনসাধাৰণৰ স্বাস্থ্যত প্ৰতিফলিত হয়। অৰ্থনৈতিক বিকাশৰ বাবে ৰাজনৈতিক আৰু সামাজিক দুয়োধৰণৰ দুৰ্ভাবনাবিলাক হ্ৰাস কৰা দৰকাৰ। দেশৰ অধিকাংশ জনসাধাৰণ যদি সমৃদ্ধিশালী নহয়, তেনেহ'লে তেনে পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ কৃষিৰ উন্নতি অত্যন্ত সহায়ক। এনেদৰে কৃষিখণ্ডৰ বিকাশ ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপটৰ বাবেও আৱশ্যকীয়।

৮। **ফলপ্ৰসূ চাহিদাৰ সৃষ্টি ঃ** কৃষিখণ্ডৰ বিকাশে কৃষিকৰ্মত জড়িত লোকসকলৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰে, যাৰ ফলত দেশৰ কৃষি বহিৰ্ভূত খণ্ডৰ বিকাশত সহায় হয়। ইয়াৰ ফলত বৰ্দ্ধিত উৎপাদনৰ বাবে একোখন বজাৰ সৃষ্টি হয়, অনুন্নত দেশবিলাকত, এই কথা সকলোৱে জানে যে জনসাধাৰণৰ অধিকাংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু এই লোকসকল উৎপাদিত

সামগ্ৰী উপভোগ কৰিবলৈ সক্ষম হোৱা প্ৰয়োজন।

সেয়ে, কৃষিখণ্ডৰ বিকাশৰ অত্যন্ত গুৰুত্ব আছে। একেদৰে নগদী শস্য (cash crops)ৰ উন্নতিয়ে বিনিময় অৰ্থনীতি (exchange economy)ৰ বিকাশত সহায় কৰে, যাৰ ফলত কৃষি বহিৰ্ভূত খণ্ডৰ বিকাশ সম্ভৱ হৈ উঠে। উদ্যোগজাত সামগ্ৰী যেনে— কীটনাশক, কৃষি সঁজুলি ইত্যাদিৰ ক্ৰয়েও ঔদ্যোগিক বিকাশ ত্বৰান্বিত কৰে।

৯। **মূলধন গঠনৰ প্ৰতি অৰিহণা ঃ** অনুন্নত আৰু উন্নয়নশীল দেশসমূহক অৰ্থনৈতিক বিকাশৰ বাবে বৃহৎ পৰিমাণৰ মূলধনৰ প্ৰয়োজন হয়। অৰ্থনৈতিক উন্নয়নৰ প্ৰাৰম্ভিক পৰ্যায়ত, কৃষিয়েহে মূলধন গঠনৰ গুৰুত্বপূৰ্ণ উৎস হিচাপে কাম কৰে।

তলত দিয়াৰ দৰে বিভিন্ন উপায়েৰে কৃষিখণ্ডই মূলধন গঠনত পুঁজিৰ যোগান ধৰে ঃ

১) কৃষিভিত্তিক কৰাৰোপন।

২) কৃষিজাত সামগ্ৰীৰ ৰপ্তানি।

৩) চৰকাৰৰ দ্বাৰা একোটা কম মূল্যৰ কৃষিজাত সামগ্ৰীৰ সংগ্ৰহ আৰু ইয়াক উচ্চ দামত বিক্ৰী। এই পদ্ধতি ৰাছিয়া আৰু চীনে গ্ৰহণ কৰিছে।

৪) কৰ্মসংস্থান নোহোৱা শ্ৰমিকৰ অধিকাংশ কৃষিত নিয়োজিত হয়, ইয়াক উদ্বৃত্ত বিনিয়োগৰ উৎস হিচাপেও চোৱা হৈছে।

৫) কৃষিৰ পৰা কৃষি বহিৰ্ভূত কাম-কাজলৈ শ্ৰম আৰু মূলধনৰ স্থানান্তৰ, ইত্যাদি।

১০) **গ্ৰামাঞ্চলৰ লোকৰ বাবে কৰ্মসংস্থানৰ সুযোগ ঃ** অনুন্নত আৰু উন্নয়নশীল দেশসমূহত কৃষিয়ে গ্ৰামাঞ্চলত বসবাস কৰা লোকসকলক বৃহৎ পৰিমাণৰ কৰ্মসংস্থানৰ সুযোগ প্ৰদান কৰে। ই জীৱিকাৰ এটা গুৰুত্বপূৰ্ণ উৎস। সাধাৰণতে, ভূমিহীন শ্ৰমিকসকল আৰু প্ৰান্তীয় কৃষকসকল বিভিন্ন কৃষি বহিৰ্ভূত কাম যেনে— হস্তশিল্প, কাঠৰ আচবাব, বস্ত্ৰশিল্প, চামৰাৰ কাম, ধাতুৰ কাম, প্ৰক্ৰিয়াকৰণ উদ্যোগ আৰু অন্য সেৱাখণ্ডৰ কামত নিয়োজিত হৈ থাকে। গ্ৰামাঞ্চলৰ এই গোটবিলাকে স্থানীয় চাহিদাবিলাক পূৰণ কৰি থাকে। ভাৰতত সৰ্বমুঠ শ্ৰমশক্তিৰ প্ৰায় ৭০.৬% কৃষিৰ ওপৰত নিৰ্ভৰশীল।

১১। **ঔদ্যোগিক উপাৰ্জনৰ বাবে বজাৰৰ প্ৰসাৰ ঃ** কৃষিৰ অগ্ৰগতিৰ পৰিমাণস্বৰূপে উদ্যোগজাত সামগ্ৰীৰ বজাৰৰ প্ৰসাৰ ঘটে। কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পোৱাৰ লগে লগে গাঁৱৰ জনসাধাৰণৰ উপাৰ্জন বৃদ্ধি পায়, যাৰ পৰিণতিত উদ্যোগজাত সামগ্ৰীৰ চাহিদা বাঢ়িবলৈ ধৰে, এনেদৰে উদ্যোগখণ্ডৰ বিকাশ সম্ভৱ হৈ উঠে।

ড° ব্ৰাইট সিং (Dr. Bright Singh) ৰ মতে, 'ঔদ্যোগীকৰণ আৰু নগৰীকৰণৰ সৈতে একেলগে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি আৰু গ্ৰামীণ জনসাধাৰণৰ জনমুৰি আয় বৃদ্ধিয়ে, উদ্যোগজাত সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰে।' এনেদৰে, কৃষিখণ্ডই উদ্যোগ খণ্ডৰ



এটা পৰিপূৰক হিচাপে বিকাশৰ নিশ্চয়তা প্ৰদান কৰি অৰ্থনৈতিক উন্নয়নত সহায় কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গ্ৰামীণ অৰ্থনীতি কি?

.....

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ কেইটামান প্ৰধান সামগ্ৰীৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ আকাৰ আৰু গাঁথনি সম্পৰ্কে আলোচনা কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ ভাৰতত গ্ৰামীণ খণ্ডৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

.....

.....

২.৬ ভাৰতৰ গ্ৰামীণ অৰ্থনীতিৰ বৈশিষ্ট্য

ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ কেতবোৰ বৈশিষ্ট্য তলত দিয়া হ'ল ঃ

১। **কৃষিৰ বাণিজ্যিকীকৰণ ঃ** সম্প্ৰতি গ্ৰামীণ অৰ্থনীতিৰ এটা বৃহৎ অংশ মুকলি হৈছে, যি কৃষিখণ্ডৰ বাণিজ্যিকীকৰণক সম্ভৱ কৰি তুলিছে। গ্ৰামীণ অৰ্থনীতিত কৃষিৰ বাণিজ্যিকীকৰণৰ প্ৰসাৰে ইয়াৰ উন্নয়ন নিশ্চিত কৰিছে।

কৃষিৰ বাণিজ্যিকীকৰণত অৰিহণা যোগোৱা প্ৰধান কাৰকবিলাক তলত দিয়াৰ দৰে ঃ

ক) উৎপাদন আৰু উৎপাদনশীতা বৃদ্ধি হোৱাৰ ফলত কৃষিত লাভজনক উপাৰ্জনৰ অংশ বৃদ্ধি পাইছে।

খ) কৃষিৰ কাম-কাজত উন্নত প্ৰযুক্তি ব্যৱহাৰৰ ফলত ইয়াৰ উৎপাদন বৃদ্ধি পাইছে।

গ) পৰিবহন ব্যৱস্থাৰ ব্যাপক প্ৰসাৰ ঘটাত গ্ৰামীণ আৰু নগৰীয়া অঞ্চলৰ মাজত থকা দূৰত্ব হ্ৰাস পাইছে।

ঘ) নিয়ন্ত্ৰিত বজাৰ আৰু সমবায় বিপণনৰ গাঁথনি বিকশিত হোৱাৰ ফলত কৃষকসকলে গাঁৱৰ সুতখোৰ মহাজন আৰু মধ্যস্থতাকাৰীৰ বেহু ভেদ কৰিব পাৰিছে।

২। **নগৰীকৰণৰ প্ৰভাৱৰ অধীনত গ্ৰামীণ সমাজ ঃ** বিগত পাঁচটা দশকত দেখা গৈছে যে ভাৰতৰ গ্ৰামীণ সমাজখনত নগৰীকৰণৰ প্ৰভাৱ পৰিবলৈ লৈছে। নগৰাঞ্চলৰ অধিকাংশ

বিশেষত্ব গ্ৰামীণ সমাজত সংশোধিত অথবা পৰিত্যক্ত হৈছে। ইয়াৰ ফলত এক নতুন নগৰীকৰণ ব্যৱস্থাৰ সৃষ্টি হৈছে, যাক কোৱা হয় গ্ৰামীণ-নগৰীকৰণ।

নগৰীকৰণে যৌথ পৰিয়ালৰ পৰম্পৰা নোহোৱা কৰিছে, ওচৰ-চুবুৰীয়া, আত্মৰন্ত, ব্যক্তিবাদৰ প্ৰসংগ লাহে লাহে হ্ৰাস কৰি আনিছে। নগৰীকৰণে নতুন সামাজিক প্ৰতিষ্ঠানৰো জন্ম দিছে, য'ত পৰম্পৰাগত গ্ৰামীণ গাঁথনি দেখিবলৈ পোৱা নাযায়। লগতে নগৰীকৰণে আধুনিকীকৰণো লৈ আনিছে।

পৰিবহন ব্যৱস্থাৰ উন্নতিৰ ফলত নগৰ আৰু গাঁৱৰ লোকসকলৰ মাজৰ যোগাযোগ বৃদ্ধি পাবলৈ ধৰিছে। একেদৰে যোগাযোগৰ বিভিন্ন উপায় যেনে— ৰেডিঅ', ট্ৰেনজিষ্টৰ, টেলিভিছন আৰু টেলিফোনে দূৰৰ গাঁওবিলাকক চহৰ-নগৰৰ কাষ চপাই আনিছে। গ্ৰামীণ আৰু নগৰাঞ্চলৰ লোকসকলৰ মাজৰ এই বৰ্দ্ধিত যোগাযোগে নগৰীয়া জীৱনৰ মূলসুঁতিৰ সৈতে গ্ৰামাঞ্চলক বিলীন কৰাত আগভাগ লৈছে।

আগতে, গ্ৰামাঞ্চলত উদ্যোগজাত সামগ্ৰীৰ প্ৰয়োজনীয়তা কম আছিল আৰু একেবাৰে প্ৰাথমিক প্ৰয়োজনীয়তাখিনিহে ব্যৱহৃত হৈছিল। অৱশ্যে, এতিয়া পৰিস্থিতি সলনি হৈছে। সম্প্ৰতি ভাৰতৰ গ্ৰামাঞ্চলসমূহত উদ্যোগজাত সামগ্ৰীৰ শক্তিশালী বজাৰ গঢ়ি উঠিছে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, গ্ৰামাঞ্চলসমূহত বহুতো উদ্যোগ প্ৰতিষ্ঠা হ'বলৈ লৈছে, গ্ৰামাঞ্চলত উদ্যোগ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় সম্পদবিলাকৰো অভাৱ নাই। এই পৰিস্থিতিৰ বাবে দুটা কাৰণ উল্লেখ কৰিব পাৰি। প্ৰথমটো হৈছে, নগৰাঞ্চলৰ সৈতে যোগাযোগ বৃদ্ধিয়ে গ্ৰামাঞ্চলৰ লোকসকলৰ মাজত উপভোক্তা সামগ্ৰীৰ প্ৰতি সজাগতা বৃদ্ধি কৰিছে। সেউজ বিপ্লৱৰ ফলত গ্ৰামাঞ্চলৰ লোকসকলৰ উপাৰ্জন বৃদ্ধি পাইছে, যাৰ ফলত উপভোক্তা সামগ্ৰী ব্যৱহাৰৰ বাবে তেওঁলোক উৎসাহিত হৈছে।

দ্বিতীয়তে, নতুন কৃষি প্ৰযুক্তি ব্যৱহাৰৰ ফলত সেউজ বিপ্লৱ সম্ভৱ হৈ উঠিছে। ইয়াৰ ফলত উদ্যোগজাত সামগ্ৰী যেনে সাৰ, যন্ত্ৰপাতি ইত্যাদিৰ যোগান বৃদ্ধি পাইছে। মেৰামতি সেৱা আৰু কাৰখানাৰ চাহিদাও বৃদ্ধি পাবলৈ ধৰিছে, যাৰ ফলত উদ্যোগজাত সামগ্ৰীৰ যোগান ত্বৰান্বিত হৈছে। এনেদৰে, ওপৰত উল্লেখ কৰা কাৰণ দুটাই ভাৰতৰ গ্ৰামাঞ্চলত উদ্যোগজাত সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰিছে।

৩। **প্ৰতিষ্ঠানিক অংশগ্ৰহণ ঃ** স্বাধীনতাৰ পিছত দেশে গ্ৰামাঞ্চলৰ পুনৰ গঠন আৰু বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলত উৎপাদনৰ সৈতে সম্পৰ্ক থকা গুৰুত্বপূৰ্ণ পৰিৱৰ্তনবিলাক সাধন কৰা হৈছে। মধ্যস্থতাকাৰী নোহোৱা কৰা, বিনিয়োগৰ নিৰাপত্তা, ভূ-সম্পত্তিৰ চিলিং ইত্যাদি হৈছে চৰকাৰে সাধন কৰা কেতবোৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন, যি উৎপাদন উন্নত কৰাত অৰিহণা যোগাইছে। এলানি গ্ৰামীণ বিকাশ কাৰ্যক্ৰম হাতত লোৱা

হৈছে। এই কাৰ্যক্ৰমবিলাকে গাঁওবিলাকত আধুনিকীকৰণ সম্ভৱ কৰি তোলাৰ ক্ষেত্ৰতো অৰিহণা যোগাইছে।

২.৭ গ্ৰামীণ পশ্চাদপদতাৰ ধাৰণা

গ্ৰামীণ পশ্চাদপদতা বুলিলে গ্ৰামাঞ্চলৰ দৰিদ্ৰতাকে বুজোৱা হয়, ইয়াত আছে গাঁৱলীয়া সমাজৰ বিভিন্ন কাৰক, গ্ৰামীণ অৰ্থনীতি আৰু দৰিদ্ৰতা বৃদ্ধি কৰা ৰাজনৈতিক ব্যৱস্থা। গ্ৰামীণ পশ্চাদপদতাৰ সৈতে অৰ্থনৈতিক বৈষম্যও সাঙো�ৰ খাই আছে, এই পৰিপ্ৰেক্ষিতত নগৰ আৰু গ্ৰামাঞ্চলৰ মাজৰ ব্যৱধান মন কৰিবলগীয়া। গ্ৰামীণ পশ্চাদপদতা আৰু আৰ্থিক বৈষম্য এই দুয়োটাই এটা বিশ্বজনীন পৰিস্থিতি। কিন্তু সামগ্ৰিকভাৱে দৰিদ্ৰতাৰ দৰে উন্নয়নশীল দেশসমূহত উন্নত দেশৰ তুলনাত গ্ৰামাঞ্চলৰ দৰিদ্ৰতাৰ হাৰ বেছি। ফলপ্ৰসূ নীতি আৰু অৰ্থনৈতিক বিকাশৰ কাৰ্যক্ৰমৰ জৰিয়তে গ্ৰামীণ পশ্চাদপদতা নোহোৱা কৰাটো এতিয়া আন্তৰ্জাতিক সমুদায়ৰ বাবে এটা প্ৰত্যাহ্বান হৈ পৰিছে।

২.৮ গ্ৰামীণ পশ্চাদপদতাৰ কাৰক

১। **জলবায়ুগত কাৰক ঃ** জলবায়ুৰ ফলত উদ্ভৱ হোৱা অৱস্থাবিলাক গ্ৰামীণ পশ্চাদপদতাৰ এটা গুৰুত্বপূৰ্ণ কাৰক হিচাপে পৰিগণিত হৈছে। ভাৰতৰ দৰে দেশৰ উষ্ণ জলবায়ুৱে জনসাধাৰণৰ কাম কৰাৰ ক্ষমতা বিশেষকৈ গ্ৰামাঞ্চলৰ লোকসকলৰ কাম কৰাৰ ক্ষমতা কমাই দিছে, যাৰ ফলত উৎপাদনৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে। একেদৰে সঘনাই হোৱা বানপানী, খৰাং, ভূমিকম্প আৰু ধুমুহাৰ ফলত কৃষিৰ বিস্তৰ ক্ষতি হয়। তদুপৰি, সময় মতে বৰষুণ নোহোৱাৰ ফলত বা অসময়ত অধিক বৰষুণ হোৱাৰ ফলত দেশৰ কৃষি উৎপাদন ক্ষতিগ্ৰস্ত হ'বলগীয়া হয়।

২। **জনগাঁথনিগত কাৰক ঃ** ভাৰতত গ্ৰামীণ পশ্চাদপদতাৰ বাবে তলত দিয়া জনগাঁথনিগত কাৰকবিলাক দায়বদ্ধ ঃ

(ক) জনসংখ্যাৰ দ্ৰুত বৃদ্ধি ঃ জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে গ্ৰামাঞ্চলৰ পশ্চাদপদতা অধিক কৰিছে। ৰাষ্ট্ৰীয় আয়ৰ তুলনাত জনসংখ্যাৰ বৃদ্ধি অধিক হৈছে। এই জনসংখ্যা বৃদ্ধিয়ে কেৱল দৰিদ্ৰতা দূৰীকৰণতে হেঙাৰ হৈ থিয় দিয়া নাই, বৰং জনমুৰি আয়ো হ্ৰাস কৰিছে, যাৰ ফলত দৰিদ্ৰতা বৃদ্ধি পাইছে। জনমূৰি আয় হ্ৰাস পোৱাৰ ফলত দেশৰ দৰিদ্ৰ জনসাধাৰণ অধিক ক্ষতিগ্ৰস্ত হৈছে। দ্ৰুতগতিত জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণে শ্ৰমিকৰ যোগান বৃদ্ধি পাইছে, যাৰ ফলত মজুৰিৰ নিৰিখ কমি গৈছে।

(খ) পৰিয়ালৰ আকাৰ ঃ পৰিয়ালৰ আকাৰ বৃদ্ধি পোৱাটোৱে গ্ৰামীণ দৰিদ্ৰতাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। পৰিয়ালৰ আকাৰ যিমানে বাঢ়ি গৈছে, জনমুৰি আয় সিমানে কমি গৈছে, আৰু দৈনন্দিন জীৱনৰ মানো টুটি আহিছে। যৌথ

পৰিয়াল পদ্ধতিৰ ফলত গ্ৰামাঞ্চলত স্বাস্থ্য আৰু জনমুৰি উপাৰ্জনৰ ভাৰসাম্য বজাই ৰাখিব পৰা গৈছিল।

৩। **ব্যক্তিগত কাৰক ঃ**

(ক) **মনোনিৱেশৰ অভাৱ ঃ** মনোযোগ হ্ৰাস পোৱাৰ ফলত গ্ৰামীণ পশ্চাদপদতা বৃদ্ধি পাইছে। গ্ৰামাঞ্চলৰ কিছুমান লোকে কামৰ প্ৰতি মনোযোগ নিদিয়ে, অথবা কিবা এটা যে উপাৰ্জন কৰিব লাগে, সেই কথাত মনোনিৱেশ নকৰে। ইয়াৰ ফলত গ্ৰামাঞ্চলত দৰিদ্ৰতা বৃদ্ধি পাইছে।

(খ) **অলসতা ঃ** গ্ৰাম্য অনগ্ৰসৰতাৰ আন এক কাৰণ হৈছে গ্ৰাম্যলোকৰ অলসতা আৰু কামৰ প্ৰতি অনীহা অথচ তেওঁলোক দৰিদ্ৰতাত নিমজ্জিত।

৪। **অৰ্থনৈতিক কাৰক ঃ**

(ক) **কৃষিজাত সামগ্ৰীৰ উৎপাদন কম ঃ** দৰিদ্ৰতা আৰু প্ৰকৃত উপাৰ্জন দুয়োটা অংগাংগীভাৱে সম্পৰ্কযুক্ত। গ্ৰামীণ উপাৰ্জন বৃদ্ধি পালে দৰিদ্ৰতাৰ প্ৰকোপ হ্ৰাস পায়। কৃষিখণ্ডৰ প্ৰতি যদি লক্ষ্য কৰা যায়, তেনেহ'লে দেখা যাব যে এতিয়াও অধিকাংশ লোকে কৃষিৰ পৰম্পৰাগত পদ্ধতিকে অনুসৰণ কৰি আছে। কাজেই, কৃষিজাত সামগ্ৰীৰ উৎপাদন গ্ৰামীণ দৰিদ্ৰ অঞ্চলত কম।

(খ) **ভূমি আৰু অন্য সম্পত্তিৰ বিতৰণত বৈষম্য ঃ** ভূমি আৰু অন্য সম্পত্তিৰ বিতৰণৰ ক্ষেত্ৰত থকা বৈষম্যই গ্ৰামাঞ্চলৰ উপাৰ্জনৰ উৎস হ্ৰাস কৰিছে। কিন্তু, দুখজনকভাৱে আমাৰ অৰ্থনীতিত ভূমি আৰু অন্য সম্পত্তিৰ বিতৰণৰ ক্ষেত্ৰত বৈষম্য পৰিলক্ষিত হয়। কাম-কাজৰ বাবে প্ৰয়োজনীয় সম্পত্তিৰ আকাৰভিত্তিক বিতৰণ মাত্ৰ কিছুসংখ্যক কৃষকৰ হাততহে মজুত থকা বাবে গ্ৰামীণ খণ্ডৰ দৰিদ্ৰতা হ্ৰাস পোৱা নাই।

(গ) **গ্ৰামীণ উদ্যোগৰ অৱনতি ঃ** সম্প্ৰতি গ্ৰামাঞ্চলসমূহত নতুন কাৰখানা আৰু উদ্যোগ প্ৰতিষ্ঠা কৰা দেখা গৈছে। কিন্তু গ্ৰামাঞ্চলৰ এই উদ্যোগ আৰু কাৰখানাবিলাকে উৎপাদিত সামগ্ৰীৰ মান আৰু মূল্যৰ ক্ষেত্ৰত প্ৰতিযোগিতাত ফেৰ মাৰিব পৰা নাই। ইয়াৰ পৰিণামস্বৰূপে সেইবিলাক বন্ধ হ'বলগীয়াত পৰিছে। এইবিলাকত কাম কৰা শ্ৰমিকসকল কৰ্মসংস্থানহীন হ'বলৈ বাধ্য হৈছে আৰু এক দৰিদ্ৰ জীৱন যাপন কৰিবলগীয়াত পৰিছে।

(ঘ) **শ্ৰমৰ গতিহীনতা ঃ** শ্ৰমৰ গতিহীনতাৰ বাবেও গ্ৰামীণ দৰিদ্ৰতা বৃদ্ধি পাইছে। যদিও অধিক মজুৰি প্ৰদান কৰা হয়, তথাপি শ্ৰমিকসকলে ঘৰ এৰিবলৈ ইচ্ছা নকৰে। যৌথ পৰিয়াল ব্যৱস্থাই মানুহক ঘৰ-আকলুৱা কৰি তোলে আৰু তেওঁলোকে ঘৰ এৰিব নোখোজে।

গ্ৰামাঞ্চলৰ অধিকাংশ লোক অশিক্ষিত, অজ্ঞ, ৰক্ষণশীল, অন্ধবিশ্বাসী আৰু ভাগ্যবিশ্বাসী। তেওঁলোকে দৰিদ্ৰতাক ঈশ্বৰপ্ৰদত্ত, পূৰ্ব নিৰ্দ্ধাৰিত বুলি ভাবে। এই সকলো কাৰকে ভাৰতৰ গ্ৰামাঞ্চলৰ দৰিদ্ৰতাক বৰ্তাই ৰাখিছে।

(ঙ) **কৰ্মসংস্থানৰ সুযোগৰ অভাৱ ঃ** কৰ্মসংস্থানহীনতা হৈছে দৰিদ্ৰতাৰ প্ৰতিফলন। কৰ্মসংস্থানহীনতাৰ বাবে মানুহ হয় নিবনুৱা হৈ থাকে, অথবা অপৰ্যাপ্ত ৰূপত নিযুক্ত হৈ থাকে। এই নিবনুৱা আৰু পৰ্যাপ্ত সময় এনেয়ে কটাবলগীয়া হোৱা আংশিক বনুৱাসকল হৈছে গ্ৰামাঞ্চলৰ প্ৰান্তীয় কৃষক আৰু ভূমিহীন কৃষি শ্ৰমিক।

৫। **সামাজিক কাৰক ঃ**

(ক) **শিক্ষা ঃ** শিক্ষা হৈছে সামাজিক পৰিৱৰ্তন আৰু ক্ৰমোন্নতিৰ বাহক। স্কুলীয়া শিক্ষা আৰু দৰিদ্ৰতাৰ ওচৰা-উচৰি সম্পৰ্ক আছে আৰু এই দুটাৰ সম্পৰ্ক চক্ৰাকাৰ। শিক্ষা আৰু প্ৰশিক্ষণত একোজন লোকে কৰা বিনিয়োগৰ ফলত উপাৰ্জনৰ সৃষ্টি হয়। কিন্তু এই বিনিয়োগ গ্ৰামাঞ্চলৰ জনসাধাৰণে এৰাই চলে আৰু ফলত গ্ৰামাঞ্চলৰ অধিকাংশ লোকৰ উপাৰ্জনৰ সক্ষমতা নাথাকে।

এনেদৰে লোকসকল দৰিদ্ৰতাৰ গ্ৰাসত পোত গৈ থাকে যিহেতু তেওঁলোকে নিজৰ সক্ষমতা বৃদ্ধি কৰিবৰ বাবে বিনিয়োগ নকৰে আৰু দৰিদ্ৰ লোকসকলে মানৰ মূলধন সৃষ্টিত ধন খটুৱাব নিবিচাৰে।

(খ) **জাতি প্ৰথা ঃ** ভাৰতত জাতি প্ৰথাও গ্ৰামীণ দৰিদ্ৰতাৰ বাবে দায়বদ্ধ। উচ্চবৰ্গৰ লোকৰ দ্বাৰা নিম্নবৰ্গৰ লোকৰ ওপৰত আধিপত্য বিস্তাৰ কৰাৰ ফলত নিম্নবৰ্গৰ লোকসকল দৰিদ্ৰতাত নিমজ্জিত হৈ থাকে। কঠোৰ জাতি প্ৰথাৰ বাবে নিম্নবৰ্গৰ লোকসকলে অৰ্থনৈতিক অগ্ৰগতিত ভাগ ল'ব নোৱাৰে।

একোজন শূদ্ৰই বেহা-বেপাৰ কৰিব নোৱাৰিছিল আৰু কেৱল একোজন বৈশ্যইহে বেহা-বেপাৰ কৰি জীৱিকা অৰ্জন কৰিব পাৰিছিল।

জন্মই একোজন লোকৰ বৃত্তি আৰু অৰ্থনৈতিক ভৱিষ্যৎ নিৰ্দ্ধাৰণ কৰে। কে ভি ভাৰ্গিজে (K.V. Verghese) সঠিকভাৱেই কৈছে, 'জাতি প্ৰথাই জাতিগত শোষণৰ নাগপাশ হিচাপে কাম কৰে, যাৰ পৰিণতিত দেশৰ অধিকাংশ লোক নগণ্যসংখ্যক লোকৰ দ্বাৰা দৰিদ্ৰতাৰ গ্ৰাসলৈ প্ৰক্ষেপিত হয়। প্ৰথমবিধ লোকৰ দৰিদ্ৰতাৰ কাৰণ দ্বিতীয়বিধ।'

(গ) **যৌথ পৰিয়াল প্ৰথা ঃ** যৌথ পৰিয়াল প্ৰথাই ইয়াৰ সদস্যসকলৰ প্ৰতি সামাজিক নিৰাপত্তা প্ৰদান কৰে। কিছুমান লোকে ইয়াৰ সুযোগ গ্ৰহণ কৰে। তেওঁলোক আনৰ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি জীয়াই থাকে। তেওঁলোক এলেহুৱা হৈ পৰে। তেওঁলোকৰ সাধাৰণ জীৱনৰ দৈনন্দিন সূচী কেৱল খোৱা, শোৱা আৰু সন্তান জন্ম দিয়াতে সীমাৱদ্ধ থাকে। এই ধৰণে যৌথ পৰিয়াল প্ৰথাৰ জৰিয়তে দৰিদ্ৰতা বৃদ্ধি পাই গৈ থাকে।

(ঘ) **সামাজিক দস্তুৰ ঃ** গ্ৰামাঞ্চলৰ লোকসকলে বাৰ্ষিক উপাৰ্জনৰ এটা বৃহৎ অংশ বিভিন্ন সামাজিক অনুষ্ঠান যেনে— বিবাহ, শ্ৰাদ্ধ ইত্যাদিত ব্যয় কৰে। ইয়াৰ পৰিণতিত তেওঁলোক ঋণগ্ৰস্ত আৰু দৰিদ্ৰ হয়।

(ঙ) **ক্ৰমবৰ্দ্ধিত ঋণগ্ৰস্ততা ঃ** গ্ৰামাঞ্চলৰ অধিকাংশ লোকে নিজৰ দৈনন্দিন উপভোগৰ ব্যয়ৰ বাবদ সুতখোৱ মহাজন আৰু ভূ-স্বামীৰ পৰা ধন ধাৰলৈ অনাৰ ওপৰত নিৰ্ভৰ কৰে। সুতখোৱ মহাজনবিলাকে ইয়াৰ সুযোগ গ্ৰহণ কৰি দৰিদ্ৰ লোকসকলক শোষণ কৰে, অধিক সুতৰ হাৰ আদায় কৰে আৰু ধন ধাৰলৈ দিয়াৰ বিনিময়ত ভূ-সম্পত্তি বন্ধকত লয়। ঋণগ্ৰস্ত দৰিদ্ৰ কৃষকসকলে এনেকুৱা সুতখোৱ মহাজনৰ হাতো�ৰাৰ পৰা নিজক মুক্ত কৰিব নোৱৰা হয়। তেওঁলোকৰ দৰিদ্ৰতা ঋণগ্ৰস্ততাৰ ফলত দিনে দিনে বাঢ়ি গৈ থাকে। এনেধৰণৰ ঋণগ্ৰস্ত পৰিয়ালসমূহ ধাৰাবাহিকভাৱে দাৰিদ্ৰ্য সীমাৰেখাৰ তলতেই বসবাস কৰিবলগীয়া হয়।



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- ভাৰতৰ গ্ৰামীণ অৰ্থনীতি সামগ্ৰিকভাৱে কৃষিভিত্তিক আৰু ইয়াৰ গুৰুত্ব অপৰিসীম। কিয়নো অন্য ভাৰতীয় উদ্যোগসমূহৰ সৈতে ইয়াৰ যোগান আৰু চাহিদাৰ গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। দেশখনৰ মাটিৰ সাৰুৱা অৱস্থাই ভাৰতত কৃষিখণ্ডক আকৰ্ষণীয় কৰি তুলিছে। তদুপৰি ভাৰতত গ্ৰামীণ অৰ্থনীতিয়ে সামগ্ৰিক বিকাশৰ লগতে দেশখনৰ সামাজিক অগ্ৰগতিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।
- বিগত পাঁচটা দশকত দেখা গৈছে যে ভাৰতৰ গ্ৰামীণ সমাজখনত নগৰীকৰণৰ প্ৰভাৱ পৰিবলৈ লৈছে। নগৰাঞ্চলৰ অধিকাংশ বিশেষত্ব গ্ৰামীণ সমাজত সংশোধিত অথবা পৰিত্যক্ত হৈছে। ইয়াৰ ফলত এক নতুন নগৰীকৰণ ব্যৱস্থাৰ সৃষ্টি হৈছে, যাক কোৱা হয় গ্ৰামীণ-নগৰীকৰণ।
- স্বাধীনতাৰ পিছত দেশে গ্ৰামাঞ্চলৰ পুনৰ গঠন আৰু বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলত উৎপাদনৰ সৈতে সম্পৰ্ক থকা গুৰুত্বপূৰ্ণ পৰিৱৰ্তনবিলাক সাধন কৰা হৈছে। মধ্যস্থতাকাৰী নোহোৱা কৰা, বিনিয়োগৰ নিৰাপত্তা, ভূ-সম্পত্তিৰ চিলিং ইত্যাদি হৈছে চৰকাৰে সাধন কৰা কেতবোৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন, যি উৎপাদন উন্নত কৰাত অৰিহণা যোগাইছে। এলানি গ্ৰামীণ বিকাশ কাৰ্যক্ৰম হাতত লোৱা হৈছে।
- শিক্ষা হৈছে সামাজিক পৰিৱৰ্তন আৰু ক্ৰমোন্নতিৰ বাহক। স্কুলীয়া শিক্ষা আৰু দৰিদ্ৰতাৰ ওচৰা-উচৰি সম্পৰ্ক আছে আৰু এই দুটাৰ সম্পৰ্ক চক্ৰাকাৰ। শিক্ষা আৰু প্ৰশিক্ষণত একোজন লোকে কৰা বিনিয়োগৰ ফলত উপাৰ্জনৰ সৃষ্টি হয়। কিন্তু এই বিনিয়োগ গ্ৰামাঞ্চলৰ জনসাধাৰণে এৰাই চলে আৰু ফলত গ্ৰামাঞ্চলৰ অধিকাংশ লোকৰ উপাৰ্জনৰ সক্ষমতা নাথাকে।

- গ্ৰামীণ পশ্চাদপদতা বুলিলে গ্ৰামাঞ্চলৰ দৰিদ্ৰতাকে বুজোৱা হয়, ইয়াত আছে গাঁৱলীয়া সমাজৰ বিভিন্ন কাৰক, গ্ৰামীণ অৰ্থনীতি আৰু দৰিদ্ৰতা বৃদ্ধি কৰা ৰাজনৈতিক ব্যৱস্থা। গ্ৰামীণ পশ্চাদপদতাৰ সৈতে অৰ্থনৈতিক বৈষম্যও সাঙোৰ খাই আছে, এই পৰিপ্ৰেক্ষিতত নগৰ আৰু গ্ৰামাঞ্চলৰ মাজৰ ব্যৱধান মন কৰিবলগীয়া।
- গ্ৰামীণ পশ্চাদপদতাৰ কাৰকবিলাক হৈছে—জলবায়ুগত কাৰক, জনগাঁথনিগত কাৰক, ব্যক্তিগত কাৰক, সামাজিক কাৰক।



২.১০ অধিক জানিবলৈ

1) B.N. Ghosh and Rama Ghosh,'Concise History of Economic Thought'. Himalaya Publishing House.
2) H.L.Bhatia, 'History of Economic Thought', Vikas publication.
3) P.K.Dhar, Indaian Economy , Kalyani Publications.
4) G. Datt and A. Mahajan, Indian Economy, S. Chand.



২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ গ্ৰামীণ অৰ্থনীতি সামগ্ৰিকভাৱে কৃষিভিত্তিক আৰু ইয়াৰ গুৰুত্ব অপৰিসীম। কিয়নো অন্য ভাৰতীয় উদ্যোগসমূহৰ সৈতে ইয়াৰ যোগান আৰু চাহিদাৰ গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ চাউল, ঘেঁহু, দাইল, মটৰ, গোমধান, মাকৈ, যৱধান, চাগু, বজ্ৰা, চয়া শস্য, চুজি, মাটিমাহ, মগুমাহ ইত্যাদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ অৰ্থনীতিলৈ গ্ৰামীণ অঞ্চলৰ অৱদান ১৯৭০-৭১ৰ পৰা ২০১১-১২লৈ ৰাষ্ট্ৰীয় উপাৰ্জনৰ সৈতে তলৰ তালিকা (২.১)ত দেখুওৱা হৈছে। সৰ্বমুঠ কৰ্মশক্তিৰ ৮৪.১% আছিল গ্ৰামীণ অঞ্চলৰ আৰু তেওঁলোকে ১৯৭০-৭১ত মুঠ ঘৰুৱা উৎপাদন (এনডিপি)ৰ ৬২.৪ শতাংশ উৎপাদন আগবঢ়ায়। একেদৰে ১৯৯৯-০০ পৰ্যন্ত ৰাষ্ট্ৰীয় উপাৰ্জনত গ্ৰাম্যাঞ্চলৰ অৰিহণা হ্ৰাস পাবলৈ ধৰে। দেশৰ মুঠ নিয়োগৰ ক্ষেত্ৰত গ্ৰামাঞ্চলৰ অংশীদাৰিত্ব হ্ৰাস পোৱা পৰিলক্ষিত হয় যদিও ৰাষ্ট্ৰীয় উপাৰ্জনৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ সৈতে গ্ৰামাঞ্চলৰ পৰিৱৰ্তনৰ সংগতি পৰিলক্ষিত হোৱা নাই। ৰাষ্ট্ৰীয় উপাৰ্জনত গ্ৰামাঞ্চলৰ

অৰিহণা হ্ৰাস পোৱাৰ সমান্তৰালভাৱে কৰ্মসংস্থানৰ ক্ষেত্ৰতো দেশখনৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ সৈতে সংগতি স্থাপন কৰিব পৰা গুৰুত্বপূৰ্ণ খণ্ডটো হৈছে গ্ৰামীণ খণ্ড।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় আয়লৈ অৰিহণা, খাদ্য যোগানৰ উৎস, কেঁচামালৰ পূৰ্ব প্ৰয়োজনীয়তা, আন্তঃগাঁথনি সৃষ্টি, মূলধন জমাৰ ক্ষেত্ৰত সকাহ, বৈষম্য হ্ৰাস কৰাত সহায়ক, গণতান্ত্ৰিক দেশবিলাকৰ ওপৰত আধাৰিত, ফলপ্ৰসূ চাহিদাৰ সৃষ্টি, মূলধন গঠনৰ প্ৰতি অৰিহণা।



২.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় গ্ৰামীণ অৰ্থনীতিৰ বৈশিষ্ট্যবিলাক আলোচনা কৰক।

প্ৰশ্ন ২ ঃ গ্ৰামীণ পশ্চাদপদতাৰ কাৰকবিলাকৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ গ্রামীণ বিকাশৰ পদক্ষেপ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ সমূহীয়া বিকাশৰ অর্থ আৰু বৈশিষ্টৰাজি
৩.৪ সমূহীয়া বিকাশৰ কার্যক্রম
৩.৫ গ্রামীণ বিকাশৰ বাবে গান্ধীবাদী পদক্ষেপ
৩.৬ মহাত্মা গান্ধীৰ মতে গ্রামীণ বিকাশৰ বিভিন্ন নীতি
৩.৭ গ্রামীণ বিকাশৰ অর্থ
৩.৮ গ্রামীণ বিকাশৰ বিষয়সমূহ
৩.৯ ভাৰতত গ্রামীণ বিকাশৰ নির্দিষ্ট পৰামর্শৱলী
৩.১০ নগৰীয়া বিকাশৰ অর্থ
৩.১১ ভাৰতত নগৰীকৰণৰ কাৰকসমূহ
৩.১২ নগৰীয়া নিযুক্তিৰ সৈতে জড়িত সমস্যা আৰু বিষয়সমূহ
৩.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.১৪ অধিক জানিবলৈ
৩.১৫ অগ্রগতিৰ খতিয়ান
৩.১৬ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- সমূহীয়া বিকাশৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সমূহীয়া বিকাশৰ বৈশিষ্ট্যৰাজি উল্লেখ কৰিব পাৰিব
- সমূহীয়া বিকাশৰ অধীনত গ্রহণ কৰা কার্যক্রমসমূহ ব্যাখ্যা কৰিব পাৰিব
- সমূহীয়া বিকাশৰ বাবে গান্ধীবাদী পদক্ষেপসমূহ বুজিব পাৰিব
- নগৰীয়া বিকাশৰ অর্থ আৰু কাৰকবিলাক বুজিব পাৰিব
- নগৰীয়া নিযুক্তিৰ সৈতে জড়িত সমস্যা আৰু বিষয়বিলাক বুজিব পাৰিব।

৩.২ পৰিচয়

আমি ইতিমধ্যে আলোচনা কৰিছো যে বর্তমান সময়ত ভাৰতবর্ষত আটাইতকৈ গুৰুত্বপূর্ণ বিষয়টো হৈছে গ্রাম্য উন্নয়ন। ভাৰতবর্ষত গ্রাম্য উন্নয়নৰ বিভিন্ন ধাৰা আছে যেনে — সামূহিক

উন্নয়ন ধাৰা, গান্ধীয়ান ধাৰা ইত্যাদি বিষয়বোৰ আমি এই অধ্যায়টিত আলোচনা কৰিম। এই অধ্যায়টিত আমি চহৰ উন্নয়ন আৰু ইয়াৰ লগত জড়িত অন্যান্য দিশ কিছুমানো আলোচনা কৰিম।

৩.৩ সমূহীয়া বিকাশৰ অর্থ আৰু বৈশিষ্টৰাজি

সমূহীয়া বিকাশ (community development)ত এটা ধাৰাবাহিক প্রক্রিয়া নিহিত হৈ থাকে, য'ত সমূহৰ সদস্যসকল একেলগে আগবাঢ়ি আহে আৰু উমৈহতীয়া সমস্যা সমাধানৰ বাবে সমূহীয়া পদক্ষেপ গ্রহণ কৰে। সমূহৰ মংগলৰ জৰিয়তে যিকোনো ধৰণৰ সমস্যা সেয়া অর্থনৈতিক, সামাজিক, পৰিৱেশগত আৰু সাংস্কৃতিক, যিয়েই নহওঁক, সমাধান কৰিব পৰা যায়। সমূহীয়া বিকাশৰ জৰিয়তে একোটা ক্ষুদ্র গোটৰ পৰিসৰত কিছুমান ক্ষুদ্র প্রচেষ্টা চলোৱা হয়, আনহাতে বৃহৎ সমূহৰ জৰিয়তে বৃহৎ প্রচেষ্টা সম্পন্ন কৰা হয়।

ফলপ্রসূ সমূহীয়া বিকাশৰ বৈশিষ্ট্য হৈছে এটা সুপৰিকল্পিত দীর্ঘম্যাদী প্রক্রিয়া, যাৰ জৰিয়তে সমূহৰ সদস্যসকলৰ বিকাশ আৰু সমাজৰ পৰিৱর্তন সাধনৰ প্রচেষ্টা চলোৱা হয়। সমূহীয়া বিকাশ হৈছে এটা তৃণমূল পর্যায়ৰ প্রক্রিয়া, যাৰ সংশ্লিষ্ট সমুদায়ৰ ওপৰত এটা ইতিবাচক প্রভাৱ থাকে। এই সমুদায়ত জড়িত হৈ থকা সদস্যসকল সুসংগঠিত ৰূপত একেলগ হৈ থাকে আৰু তেওঁলোক পৰস্পৰে পৰস্পৰৰ প্রতি দায়ৱদ্ধ হোৱাৰ লগতে ইজনে আনজনক শক্তিমন্ত কৰে। ইয়াৰ ফলত দৰিদ্রতা হ্রাস পায় আৰু এনেকৈয়ে নিয়োগৰ সুবিধাসমূহ সৃষ্টি হোৱাৰ লগতে বিভিন্ন সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু পৰিৱেশগত লক্ষ্যত উপনীত হোৱাত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সমূহীয়া বিকাশ বুলিলে আপুনি কি বুজে?

.....

.....

প্রশ্ন নং ২ ঃ সমূহীয়া বিকাশৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৩.৪ সমূহীয়া বিকাশৰ কার্যক্রম

গাঁৱত বসবাস কৰা সকলো লোকৰ পৰিৱর্তন সাধন কৰিবৰ বাবে সমূহীয়া বিকাশৰ প্রকল্পত এলানি কার্যক্রম সামৰি লোৱা হয়। এই কার্যক্রমসমূহৰ ভিতৰত আছে ঃ

১। **কৃষিৰ উন্নতি ঃ** সমূহীয়া বিকাশৰ লক্ষ্য হৈছে কৃষিখণ্ডৰ উন্নতি সাধন কৰা। ইয়াৰ জৰিয়তে কৃষকসকলক উন্নত বীজ আৰু উন্নত জলসিঞ্চন ব্যৱস্থা প্রদান কৰা হয়। লগতে কৃষকসকলৰ

অন্যান্য প্রয়োজনীয়তাবিলাকো পূৰণ কৰা হয়। কেৱল কৃষিখণ্ডৰ উন্নতি সাধন কৰাৰ জৰিয়তেহে আমাৰ গাঁৱলীয়া সমাজৰ উন্নতি সাধন কৰাটো সম্ভৱ।

২। **যোগাযোগৰ উন্নতি ঃ** সমূহীয়া বিকাশৰ প্রকল্পৰ আন এটা উদ্দেশ্য হৈছে নতুন বাট-পথ নির্মাণ কৰি যাতায়াত আৰু যোগাযোগৰ সুবিধা উন্নত কৰি তোলা। ইয়াৰ ফলত গ্রামীণ অৱস্থাৰ উন্নতি সাধন হয় আৰু এঠাইৰ পৰা আন ঠাইলৈ সহজে অহা-যোৱা কৰাৰ সুবিধা কৰিব পৰা যায়। ইয়াৰ ফলত গ্রামীণ অঞ্চলসমূহত যোগাযোগ আৰু যাতায়াতৰ ব্যৱস্থা উন্নত হয়।

৩। **শিক্ষাৰ উন্নতি ঃ** শিক্ষাৰ অধিকাৰ আইনে ৬ৰ পৰা ১৪ বছৰৰ সকলো ল'ৰা-ছোৱালীৰ বাবে মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা নিশ্চিত কৰিছে। শিক্ষা উপলব্ধ কৰোৱাবৰ বাবে বিভিন্ন ধৰণৰ কেন্দ্রও স্থাপন কৰা হৈছে। এই উদ্দেশ্যে সমাস্তৰালভাৱে পুঁথিভৰাল আৰু পঢ়া কোঠাও পাতি দিয়া হৈছে।

৪। **স্বাস্থ্য সেৱাৰ উন্নতি ঃ** সমূহীয়া বিকাশ প্রকল্পৰ আন এটা উদ্দেশ্য হৈছে গাঁও অঞ্চলত বসবাস কৰা লোকসকলৰ স্বাস্থ্যৰ উন্নতি সাধনৰ বাবে স্বাস্থ্যসেৱা প্রদান কৰা। চিকিৎসাজনিত সেৱাসমূহ প্রদান কৰাৰ লগতে গ্রামাঞ্চলৰ লোকসকলক প্রসূতি আৰু শিশুৰ বাবে প্রয়োজনীয় স্বাস্থ্যসেৱাৰো সুবিধা দিয়া হয়।

৫। **নিয়োগৰ সুবিধা ঃ** গ্রাম্য সমাজবিলাকৰ প্রাথমিক বৈশিষ্ট হৈছে কর্ম-সংস্থানহীনতা আৰু অপর্যাপ্ত কর্মসংস্থানৰ সুবিধা। একমাত্র কৃষি পদ্ধতিৰ ওপৰতে নির্ভৰশীল হোৱাৰ বাবে এনেকুৱা হৈছে, কিয়নো কৃষি বতৰ অনুসৰিহে কৰা হয়। এনেদৰে ক্ষুদ্র আৰু কুটীৰ শিল্পবিলাক সমূহীয়া বিকাশ কার্যক্রমৰ অধীনত গঠন কৰ হয়, যাৰ জৰিয়তে আত্মনির্ভৰশীলতাৰ সৃষ্টি হয়।

৬। **গৃহ নির্মাণৰ সুবিধা ঃ** সমূহীয়া বিকাশ কার্যক্রমৰ আন এটা লক্ষ্য হৈছে উন্নত গৃহ নির্মাণৰ সুবিধা প্রদান কৰা। ইয়াৰ জৰিয়তে গ্রামাঞ্চলত স্বাস্থ্যসন্মতভাৱে বসবাস কৰাৰ প্রাথমিক সুবিধাৰাজি প্রদান কৰা হয়।

৭। **সামাজিক কল্যাণৰ কাম-কাজ ঃ** সামাজিক কল্যাণৰ কাম-কাজৰ জৰিয়তে আজৰি সময়খিনি ভালদৰে কটাবলৈ, নাৰী শিক্ষাৰ ব্যৱস্থা প্রৱর্তন কৰিবলৈ, সমূহীয়া বিকাশ প্রকল্পৰ অধীনত চেষ্টা চলোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমূহীয়া বিকাশৰ কেইটামান কার্যক্রম উল্লেখ কৰক।

.....

.....

৩.৫ গ্রামীণ বিকাশৰ বাবে গান্ধীবাদী পদক্ষেপ

মহাত্মা গান্ধীয়ে কৈছিল, 'ভাৰতখন ছাৰে সাত লাখ গাঁৱেৰে জীয়াই আছে।' ভাৰতৰ গ্রামীণ বিকাশৰ বাবে তেওঁৰ এটা বাস্তৱসন্মত পদক্ষেপ আছিল। লগতে তেওঁ বিশ্বাস কৰিছিল, 'যদি গাঁওবোৰ ধ্বংস হয়, ভাৰতখনেই ধ্বংস হৈ যাব।' গান্ধীয়ে সত্য, অহিংসা, নৈতিকতা আৰু আধ্যাত্মিক প্রমূল্যৰ ওপৰত গুৰুত্ব দিছিল। গ্রামীণ বিকাশৰ লক্ষ্য হৈছে গ্রামীণ অর্থনীতি, বিশেষকৈ কৃষি আৰু আগবঢ়া উদ্যোগখণ্ডৰ উন্নতি সাধনৰ লগতে কুটীৰ আৰু ক্ষুদ্র উদ্যোগসমূহত গুৰুত্ব আৰোপ কৰি দক্ষতা বিকাশৰ জৰিয়তে গ্রামীণ খণ্ডত অর্থনৈতিক উন্নতি সাধন কৰা।

ইয়াৰ প্রধান উদ্দেশ্য হৈছে গ্রামীণ অর্থনীতিত নিয়োগৰ সৃষ্টি কৰা যাতে, ইয়াৰ বিনিময়ত গাঁও অঞ্চলৰ লোকসকলৰ জীৱনৰ মান উন্নত কৰিব পৰা যায়। গ্রামীণ অর্থনীতিৰ ক্ষেত্রত মহাত্মা গান্ধীয়ে এটা আদর্শ পদ্ধতি আগবঢ়াইছে। এটা আদর্শ সামাজিক শৃংখলাৰ বাবে গান্ধীজীৰ ধাৰণাক নাম দিয়া হৈছে 'ৰাম ৰাজ্য'। গান্ধীজীৰ মতে ৰাম ৰাজ্য হৈছে জনসাধাৰণৰ সার্বভৌমত্ব, যিটো নৈতিক কর্তৃপক্ষৰ ওপৰত নির্ভৰ কৰে। ইয়াত ৰামক এজন ৰজা হিচাপে চোৱা নাই আৰু জনসাধাৰণক তেওঁৰ প্রজা হিচাপে গণ্য কৰা হোৱা নাই। 'ৰাম'ক এজন ঈশ্বৰ হিচাপে গণ্য কৰা হৈছে, যি ঈশ্বৰৰ অর্থ হৈছে, গান্ধীবাদী আদর্শ অনুসৰি, ব্যক্তিৰ ভিতৰৰ বাকশক্তি (inner voice)। গান্ধীজীয়ে এটা সামাজিক শৃংখলাক বিশ্বাস কৰিছিল যাৰ প্রকৃতি গণতান্ত্রিক, য'ত জনসাধাৰণেই সর্বোচ্চ আৰু এই সর্বোচ্চতা নির্ভৰ কৰে নৈতিক প্রমূল্যৰ ওপৰত।

৩.৬ মহাত্মা গান্ধীৰ মতে গ্রামীণ বিকাশৰ বিভিন্ন নীতি

গ্রামীণ অর্থনীতিৰ গান্ধীবাদী পদক্ষেপৰ ভিত্তি হৈছে ন্যাসৰ দায়িত্ব (Trusteeship), স্বদেশী, পূর্ণ নিয়োগ, খাদ্য শ্রম, আত্ম যথার্থতা, বিকেন্দ্রীকৰণ, সমতা ইত্যাদি। এনেদৰে এখন আদর্শ গাঁৱৰ বাবে থকা গান্ধীজীৰ ধাৰণাটো সম্পূর্ণৰূপে উপলব্ধিৰ ওপৰত নির্ভৰশীল, যি বিভিন্ন অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু শিক্ষাগত পৰিসৰ সামৰি লৈছে আৰু এখন আদর্শ গাঁও প্রতিষ্ঠাত সহায় কৰে। সকলো দিশতে গান্ধীজীয়ে মানৰ জীৱনক প্রধান উপাদান সত্য আৰু অহিংসাৰে আলোকিত কৰিছে।

১। আদর্শ গাঁও ঃ গান্ধীবাদী আদর্শৰ প্রধান উদ্দেশ্য হৈছে গাঁৱৰ সামাজিক শৃংখলাৰ ওপৰত আলোকপাত কৰা। গান্ধীজীৰ মতে একোখন আদর্শ গাঁও পূর্ব-বৃটিছ আমোলৰ বিদেশী আধিপত্যৰ অধীনস্থ গাঁও। ইয়াত ভাৰতৰ গাঁওবিলাক ফেডাৰেছনৰ অংশ, যাৰ স্বায়ত্বশাসিত শাসন প্রণালী থাকে।

গান্ধীজীৰ মতে, প্রতিখন গাঁৱেই স্বেচ্ছাই ফেডাৰেছনৰ অংশ হ'ব খোজে। কেন্দ্রীয় কর্তৃত্বই বিভিন্ন গাঁৱৰ শাসন প্রণালীক সহযোগিতা কৰিব আৰু শিক্ষা, প্রাথমিক উদ্যোগ, স্বাস্থ্য, মুদ্রা, বেংকসেৱা ইত্যাদিৰ ক্ষেত্রত তত্বাৱধান লোৱাৰ লগতে বিভিন্ন কাম-কাজ সম্পন্ন কৰিব আৰু কেন্দ্রীয় কর্তৃত্বই ইবিলাকৰ তদাৰকী কৰিব।

কেন্দ্রীয় কর্তৃত্বৰ সিদ্ধান্তবিলাক গাঁৱৰ শাসন প্রণালী (গণৰাজ্য)ৰ ওপৰত বলপূর্বক জাপি দিব নোৱাৰিব। অৱশ্যে গাঁৱৰ 'গণৰাজ্যিক' (republican) বৈশিষ্ট্যবিলাক বৃটিছে প্রৱর্তন কৰা যাতায়াত আৰু অর্থনৈতিক গাঁথনিয়ে ভাঙি তচনচ কৰিলে।

গান্ধীজীয়ে লক্ষ্য কৰিছিল যে পুৰণি কালত ৰাজতন্ত্রই শোষণ আৰু নিষ্ঠুৰতা চলাইছিল। কিন্তু, গান্ধীবাদী পদক্ষেপৰ প্রেক্ষাপটত একোখন ভাৰতীয় গাঁৱে কোনোধৰণৰ নিষ্ঠুৰতা আৰু শোষণ-বঞ্চনা নোহোৱাকৈ, প্রাচীন গণৰাজ্য হিচাপে কাম কৰে, যি একোটা আদর্শ গোট হিচাপে সেৱা আগবঢ়ায়।

২। বিকেন্দ্রীকৰণ ঃ গান্ধীজীয়ে দৃঢ়তাৰে বিশ্বাস কৰিছিল যে সামাজিক আৰু ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্রীকৰণ হৈছে গাঁৱৰ গণৰাজ্য নির্মাণৰ আধাৰ। ইয়াত প্রধান সিদ্ধান্ত গ্রহণকাৰী ক্ষমতা ৰাষ্ট্র আৰু ৰাষ্ট্রীয় ৰাজধানীৰ হাতত নাথাকে। কিন্তু গাঁও পঞ্চায়তৰ হাতত থাকে। প্রতিনিধিসকল নির্বাচিত হ'ব আৰু তেওঁলোকে এখন পৰিষদ (কাউঞ্চিল) গঠন কৰিব, যাক পঞ্চায়ত বুলি কোৱা হ'ব আৰু পাঁচ বছৰৰ বাবে ই কাম কৰিব।

পঞ্চায়তে সকলো বিধিগত, কার্যকৰী আৰু নীতি-নিয়ম সম্পর্কীয় বিষয়ৰ তত্বাৱধান ল'ব। প্রধান গুৰুত্ব আৰোপ কৰিব লাগিব গাঁৱৰ শিক্ষা, স্বাস্থ্য আৰু অনাময় ব্যৱস্থাৰ ওপৰত। দৰিদ্র লোকসকল, বিশেষকৈ 'অস্পৃশ্য'সকলৰ সুৰক্ষা আৰু উন্নতিৰ বাবে পঞ্চায়তসমূহ দায়ৰদ্ধ থাকিব। লগতে গাঁৱৰ লোকসকলৰ সম্পদৰাজিৰ পৰাই তেওঁলোকৰ উন্নতিৰ বাবে বিভিন্ন কাম-কাজ সম্পন্ন কৰিব লাগিব।

আকৌ, বিভিন্ন ধৰণৰ সংঘাত আৰু বিবাদ গাঁৱৰ পৰিসৰৰ ভিতৰতে সমাধা কৰিব লাগিব। গাঁৱৰ লোকসকলৰ মাজত নৈতিক আৰু আধ্যাত্মিক প্রমূল্যৰ গুৰুত্ব প্রচাৰ আৰু প্রসাৰ কৰাৰ ক্ষেত্রত পঞ্চায়তে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব লাগিব। নিজৰ কাম-কাজবিলাক সম্পন্ন কৰাৰ উপৰি গাঁওখনক যিকোনোধৰণৰ দখলৰ বিৰুদ্ধে শান্তিপূর্ণ আৰু অহিংস পদ্ধতিৰে প্রতিৰক্ষা দিয়াৰ দায়িত্ব পালন কৰিবলৈ এদল স্বেচ্ছাসেৱী প্রস্তুত কৰিব লাগিব।

৩। আত্ম-যথার্থতা (Self-sufficiency) **ঃ** গাঁৱ স্তৰত আত্ম-যথার্থতা মানে হৈছে এটা পূর্ব প্রয়োজনীয়তা, যাৰ জৰিয়তে একোটা বিকেন্দ্রীকৃত অর্থনীতি আহৰণ কৰিব পৰা যায়। গাঁওখনে প্রয়োজন হোৱা খাদ্য, বস্ত্র আৰু অন্যান্য আৱশ্যকতাবিলাক পূৰণ কৰিবৰ বাবে আত্মনির্ভৰশীলতা অর্জন কৰিব লাগিব। গাঁৱত উৎপন্ন নোহোৱা কোনো বস্তুকে আনৰ পৰা কাহানিও আমদানি কৰিব নালাগিব।

খাদ্য-শস্য আৰু কপাহৰ উৎপাদনত গাঁওখন আত্ম-যথার্থ হ'ব লাগিব। গাঁৱৰ মাটিবিলাক ঘাঁহ খাবলৈ গৰুৰ মাজত আৰু উমৈহতীয়া খেলপথাৰৰ বাবে প্রাপ্তবয়স্ক আৰু শিশুৰ মাজত বিতৰণ কৰিব লাগিব। তদুপৰি, নগদী শস্য যেনে— ধঁপাত, কানি ইত্যাদি উৎপাদন কৰিব লাগিব যাতে সামগ্রীৰ সলনি সামগ্রী ব্যৱহাৰ হোৱা বিনিময় প্রথাত সেইবিলাক ব্যৱহাৰ কৰিব পৰা যায়।

গাঁৱৰ সকলো প্ৰাপ্তবয়স্ক লোককে কৰ্ম সংস্থান দিয়াৰ ব্যৱস্থা থাকিব লাগিব, যাতে কোনো লোকেই নগৰলৈ যাবলৈ বাধ্য নহয়। আত্মনিৰ্ভৰশীল গাঁৱৰ গান্ধীবাদী ধাৰণাত শাৰীৰিক পৰিশ্ৰমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। গান্ধীজীৰ মতে প্ৰতিজন লোকেই নিজৰ ৰুটী উৎপন্ন কৰিবলৈ কিছু শাৰীৰিক শ্ৰম কৰিবই লাগিব। শাৰীৰিক পৰিশ্ৰমে নৈতিক শৃংখলা আৰু মানসিক বিকাশ বৃদ্ধি হোৱাত সহায় কৰিব পাৰে। গান্ধীজীয়ে কৈছিল, 'যদি সকলোৱে নিজৰ ৰুটীৰ বাবে শ্ৰম কৰে, তেনেহ'লে পৰ্যাপ্ত খাদ্য থাকিব আৰু সকলোৰে বাবে পৰ্যাপ্ত বিৰতিৰ সময় থাকিব।'

৪। ঔদ্যোগীকৰণ ঃ গান্ধীজীয়ে বিশ্বাস কৰিছিল যে ঔদ্যোগীকৰণে সাধাৰণভাৱে সকলোকে লাভৱান নকৰে। বৰঞ্চ ই মাত্ৰ কেইজনমান লোককহে সহায় কৰিব, যাৰ ফলত অৰ্থনৈতিক ক্ষমতা কুক্ষিগত হোৱাৰ আশংকা থাকে। ঔদ্যোগীকৰণে প্ৰতিযোগিতাক উৎসাহিত কৰে আৰু গাঁওবিলাকক শোষণ কৰাৰ বাট মুকলি কৰে। বৃহৎ হাৰৰ উৎপাদনে বজাৰৰ প্ৰয়োজনীয়তা সৃষ্টি কৰে আৰু ইয়াৰ ফলত মুনাফা অৰ্জনৰ আকাংক্ষাৰ সৃষ্টি হয়।

তদুপৰি ঔদ্যোগীকৰণৰ ফলত মানৱ শক্তিৰ ঠাইত যন্ত্ৰশক্তিৰ ব্যৱহাৰ কৰা হয়, ফলত কৰ্মসংস্থানহীনতাৰ সৃষ্টি হয়। ভাৰতৰ দৰে একোখন দেশত ঔদ্যোগীকৰণৰ ফলত গাঁওবিলাক ধ্বংস হৈ যাব। যিহেতু ঔদ্যোগীকৰণে এফালে কৰ্মসংস্থানহীনতাৰ সৃষ্টি কৰিব আৰু আনফালে শ্ৰমিকসকলক দূৰণিৰ নগৰাঞ্চললৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰিব।

এনে সংকটৰ সময়ত, গ্ৰামীণ আৰু কুটীৰ শিল্পক বিকশিত কৰি তোলাটো আৱশ্যকীয়। ই গাঁওবাসীৰ বিভিন্ন প্ৰয়োজনীয়তা পূৰণ কৰিবৰ বাবে কৰ্মংস্থানৰ সৃষ্টি কৰিব আৰু গাঁওবিলাকক আত্মনিৰ্ভৰশীল কৰি তুলিব। যদি যন্ত্ৰপাতিয়ে আত্মনিৰ্ভৰশীলতাৰ লক্ষ্য আৰু পূৰ্ণ সংস্থানৰ সুবিধা পূৰণ কৰিব পাৰে, তেনেহ'লে গাঁওবাসীয়ে আধুনিক যন্ত্ৰপাতি আৰু আহিলা উৎপাদনী কাৰ্যত ব্যৱহাৰ কৰিব পাৰে।

৫। ন্যাসৰক্ষীৰ দায়িত্ব (Trusteeship) ঃ গান্ধীজী সম্পদৰ স্তুপীকৃতকৰণ আৰু অপব্যৱহাৰৰ পৰিপন্থী আছিল। তেওঁ ন্যাসৰক্ষীৰ দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, যিটো সামাজিক আৰু অৰ্থনৈতিক কাম-কাজৰ বাবে প্ৰযোজ্য আছিল। তেওঁ কৈছিল যে সকলো সামাজিক কাম-কাজ ন্যাসৰ জৰিয়তে সম্পন্ন হ'ব লাগে। পুঁজিবাদীসকলে সম্পদ আহৰণ কৰিব পাৰে আৰু এনেদৰে আহৰণ কৰা সম্পদৰ উদ্বৃত্ত সমাজৰ বাকী অংশৰ কল্যাণ বৃদ্ধি কৰিবৰ বাবে বিতৰণ কৰিব লাগে।

পুঁজিপতিসকলে ন্যাসৰক্ষীৰ দায়িত্বৰ অধীনত দৰিদ্ৰ কৰ্মীসকলৰ বাবে মুনাফা সৃষ্টিকাৰী (benefactors) হিচাপে কাম কৰিব লাগে। গান্ধীজীয়ে প্ৰস্তাৱ দিছিল যে এই ন্যাসৰক্ষীৰ দায়িত্বৰ জৰিয়তে শ্ৰমিকসকলৰ কল্যাণ বৃদ্ধি কৰিব পাৰি। লগতে কৰ্মী আৰু নিয়োগকৰ্তাৰ মাজৰ সংঘাত নোহোৱা কৰিব পাৰি। ন্যাসৰক্ষীৰ দায়িত্বই সমগ্ৰ ব্যৱস্থাটোতে সমতা স্থাপন কৰিব পাৰে। ধনী লোকসকলে তেওঁলোকৰ নিজৰ বাবে প্ৰয়োজন হোৱা অংশহে কেৱল লগত ৰাখিব পাৰিব, যিখিনি এটা মানসম্পন্ন জীৱন যাপন কৰিবলৈ প্ৰয়োজন হয়। বাকী থকা অংশ

সমাজৰ কল্যাণৰ বাবে ব্যৱহাৰ হ'ব লাগিব। এনেদৰে ন্যাসৰক্ষীৰ দায়িত্বই ধনী আৰু দুখীয়াৰ মাজত থকা অৰ্থনৈতিক বৈষম্য নোহোৱা কৰিব।ন্যাসৰক্ষীৰ দায়িত্বৰ এই মতবাদত কোনোধৰণৰ ৰক্তক্ষৰণ আৰু হিংসাৰ অৱকাশ নাই।

গান্ধীজী ভূমিৰ ব্যক্তিগত মালিকানাৰ পক্ষত নাছিল। তেওঁৰ মতে ভূমি কেৱল সমাজ অথবা সমুদায়ৰ মংগলৰ বাবে ব্যৱহৃত হ'ব লাগে, যিহেতু এইবিলাক কেৱল সমুদায়ৰ সম্পত্তি। ভূমিৰ মালিকসকলে ভূমিৰ কেৱল ন্যাসৰক্ষী হিচাপে কাম কৰিব লাগে আৰু নিজৰ ভূমি স্বেচ্ছাই দান কৰিব লাগে।

কাজেই বিকাশৰ বাবে গান্ধীজীৰ ধাৰণাটো সৰ্বসাধাৰণ মানুহৰ উন্নয়নৰ বাবে প্ৰস্তুত কৰা হৈছিল। তেওঁ গাঁৱত বসবাস কৰা লোকসকলৰ ওপৰত আলোকপাত কৰিছিল আৰু আমদানিকৃত প্ৰযুক্তিৰে স্বদেশী শিল্পৰ উন্নতি সাধন কৰি জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নৰ কথা ভাবিছিল। সেয়ে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল আৰু এটা বিকেন্দ্ৰীকৃত অৰ্থনীতিৰ ওপৰত আলোকপাত কৰা হৈছিল। গান্ধীজীয়ে শিক্ষা, স্বাস্থ্য আৰু অৱসৰকালীন কাম-কাজৰ সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, যিটো আছিল গ্ৰামাঞ্চলৰ বিকাশৰ বাবে অতিশয় প্ৰয়োজনীয়। তেওঁ শিক্ষা আৰু প্ৰশিক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল, যাক কোৱা হৈছিল 'নয়ী তালিম' অৰ্থাৎ নতুন প্ৰশিক্ষণ, যিটো গ্ৰামীণ পুনৰ গঠনৰ বাবে প্ৰয়োজন হৈছিল।

সামৰণিত এই কথা ক'ব পাৰি যে গান্ধীবাদী আদৰ্শত সমন্বিত গ্ৰামীণ বিকাশৰ কথা কোৱা হৈছিল, যাৰ জৰিয়তে গাঁওবিলাকক স্ব-শাসিত আৰু স্ব-নিৰ্ভৰশীল কৰি তোলাৰ লগতে অহিংস নীতিত বিশ্বাসী কৰি তোলাৰ প্ৰয়াস কৰা হৈছিল। এই প্ৰচেষ্টাই ভাৰতৰ গ্ৰামাঞ্চলসমূহৰ বিকাশ নিশ্চিত কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মহাত্মা গান্ধীৰ মতে গ্ৰামীণ বিকাশৰ বিভিন্ন নীতিসমূহ কি কি?

.....

.....

৩.৭ গ্ৰামীণ বিকাশৰ অৰ্থ

গ্ৰামীণ বিকাশৰ অৰ্থ হৈছে গাঁৱত বসবাস কৰা লোকসকলৰ জীৱনৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি। দেখা গৈছে যে ভাৰতবৰ্ষৰ ৭০ শতাংশ লোক গাঁৱত বসবাস কৰে। আকৌ এই গাঁও অঞ্চলৰ লোকসকলৰ পশ্চাদপদতাই এই দেশখনৰ প্ৰধান অন্তৰায় হিচাপে বিবেচিত হৈছে। এখন কৃষিপ্ৰধান দেশ হিচাপে ভাৰতৰ প্ৰধান বৃত্তি হৈছে কৃষিকৰ্ম। সেয়ে গাঁও অঞ্চলত বসবাস কৰা কৃষিজীৱি জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়ন সাধনৰ ওপৰত ভাৰতৰ সৰ্বাংগীন উন্নয়ন

নির্ভৰশীল। সেয়ে ভাৰতে গ্রামীণ বিকাশৰ জৰিয়তে দৰিদ্রতা নির্মূল কৰি গ্রামীণ জনসাধাৰণৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে বিভিন্ন প্রাথমিক প্রয়োজনীয়তা যেনে স্বাস্থ্য, শিক্ষা, খোৱাপানী, অনাময়, আন্তঃগাঁথনি ইত্যাদিৰ সুবিধা প্রদান কৰাৰ ব্যৱস্থা কৰিছে। তদুপৰি জনসাধাৰণৰ মাজত সম্পদৰ সমবিতৰণৰ লক্ষ্যও আগত ৰখা হৈছে।

৩.৮ গ্রামীণ বিকাশৰ বিষয়সমূহ

গ্রামীণ বিকাশৰ প্রধান বিষয়সমূহ হৈছে ঃ

১। **কৃষিৰ উপৰি অন্য বিকল্প বৃত্তিৰ বিকাশ সাধন ঃ** দেখা গৈছে যে গ্রামাঞ্চলত কৃষিভূমিৰ পৰিমাণ কম। এনে পৰিস্থিতিত গ্রামাঞ্চলত সামগ্রিক বিকাশ নিশ্চিত কৰিবৰ বাবে কৃষিৰ উপৰি অন্য বিকল্প বৃত্তিসমূহৰ ওপৰত আলোকপাত কৰা হৈছে।

২। **মানৱ মূলধনত বিনিয়োগ ঃ** বিভিন্ন দক্ষতা বিকাশ পাঠ্যক্রমৰ জৰিয়তে মানৱ মূলধন সৃষ্টিত বিনিয়োগ কৰিব লাগিব; অৱসৰকালীন পাঠ্যক্রমবিলাকৰ জৰিয়তে এনে পদক্ষেপ ল'ব লাগিব যাতে গাঁৱৰ যুৱক-যুৱতীসকলে গ্রামাঞ্চলৰ বিকাশত আত্মনিয়োগ কৰিব পাৰে।

৩। **বাট-পথ ঃ** গ্রামাঞ্চলত বসবাস কৰা লোকসকল প্রধান নগৰ আৰু মহানগৰবিলাকৰ পৰা বেয়া যাতায়াত ব্যৱস্থাৰ বাবে একপ্রকাৰ বিচ্ছিন্ন হৈ থাকে। ইয়াৰ প্রধান কাৰণ হৈছে ৰাস্তা-ঘাটৰ দুৰৱস্থা, অপর্যাপ্ত পৰিবহন ব্যৱস্থা ইত্যাদি। এনে হোৱাৰ ফলত গাঁৱৰ লোকসকলে বজাৰলৈ বস্তু-বাহানি কঢ়িয়াব নোৱাৰে অথবা ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াব নোৱাৰে। লগতে গ্রামাঞ্চলৰ দাৰিদ্র্যপীড়িত লোকসকলে জৰুৰীকালীন স্বাস্থ্যসেৱাৰ ক্ষেত্রতো দুর্ভোগ ভুগিবলগীয়া হয়।

৪। **বিদ্যুৎ ঃ** দেখা গৈছে যে প্রায় ১৯,৯০৯ খন গাঁও এতিয়াও বৈদ্যুতিকৰণ হ'বলৈ বাকী আছে (৩১-০১-২০১৫ৰ গ্রামীণ বৈদ্যুতিকৰণৰ অগ্রগতিৰ প্রতিবেদন)। তদুপৰি বৈদ্যুতিকৰণ হোৱা গাঁওবিলাকতো বিদ্যুতৰ মান উন্নত নহয়।

৫। **পানী ঃ** খোৱা আৰু অন্যান্য কামত ব্যৱহাৰ কৰিবৰ বাবে উপলব্ধ ভূ-জল পর্যাপ্ত নহয়। পৰিসংখ্যা অনুসৰি কেৰল ডায়ে�ৰীয়াতে ভাৰতত বছৰি ১.৫ নিযুত শিশুৰ মৃত্যু হয় আৰু ৩৭.৭ নিযুত ভাৰতীয় পানীৰ পৰা হোৱা ৰোগত আক্রান্ত হয়। ভূ-জলৰ অধিকাংশ আয়ৰণ, ফ্লু'ৰাইড আৰু আর্ছেনিকযুক্ত। ই জলত থকা কিছুমান ৰাসায়নিক পদার্থই বহুতো গাঁও অঞ্চলৰ বাবে ভয়াৱহতা মাতি আনিছে।

৬। **শিক্ষা, সাক্ষৰতা বিশেষকৈ মহিলাৰ ঃ** ভাৰতৰ সাক্ষৰতাৰ হাৰত ব্যাপক লিংগ বৈষম্য পৰিলক্ষিত হয়। ২০১১ চনত সাত বছৰ আৰু তাৰ ওপৰৰ বয়সৰ সাক্ষৰতাৰ হাৰ আছিল ৮২.১৪% পুৰুষৰ আৰু ৬৫.৪৬% মহিলাৰ। আকৌ ২০১১ চনত ভাৰতত প্রাপ্তবয়স্কৰ শিক্ষাৰ হাৰ আছিল ৭৪.০৪% আৰু যুৱক-যুৱতীৰ, অর্থাৎ ১৫-২৪ বছৰ বয়সৰ গোটৰ সাক্ষৰতাৰ হাৰ আছিল ৯০.২% (২০১৫)।

৭। **দৰিদ্রতা ঃ** বিকাশৰ ক্ষেত্রত বিশেষকৈ গ্রামাঞ্চলত দৰিদ্রতাই ডাঙৰ হেঙাৰ হিচাপে থিয় দিছে।

৮। **নিয়োগ ঃ** ভাৰতৰ গ্রামাঞ্চলত কর্মসংস্থানহীনতা এটা ডাঙৰ সমস্যা। ভাল সংস্থাপন বিচাৰি গ্রামাঞ্চলৰ যুৱক-যুৱতীসকলৰ এটা বুজন অংশ নগৰাঞ্চললৈ গৈ আছে। তদুপৰি, গ্রামাঞ্চলৰ জনসংখ্যা বৃদ্ধি পায়েই আছে অথচ কৃষিভূমি একেই পৰিমাণতে আছে।

৯। **নগৰাঞ্চললৈ প্রব্রজন ঃ** নগৰাঞ্চলত অধিক উপার্জন কৰিব পৰাৰ লগতে অন্যান্য সামাজিক আৰু অর্থনৈতিক কাৰণত গ্রামাঞ্চলৰ পৰা নগৰাঞ্চললৈ অনবৰত প্রব্রজন হৈ আছে। নগৰাঞ্চলত সামাজিক, অর্থনৈতিক সা-সুবিধাৰ লগতে শিক্ষা আৰু স্বাস্থ্যৰ বিভিন্ন ব্যৱস্থাৱলী উপলব্ধ হোৱাৰ উপৰি বিভিন্ন আন্তঃগাঁথনিৰ সুযোগ থকা বাবে ভাৰতৰ গ্রামাঞ্চলৰ পৰা নগৰাঞ্চললৈ মানুহ অহৰহ গৈয়েই আছে।

১০। **ভূমি সংস্কাৰ ঃ** গ্রামাঞ্চলৰ কৃষকসকলৰ বাবে ভূমি সংস্কাৰৰ কোনোধৰণৰ প্রগতিশীল ব্যৱস্থা নাই। এই কাৰণতে গ্রামাঞ্চলৰ দৰিদ্র কৃষকসকল জমিদাৰ আৰু বৃহৎ ভূ-স্বামীসকলৰ শোষণৰ বলি হ'বলগীয়া হৈ আছে।

১১। **অনাময় আৰু স্বাস্থ্য ঃ** গ্রামাঞ্চলৰ উন্নয়নৰ ক্ষেত্রত অনাময় আৰু স্বাস্থ্য ব্যৱস্থাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। গ্রামাঞ্চলৰ লোকসকলৰ মাজত শৌচালয়ৰ সংখ্যা কম হোৱাৰ উপৰি সজাগতাৰ অভাৱৰ বাবে বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে আৰু খোৱাপানীৰ মান অনুন্নত হোৱাৰ বাবে বিভিন্ন ৰোগৰ প্রাদুর্ভাৱ হোৱা পৰিলক্ষিত হয়।

৩.৯ ভাৰতত গ্রামীণ বিকাশৰ নির্দিষ্ট পৰামর্শৱলী

১। **স্থানীয় সম্পদৰ ব্যৱহাৰ ঃ** একোখন গাঁও সাধাৰণতে স্থানীয় সম্পদত চহকী। এই সম্পদবিলাকৰ যথোচিত ব্যৱহাৰৰ বাবে যদি কিবা উপায় অৱলম্বন কৰা হয়, তেনেহ'লে ই স্থানীয় লোকসকলৰ কর্মসংস্থানৰ সৃষ্টি কৰাৰ লগতে সমান্তৰালভাৱে গাঁৱৰ বিকাশ সম্ভৱ কৰি তুলিব।

২। **গ্রাম্য উদ্যোগ প্রতিষ্ঠা ঃ** সকলো গ্রামীণ উদ্যোগ নিম্নোল্লিখিত বিস্তাৰিত শাখাত অন্তর্ভুক্তঃ

ক) কৃষিভিত্তিক উদ্যোগ (চেনিৰ উদ্যোগ, দুগ্ধ উৎপাদন, তৈলযুক্ত শস্যৰ পৰা তৈল প্রক্রিয়াকৰণ, আচাৰ, মছলা ইত্যাদি)।

খ) বনজ সম্পদভিত্তিক উদ্যোগ (বাঁহ আৰু কাঠৰ সামগ্রী, মৌ ইত্যাদি)।

গ) খনিজ পদার্থভিত্তিক উদ্যোগ (শিলৰ কুৰেৰী, চীনামাটিৰ উদ্যোগ ইত্যাদি)।

ঘ) বস্ত্র উদ্যোগ (ইয়াত বিভিন্ন পদক্ষেপ জড়িত হৈ থাকে যেনে সূতা কটা, বোৱা, ৰং কৰা, মাৰ দিয়া ইত্যাদি)।

ঙ) অভিযান্ত্রিকতা আৰু সেৱা (ক্ষুদ্র আৰু মজলীয়া উদ্যোগ য'ত কৃষিজাত সামগ্রী উৎপাদনৰ বাবে যন্ত্রপাতি ব্যৱহাৰ কৰা হয়)।

চ) হস্তশিল্প (বাঁহ/কাঠৰ হস্তশিল্প, পুতলা আৰু অন্যান্য পৰম্পৰাগত শোভা বৰ্দ্ধনকাৰী সামগ্ৰীৰ উৎপাদন)।

৩। **সেৱা ঃ** স্থানীয় যুৱক-যুৱতীসকলে কৃষিক্ষেত্ৰত ব্যৱহৃত যন্ত্ৰপাতিৰ মেৰামতিৰ লগতে অন্যান্য যাৱতীয় সেৱা প্ৰদান কৰিব পাৰে।

৪। **ব্যৱসায় প্ৰতিষ্ঠান ঃ** গ্ৰামাঞ্চলত নিজৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠান স্থাপন কৰিব পাৰি, যাৰ জৰিয়তে স্ব-নিৰ্ভৰশীলতা অৰ্জন কৰিব পাৰি। লগতে উৎপাদিত সামগ্ৰী ইয়াৰ জৰিয়তে বজাৰত বিক্ৰী কৰিব পাৰি।

৫। **গ্ৰামীণ উদ্যমিতাক উৎসাহিত কৰা ঃ** গ্ৰামাঞ্চলত বিভিন্ন ধৰণৰ উদ্যমিতা, যেনে— ব্যক্তিগত, গোট হিচাপত, সমবায় ভিত্তিত স্থানীয় সমুদায়ে আৰম্ভ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গ্ৰামীণ বিকাশ বুলিলে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ৬ ঃ ভাৰতত গ্ৰামীণ বিকাশৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়াওক।

.....

.....

৩.১০ নগৰীয়া বিকাশৰ অৰ্থ

নগৰীয়া বিকাশ বুলিলে নগৰাঞ্চলৰ বিকাশক বুজোৱা হয়। ইয়াত বিভিন্ন ধৰণৰ শাৰীৰিক, ভৌগোলিক, অৰ্থনৈতিক আৰু সামাজিক পৰিসৰ সোমাই আছে। ইয়াৰ লক্ষ্য হৈছে কৰ্মসংস্থান সৃষ্টিৰ জৰিয়তে, সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা অৰ্থনৈতিক আৰু বৌদ্ধিক কাৰকসমূহ একত্ৰিত কৰি সমাজৰ উন্নতি সাধন কৰা। ভাৰতত নগৰাঞ্চলত ৩০%তকৈও অধিক লোক বসবাস কৰে।

৩.১১ ভাৰতত নগৰীকৰণৰ কাৰকসমূহ

ভাৰতত নগৰীকৰণৰ প্ৰধান কাৰকবিলাক হৈছে ঃ

১। বেচৰকাৰী খণ্ডৰ উন্নয়ন আৰু অগ্ৰগতি

২। গাঁও-নগৰৰ প্ৰব্ৰজন

৩। ঔদ্যোগিক ক্ৰম বিৱৰ্তন

৪। ভাৰতৰ অৰ্থনৈতিক বিকাশৰ দিশত নগৰীকৰণ হৈছে প্ৰধান কাৰক

৫। নগৰাঞ্চলত কৰ্মসংস্থানৰ সুযোগ সৃষ্টি

৬। নগৰাঞ্চলত আন্তঃগাঁথনিৰ সুযোগ সৃষ্টি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ নগৰীয়া বিকাশৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ৮ ঃ নগৰাঞ্চলৰ বিকাশৰ কাৰকবিলাক উল্লেখ কৰক।

.....

.....

৩.১২ নগৰীয়া নিযুক্তিৰ সৈতে জড়িত সমস্যা আৰু বিষয়সমূহ

ভাৰতত নগৰাঞ্চলত জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত মানুহৰ দৈনন্দিন জীৱনৰ মানদণ্ডৰ লগতে বাতাবৰণৰ অৱনতিকে ধৰি বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। সেইবিলাক হৈছে ঃ

১। **নগৰৰ প্রসাৰ ঃ** নগৰাঞ্চলত বিশেষকৈ মহানগৰবিলাকত জনসংখ্যাৰ প্রসাৰ ঘটিছে। লগতে এই বর্দ্ধিত জনসংখ্যাক প্রয়োজনীয় অর্থনৈতিক ভিত্তিৰ সৃষ্টি হোৱা নাই। তদুপৰি গ্রামাঞ্চলৰ পৰা নগৰাঞ্চললৈ মানুহৰ প্রব্রজন ধাৰাবাহিকভাৱে হৈ আছে যাৰ ফলত মহানগৰবিলাকৰ আকাৰ বৃদ্ধি পাই গৈ আছে।

২। **জন বিস্ফোৰণ ঃ** জন বিস্ফোৰণ এনে এটা পৰিস্থিতি, য'ত আশা কৰাতকৈ অধিক লোকেৰে পৰিপূর্ণ হৈ থাকে। নগৰাঞ্চলত অধিক লোক সমবেত হোৱা বাবে এই জনবিস্ফোৰণৰ সৃষ্টি হৈছে।

৩। **গৃহ নির্মাণ ঃ** গৃহ নির্মাণৰ ব্যৱস্থা নগৰাঞ্চলত অত্যন্ত জটিল হৈ পৰিছে। গৃহ নির্মাণৰ ব্যয় অত্যন্ত বৃদ্ধি পাইছে আৰু কম উপার্জনৰ লোকে ইয়াক বহন কৰিব নোৱৰা হৈছে। মানুহে থেপাথেপি ঘৰতে থাকিবলৈ বাধ্য হৈছে, য'ত সঠিক বাতায়ন, পোহৰ, পানীৰ যোগান, আৱর্জনা নিষ্কাষণ ইত্যাদিৰ উপযুক্ত ব্যৱস্থা নাই।

৪। **অনাময় ঃ** নগৰাঞ্চলত অনাময় ব্যৱস্থাটোও উপযুক্ত নহয়। লগতে নলা-নর্দমাৰ ব্যৱস্থাও সুবিধাজনক নহয়। নগৰাঞ্চলৰ বাবে আৱর্জনা নিস্কাষণ এটা ডাঙৰ সমস্যা হৈ পৰিছে।

৫। **পৰিৱেশগত বিষয় ঃ** মানৱসৃষ্ট আৰু প্রাকৃতিক দুর্যোগবিলাকৰ বাবে নগৰাঞ্চলৰ লোকসকল অধিক পীড়িত হ'বলগীয়া হৈছে। জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে নগৰাঞ্চলত আশংকাও বৃদ্ধি পাইছে।

৬। **দৰিদ্রতা ঃ** দেখা গৈছে যে নগৰাঞ্চলৰ এক-তৃতীয়াংশ লোক দাৰিদ্র্য সীমাৰেখাৰ তলত থাকে। নগৰাঞ্চলত বসবাস কৰা লোকসকলৰ মাজত বৈষম্য প্রকট। নগৰত এই বৈষম্য বছৰে বছৰে বাঢ়ি গৈ আছে আৰু ই এটা ডাঙৰ সমস্যা হৈ পৰিছে।

৭। **যাতায়াত ঃ** নগৰাঞ্চলত ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ ব্যৱহাৰৰ তুলনাত ব্যক্তিগত বাহনৰ আধিপত্য বৃদ্ধি পাইছে। ইয়াৰ ফলত ৰাস্তাত ব্যাপক যান-জঁটৰ সৃষ্টি হোৱাটো নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে আৰু ৰাজহুৱা পৰিবহন বাধাগ্রস্ত হৈছে। তদুপৰি ৰাজহুৱা

পৰিবহনৰ আন্তঃগাঁথনি সঠিকভাৱে তদাৰকী কৰা হোৱা নাই।

৮। **কৰ্মসংস্থানহীনতা ঃ** ভাৰতৰ নগৰাঞ্চলত কৰ্মসংস্থানহীনতা এটা গুৰুতৰ সমস্যা হৈ পৰিছে। নগৰত বসবাস কৰা লোকৰ প্ৰায় ১৫-২৫% লোক নিবনুৱা।

৯। **পানী ঃ** বিগত বছৰবিলাকৰ ভূ-জলৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰিছে। ই পৃথিৱীত থকা জীৱকুলৰ প্ৰতি এক গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। নগৰাঞ্চলত জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে পানী যোগানো চাহিদা অনুসৰি পৰ্যাপ্ত হোৱা নাই।

সামৰণিত এই কথা ক'ব পাৰি যে ভাৰতত নগৰীকৰণ বিগত বছৰবিলাকত বৃদ্ধি পাইছে, বিশেষকৈ গ্ৰামাঞ্চলৰ পৰা নগৰাঞ্চললৈ মানুহৰ প্ৰব্ৰজন বৃদ্ধি হোৱাৰ ফলস্বৰূপে। আকৌ, ই আধুনিকীকৰণ আৰু ঔদ্যোগীকৰণৰ সৈতেও সম্পৰ্কযুক্ত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ নগৰাঞ্চলৰ বিকাশৰ সৈতে জড়িত সমস্যা আৰু বিষয়বিলাক উল্লেখ কৰক।

.....

.....



৩.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- সমূহীয়া বিকাশ (community development)ত এটা ধাৰাবাহিক প্ৰক্ৰিয়া নিহিত হৈ থাকে, য'ত সমূহৰ সদস্যসকল একেলগে আগবাঢ়ি আহে আৰু উমৈহতীয়া সমস্যা সমাধানৰ বাবে সমূহীয়া পদক্ষেপ গ্ৰহণ কৰে।
- সমূহীয়া বিকাশৰ বৈশিষ্ট্যৰাজি।
- গ্ৰামীণ বিকাশৰ গান্ধীবাদী পদক্ষেপ।
- গ্ৰামীণ অৰ্থনীতিৰ গান্ধীবাদী পদক্ষেপৰ ভিত্তি হৈছে ন্যাসৰ দায়িত্ব (Trusteeship), স্বদেশী, পূৰ্ণ নিয়োগ, খাদ্য শ্ৰম, আত্ম যথাৰ্থতা, বিকেন্দ্ৰীকৰণ, সমতা ইত্যাদি।
- গ্ৰামীণ বিকাশত জড়িত হৈ থকা বিভিন্ন বিষয়।
- ভাৰতত গ্ৰামীণ বিকাশৰ বাবে থকা বিভিন্ন পৰামৰ্শ।
- ভাৰতত নগৰীকৰণৰ কাৰকসমূহ।
- নগৰৰ কৰ্মসংস্থানৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰু বিষয়বিলাক।



৩.১৪ অধিক জানিবলৈ

১) B.N. Ghosh and Rama Ghosh,' Concise History of Economic Thought'. Himalaya Publishing House.

২) H.L. Bhatia, 'History of Economic Thought', Vikas Publication.

৩) P.K. Dhar, Indaian Economy, Kalyani Publications.

৪) G. Datt and A. Mahajan, Indian Economy, S. Chand.



৩.১৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সমূহীয়া বিকাশ (community development)ত এটা ধাৰাবাহিক প্রক্রিয়া নিহিত হৈ থাকে, য'ত সমূহৰ সদস্যসকল একেলগে আগবাঢ়ি আহে আৰু উমৈহতীয়া সমস্যা সমাধানৰ বাবে সমূহীয়া পদক্ষেপ গ্রহণ কৰে। সমূহৰ মংগলৰ জৰিয়তে যিকোনো ধৰণৰ সমস্যা সেয়া অর্থনৈতিক, সামাজিক, পৰিৱেশগত আৰু সাংস্কৃতিক, যিয়েই নহওঁক, সমাধান কৰিব পৰা যায়। সমূহীয়া বিকাশৰ জৰিয়তে একোটা ক্ষুদ্র গোটৰ পৰিসৰত কিছুমান ক্ষুদ্র প্রচেষ্টা চলোৱা হয়, আনহাতে বৃহৎ সমূহৰ জৰিয়তে বৃহৎ প্রচেষ্টা সম্পন্ন কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ফলপ্রসূ সমূহীয়া বিকাশৰ বৈশিষ্ট্য হৈছে এটা সুপৰিকল্পিত দীর্ঘম্যাদী প্রক্রিয়া, যাৰ জৰিয়তে সমূহৰ সদস্যসকলৰ বিকাশ আৰু সমাজৰ পৰিৱর্তন সাধনৰ প্রচেষ্টা চলোৱা হয়।

সমূহীয়া বিকাশ হৈছে এটা তৃণমূল পর্যায়ৰ প্রক্রিয়া, যাৰ সংশ্লিষ্ট সমুদায়ৰ ওপৰত এটা ইতিবাচক প্রভাৱ থাকে। এই সমুদায়ত জড়িত হৈ থকা সদস্যসকল সুসংগঠিত ৰূপত একেলগ হৈ থাকে আৰু তেওঁলোক পৰস্পৰে পৰস্পৰৰ প্রতি দায়ৱদ্ধ হোৱাৰ লগতে ইজনে আনজনক শক্তিমন্ত কৰে। ইয়াৰ ফলত দৰিদ্রতা হ্রাস পায় আৰু এনেকৈয়ে নিয়োগৰ সুবিধাসমূহ সৃষ্টি হোৱাৰ লগতে বিভিন্ন সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু পৰিৱেশগত লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ সমূহীয়া বিকাশৰ অধীনত গ্রহণ কৰা কেইটামান কার্যক্রম হৈছে ঃ

১। কৃষিৰ উন্নতি

২। যোগাযোগৰ উন্নতি

৩। শিক্ষাৰ উন্নতি

৪। স্বাস্থ্য সেৱাৰ উন্নতি

৫। নিয়োগৰ সুবিধা

৬। গৃহ নির্মাণৰ সুবিধা

৭। সামাজিক কল্যাণৰ কাম-কাজ

৪ নং প্রশ্নৰ উত্তৰ ঃ মহাত্মা গান্ধীৰ মতে গ্রামীণ বিকাশৰ বিভিন্ন নীতিবিলাক হৈছে ঃ

১। আদর্শ গাঁও

২। বিকেন্দ্রীকৰণ

৩। আত্ম-যথার্থতা (Self-sufficiency)

৪। ঔদ্যোগীকৰণ

৫। ন্যাসৰক্ষীৰ দায়িত্ব (Trusteeship)

৫ নং প্রশ্নৰ উত্তৰ ঃ গ্রামীণ বিকাশৰ অর্থ হৈছে গাঁৱত বসবাস কৰা লোকসকলৰ জীৱনৰ সর্বতোপ্রকাৰৰ উন্নতি। দেখা গৈছে যে ভাৰতবর্ষৰ ৭০ শতাংশ লোক গাঁৱত বসবাস কৰে। আকৌ এই গাঁও অঞ্চলৰ লোকসকলৰ পশ্চাদপদতাই এই দেশখনৰ প্রধান অন্তৰায় হিচাপে বিবেচিত হৈছে। এখন কৃষিপ্রধান দেশ হিচাপে ভাৰতৰ প্রধান বৃত্তি হৈছে কৃষিকর্ম। সেয়ে গাঁও অঞ্চলত বসবাস কৰা কৃষিজীৱি জনসাধাৰণৰ অর্থনৈতিক উন্নয়ন সাধনৰ ওপৰত ভাৰতৰ সর্বাংগীন উন্নয়ন নির্ভৰশীল। সেয়ে ভাৰতে গ্রামীণ বিকাশৰ জৰিয়তে দৰিদ্রতা নির্মূল কৰি গ্রামীণ জনসাধাৰণৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে বিভিন্ন প্রাথমিক প্রয়োজনীয়তা যেনে স্বাস্থ্য, শিক্ষা, খোৱাপানী, অনাময়, আন্তঃগাঁথনি ইত্যাদিৰ সুবিধা প্রদান কৰাৰ ব্যৱস্থা কৰিছে। তদুপৰি জনসাধাৰণৰ মাজত সম্পদৰ সমবিতৰণৰ লক্ষ্যও আগত ৰখা হৈছে।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত গ্রামীণ বিকাশৰ বাবে কেইটামান পৰামর্শ হৈছে ঃ

১। **স্থানীয় সম্পদৰ ব্যৱহাৰ ঃ** একোখন গাঁও সাধাৰণতে স্থানীয় সম্পদত চহকী। এই সম্পদবিলাকৰ যথোচিত ব্যৱহাৰৰ বাবে যদি কিবা উপায় অৱলম্বন কৰা হয়, তেনেহ'লে ই স্থানীয় লোকসকলৰ কর্মসংস্থানৰ সৃষ্টি কৰাৰ লগতে সমান্তৰালভাৱে গাঁৱৰ বিকাশ সম্ভৱ কৰি তুলিব।

২। **গ্রাম্য উদ্যোগ প্রতিষ্ঠা ঃ** সকলো গ্রামীণ উদ্যোগ নিম্নোল্লিখিত বিস্তাৰিত শাখাত অন্তর্ভুক্ত ঃ

ক) কৃষিভিত্তিক উদ্যোগ (চেনিৰ উদ্যোগ, দুগ্ধ উৎপাদন, তৈলযুক্ত শস্যৰ পৰা তৈল প্রক্রিয়াকৰণ, আচাৰ, মছলা ইত্যাদি)।

খ) বনজ সম্পদভিত্তিক উদ্যোগ (বাঁহ আৰু কাঠৰ সামগ্রী, মৌ ইত্যাদি)।

গ) খনিজ পদার্থভিত্তিক উদ্যোগ (শিলৰ কুৰেৰী, চীনামাটিৰ উদ্যোগ ইত্যাদি)।

ঘ) বস্ত্র উদ্যোগ (ইয়াত বিভিন্ন পদক্ষেপ জড়িত হৈ থাকে যেনে সূতা কটা, বোৱা, ৰং কৰা, মাৰ দিয়া ইত্যাদি)।

ঙ) অভিযান্ত্রিকতা আৰু সেৱা (ক্ষুদ্র আৰু মজলীয়া উদ্যোগ য'ত কৃষিজাত সামগ্রী উৎপাদনৰ বাবে যন্ত্রপাতি ব্যৱহাৰ কৰা হয়)।

চ) হস্তশিল্প (বাঁহ/কাঠৰ হস্তশিল্প, পুতলা আৰু অন্যান্য পৰম্পৰাগত শোভা বৰ্দ্ধনকাৰী সামগ্রীৰ উৎপাদন)

৩। **সেৱা ঃ** স্থানীয় যুৱক-যুৱতীসকলে কৃষিক্ষেত্রত ব্যৱহৃত যন্ত্রপাতিৰ মেৰামতিৰ লগতে অন্যান্য যাৱতীয় সেৱা প্রদান কৰিব পাৰে।

৪। **ব্যৱসায় প্রতিষ্ঠান ঃ** গ্রামাঞ্চলত নিজৰ প্রয়োজনীয়তা পূৰণ কৰিব পৰাকৈ বিভিন্ন ব্যৱসায় প্রতিষ্ঠান স্থাপন কৰিব পাৰি, যাৰ জৰিয়তে স্ব-নির্ভৰশীলতা অর্জন কৰিব পাৰি। লগতে উৎপাদিত সামগ্রী ইয়াৰ জৰিয়তে বজাৰত বিক্রী কৰিব পাৰি।

৫। **গ্রামীণ উদ্যমিতাক উৎসাহিত কৰা ঃ** গ্রামাঞ্চলত বিভিন্ন ধৰণৰ উদ্যমিতা, যেনে— ব্যক্তিগত, গোট হিচাপত, সমবায় ভিত্তিত স্থানীয় সমুদায়ে আৰম্ভ কৰিব পাৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ নগৰীয়া বিকাশ বুলিলে নগৰাঞ্চলৰ বিকাশক বুজোৱা হয়। ইয়াত বিভিন্ন ধৰণৰ শাৰীৰিক, ভৌগোলিক, অর্থনৈতিক আৰু সামাজিক পৰিসৰ সোমাই আছে। ইয়াৰ লক্ষ্য হৈছে কর্মসংস্থান সৃষ্টিৰ জৰিয়তে, সামাজিক আৰু সাংস্কৃতিক পৰিৱর্তনৰ ফলত সৃষ্টি হোৱা অর্থনৈতিক আৰু বৌদ্ধিক কাৰকসমূহ একত্রিত কৰি সমাজৰ উন্নতি সাধন কৰা। ভাৰতত নগৰাঞ্চলত ৩০%তকৈও অধিক লোক বসবাস কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত নগৰীকৰণৰ প্রধান কাৰকবিলাক হৈছে ঃ

১। বেচৰকাৰী খণ্ডৰ উন্নয়ন আৰু অগ্রগতি

২। গাঁও-নগৰৰ প্রব্রজন

৩। ঔদ্যোগিক ক্রম বিৱর্তন

৪। ভাৰতৰ অর্থনৈতিক বিকাশৰ দিশত নগৰীকৰণ হৈছে প্রধান কাৰক

৫। নগৰাঞ্চলত কর্মসংস্থানৰ সুযোগ সৃষ্টি

৬। নগৰাঞ্চলত আন্তঃগাঁথনিৰ সুযোগ সৃষ্টি

৯ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত নগৰাঞ্চলত জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত মানুহৰ দৈনন্দিন জীৱনৰ মানদণ্ডৰ লগতে বাতাবৰণৰ অৱনতিকে ধৰি বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। সেইবিলাক হৈছে ঃ

১। নগৰৰ প্রসাৰ

২। জন বিস্ফোৰণ

৩। গৃহ নির্মাণ

৪। অনাময়

৫। পৰিৱেশগত বিষয়

৬। দৰিদ্রতা

৭। যাতায়াত

৮। কৰ্মসংস্থানহীনতা

৯। পানীঞ্ছ



৩.১৬ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সমূহীয়া বিকাশৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ সমূহীয়া বিকাশৰ বৈশিষ্ট্যৰাজি উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ সমূহীয়া বিকাশৰ অধীনত গ্ৰহণ কৰা কাৰ্যক্ৰমবিলাক ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ গ্ৰামীণ বিকাশৰ বাবে গান্ধীবাদী পদক্ষেপৰ এটা চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ৫ ঃ মহাত্মা গান্ধীৰ মতে গ্ৰামীণ বিকাশৰ বাবে থকা বিভিন্ন নীতিবিলাক ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ গ্ৰামীণ বিকাশৰ অৰ্থ আৰু বিষয়বিলাক উল্লেখ কৰক।

প্ৰশ্ন ৭ ঃ ভাৰতত গ্ৰামীণ বিকাশৰ বাবে পৰামৰ্শ আগবঢ়াওক।

*** ***** ***

অধ্যায় ৪ ঃ ভাৰতৰ কুটিৰ শিল্প

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ কুটিৰ শিল্পৰ ধাৰণা
৪.৪ ভাৰতীয় অর্থনীতিত কুটিৰ শিল্পৰ ভূমিকা
৪.৫ ভাৰতৰ বিভিন্ন কুটিৰ শিল্প
৪.৬ কুটিৰ শিল্পৰ বাবে চৰকাৰী নীতি
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কুটিৰ শিল্পৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় অর্থনীতিত কুটিৰ শিল্পৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- কুটিৰ শিল্পৰ বাবে চৰকাৰী নীতিসমূহ আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

এক বৃহৎ অংশৰ জনসংখ্যাৰ নিয়োগেৰে কুটিৰ শিল্পই ভাৰতীয় অর্থনীতিত এক বিশেষ ভূমিকা গ্রহণ কৰিছে। তাৰোপৰি ই ভাৰতৰ সাংস্কৃতিক পৰম্পৰকো সংৰক্ষণ কৰি আহিছে। ই আমাৰ দেশক কেৱল এক সুকীয়া পৰিচয়ে প্রদান কৰা নাই বৰঞ্চ আন্তর্জাতিক বাণিজ্যত সন্মুখীন হোৱা কঠিন প্রতিযোগিতাতো এক বিশেষত্ব দেখুৱাবলৈ সক্ষম হৈছে। সেয়ে কুটিৰ সামগ্রীসমূহত ভাৰতীয় সংস্কৃতিৰ চাব থকাৰ বাবে স্থানীয় সামগ্রীসমূহে বিদেশী সামগ্রীৰ সতে সুন্দৰকৈ প্রতিযোগিতা কৰিব পাৰে।

এই অধ্যায় কুটিৰ শিল্পৰ ধাৰণা, ভাৰতত ইয়াৰ ভূমিকা, ভাৰতৰ বিভিন্ন কুটিৰ শিল্প, কুটিৰ শিল্পৰ বাবে চৰকাৰী নীতি আদিৰ অধ্যয়ন সীমাৰ যুগুত কৰা হৈছে।

৪.৩ কুটিৰ শিল্পৰ ধাৰণা

কুটিৰ শিল্প হ'ল ক্ষুদ্ৰ উদ্যোগৰে এটা ভাগ য'ত সামগ্ৰীসমূহ শ্ৰমিকৰ ঘৰতে উৎপাদন কৰা হয় আৰু শ্ৰমিকৰ পৰিয়ালৰ লোকসকলেই এই কাৰ্যত নিয়োগ হয়। এই উৎপাদন প্ৰক্ৰিয়াত ব্যৱহৃত সজুলিসমূহো উন্নত প্ৰযুক্তিযুক্ত নহয়। ঘৰত ব্যৱহাৰ কৰা সামগ্ৰীসমূহকে সঁজুলি হিচাপে লোৱা হয়।

কুটিৰ শিল্প বা ক্ষুদ্ৰ উদ্যোগৰ ধাৰণাটো ক্ষুদ্ৰ ব্যৱসায়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। য'ত অতি কম সংখ্যক বনুৱা নিয়োজিত হয় যিসকল একেটা পৰিয়ালৰ সদস্য হ'বও পাৰে নহ'বও পাৰে। এই উৎপাদন প্ৰক্ৰিয়াত পৰম্পৰাগত শিল্পী আৰু কাৰু শিল্পী নিয়োজিত হয়, যিসকলে তেওঁলোকৰ এই বৃত্তিসমূহ পূৰ্বৱতী প্ৰজন্মৰ পৰা লাভ কৰিছে। তেওঁলোকৰ দ্বাৰা উৎপাদিত বিভিন্ন সামগ্ৰী যেনে— ফ্ৰেবিক্স, খাদী, চামৰাৰ সামগ্ৰী, ছিল্ক, কটন, ঊণ, মুচলিন আদি, বিভিন্ন মূল্যবান সামগ্ৰী যেনে— গহনা, প্ৰতিমা, পাথৰ ইত্যাদি। ইয়াৰোপৰি খাদ্য সামগ্ৰীৰ ভিতৰত যেনে— মচলা, তেল, মৌ আদিৰো চাহিদা কেৱল ভাৰততে নহয় বৰঞ্চ বিদেশী বজাৰতো ইয়াৰ চাহিদা অধিক।

৪.৪ ভাৰতীয় অৰ্থনীতিত কুটিৰ শিল্পৰ ভূমিকা

১) **নিয়োগ সৃষ্টি ঃ** কুটিৰ শিল্পই নিয়োগৰ বাবে এক বৃহৎ সুবিধা প্ৰদান কৰে। ২০০১ চনত এই খণ্ডই ১৯.২ মিলিয়ন নিয়োগ সৃষ্টি কৰিছিল। এয়া ভাৰতৰ দৰে এখন শ্ৰম নিৰ্ভৰশীল দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয়। য'ত শ্ৰমিকৰ সংখ্যা অতি খৰটকীয়াকৈ বাঢ়িছে। ইয়াৰোপৰি ক্ষুদ্ৰ উদ্যোগসমূহ শ্ৰম নিৰ্ভৰ হোৱা বাবে বৃহৎ উদ্যোগৰ তুলনাত প্ৰতি একক মূলধনত অধিক শ্ৰমিক নিয়োগ কৰিব পাৰে। গতিকে এইবোৰে ইয়াকে প্ৰমাণিত কৰে যে ক্ষুদ্ৰ উদ্যোগে উদ্যোগ খণ্ডৰ নিয়োগ ব্যৱস্থাত ৮০% নিয়োগ সামৰি লয়।

২) **বৃহৎ উৎপাদন ঃ** ক্ষুদ্ৰ উদ্যোগে দেশৰ উদ্যোগিক উৎপাদনতো প্ৰভূত বৰঙণি আগবঢ়ায়। মুঠ উৎপাদন ক্ষেত্ৰৰ ৪০% তকৈ অধিক এই উদ্যোগসমূহৰ পৰাই আহে। ইয়াৰোপৰি উদ্যোগজাত উপভোগ্য সামগ্ৰীৰ এটা প্ৰধান অংশ ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ পৰাই যোগান হয়। এই খণ্ডৰ সামগ্ৰীসমূহ প্ৰায়ে উপভোগ্য আৰু বিলাসী সামগ্ৰীৰ ৰূপত পোৱা যায়। এই সামগ্ৰীসমূহৰ সঠিক যোগানে অৰ্থনীতিক স্থিৰ আৰু উন্নয়নশীল কৰি তুলিব পাৰে।

৩) **আমদানিলৈ বৰঙনি ঃ** ক্ষুদ্ৰ উদ্যোগজাত বিভিন্ন সামগ্ৰী যেনে— কপাহী কাপোৰ, চিল্ক ফেব্ৰিক্স, হস্তকলা, কাৰ্পেৰ্ট, গহনা ইত্যাদি বিদেশলৈ ৰপ্তানি কৰা হয়। এই খণ্ডত প্ৰায় ৪০% অংশ ক্ষুদ্ৰ উদ্যোগে আগবঢ়ায়। এইদৰে, দেশৰ বিদেশী বিনিময়ৰ ক্ষেত্ৰত উদ্যোগসমূহে উল্লেখযোগ্য বৰঙনি আগবঢ়ায়।

৪) **স্থানীয় সম্পদৰ ব্যৱহাৰ ঃ** ক্ষুদ্ৰ উদ্যোগসমূহে ব্যৱহাৰ কৰা কেঁচা সামগ্ৰীসমূহ স্থানীয়ভাৱে পোৱা যায়। নতুবা ইয়াত সেই সম্পদসমূহ ব্যৱহাৰ কৰা হয়। যিবোৰ এতিয়ালৈকে

অব্যৱহৃত হৈ আছিল। এই বিভিন্ন সম্পদ তথা উপাদানসমূহ হ'ল— শ্ৰমিকৰ পৰিয়ালে উত্তৰাধিকা সূত্ৰে পোৱা সম্পত্তি, পৰম্পৰাগতভাৱে চলি অহা কৌশলী জ্ঞান, কাৰুকার্য শিল্পীৰ কৌশলী জ্ঞান, স্থানীয় উদ্যোক্তাৰ প্ৰচেষ্টা ইত্যাদি। এই কুটিৰ শিল্প যদিও আমাৰ সমগ্ৰ দেশতে প্ৰচলিত, বৃহৎ উদ্যোগসমূহে এই উপাদানসমূহ লৈ কম পৰিসৰৰ এনে উদ্যোগ স্থাপন কৰিব নোৱাৰে।

৫) **কল্যাণ সাধন ঃ** দেশৰ জনসাধাৰণৰ কল্যাণ সাধনৰ বাবে ক্ষুদ্ৰ উদ্যোগ অতি প্ৰয়োজনীয়। অতি কম আয়ৰ লোকেও এই উদ্যোগ আৰম্ভ কৰিব পাৰে। ইয়াৰ ফলত তেওঁলোকৰ আয়স্তৰ আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত হয়। এইদৰে, এই ক্ষুদ্ৰ উদ্যোগসমূহে দেশত দৰিদ্ৰতাও হ্ৰাস কৰে। ইয়াৰোপৰি, এই উদ্যোগসমূহে আয়ৰ সম বিতৰণৰ সুবিধা আগবঢ়ায়। যিহেতু এই উদ্যোগৰ আয় দেশৰ বৃহৎ সংখ্যক লোকৰ মাজত বিতৰণ হয়, ই আঞ্চলিক আৰ্থিক বৈষম্য দূৰ কৰাতো সহায়ক হয়।

৬) **ৰাষ্ট্ৰীয় আয়ৰ সমবিতৰণ ঃ** ক্ষুদ্ৰ উদ্যোগ তথা কুটিৰ শিল্পৰ সপক্ষে মূল যুক্তিটো হ'ল— এইসমূহে সম্পদৰ সমবিতৰণৰ নিশ্চয়তা প্ৰদান কৰে। ই দুটা দিশৰ পৰা সম্ভৱ হয়।

(ক) ক্ষুদ্ৰ উদ্যোগৰ মালিকীস্বত্ব বৃহৎ উদ্যোগসমূহৰ মালিকী স্বত্বতকৈ অধিক প্ৰসাৰিত।

(খ) এই উদ্যোগসমূহত বৃহৎ উদ্যোগতকৈ নিয়োগৰ সম্ভাৱনীয়তা অধিক বিশাল। ইয়াৰোপৰি ১৯৮০-৯৪ চনত দেখা হৈছিল যে শ্ৰমিকৰ উৎপাদনশীলতা আৰু মূলধনৰ উৎপাদনশীলতা বৃহৎ উদ্যোগতকৈ ক্ষুদ্ৰ উদ্যোগত অধিক খৰকৈ বৃদ্ধি পাইছিল। এনেদৰে, ক্ষুদ্ৰ উদ্যোগ অধিক দক্ষ বুলি প্ৰমাণিত হৈছে।

৭) **মূলধনৰ গতিশীলতা আৰু উদ্যোগিক কৌশল ঃ** মূলধনৰ গতিশীলতা আৰু উদ্যোগিক কৌশলৰ ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগসমূহৰ এক সুকীয়া সুবিধা আছে। বৰ্তমান সৰু সৰু চহৰ আৰু গাঁওসমূহত এনে ভালেসংখ্যক ক্ষুদ্ৰ উদ্যোগ প্ৰসাৰ হৈছে যিয়ে সমগ্ৰ দেশকে সামৰি লৈছে।

এনেদৰে, বৃহৎ উদ্যোগসমূহে চহৰৰ দূৰৱৰ্তী অঞ্চলসমূহৰ লোকৰ সঞ্চয় গঠন কৰিব নোৱাৰে। কিন্তু ক্ষুদ্ৰ তথা কুটিৰ শিল্পসমূহে এই কাৰ্য অতি দক্ষতাৰে সম্পাদন কৰিব পাৰে। ইয়াৰ লগতে দেশত সঞ্চিত হৈ থকা বিশাল সম্পদৰাজি এই ক্ষুদ্ৰ আৰু কুটিৰ শিল্পসমূহে উচিত ব্যৱহাৰ কৰিব পাৰে।

স্বাধীনোত্তৰ কামৰ ক্ষুদ্ৰ উদ্যোগসমূহৰ দ্ৰুত গতিয়ে প্ৰমাণ কৰে যে প্ৰয়োজনীয় ঋণ, শক্তি আৰু প্ৰযুক্তিগত কৌশলৰ সুবিধা থাকিলে দেশৰ বৃহৎ সম্পদৰাজি উদ্যোগিক উন্নয়নৰ লক্ষ্যত ব্যৱহাৰ কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কুটিৰ শিল্প বুলিলে কি বুজা?

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতীয় অর্থনীতিত কুটিৰ শিল্পৰ দুটা ভূমিকা উল্লেখ কৰা।

.....

.....

৪.৫ ভাৰতৰ বিভিন্ন কুটিৰ শিল্প

(ক) হস্ততাঁত

(১) মালনমাল ঃ মিৰুট, মাডুৰাই, বাৰানসী, আম্বালা

(২) চিণ্ ঃ মাচিলিপট্টম

(৩) ডাৰি ঃ আগ্রা, ঝাঞ্চি, আলিগড়, আম্বালা

(৪) খাদী ঃ আমৰহা, কালিক'ট, পুনে।

(খ) বয়নজাত ৰেচম

ভাৰতত কর্ণাটক, অন্ধ্রপ্রদেশ, তামিলনাড়ু আৰু জম্মু-কাশ্মীৰ অন্যতম ৰেচম উৎপাদনকাৰী ৰাজ্য।

- **চান্দেৰী ৰেচম শাৰী ঃ** এই শাৰী চান্দেৰী কপাহৰৰ পৰা তৈয়াৰ কৰা হয়। ই মধ্যপ্রদেশৰ অশোকনগৰ জিলাৰ চান্দেৰীত অৱস্থিত। চান্দেৰী শাৰীৰ পাতল ওজন আৰু উজ্জ্বলবৰণৰ বাবে ই ভাৰতৰ এক ভৌগলিক পৰিচয় হিচাবে পৰিচিত হৈছে।
- **বাৰাণসী শাৰী ঃ** বাৰাণসী শাৰীৰ সোনালী আৰু ৰূপালী সুতাৰ চকমকনি আৰু ইয়াৰ বয়ন শৈল্পীৰ বিশেষত্বৰ বাবে ভাৰত বিখ্যাত। বাৰাণসী শাৰী চাৰি ধৰণৰ— টাং, অৰগানজা আৰু কাটান।
- **অসম চিল্ক ঃ** অসম চিল্কসমূহক মুগা শিল্প ৰূপে জনা যায়। এই মুগা চিল্ক ইয়াৰ স্থায়ীত্বৰ বাবে জনা যায়। এই মুগা অসমীয়া মেখেলা চাদৰ আৰু শাৰীৰ ৰূপত পৰিধান কৰা হয়।
- **চম্বলপুৰী ৰেচম ঃ** এই চিল্ক শাৰীসমূহ চম্বলপুৰ, বৰগড়, সোনপুৰ, বৰহমপুৰ অঞ্চলত পোৱা যায়। এই শাৰীসমূহকো ভাৰত চৰকাৰ ভৌগলিক পৰিচয় সুচীত অন্তর্ভুক্ত কৰা হৈছে।
- **কানচিপুৰম ৰেচম শাৰী ঃ** তামিলনাড়ুৰ কানচিপুৰমত তৈয়াৰ হোৱা এই শাৰীসমূহ ভাৰত চৰকাৰ ভৌগলিক পৰিচয় সূচীত অন্তর্ভুক্ত কৰা হৈছে।

- **বালুচাৰী শাৰী ঃ** টচ ৰেচমেৰে তৈয়াৰী বালুচাৰীসমূহ মূলত বেংগলত পোৱা যায়। এইসমূহ পশ্চিমবংগৰ মালডা জিলাত পোৱা যায়।
- **কর্নাড ৰেচম শাৰী ঃ** কর্নাড চিল্ক শাৰীসমূহ মন্দিৰ দেৱ-দেৱী মূর্তিৰ বাবে তৈয়াৰ কৰা হয় বাবে মন্দিৰ শাৰী বুলিও জনা যায়। বিভিন্ন ডিজাইনৰ কর্নাড, মেইচৰ, কানচিপুৰম চিল্ক, চেটিনাড়, গড়ৱাল আৰু পচামপালি শাৰীসমূহে দক্ষিণ ভাৰতৰ পাৰস্পৰিক সৌন্দর্যক বহন কৰে।
- **পাইথানি ৰেচম শাৰী ঃ** পাইথানি শাৰীসমূহ ঔৰংগবাদৰ পাইথান চহৰত উপলব্ধ অতি সুন্দৰ শাৰী। এই শাৰীসমূহ ভাৰতত অতি ঐশ্বয্যশালী আৰু সৌন্দর্যশীল শাৰী ৰূপে জনা যায়।
- **পাতলা শাৰী ঃ** এই শাৰীসমূহ সাধাৰণতে পাতল ৰেচমৰ পৰা তৈয়াৰী আৰু এইসমূহ উচ্চ বর্গৰ মহিলাসকলৰ মাজত অতি জনপ্রিয়। এই শাৰীসমূহত হাতী, ফুল আৰু ভাটৌ ইত্যাদি বিভিন্ন ছবি অংকন কৰা থাকে।
- **ৰেচম শাৰী ঃ** কর্ণাটকৰ মেচুৰ জিলাত ৰেচম শাৰী উৎপাদন কৰা হয়। এই মালাবাৰী ৰেচমত ফেব্রিক ব্যৱহাৰ কৰা হয়।
- **বসকাই ৰেচম শাৰী ঃ** সূবর্ণপূৰ জিলাত তৈয়াৰ হোৱা এই শাৰীসমূহ সোণপুৰী শাৰী বুলিও জনা যায়। সোণপুৰী শাৰীৰ অতি জনপ্রিয় শাৰীসমূহ হ'ল সোনপুৰ ৰেচম শাৰী।
- **ভগালপুৰী ৰেচম শাৰী ঃ** এই শাৰীসমূহ টচ ৰেচমৰ পলুৰ পৰা তৈয়াৰ কৰা হয়। কচা ৰেচম ৰূপে জনাজাত ৰাজগড় কচা ৰেচম শাৰী আৰু ঝাৰখণ্ড টচ শাৰীসমূহ টচৰ পৰা তৈয়াৰ কৰা হয়।
- **উলৰ বয়ন ঃ** অমৃতসৰ, ধাৰিৱাল, লুধিয়ানা, মাচিলিপট্টম, শ্রীনগৰ, ওৰাৰাংগল, মিৰুট আদি ঠাইত ইয়াক তৈয়াৰ কৰা হয়।

৪.৬ কুটিৰ শিল্পৰ বাবে চৰকাৰী নীতি

কুটিৰ শিল্পৰ বিভিন্ন নীতিসমূহ হ'ল—

১) ১৯৪৮ চনৰ উদ্যোগিক নীতি Industrial policy resolution (IPR) ঃ ১৯৪৮ চনত IPR ৰে, দেশৰ উদ্যোগিক উন্নয়নৰ বাবে ক্ষুদ্র উদ্যোগৰ প্রয়োজনীয়তাক স্বীকাৰ কৰে। সেই সময়ত এই কথা ভালকৈয়ে উপলব্ধি কৰা হৈছিল যে স্থানীয় সম্পদৰ ব্যৱহাৰ আৰু নিয়োগৰ সুযোগ সৃষ্টিত ক্ষুদ্র উদ্যোগসমূহ অতি উপযোগী।

কিন্তু এই উদ্যোগসমূহে এক দীর্ঘকালীন সময়ৰ বাবে কেঁচা সামগ্রী, মূলধন, কৌশলী শ্রমিক, বজাৰ ইত্যাদিৰ সমস্যাসমূহ সন্মুখীন হ'ব লগা হয়। গতিকে ১৯৪৮ চনৰ IPR ত এই বিষয়ত গুৰুত্ব দিয়া হৈছিল যে কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সহযোগত এই সমস্যাসমূহ সমাধান কৰক। মূলতঃ ১৯৪৮ চনৰ IPR ৰ ক্ষুদ্র উদ্যোগৰ ক্ষেত্রত মূল নীতি আছিল 'সুৰক্ষা'।

২) **১৯৪৮ চনৰ উদ্যোগিক নীতি ঃ** ১৯৪৮ চনৰ IPR ৰ ৰূপায়নেৰে আমাৰ দেশত উদ্যোগিক উন্নয়নৰ ধাৰা এটা প্ৰতিষ্ঠা কৰে। গতিকে IPR ৰ ১৯৪৮ ৰ পিছৰছোৱা সময়ত দেশৰ উদ্যোগিক উন্নয়নত উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছিল। উদাহৰণস্বৰূপে ভাৰতৰ পৰিকল্পনা কাৰ্যসূচীসমূহ গঠনমূলকভাৱে আগবাঢ়িছিল আৰু প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সমাপ্তি ঘটিছিল। দেশৰ উদ্যোগসমূহ নিয়ন্ত্ৰণ পৰিচালনাৰ বাবে ১৯৫১ চনত উদ্যোগিক নীতি ঘোষণা কৰা হয়।

এই সময়ছোৱাত সংসদেও আৰ্থ সামাজিক নীতিৰ বুনিয়াদ হিচাবে 'সমাজবাদী সমাজৰ ধাৰণাক' গ্ৰহণ কৰে। এই পটভূমিতে নতুন প্ৰস্তাৱিত উদ্যোগিক নীতিৰ ৰচনা কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে, ১৯৫৮ চনৰ উদ্যোগিক নীতিৰ সূচনা হৈছিল।

১৯৫৮ চনৰ উদ্যোগিক নীতিয়ে পূৰ্বৰ নীতিকে বাহাল ৰাখি ক্ষুদ্ৰ উদ্যোগ খণ্ডক সমৰ্থন আগবঢ়ালে। ইয়াৰ লক্ষ্য আছিল যে বিকেন্দ্ৰীভূত খণ্ডসমূহ আত্মনিৰ্ভৰশীল হৈ উঠক আৰু বৃহৎ উদ্যোগসমূহৰ সৈতে উন্নয়নৰ প্ৰক্ৰিয়াত একেলগ হওক। উল্লেখনীয় যে, প্ৰায় ১২৮ বিধমান সামগ্ৰী ক্ষুদ্ৰ উদ্যোগ খণ্ডত উৎপাদনৰ বাবে সংৰক্ষিত কৰা হৈছিল।

ইয়াৰ উপৰিও, ১৯৫৯ চনত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ ব'ৰ্ডে এখন কাৰ্যকৰী সমিতি গঠন কৰে। এই সমিতিয়ে ১৯৬১-৬৬ চনৰ তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ উন্নয়নমূলক আঁচনিসমূহ গঠন আৰু নিৰীক্ষণ কৰে। দেশৰ ক্ষুদ্ৰ উদ্যোগখণ্ডক শক্তিশালী কৰি তুলিবলৈ তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত 'গ্ৰাম্য উদ্যোগ প্ৰকল্প' আৰু 'উদ্যোগিক প্ৰকল্প'ৰ আৰম্ভণি কৰা হৈছিল। এনেকৈয়ে পূৰ্বৰ 'সুৰক্ষা'ৰ ধাৰণাক পৰিৱৰ্তন কৰি 'উন্নয়ন' নাম দিয়া হৈছিল। এক কথাত, ১৯৫৬ চনৰ IPR আধুনিক ক্ষুদ্ৰ উদ্যোগৰ ধাৰণা সূচনা কৰে।

(৩) ১৯৭৭ চনৰ প্ৰস্তাৱিত উদ্যোগিক নীতি ঃ ১৯৫৬ চনৰ উদ্যোগিক নীতিৰ দুটা দশকৰ পিছত উদ্যোগিক উন্নয়নৰ সুফলসমূহ একপক্ষীয়ভাৱে কেৱল বৃহৎ আৰু মধ্যমীয়া খণ্ডৰউদ্যোগসমূহে লাভ কৰিছিল। আনহাতেদি নিবনুৱা সমস্যা বৃদ্ধি পাইছিল। এই পৰিস্থিতিয়ে উদ্যোগ নীতিৰ ফলস্বৰূপে ১৯৭৭ চনৰ প্ৰস্তাৱিত উদ্যোগিক নীতিৰ আৰম্ভণি হয়।

উদ্যোগিক নীতিয়ে কুটিৰ শিল্পক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিছিল। এই নীতিয়ে কুটিৰ শিল্পৰ ভূমিকা হ্ৰাস কৰি কেৱল বৃহৎ উদ্যোগকহে গুৰুত্ব দিছিল। প্ৰস্তাৱিত নতুন উদ্যোগিক নীতি কুটিৰ শিল্পৰ উন্নয়নত গুৰুত্ব আৰোপিত কৰি গাঁও অঞ্চলত প্ৰসাৰিত কৰে। গতিকে চৰকাৰৰ নীতি হ'ল যে ক্ষুদ্ৰ উদ্যোগে যিয়েই উৎপাদন কৰে উৎপাদন নিশ্চিত কৰিব লাগে।

১৯৭৭ চনৰ উদ্যোগিক নীতিয়ে ক্ষুদ্ৰ উদ্যোগক তিনিটা বহল শ্ৰেণীত ভাগ কৰিছে—

(ক) কুটিৰ আৰু ঘৰুৱা উদ্যোগসমূহ যিয়ে বৃহৎ পৰিসৰত স্ব-নিয়োজনৰ সুবিধা আগবঢ়ায়।

(খ) ১৯৭১ চনৰ পিয়ল অনুসৰি ৫০,০০০তকৈ কম জনসংখ্যাৰ চহৰসমূহৰ উদ্যোগিক গোটসমূহ য'ত ১ লাখলৈকে বিনিয়োগ কৰা হৈছে।

(গ) প্ৰায় ১০ লাখলৈকে বিনিয়োগ হোৱা উদ্যোগসমূহ।

কুটিৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগসমূহৰ দ্ৰুত বিকাশৰ বাবে পৰামৰ্শৱলী।

(ক) ক্ষুদ্ৰ উদ্যোগ খণ্ডত উৎপাদনৰ বাবে ৫০৪ বিধ সামগ্ৰীৰ সংৰক্ষণৰ ব্যৱস্থা কৰা।

(খ) ক্ষুদ্ৰ উদ্যোগ আৰু কুটিৰ শিল্পৰ উন্নয়নৰ বাবে প্ৰত্যেক জিলাতে জিলা উদ্যোগ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ। ১৯৭৪ চনৰ মে'ত DIC কেন্দ্ৰ স্থাপন হয়। DIC স্থাপনৰ মূল লক্ষ্য আছিল সকলোধৰণৰ কৰ্ম, সেৱাৰ লগত জড়িত লোকসকলক একেখন ছালৰ তললৈ আনা আৰু ক্ষুদ্ৰ, গ্ৰাম্য উদ্যোক্তাসকলক সমৰ্থন আগবঢ়োৱা।

উপৰোক্ত কথাসমূহৰ পৰা এই কথা অনুভূত হয় যে পূৰ্বৰ 'সংৰক্ষণ' (IPR ১৯৪৮), উন্নয়ন (IPR ১৯৫৫) ত ১৯৭৭ চনৰ 'বিকাশ' অন্তৰ্ভুক্ত হয়। এই প্ৰস্তাৱ অনুসৰি, ক্ষুদ্ৰ উদ্যোগ খণ্ডত 'সংৰক্ষিত' উন্নত আৰু বিকশিত হ'ব লাগিব।

(গ) ১৯৪০ চনৰ প্ৰস্তাৱিত উদ্যোগিক নীতি ঃ ১৯৮০ চনৰ ২৩ জুলাইত ভাৰত চৰকাৰে প্ৰস্তাৱিত নতুন উদ্যোগিক নীতি গ্ৰহণ কৰে। ১৯৮০ চনৰ IPR ৰ মূল উদ্দেশ্য আছিল উদ্যোগিক উৎপাদন বৃদ্ধি কৰা আৰু উদ্যোগৰ প্ৰসাৰতা বৃদ্ধি কৰা।

ক্ষুদ্ৰ উদ্যোগৰ প্ৰতি এই নীতিৰ প্ৰস্তাৱসমূহ

- ক্ষুদ্ৰ গোটসমূহৰ বাবে বিনিয়োগৰ সীমা ১ লাখৰ পৰা ২ লাখলৈ নিৰ্ধাৰণ কৰা, অতি ক্ষুদ্ৰ উদ্যোগৰ বাবে ১০ লাখৰ পৰা ২০ লাখলৈ আৰু ১৫ লাখৰ পৰা ২৫ লাখলৈ অনুসংগিক খণ্ডলৈ নিৰ্ধাৰণ কৰা।
- কুটিৰ শিল্পসমূহক গাঁৱৰ পৰিৱেশৰ লগত খাপ খোৱাকৈ অথবা গাঁওসমূহৰ অৰ্থনৈতিক অৱস্থাৰ লগত খাপ খোৱাকৈ সক্ষম কৰি তোলা।

  এনেদৰে, ১৯৮০ চনৰ IPR ৰে ১৫৬ চনৰ উদ্যোগিক নীতিৰ আদৰ্শক পুনৰ আগবঢ়ায় আনে। যিহেতু, তেতিয়াও ক্ষুদ্ৰ উদ্যোগ খণ্ডক আয় আহৰণ আৰু স্বনিয়োজনৰ এক উত্তম উৎস হিচাবে বিবেচনা কৰা হয়।

(ঘ) ১৯৯০ চনৰ উদ্যোগিক নীতি ঃ ১৯৯০ চনৰ জুনত প্ৰস্তাৱিত উদ্যোগিক নীতি ঘোষণা কৰা হয়। এই নীতিসমূহে ক্ষুদ্ৰ উদ্যোগৰ প্ৰসংগত নিয়োগ সৃষ্টিৰ লক্ষ্যক বাহাল ৰাখিলে।

ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ বাবে প্ৰস্তাৱিত গুৰুত্বপূৰ্ণ উপাদানসমূহ আছিল—

- ক্ষুদ্ৰ উদ্যোগৰ ব্যৱসায় আৰু যন্ত্ৰপাতিৰ বাবে বিনিয়োগ সীমা ৩৫ লাখৰ পৰা ৬০ লাখলৈ বৃদ্ধি কৰা হয়। সেইদৰে অনুষংগিক খণ্ডৰ বাবে ৪৫ লাখৰ পৰা ৭৫ লাখলৈ বৃদ্ধি কৰা হয়।
- ক্ষুদ্ৰ গোটসমূহৰ বাবে বিনিয়োগ সীমা ২ লাখৰ পৰা ৫ লাখলৈ নিৰ্ধাৰণ কৰা হয়। ইয়াত চৰ্ত আছিল যে এই গোটসমূহৰ থকা ঠাইৰ জনসংখ্যা ১৯৮১ চনৰ পিয়ল অনুসৰি ৫০,০০০ জন হ'ব লাগিব।
- প্ৰায় ৪৩৬ বিধ সামগ্ৰী ক্ষুদ্ৰ উদ্যোগত উৎপাদনৰ বাবে মুকলি কৰা হৈছিল।
- গ্ৰাম্য আৰু পিছপৰা অঞ্চলত কম মূলধনী ব্যয়ত অধিক নিয়োগ সৃষ্টিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নতুন আঁচনি ৰূপায়ণ।
- ক্ষুদ্ৰ উদ্যোগ খণ্ডত উৎপাদিত সামগ্ৰীৰ মাজত প্ৰতিযোগিতাৰ ভাৱ বৃদ্ধি কৰিবৰ বাবে প্ৰযুক্তিগত বিকাশৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই কাৰ্যসূচী 'ক্ষুদ্ৰ উদ্যোগ উন্নয়ন

সংগঠন'ৰ অধীনত ৰূপায়ণ হ'ব।

- ক্ষুদ্ৰ উদ্যোগসমূহলৈ সঠিক আৰু নিয়মীয়া ঋণ যোগানৰ সুবিধা সুনিশ্চিত কৰা হ'ব। এই উদ্দেশ্যতে ১৯৯০ চনত এক নতুন শাখা 'Small Industries Development Bank' বেংক প্ৰতিষ্ঠা কৰা হয়।
- 'Entrepreneurship Development Programme' ৰ অধীনত মহিলা আৰু যুৱকৰ প্ৰশিক্ষণত অধিক গুৰুত্ব দিয়া। এই উদ্দেশ্যে SIDO ত এক বিশেষ শাখা প্ৰতিষ্ঠা কৰা হয়।
- দেশৰ কিছু উন্নত অঞ্চলসমূহত ২৫ কোটি টকাৰ বিনিয়োগৰ গোটসমূহৰ আৰু পিছপৰা অঞ্চলত ৭৫ কোটিৰ বিনিয়োগৰ গোটসমূহৰ অনুমতি পত্ৰ বাতিল কৰা। একেদৰে ১০০ শতাংশই ৰপ্তানিকেন্দ্ৰীক গোটসমূহ বাতিল কৰা হ'ব। যিসমূহ ৭৫ লাখ বিনিয়োগ সীমা Export processing zone (EPZ) ৰ অধীনত আছিল।

৪) ১৯৯১ চনৰ ক্ষুদ্ৰ উদ্যোগিক নীতি

১৯৯১ চনত ভাৰত চৰকাৰে সংসদত পোন প্ৰথমবাৰৰ বাবে 'গ্ৰাম্য, ক্ষুদ্ৰ আৰু সুক্ষ্ম উদ্যোগসমূহক উৎসাহিত, শক্তিবৰ্দ্ধন আৰু পৰিপুৰকতা প্ৰদান কৰিবৰ বাবে নীতি'ৰ উপস্থাপন কৰে। এই নতুন ক্ষুদ্ৰ উদ্যোগ নীতিৰ মূল বিষয় আছিল দেশৰ অৰ্থনীতিত ক্ষুদ্ৰ উদ্যোগসমূহৰ ভূমিকা অধিক সবল কৰি তোলা। বিশেষকৈ উৎপাদিত সামগ্ৰী, নিয়োগ আৰু ৰপ্তানিৰ হাৰ বৃদ্ধি কৰা।

এই খণ্ডক সম্পূৰ্ণৰূপে লাইচেন্স মুক্ত কৰা হৈছিল। এই খণ্ডক আমোলামুক্ত আৰু নিয়ন্ত্ৰণমুক্ত কৰাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টা হাতত লোৱা হৈছিল যাতে ইয়াত সৃষ্টি হোৱা সকলো বাধা দূৰ হয় আৰু নতুন আৰু ক্ষুদ্ৰ উদ্যোগসমূহৰ ওপৰত বিশ্বাসযোগ্যতা বৃদ্ধি পায়।

এই নীতিৰ অন্তৰ্ভুক্ত ক্ষুদ্ৰ উদ্যোগসমূহৰ বৈশিষ্ট্যসমূহ ঃ

ক) উদ্যোগৰ স্থানৰ কথা বিবেচনা নকৰাকৈ অতি ক্ষুদ্ৰ উদ্যোগৰ প্ৰকল্প তথা যন্ত্ৰপাতিৰ বিনিয়োগ ২ লাখৰ পৰা ৫ লাখলৈ বৃদ্ধি কৰা।

খ) ক্ষুদ্ৰ উদ্যোগ হিচাবে স্থানৰ কথা বিবেচনা নকৰাকৈ ব্যৱসায় সম্পৰ্কীয় আৰু সেৱা সম্পৰ্কীয় ব্যৱস্থাসমূহ বৃদ্ধি কৰা।

গ) সীমিত অংশীদাৰী আইন পৰিচয় কৰোৱা।

ঘ) ক্ষুদ্ৰ উদ্যোগৰ বাবে সংহত বুনিয়াদী উন্নয়ন সুনিশ্চিত কৰা।

ঙ) সমবায়/ৰাজহুৱা খণ্ডৰ অনুষ্ঠান, অন্যান্য বৃত্তিমূলক সংস্থাসমূহৰ জৰিয়তে বজাৰ উন্নীতকৰণ কৰা।

চ) ক্ষুদ্ৰ খণ্ড পলম হোৱা পৰিশোধৰ সমস্যা দূৰ কৰিব উপাদান সেৱাৰ পৰিচয় কৰা।

ছ) ক্ষুদ্ৰ উদ্যোগ উন্নয়ন সংগঠনত প্ৰযুক্তি উন্নয়ন শাখা এটা প্ৰতিষ্ঠা কৰা।

জ) স্থানীয় কেঁচা সামগ্ৰী আহৰণত ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ ব্যৱসায়সমূহক প্ৰাধান্য দিয়া।

ঝ) SIDO ত এটা ৰপ্তানি উন্নয়ন কেন্দ্ৰ প্ৰতিষ্ঠা কৰা।

ঞ) ৰাষ্ট্ৰীয় ইকুইটি পুঁজিৰ (NEF) ৰ পৰিসৰ বৃদ্ধি কৰা যাতে চিংগল উইনদ আঁচনি ডাঙৰ হয় আৰু মিশ্রিত লোনৰ সুবিধা সহজে আগবঢ়াব পাৰি।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- কুটিৰ শিল্প হ'ল ক্ষুদ্র উদ্যোগৰ এক কেন্দ্রীভূত ৰূপ য'ত সামগ্রীৰ উৎপাদন শ্রমিকৰ ঘৰতে হয় আৰু শ্রমিকৰ পৰিয়ালৰ সদস্যসকলো শ্রমিক হিচাবে নিয়োজিত হয়।
- ক্ষুদ্র উদ্যোগ খণ্ডই নিয়োগৰ বাবে এক বৃহৎ পৰিসৰ আগবঢ়ায়। ক্ষউদ্র উদ্যোগৰ দ্বাৰা উৎপাদিত বিভিন্ন সামগ্রী যেনে— ফেবিকচ, ৰেচম ফেবিকচ, দলিচা, অলংকাৰ, গহনা ইত্যাদি বিদেশলৈ ৰপ্তানি কৰা হয়।



৪.৮ অধিক জানিবলৈ

1) B.N. Ghosh and Rama Ghosh,'Concise History of Economic Thought'. Himalaya Publishing House.
2) H.L.Bhatia, 'History of Economic Thought', Vikas publication.
3) P.K.Dhar, Indaian Economy , Kalyani Publications.
4) G. Datt and A. Mahajan, Indian Economy, S. Chand.



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কুটিৰ শিল্প হ'ল ক্ষুদ্র উদ্যোগৰ কেন্দ্রীভূত ৰূপ য'ত সামগ্রীৰ উৎপাদন শ্রমিকৰ ঘৰতে হয় আৰু শ্রমিকৰ পৰিয়ালৰ সদস্যসকলো শ্রমিক হিচাবে নিয়োজিত হয়। সামগ্রীৰ উৎপাদনৰ বাবে বৰ্ব্যহাৰ কৰা সজুলিসমূহ উচ্চ প্রযুক্তিযুক্ত নহয়। বৰঞ্চ এইসমূহ ঘৰতে ব্যৱহৃত সামগ্রী।

২ নং প্রশ্নৰ উত্তৰ ঃ নিয়োগ সৃষ্টি আৰু বৃহৎ উৎপাদন।



৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতত কুটিৰ শিল্পৰ ভূমিকা আলোচনা কৰা।

প্ৰশ্ন ২ ঃ কুটিৰ শিল্পৰ বাবে ভাৰত চৰকাৰৰ বিভিন্ন নীতি আলোচনা কৰা।

প্ৰশ্ন ৩ ঃ ভাৰতৰ বিভিন্ন কুটিৰ শিল্পৰ ওপৰত এটি চমুটোকা লিখা।

*** ***** ***

অধ্যায় ৫ ঃ ভাৰতৰ গ্ৰাম্য ঋণগ্ৰস্ততা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ গ্ৰাম্য ঋণগ্ৰস্ততাৰ অৰ্থ

৫.৪ গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰকৃতি

৫.৫ ভাৰতৰ গ্ৰাম্য ঋণগ্ৰস্ততাৰ কাৰণবোৰ

৫.৬ গ্ৰাম্য ঋণগ্ৰস্ততাৰ ফলাফল

৫.৭ ভাৰতৰ গ্ৰাম্য ঋণগ্ৰস্ততা সমাধানৰ বাবে লোৱা ব্যৱস্থাৱলী

৫.৮ গ্ৰাম্য ঋণগ্ৰস্ততা নিৰ্মূলৰ কাৰ্যসূচী

৫.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্ৰগতিৰ খতিয়ান

৫.১২ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- গ্ৰাম্য ঋণগ্ৰস্ততাৰ ধাৰণা সম্পৰ্কে বুজিবলৈ সমৰ্থ হ'ব
- গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰকৃতি বুজিব পাৰিব
- গ্ৰাম ঋণগ্ৰস্ততাৰ ফলাফল সম্পৰ্কে জানিব পাৰিব
- গ্ৰাম ঋণগ্ৰস্তাতৰ নিৰ্মূলকৰণৰ কাৰ্যসূচীসমূহ ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

গ্ৰাম্য ভাৰতত ঋণগ্ৰস্ততাৰ পৰিসৰ বিস্তাৰিত। ইয়াৰ কাৰণ আৰু ফলাফল অনেক। বেংক ৰাষ্ট্ৰীয়কৰণ, আঞ্চলিক গ্ৰাম বেংক স্থাপন, লীড বেংক আঁচনি আদি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা সত্বেও ভাৰতত ঋণগ্ৰস্ততা নিৰ্মূলকৰণ হোৱা নাই। এই অধ্যায়টিত আমি গ্ৰাম্য ঋণগ্ৰস্ততাৰ ধাৰণা, গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰকৃতি, গ্ৰাম্য ঋণগ্ৰস্ততাৰ ফলাফল আৰু গ্ৰাম্য ঋণগ্ৰস্ততা, নিৰ্মূলৰ বাবে গ্ৰহণ কৰা কেতবোৰ কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰিম।

৫.৩ গ্ৰাম্য ঋণগ্ৰস্ততাৰ অৰ্থ

ঋণগ্ৰস্ততাৰ অৰ্থ হৈছে অন্য এটা পক্ষক ধন আদায় দিবলৈ থকা একপ্ৰকাৰ বাধ্য-

বাধকতা। ভাৰতৰ গ্ৰাম্যাঞ্চলত দুখীয়া কৃষক আৰু দিনমজুৰ শ্ৰমিক আদিয়ে যেতিয়া ঋণ আদায় দিব নোৱাৰে তেতিয়া ইয়াৰ পৰিমাণ বাঢ়ি গৈ থাকে আৰু তাৰ ফলতে গ্ৰাম্য ঋণগ্ৰস্ততাৰ সমস্যাটোৰ উদ্ভৱ হয়। গ্ৰাম্য ঋণগ্ৰস্ততাই দেশৰ দুৰ্বল বিত্তীয় আন্তঃগাঁঠনিকে সূচিত কৰে, কিয়নো ই অৰ্থৰ প্ৰয়োজন হোৱা কৃষক, গাঁৱৰ ভূমিহীন লোক আৰু কৃষিৰ দিনমজুৰ শ্ৰমিকক অৰ্থনৈতিক ব্যৱস্থাই স্পৰ্শ কৰাত অসমৰ্থকায়ো সামৰি লয়।

কৃষকসকলে হয় কৃষিকাৰ্য নাইবা কৃষি উৎপাদন কম হোৱা ঋতুত পৰিয়ালৰ ভৰণ-পোষণ তথা সা-সজুঁলি ক্ৰয়ৰ বাবেহে ঋণ ল'বলগীয়া হয়। আয় কম হোৱা বা যধে-মধে ঋণৰ ধন ব্যয় কৰাৰ ফলত যেতিয়া কৃষকে ঋণ পৰিশোধ কৰিব নোৱাৰে তেতিয়া সুদসহ ঋণৰ পৰিমাণ বাঢ়ি গৈ থাকে। ভাৰতৰ দুৰ্বলতৰ 'বিত্তীয় অন্তৰ্ভুক্তি'য়ে স্থানীয় ঋণদাতাসকলক শোষণৰ এনে সুযোগ উলিয়াই দিছে।

৫.৪ গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰকৃতি

এই ঋণৰ যন্ত্ৰণা কেৱল ইয়াৰ পৰিমাণৰ ওপৰত বা বৃদ্ধিৰ হাৰৰ ওপৰতে নিৰ্ভৰ নকৰে। এই ধৰণৰ ঋণৰ চিন্তনীয় দিশটো হৈছে ইয়াৰ অনুৎপাদনশীল প্ৰভৃতি। ১৮৯৫ চনতেই নিক'লছনে ধৰা পেলাইছিল যে মাদ্ৰাজৰ পঞ্জীভুক্ত ঋণসমূহৰ ভিতৰত মাত্ৰ ১.৩ শতাংশহে ভূমিৰ উন্নয়নত ব্যয় হৈছিল। একেদৰে পাঞ্জাৱত ৫ শতাংশতকৈয়ো কম পৰিমাণৰ ঋণৰ ধনহে ভূমিৰ উন্নয়নত ব্যয় হৈছিল।

প্ৰাদেশিক বেংকিং সমিতিয়ে ধৰা পেলাইছিল যে ৭০ শতাংশ চলিত ঋণ অনুৎপাদনশীল কাৰ্যত ব্যয় হৈছিল আৰু বোম্বে আৰু বংগৰ ক্ষেত্ৰতো জৰীপ সমিতিয়ে (Rural Credit Survey Committee) সকলো ঋণৰে ৫৬.৩ শতাংশ অনুৎপাদনশীল বুলি ধৰা পেলাইছিল, তেতিয়া পৰিস্থিতি পৰিৱৰ্তন যে হোৱা নাছিল সেয়াই প্ৰমাণিত হৈছিল।

৫.৫ গ্ৰাম্য ঋণগ্ৰস্ততাৰ কাৰণসমূহ

(ক) দাৰিদ্ৰ ঃ ভাৰতীয় কৃষকসকল অত্যন্ত দৰিদ্ৰ আৰু ঋণ পৰিশোধৰ বাবে বা তেওঁলোকৰ ভূমিৰ উন্নয়নৰ বাবে কোনো ধৰণৰ পূৰ্বৰ জমা ধন নাথাকে। এনেদৰে দাৰিদ্ৰই কৃষকসকলক ঋণৰ পৰিমাণ বহুগুণে বৃদ্ধিৰ দিশে ঠেলি দিয়ে।

(খ) কৃষিখণ্ডৰ সাংগঠনিক কেৰোণ ঃ কৃষিখণ্ডৰ সাংগঠনিক কেৰোণ যেনে বেমেজালিপূৰ্ণ ভূমি বন্দোৱস্তি ব্যৱস্থা, পুৰাতন কৃষি কৌশলৰ ব্যৱহাৰ, ভূমিৰ ওপৰত অত্যাধিক হেঁচা, কেৰোণযুক্ত বিপনন, আয়ৰ বিকল্প ব্যৱস্থাৰ অভাৱ আদিৰ দৰে কেৰোণ লগা কৃষি সাংগঠিক ব্যৱস্থায়ো গ্ৰাম্য ঋণগ্ৰস্ততাৰ সৃষ্টি কৰে।

(গ) জমাধনৰ অভাৱ ঃ পূৰ্বৰ জমাধন নথকাকৈয়ে ভূমিৰ উন্নয়ন আৰু কৃষিকৰ্মৰ বাবে পুঁজি ঋণ হিচাপে লোৱাৰ প্ৰৱণতা ভাৰতীয় কৃষকৰ মাজত দেখা যায়।

(ঘ) অনুৎপাদনশীল ব্যয় ঃ ভাৰতীয় খেতিয়কসকলক বিবাহ আৰু অন্য সামাজিক অনুষ্ঠানৰ দৰে অনুৎপাদনশীল কার্যত বৃহৎ পৰিমাণৰ ধন ব্যয় কৰা দেখা যায়। ইয়াৰ ফলতে কৃষকৰ মাজত ঋণগ্ৰস্ততা বৃদ্ধি পায়।

(ঙ) পূৰ্বপুৰুষৰ ঋণ ঃ ভাৰতীয় কৃষকসকলে পিতৃৰ ঋণৰ বোজা পৈত্রিকভাৱে লাভ কৰে।

(চ) অসাধু ঋণদাতা ঃ ভাৰতত গ্ৰাম্য ঋণগ্ৰস্ততা বৃদ্ধিৰ বাবে ঋণদাতাসকলো বহু পৰিমাণে দায়ী। তেওঁলোকে কৃষকসকলক ধন ধাৰে ল'বলৈ উৎসাহিত কৰে আৰু উচ্চ হাৰত সুদ লয় তথা হিচাপ-নিকাচৰো গড় মিল কৰে।

(ছ) অনিশ্চিত বৰ্ষাকাল ঃ ভাৰতীয় কৃষি পদ্ধতি বৰ্ষা ঋতুৰ ওপৰত বহু পৰিমাণে নির্ভৰশীল। ভাৰতৰ প্ৰায় ৬৫ শতাংশ কৃষিকার্যই বৰষুণৰ ওপৰত নির্ভৰশীল। যিহেতু বৰষুণ বেছি ক্ষেত্রতে অনিশ্চিত, গতিকে কৃষিকার্যও বৰ্ষাৰ সৈতে খেলা জুৱাখেলৰ দৰে অনিশ্চিত হৈ পৰিছে।

(জ) কৃষকৰ নিৰক্ষৰতা ঃ ভাৰতৰ বেছিভাগ কৃষকেই নিৰক্ষৰ। অসাধু ঋণদাতা আৰু মহাজনসকলে কৃষকসকলৰ দুৰ্বলতাসমূহ কামত লগাই ঋণগ্ৰস্ততা এটা আৱৰ্ত চক্র প্রস্তুত কৰি পেলাইছে।

(ঝ) ভূমিৰ বিভাজন ঃ ভূমিৰ মালিকীস্বত্বলৈ ভাগ-উপভাগ হোৱাৰ বৰ্দ্ধিত প্রৱণতাৰ ফলতো ভাৰতীয় কৃষকৰ আয় হ্রাস পাই আহিছে। কম আয়েও কৃষকক বৰ্দ্ধিত ঋণগ্ৰস্ততাৰ দিশে ঠেলি দিয়ে।

(ঞ) আইনী কার্যঃ ভাৰতীয় কৃষকৰ মাজত ক্রমে বাঢ়ি অহা গোচৰ দিয়াৰ দৰে আইনী কার্যয়ো দেশত ঋণগ্ৰস্ততাৰ সমস্যা বঢ়াইছে।

(ট) কেৰোণযুক্ত বিপনন ঃ ভাৰতত কৃষি সামগ্রীৰ বিপনন ব্যৱস্থা অতিকে কেৰোণযুক্ত। ইয়াৰ ফলত কৃষকে তেওঁলোকৰ কৃষিজাত দ্রব্যৰ উপযুক্ত দৰ লাভ নকৰে আৰু বহু সময়ত ততাতৈয়াকৈ নিজৰ বস্তু-বাহানি বিক্রী কৰিবলৈ বাধ্য কৰে। এনে অৱস্থা বৰ্দ্ধিত দাৰিদ্রৰ বাবে দায়ী আৰু ই ভাৰতীয় কৃষকক ঋণগ্ৰস্ততাৰ দিশে ঠেলি দিয়ে।

(ঠ) প্রাকৃতিক দুর্যোগ ঃ বানপানী আৰু খৰাঙৰ দৰে প্রাকৃতিক দুর্যোগ আৰু কৃষি ক্ষেত্রত পিছপৰি ৰোৱাটোও দেশত গ্ৰাম্য ঋণগ্ৰস্ততা বৃদ্ধি পাই অহাৰ বাবে দায়ী।

৫.৬ গ্ৰাম্য ঋণগ্ৰস্ততাৰ ফলাফল

(১) দাৰিদ্র বৃদ্ধি ঃ ঋণগ্ৰস্ততাৰ স্পষ্ট ফল হৈছে দৰিদ্র লোকৰ দাৰিদ্র বৃদ্ধি। দাৰিদ্র তেওঁলোকৰ জীৱন-জোৰা সংগী হৈ পৰে। এবাৰ তেওঁ ঋণত সোমাই পৰিলে তেওঁ যিমান চেষ্টা কৰিলেও দৰিদ্রই হৈ থাকে।

(২) দাসত্ব আৰু বন্ধকী শ্রমিক ঃ ঋণগ্ৰস্ততাই দাসত্ব আৰু বন্ধা শ্রমিকৰ সৃষ্টি কৰে। সামাজিক বাধ্যবাধকতা পূৰণৰ স্বার্থত পূৰ্বপুৰুষৰ ঋণ পৰিশোধৰ বাবে দৰিদ্র কৃষকসকল দাসত্ব আৰু বন্ধা শ্রমিকৰ চিকাৰ হৈ পৰে।

(৩) স্বাস্থ্যজনিত সমস্যা ঃ গ্ৰাম্য ঋণগ্ৰস্ততাই ঋণ গ্ৰহিতাৰ স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰে। দাৰিদ্ৰ আৰু ঋণগ্ৰস্ততাৰ বাবে কৃষকে পুষ্টিদায়ক খাদ্যবিধি অনুকৰণ কৰিব নোৱাৰে আৰু ভাল খাদ্য খাবলৈ নাপায়। তেওঁলোকে নিজৰ বা তেওঁলোকৰ সন্তানৰ বাবে চিকিৎসাৰ সুবিধাও তেওঁলোকে পাব নোৱাৰে। ইয়াৰ ফলত তেওঁলোকৰ স্বাস্থ্যৰ মান হ্ৰাস পায়।

(৪) সামাজিক মাৰ্যদা হ্ৰাস ঃ ঋণগ্ৰস্ততাৰ বাবে কৃষকে ঋণদাতা বা ছাহুকাৰসকলৰ সন্মুখত নিজকে হীন বুলি অনুভৱ কৰে। তাৰ ফলত তেওঁৰ সামাজিক মৰ্যদা হ্ৰাস পায়।

(৫) কৃষিৰ অৱনতি ঃ ঋণগ্ৰস্ততাৰ বাবে কৃষিৰ অৱস্থাও হ্ৰাস পায়। কাৰণ বেছিভাগ কৃষকেই তেওঁলোকৰ ঋণদাতাৰ পথাৰত চাকৰৰ ৰূপত কাম কৰিব লাগে। কৃষকেও খেতিৰ মাটিৰ সঠিক মনোযোগ দিব নোৱাৰে। ফলত কৃষিৰ অৱনতি ঘটে।

(৬) মনোবৈজ্ঞানিক সমস্যা ঃ ঋণগ্ৰস্ততাৰ প্ৰভাৱত দুখীয়া কৃষকৰ মাজত হতাশা, মানসিক সন্তুলনহীনতা আৰু মানসিক সংঘাতে দেখা দিয়ে। ঋণৰ গধূৰ বোজাৰ বাবে কৃষকসকলে ঋণ পৰিশোধ কৰিব নোৱাৰে বা তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবও নোৱাৰে। তেওঁলোক দোধোৰ-মোধোৰ অৱস্থাত থাকে। অত্যাধিক হতাশাৰ বাবে তেওঁলোকে কেতিয়াবা আত্মহত্যা পৰ্যন্ত কৰে।

(৭) অৰ্থনৈতিক মান হ্ৰাস ঃ ঋণগ্ৰস্ততাৰ বাবে কৃষকৰ ক্ৰয় ক্ষমতা হ্ৰাস পায়, তেওঁলোকে নিজৰ আৰু পৰিয়ালৰ মৌলিক প্ৰয়োজনবোৰ পূৰণ কৰিব নোৱাৰে। ইয়াৰ লগে লগে কৃষকজনৰ অৰ্থনৈতিক মান ক্ৰমে হ্ৰাস হৈ গৈ থাকে।

(৮) মানুহে মানুহক কৰা মৰ্যদা হানিকৰ শোষণ ঃ অজ্ঞানতা আৰু নিৰক্ষৰতাৰ বাবে কৃষকসকল সহজেই ঋণদাতাৰ চিকাৰ হৈ পৰে।ঋণদাতাই বহু প্ৰকাৰে কৃষকক তেওঁ ঋণদাতাৰ বিৰুদ্ধে মাত মাতিবও নোৱাৰে। সেয়ে ঋণগ্ৰস্ততাৰ ফলত মানুহে মানুহক মৰ্যদা হানিকৰভাৱে শোষণ কৰাৰ সুবিধা পায়। কেতিয়াবা আনকি ধন লওঁতাৰ সমগ্ৰ পৰিয়ালটোৱেই ঋণদাতাৰ হৈ কাম কৰিবলৈ বাধ্য হোৱাও দেখা যায়।

(৯) ভূমিহীন শ্ৰমিকৰ বৃদ্ধি ঃ গ্ৰাম্য ঋণগ্ৰস্ততাৰ ফলত ভূমিহীন শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়। এবাৰ কৃষকে ঋণদাতাৰ ফান্দত ভৰি দিলে, সুদসহ ধনৰ পৰিমাণ বাঢ়ি গৈ থাকে। এনেদৰে গৈ গৈ এসময়ত এনে পৰ্যায় পায়গৈ যে দুখীয়া কৃষকে একো বিকল্প পথ নাপাই তেওঁৰ সৰু ভূমিখণ্ড ঋণদাতাক বিক্ৰী কৰি দিবলগীয়া হয় আৰু এনেদৰে তেওঁ ভূমিহীন শ্ৰমিকৰ শাৰী পূৰাবলগীয়া হয়।

(১০) সামাজিক কু-প্ৰভাৱ ঃ ঋণগ্ৰস্ততা বাঢ়ি গ'লে সমাজত 'থকা' (haves) আৰু 'নথকা' (have-nots) এই দুটা শ্ৰেণীৰ সৃষ্টি হৈ শ্ৰেণী সংঘাত বঢ়াই তোলে। এয়া সঁচাকৈয়ে বিপদজ্জনক। এই ক্ষেত্ৰত অধ্যাপক টমাছে সঠিকভাৱেই কৈছে 'ঋণগ্ৰস্ততাৰ বুৰ যোৱা সমাজ আগ্নেয়গিৰিৰ দৰে। ই শ্ৰেণী সংঘাতৰ ৰূপত উদ্‌গিৰীত হয়। সমাজত অসামৰ্থতা বঢ়াই দি বিকাশৰ গতিত বাধা দিয়ে।' এনেদৰে গ্ৰাম্য ঋণগ্ৰস্ততাৰ অনেক কু-ফল দেখা যায়। গতিকে এয়া নিৰ্মূলৰ ববে যথাশীঘ্ৰে পদক্ষেপ গ্ৰহণ কৰিবই লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গ্ৰাম্য ঋণগ্ৰস্ততা কি?

.....

.....

প্ৰশ্ন নং ২ ঃ গ্ৰাম্য ঋণগ্ৰস্ততাৰ দুটা ফল লিখা।

.....

.....

৫.৭ ভাৰতত গ্ৰাম ঋণগ্ৰস্ততাৰ সমস্যা সমাধানকল্পে লবলগীয়া ব্যৱস্থাৱলী

(১) পুৰণি ঋণৰ বন্দোৱস্তিকৰণ ঃ দেশৰ দুখীয়া ক্ষুদ্ৰ কৃষকে বহন কৰা পৈত্ৰিক ঋণ আৰু অনানুষ্ঠানিক ঋণৰ পৰিমাণ হ্ৰাসকৰণ বা নাকচকৰণৰ বাবে সঠিক আইন প্ৰণয়নৰ ব্যৱস্থা।

(২) ঋণদাতাৰ ওপৰত নিৰ্ভৰতা হ্ৰাস ঃ ঋণদাতাৰ ওপৰত কৃষকৰ নিৰ্ভৰশীলতা হ্ৰাসকৰণৰ বাবে সমবায়, বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰাম্য বেংক আদিৰ দৰে আনুষ্ঠানিক ঋণদান অনুস্থানৰ প্ৰসাৰ ঘটোৱা।

(৩) নতুন ঋণৰ ওপৰত নিয়ন্ত্ৰণ ঃ কৃষকে যাতে অনুৎপাদনশীল উদ্দেশ্যত ঋণ গ্ৰহণৰ পথ নলয় তাৰ বাবে সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব। একেদৰে বিবাহ অনুষ্ঠান বা জন্মদিন আয়োজনৰ বাবে অনুৎপাদনশীল ঋণ সম্পূৰ্ণ এৰি চলিব লাগিব। সঠিক শিক্ষা আৰু উদ্দেশ্য আগত লৈ চৰকাৰে এই দিশত সচেতন হ'বলৈ কৃষকক সহায় কৰিব পাৰে।

(৪) ঋণদাতাক নিয়ন্ত্ৰণ ঃ গ্ৰাম্য ঋণগ্ৰস্ততাৰ বৰ্দ্ধিত সন্ত্ৰাসৰপৰা হাত সাৰিবলৈ হ'লে ঋণদাতাসকলৰ কাম-কাজ নিয়ন্ত্ৰণ কৰিব লাগিব। একে সময়তে বিভিন্ন ৰাজ্যৰ চৰকাৰে ঋণদাতাসকলক নিয়ন্ত্ৰণৰ বাবে তেওঁলোকক অনুজ্ঞাপত্ৰ গ্ৰহণ কৰাটো বাধ্যতামূলক কৰা তথা সঠিক হিচাপ-নিকাচ ৰখাৰ লগতে সুদৰ হাৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে।

(৫) ভূমিৰ হস্তান্তৰকৰণ ৰোধ কৰা ঃ ঋণ অনাদায়ৰ ফলস্বৰূপে অনা-কৃষিকাৰ্যত ব্যৱহাৰৰ উদ্দেশ্য ভূমি কৃষকে হস্তান্তৰকৰণত কৰা কাৰ্য ৰোধৰ বাবে চৰকাৰে ইতিমধ্যে কেবাখনো আইন প্ৰণয়ন কৰিছে। ইয়াৰ যোগেদি কৃষকৰ স্বাৰ্থ সুৰক্ষিত হৈছে।

(৬) ধন জমাকৰণঃ কৃষকসকলক নিয়মীয়াকৈ ধন জমা কৰাৰ অভ্যাস গঢ়িবলৈ উৎসাহ দিব লাগে। এই ক্ষেত্ৰত ঋণদান সমবায় সমিতিসমূহ উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব লাগে। একে সময়তে কেবাখনো ৰাজ্যক কৃষকে যাতে ঋণদাতাক ভূমি বিক্ৰী কৰিব নোৱাৰে সেই বিষয়েও আইন প্ৰণয়ন হৈছে।

৫.৮ গ্ৰাম্য ঋণগ্ৰস্ততাৰ নিৰ্মূলৰ কাৰ্যসূচী

(১) **ডেক্কান এগ্ৰিকালছাৰিষ্টছ এক্ট, ১৮৭৯ঃ** ১৮৭৯ চনত চৰকাৰে 'ডেক্কান এগ্ৰিকালছাৰিষ্টছ এক্ট' বলবৎ কৰিছিল, যাৰ যোগেদি কৃষকক কেতবোৰ বিষয়ত সকাহ দিয়া হৈছিল। ইয়াৰ যোগেদি কৃষকে ঋণ পৰিশোধৰ বাবে হালৰ বলধ বা অন্য সৰঞ্জাম আদিৰ বিক্ৰী নিষেধ কৰা হৈছে। ঋণ অনাদায়ৰ অপৰাধত কৃষকক কাৰাগাৰলৈ প্ৰেৰণ কৰা নিষেধ কৰা হৈছে। কৃষকক কিস্তি কিস্তিকৈ ঋণ পৰিশোধৰ সুবিধা দিয়া হৈছিল। তেওঁ নিজকে দেউলীয়া ঘোষণা কৰাৰ সুযোগো পায়। এই সুবিধাবোৰে ঋণদাতাৰপৰা ঋণ গ্ৰহণ কৰি ধৰুৱা হৈ পৰা কৃষকসকলক যথেষ্ট সকাহ দিছিল।

(২) **পঞ্জাৰ লেণ্ড এলিয়েনেচন এক্ট, ১৯০০ ঃ** ১৮৬৪ চনৰ ৰেজিষ্ট্ৰেচন অব ডকুমেণ্ট এক্ট আৰু ১৮৮২ চনৰ ট্ৰেন্সফাৰ অব প্ৰপাৰ্টি এক্টৰ যোগেদি ঋণদাতাসকলে দৰিদ্ৰ কৃষকসকল শোষণ কৰাৰ সুযোগ পাইছিল। এই আইন দুখনৰ আহিলা লৈ ঋণদাতাসকলে হাজাৰ হাজাৰ দুখীয়া কৃষকে কৃষকৰ ভূমি কাঢ়ি নিব পাৰিছিল। এনে শোষণে অধিক জটিলতাৰ সৃষ্টি কৰিছিল আৰু কৃষি উৎপাদনতো বিৰূপ প্ৰভাৱ পেলাইছিল। সেয়ে পাঞ্জাব লেণ্ড এলিয়েচন এক্ট গ্ৰহণ কৰা হৈছিল। ইয়াৰ পাছত তেনে কেবাখনো আইন গৃহীত হৈছিল।

পঞ্জাৰ লেণ্ড এলিয়েচ এক্ট মতে ধন ধাৰে দিওতাই বন্ধকীত হোৱা ভূমি কাঢ়ি নিব নোৱাৰে। তেওঁ ২০ বছৰৰ পাছত সেই ভূমি ওভোটাই দিব লাগিব। ১৯৯০ চনত উত্তৰ প্ৰদেশত আৰু ১৯০৪ চনত উত্তৰ পশ্চিম সীমান্ত প্ৰদেশতো অনুৰূপ আইন গৃহীত হৈছিল। ১৯৯৬ চনত মধ্য প্ৰদেশত এনে আইন গৃহীত হয়।

এই আইনসমূহৰ বাহিৰেও ঋণদাঁতাসকলৰ ব্যৱসায় নিয়ন্ত্ৰণ কৰাৰ লক্ষ্যৰে অন্য কেবাখনো আইন গ্ৰহণ কৰা হৈছিল। এই ব্যৱস্থাসমূহ পাঞ্জাব আৰু অন্য প্ৰদেশসমূহত গ্ৰহণ কৰা হৈছিল।

(৩) **ঋণৰ পৰিমাণ হ্ৰাসকৰণৰ বাবে আইন ঃ** ঋণদাতা আৰু ঋণ গ্ৰহণকাৰীৰ মাজত চৰকাৰ সোমাবলৈ বাধ্য হৈ পৰে। আইনগত ব্যৱস্থাৰ ফল হিচাপে এখন 'বুজাবুজি বোৰ্ড' আইনগতভাৱে স্থাপিত হৈছিল আৰু ই কিস্তি কিস্তিকৈ ধন আদায়ৰ ব্যৱস্থা কৰি দিছিল। এই বিধানসমূহ অনুসৰি মূলধনতকৈ সুদৰ পৰিমাণ কেতিয়াও বেছি হ'বলৈ নোৱাৰে। এনে বিধানে ঋণদাতাই ধাৰ লওঁতাক শোষণ কৰাত বাধা আৰোপ কৰিছে।

(৪) **'কমপ্ৰিহেনছিভ ক্ৰপ ইনছুৰেন্স স্কীম' (চি বি আই এছ) ১৯৮৫ ঃ** প্ৰাকৃতিক দুৰ্যোগৰ বাবে কৃষি উৎপাদন নহ'লে কৃষকসকলক বিত্তীয় সকাহ দিবলৈ প্ৰস্তুত কৰা কমপ্ৰিহেনছিভ ক্ৰপ ইনছুৰেন্স স্কীম (চি বি আই এছ) নামৰ আঁচনিখন ১৯৮৫ চনৰ খাৰিফ শস্যৰ ঋতুৰপৰা কাৰ্যকৰী হৈছিল। এই আঁচনিত যোগদান আছিল স্বেচ্ছামূলক

আৰু ৰাজ্যসমূহে ইয়াৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত স্বাতন্ত্ৰ্য পাইছিল। বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰাম্য বেংক আৰু সমবায় বেংকৰপৰা ঘেঁহু, ধান, জোৱাৰ (ভুট্টাসহ), তৈলবীজ আৰু মাহ উৎপাদনৰ বাবে ঋণ লোৱা সকলো কৃষকক এই আঁচনিয়ে সামৰি লৈছিল। ১৯৯৯ চনৰ খাৰিফ শস্য ঋতুলৈ চি চি আই এছ কাৰ্যপদ্ধতি হৈ আছিল।

(৫) **কিষাণ ক্ৰেডিট কাৰ্ড (কে চি চি) ঃ** ১৯৯৮ চনৰ আগষ্ট মাহত ভাৰতীয় বেংকসমূহে ঋণ আঁচনি হিচাপে এই আঁচনি আৰম্ভ কৰিছিল। 'কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক' (নাবার্ড)-এ আৰ ভি গুপ্তা সমিতিয়ে কৃষিকেন্দ্ৰিক প্ৰয়োজন আৰু সময় নিৰ্দ্ধাৰিত ঋণৰ সুবিধা প্ৰদানৰ বাবে দিয়া পৰামৰ্শৰলীৰ আধাৰত এই আদৰ্শ আঁচনিখন সাজু কৰা হৈছিল।

এই আঁচনিৰ উদ্দেশ্য আছিল কৃষকক বিত্তীয় সমৰ্থন দি কৃষিখণ্ডৰ ঋণৰ বিস্তাৰিত ঋণৰ প্ৰয়োজনীয়তা পূৰণ কৰা। সকলো বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰাম্য বেংক আৰু ৰাজ্যিক সমবায় বেংকসমূহে এই আঁচনি ৰূপায়ন কৰিব পাৰে। এই আঁচনিমৰ্মে কৃষিৰ বাবে হ্ৰাস্বম্যাদী সীমিত পৰিমাণৰ ধণ ঋণৰূপে আগবঢ়োৱা হয়। কে চি চি ঋণ লওঁতাসকলে ব্যক্তিগত দুৰ্ঘটনা বীমাৰ বাবদ মৃত্যু বা স্থায়ী অক্ষমতাৰ ক্ষেত্ৰত ৫০ হাজাৰ টকালৈ আৰু অন্য সমস্যাৰ ক্ষেত্ৰত ২৫ হাজাৰ টকালৈ লাভ কৰে। ইয়াৰ প্ৰিমিয়াম বেংক আৰু ঋণ লওঁতাই ২ঃ১ অনুপাততে আদায় দিব লাগে। ইয়াৰ ম্যাদ পাঁচ বছৰীয়া। তিনি বছৰলৈ ইয়াক বঢ়াই ল'ব পাৰি। কিষাণ ক্ৰেডিট কার্ড (কে চি চি)-ৰ যোগেদি কৃষকক দুই প্ৰকাৰৰ ঋণ আগবঢ়োৱা হয়। যথা- (১) নগদ ঋণ, (২) সাময়িক ঋণ (পাম্প ছেট, ভূমিৰ উন্নয়ন, গছপুলি ৰোপন, ক্ষুদ্ৰ জলসিঞ্চন আদি কৃষি সহযোগী কাৰ্যৰ বাবে)।

(৬) **দ্য নেচনেল এগ্ৰিকালচাৰেল ইনছুৰেন্স স্কীম (এন এ আই এছ) ঃ** দ্য নেচনেল এগ্ৰিকালছাৰেল ইনছুৰেন্স স্কীম (এন এ আই এছ) আঁচনি ১৯৯৯-২০০০ চনৰ পূৰ্বৰ 'কমপ্ৰিহেনছিভ ক্ৰপ ইনছুৰেন্স স্কীম (চি চি আই এছ)-ৰ ঠাইত আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ মূল লক্ষ্য হৈছে খৰাং, বানপানী, ধুমুহা-বৰষুণ, ঘূৰ্ণীবতাহ, অগ্নিকাণ্ড, কীট-পতংগ আদি তথা ৰোগৰ দৰে কাৰকৰ বাবে খেতিয়কৰ শস্য লোকচান হ'লে তেওঁলোকক সকাহ দিয়া।

এই নতুন আঁচনিখন ঋণ লোৱা বা নলোৱাসকলো কৃষকৰ ক্ষেত্ৰতেই প্ৰযোজ্য। ই সকলো প্ৰকাৰৰ খাদ্য শস্য (দানা শস্য, জোৱাৰ আৰু সাহজাতীয়), তৈলবীজ আৰু বাৰ্ষিক উদানশস্য/বাণিজ্যিক শশ্য আদি সকলোৰে ক্ষেত্ৰতে প্ৰযোজ্য। সুবিধাজনক বছৰৰ পূৰ্ব-উৎপাদনৰ তথ্যৰ আধাৰত ইয়াৰ ক্ষতি গণনা কৰা হয়।

(৭) **ফাৰ্ম ইনকাম ইনছুৰেন্স স্কীম ঃ** কেন্দ্ৰীয় চৰকাৰে ২০০৩-০৪ চনত 'ফাৰ্ম ইনকাম ইনচুৰেন্স স্কীম' আঁচনি নামৰ আঁচনিখন যুগুতাই উলিয়াইছিল। এজন কৃষকৰ আয়ৰ

দুটা গুৰুত্বপূৰ্ণ উপাদান হৈছে উৎপাদন আৰু দৰ। এই আঁচনিয়ে এই দুয়োটাকে লক্ষ্যৰূপে লৈছে যাতে একক বীমাৰ এই আঁচনিৰে বীমাকৃত কৃষকে নিশ্চিত আয় অৰ্জন কৰিব পাৰে।

এই আঁচনিয়ে কৃষকৰ উৎপাদন আৰুবজাৰ প্ৰত্যাহ্বানক সু�ৰক্ষা দিয়ে। বীমাকৃত কৃষকে নূন্যতম নিশ্চিত আয় পোৱাটো নিশ্চিত (গড় উৎপাদক নূন্যতম সমৰ্থন মূল্যৰে পূৰণ কৰি পোৱা ৰাশি)। যদিহে প্ৰকৃত আয় নিশ্চিত আয়তকৈ কম, তেন্তে বীমাকৃতজনৰ কম হোৱা পৰিমাণৰ ধনৰাশি 'এগ্ৰিকালচাৰ ইনচুৰেন্স কম্পেনী অৰ ইণ্ডিয়া'-ৰপৰা ক্ষতিপূৰণৰ ৰূপত পোৱা যাব। প্ৰথমে এই আঁচনিখন কেৱল ঘেঁহু আৰু ধানৰ খেতিয়কৰ ক্ষেত্ৰতহে প্ৰযোজ্য আছিল আৰু এনে কৃষিৰ ঋণ লোৱা কৃষকৰ বাবেই বাধ্যতামূলক আছিল। এন এ আই এছ (পাছৰ অধ্যায়ত বিস্তাৰিত বৰ্ণনা আছে) এই আঁচনিয়ে সামৰি লোৱা শস্যৰপৰা প্ৰত্যাহাৰ কৰা হ'ব যদিও অন্য শস্যৰ ক্ষেত্ৰত ই অব্যাহত থাকিব।

(৮) **দ্য নেচনেল কমিছন অন ফার্মাছ' (এন চি এফ) ঃ** দেশজুৰি হোৱা কৃষকৰ আত্মহত্যাৰ বিষয়টো ৰোধৰ বাবে অধ্যাপক এম এছ স্বামীনাথনৰ অধ্যক্ষতাত ২০০৪ চনৰ ১৮ নৱেম্বৰত এই আয়োগ গঠন কৰি দিয়া হৈছিল। 'নূন্যমত প্ৰয়োজন কাৰ্যসূচী'ত অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়বোৰেই ইয়াৰ প্ৰসংগ সূত্ৰ। এই আয়োগে ২০০৪ চনৰ ডিচেম্বৰ, ২০০৫ চনৰ আগষ্ট, ২০০৫ চনত ডিচেম্বৰ আৰু ২০০৬ চনৰ এপ্ৰিলত মুঠ চাৰিখন প্ৰতিবেদন দাখিল কৰিছিল। ২০০৬ চনৰ ৪ অক্টোবৰত পঞ্চম তথা চূড়ান্ত প্ৰতিবেদনখন দাখিল কৰা হৈছিল। প্ৰতিবেদনসমূহত 'ক্ষিপ্ৰতৰ আৰু অধিক সাৰ্বিক বিকাশ'ৰ লক্ষ্যৰে কেতবোৰ পৰামৰ্শ আগবঢ়োৱা হৈছিল। সেই পৰামৰ্শবোৰৰ আধাৰতেই একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা যুগুত কৰা হৈছিল।

(৯) **স্মল ফৰমাৰ্ছ ডেভেলপমেণ্ট এজেন্সী (এছ এফ ডি এ) ঃ** ১৯৬৯ চনত ভাৰতীয় ৰিজাৰ্ভ বেংক 'অল ইণ্ডিয়া ৰুৰেল ক্ৰেডিট ৰিভিউ কমিটী' গঠন কৰিছিল। এই সমিতিয়ে 'ক্ষুদ্ৰ কৃষক বিকাশ এজেন্স' (এছ এফ ডি এ) স্থাপনৰ পৰামৰ্শ দিছিল।

এছ এফ ডি এৰ মূল দৰ্শন হ'ল—

- ক্ষুদ্ৰ কৃষকৰ সমস্যা অনুসন্ধান আৰু চিনাক্তকৰণ তথা বিভিন্ন সেৱা তেওঁলোকে পোৱাটো নিশ্চিতকৰণ।
- সমবায় বেংকৰপৰা কৃষকে ঋণ লাভ নিশ্চিতকৰণ।
- কৃষকে যাতে সমবায় বেংক, উন্নত বীজ, সাৰ আৰু অন্য সুবিধা লাভ কৰে সেয়া নিশ্চিতকৰ।

(১০) **ঋণদান কাৰ্য নিয়ন্ত্ৰণৰ ব্যৱস্থা ঃ** চৰকাৰে বুজি পাইছে যে কৃষকসকলৰ বেয়া অৱস্থাৰ মূলতে হৈছে ঋণগ্ৰস্ততা। সেয়ে চৰকাৰে কৃষকসকলৰ অৱস্থাৰ উন্নয়নকল্পে কেতবোৰ ব্যৱস্থা লোৱাৰ লগতে ঋঃণৰ ক্ষেত্ৰতো কেতবোৰ বাধা-নিষেধ আৰোপ কৰে। ১৮৮৩

চনত 'ভূমি উন্নয়ন ঋণ আইন' গৃহীত হৈছিল। ইয়াৰ দ্বাৰা কৃষকে ভূমিকে অধিক উৰ্বৰ কৰিবলৈ আৰু জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ সুবিধা পাইছিল। এই আইনী ব্যৱস্থাই কৃষকসকলক বহু পৰিমাণে সহায় কৰিছিল।

(১১) **এগ্ৰিকালচাৰেল লোনছ এক্ট, ১৮৮৪ ঃ**

১৮৮৪ চনত এই আইনখন গৃহীত হৈছিল। ইয়াত কৃষকে কৃষিৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ বাবে কম সুদত ধন ধাৰে দিয়াৰ ব্যৱস্থা আছে। তাৰ পাছত ১৯০৪ চনত 'কো অপাৰেটিভ ক্ৰেডিট ছ'চাইটিজ এক্ট' গ্ৰহণ কৰা হৈছিল। তাৰ ফলত দেশৰ প্ৰান্তে প্ৰান্তে 'সমবায় ঋণদান সমিতি'বোৰ গঠিত হয়। ১৯১২ চনত এই আইনখন সংশেধন কৰা হয়। 'ভূমি বন্ধকী বেংক'বোৰেও কৃষিৰ উন্নয়ন আৰু ভূমিৰ উৰ্বৰা শক্তিৰ বৃদ্ধিৰ বাবে ঋণদান কৰিবলৈ আৰম্ভ কৰে।

(১২) **ঋণদাতাক নিয়ন্ত্ৰণকাৰী আইন ঃ**

১৯৩০ চনৰ পাছত কৃষকক ঋণদানৰ ক্ষেত্ৰত ঋণদাতাক নিয়ন্ত্ৰণ কৰিবৰ উদ্দেশ্যে কেবাখনো ৰাজ্যই আইন প্ৰণয়ন কৰে। ইয়াৰ যোগেদি তেওঁলোকক অনুজ্ঞাপত্ৰ লোৱাটো বাধ্যতামূলক কৰা হয়। ঋণদাতাৰ পঞ্জীয়নো বাধ্যতামূলক কৰা হয়। হিচাপ-নিকাচ সঠিককৈ ৰখাৰ নিয়মো স্থিৰ কৰা হয়। সূৰ হাৰো নিয়ন্ত্ৰণ কৰা হয় আৰু সৰ্বাধিক হাৰ স্থিৰ কৰি দিয়া হয়।

(১৩) **সমবায় আন্দোলন ঃ**

কৃষকৰ অৱস্থাৰ উন্নয়নৰ উদ্দেশ্যৰেই সমবায় আন্দোলনৰ আৰম্ভ কৰা হয়। ই প্ৰায় ৭৫টা বছৰ অতিক্ৰম কৰিলে যদিও যি উদ্দেশ্য লৈ ইয়াক আৰম্ভ কৰা হৈছিল, সেই উদ্দেশ্য কিন্তু এতিয়াও সফল হোৱা নাই। ইয়াৰ ফলতে সমবায় বিপনন সমিতি, বহুমুখী সমবায় সমিতি আদি স্থাপিত হৈছে। এইবোৰ মাধ্যমতে কৃষকৰ অৱস্থাৰ উন্নতি সাধনৰ চেষ্টা কৰা হৈছে।

(১৪) **বেংকত জমাবন্দী ঃ**

চৰকাৰে অৰ্থনীতি আৰু জমা বিষয়ত কৃষকক শিক্ষাদানৰ লক্ষ্যৰে এলানি আন্দোলন আৰম্ভ কৰিছে। বেংকত ধন জমা থ'লৈ কৃষকক উৎসাহিত কৰিবলৈকেই এই আন্দোলন চলোৱা হৈছে। সমবায় সমিতিবোৰেও কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়নত কিছু সহায় আগবঢ়াইছে।



৫.৯ অধ্যায়টিৰ আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- গ্ৰাম্য দৰিদ্ৰতাৰ দৰে বৃহৎ বিষয়ৰ সৈতে গ্ৰাম্য ঋণগ্ৰস্ততাৰ সমস্যাৰ সম্পৰ্ক আছে।

- ঋণগ্ৰস্ততা মানে অন্য পথ্যক ধন আদায় দিয়াৰ বাধ্যবাধকতা।
- দৰিদ্ৰতাৰ দাৰিদ্ৰ বৃদ্ধিয়েই ঋণগ্ৰস্ততাৰ স্পষ্ট ফল।
- ঋণগ্ৰস্ততাই অৱসাদ, হতাশা, মানসিক অসন্তুলন আৰু মানসিক সংঘাত বৃদ্ধি কৰে।
- গ্ৰাম্য ঋণগ্ৰস্ততাৰ বাবেই ভূমিহীন শ্ৰমিকৰ সংখ্যা বৃদ্ধি কৰে।



৫.১০ অধিক জানিবলৈ

1) B.N. Ghosh and Rama Ghosh,'Concise History of Economic Thought'. Himalaya Publishing House.
2) H.L.Bhatia, 'History of Economic Thought', Vikas publication.
3) P.K.Dhar, Indaian Economy , Kalyani Publications.
4) G. Datt and A. Mahajan, Indian Economy, S. Chand.



৫.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ঋণগ্ৰস্ততা মানে হৈছে অন্য এটা পক্ষক ধন আদায় দিয়াৰ বাধ্যবাধকতা। ভাৰতৰ গ্ৰাম্যাঞ্চলত যেতিয়া দৰিদ্ৰ কৃষক বা দিনমজুৰ ঋণ পৰিশোধ কৰিব নোৱাৰে আৰু ই ক্ৰমে বাঢ়ি গৈ থাকে ইয়াৰ ফলতে গ্ৰাম্য ঋণগ্ৰস্ততাৰ সমস্যাৰ উদ্ভৱ হয়। গ্ৰাম্য ঋণগ্ৰস্ততা হৈছে আমাৰ দেশৰ দুৰ্বল অৰ্থনৈতিক আন্তঃগাঠনিৰ এটা সূচক; গ্ৰাম্যাঞ্চলৰ প্ৰয়োজন থকা কৃষক, ভূমিহীন লোক আৰু কৃষি দিনমজুৰ শ্ৰমিকক আমাৰ অৰ্থনৈতিক ব্যৱস্থাই ঢুকি পোৱাত ব্যৰ্থতাও ইয়াৰ ভিতৰুৱা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দাসত্ব আৰু বন্ধা শ্ৰমিক ঃ ঋণগ্ৰস্ততাই দাসত্ব আৰু বন্ধা, শ্ৰমিকৰ জন্ম দিয়ে। সামাজিক বাধ্যবাধকতা পূৰণৰ স্বাৰ্থত, পূৰ্বপুৰুষৰ ঋণ পৰিশোধনৰ চেষ্টাত দাৰিদ্ৰ্য কৃষকসকল দাসত্বৰ চিকাৰ হয় আৰু বন্ধা শ্ৰমিক হৈ পৰে।



৫.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ গ্ৰাম্য ঋণগ্ৰস্ততাৰ ফলাফল চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ঃ গ্ৰাম্য ঋণগ্ৰস্ততাৰ নিৰ্মূলৰ বাবে গ্ৰহণ কৰা কেইখনমান আঁচনিৰ পৰামৰ্শাৱলী আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ঃ ভাৰতৰ গ্ৰাম্য নিবনুৱা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ নিবনুৱা সম্পৰ্কে ধাৰণা
৬.৪ নিবনুৱাৰ প্ৰকাৰ
৬.৫ গ্ৰাম্য নিবনুৱাৰ বৈশিষ্ট্য
৬.৬ ভাৰতত গ্ৰাম্য নিবনুৱাৰ উদাহৰণ
৬.৭ নিয়োগ সৃষ্টিৰ ব্যৱস্থাৱলী
৬.৮ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৬.৯ অধিক জানিবলৈ
৬.১০ অগ্ৰগতিৰ খতিয়ান
৬.১১ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ অন্ততঃ আপুনি -

- নিবনুৱাৰ ধাৰণা ব্যাখা কৰিব পাৰিব
- নিবনুৱাৰ প্ৰকাৰ জানিব পাৰিব
- গ্ৰাম্য নিবনুৱাৰ বৈশিষ্ট্য জানিব পাৰিব
- নিয়োগ সৃষ্টিৰ কেতবোৰ ব্যৱস্থাৰ ব্যাখ্যা কৰিব পাৰিব

৬.২ পৰিচয়

নিবনুৱাৰ সমস্যা হৈছে ভাৰতীয় অৰ্থনীতিৰ এক প্ৰকাৰৰ দীৰ্ঘদিনীয়া ৰোগ। এয়া হৈছে নিবনুৱাজনৰ দাৰিদ্ৰৰ লক্ষণ, সমাজৰ বাবে কলংক চিহ্ন আৰু দেশৰ বাবে মানৱ সম্পদৰ অপচয়। সমানুপাতিক নিয়োগৰ সুবিধাৰ বিকাশ অবিহনে হোৱা অৰ্থনৈতিৰ বিকাশ হৈছে সামাজিক ন্যায় অবিহনে হোৱা বিকাশহে। গতিকে ই অৰ্থহীন। এখন দেশ তেতিয়াহে উন্নত হ'ব, যেতিয়া দেশৰ কৰ্মশক্তিয়ে অৰ্থনৈতিক বিকাশত অংশগ্ৰহণ কৰাৰ হাৰো উচ্চ হ'ব (অৰ্থাৎ নিয়োগৰ হাৰ উচ্চ হ'ব)।

এই গোটত আমি নিবনুৱাৰ ধাৰণা, নিবনুৱাৰ প্ৰকাৰ, গ্ৰাম্য নিবনুৱাৰ বৈশিষ্ট্য, নিয়োগ সৃষ্টিৰ ব্যৱস্থাৱলী আদি বিষয়ে আলোচনা কৰিম।

৬.৩ নিবনুৱা সম্পৰ্কে ধাৰণা

নিবনুৱাৰ সমস্যা অৰ্থনৈতিক উন্নয়নৰ হাৰ কম কিম্বা অধিক সকলো প্ৰকাৰৰ দেশতে পোৱা এক প্ৰকাৰৰ গহীন সমস্যা। এন এছ এছ অ'ৰ মতে, নিবনুৱা সমস্যা হৈছে এটা অৱস্থা য'ত কৰ্মৰ অভাৱৰ বাবে মানুহে কাম কৰিবলৈ নাপাই এমপ্লয়মেণ্ট এক্সচেঞ্জ, যোগাযোগকাৰী, বন্ধু-বান্ধৱ কিম্বা আত্মীয়ৰ যোগেদি কামৰ সন্ধান কৰি থাক আৰু সম্ভাব্য নিয়োগকৰ্তাক আবেদন দি চলিত কৰ্মপৰিৱেশ আৰু মাননিত কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। থোৱতে, নিবনুৱাৰ সমস্যা হৈছে মানুহে চলিত মজুৰিৰ হাৰত কাম কৰিবলৈ আগ্ৰহী আৰু সমৰ্থৱান হোৱা সত্বেও কাম কৰাৰ সুযোগ নাপায়। নিবনুৱাৰ সমস্যাটো কেৱল অদক্ষ কৰ্মচাৰীৰ ক্ষেত্ৰতো প্ৰযোজ্য নহয়, বহু সময়ত বৃহৎ সংখ্যক দক্ষ শ্ৰমিকেও দীৰ্ঘ সময়ৰ বাবে কাম নাপায়। নিবনুৱা লোকক চিনাক্ত কৰিব পৰাকৈ বহুকেইটা পন্থা আছে। কোনো কোনো অৰ্থনীতিবিদৰ মতে, 'নিবনুৱা লোক হৈছে সেইজন যিয়ে আধা দিনত এঘণ্টাৰ বাবেও কাম কৰিবলৈ নাপায়।

৬.৪ নিবনুৱাৰ প্ৰকাৰ

(১) ছদ্মবেশী নিবনুৱা ঃ

নিবনুৱাক দুই ভাগত ভগাব পাৰি- (ক) মুক্ত আৰু (খ) ছদ্মৱেশী। আমি পূৰ্বে আলোচনা কৰা কথাবোৰ আছিল মুক্ত নিবনুৱাৰ ক্ষেত্ৰত প্ৰযোজ্য। 'ছদ্মবেশী নিবনুৱাৰ ধাৰণাটো শ্ৰীমতী ৰবিনছনৰ সৃষ্টি হ'লেও ৰ'জেনষ্টেইন ৰোডান আৰু নাৰ্ছকেৰ হাততহে উন্নয়নশীলতাৰ তত্ত্বত বিষয়টো সবিস্তাৰে আলোচিত আৰু ব্যৱহৃত হৈছে।

'ছদ্মবেশী নিবনুৱাৰ'ক শব্দ যুগলে প্ৰয়োজনধিক মানব সম্পদ বুজায়। ইয়াত কিছুমান শ্ৰমকাৰীৰ কোনো প্ৰান্তিক উৎপাদনশীলতা নাই আৰু তেওঁলোকক শ্ৰমৰপৰা আঁতৰাই পঠিয়ালেও মুঠ উৎপাদনৰ পৰিমাণৰ ওপৰত কোনো বাধা আহি নপৰে। ধৰা হ'ল চাৰিজন লোকৰে এডোখৰ ভূমি সঠিকভাৱে খেতিৰ বাবে উপযুক্ত কৰি খেতি কৰিব পৰা যায়। কিন্তু যদিহে তাত একে পৰিয়ালৰে ছজন লোকক নিয়োগ কৰা হয় তেতিয়াও মুঠ উৎপাদনত তেওঁলোকে একো অৱদান আগবঢ়াব নোৱাৰে আৰু গতিকে তেওঁলোকৰ প্ৰান্তীয় উৎপাদনশীলতা হ'ব শূন্য। একেদৰে এই অতিৰিক্ত শ্ৰমখিনি যদি আঁতৰায়ো নিয়া হয় তেতিয়াও মুঠ উৎপাদনত একো হেৰ-ফেৰ নহ'ব যদিহে উৎপাদন শৈলীৰ পৰিৱৰ্তন নঘটে।

গতিকে, এই ছজন শ্ৰমিক হৈছে ছদ্মবেশ লৈ নিবনুৱা হৈ থকা লোক। ইয়াৰ অৰ্থ হৈছে যিকোনো বৃত্তিতে নিযুক্ত হৈ থকা উৎপাদনশীল শ্ৰমিকেই হৈছে বাস্তৱ অৰ্থত নিবনুৱা কিন্তু তেওঁলোকক স্পষ্টভাৱে দেখা পোৱা নাযায়। সেয়ে তেনে নিবনুৱাক ছদ্মবেশী নিবনুৱা বা লুকাই থকা নিবনুৱা বুলি কোৱা হয়।

(২) ঋতুকালীন নিবনুৱা

কৃষিক্ষেত্ৰ, অৱসৰ বিনোদন কেন্দ্ৰৰ বন্ধনকৰ্মী, চেনিকল আৰু ধানকলৰ দৰে

কৃষিভিত্তিক ঔদ্যোগিক কামত জড়িত লোক আদি কেতবোৰ উদ্যোগ আৰু বৃত্তি আছে য'ত উৎপাদনমূলক কাম-কাজবোৰ ঋতুকালীন প্ৰকৃতিৰ। গতিকে ইয়াত হোৱা নিযুক্তিত ঋতুকালীন প্ৰকৃতিৰ। ইয়াত বছৰৰ এটা নিৰ্দিষ্ট সময়তে নিয়োগৰ সুবিধাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে চেনিকলৰ কাম মাথো ছমাহমানহে চলে। ধানকলৰ কাম আকৌ কেইসপ্তামানতে শেষ হয়।

হালবোৱাৰ সময়তহে কৃষিখণ্ডত নিয়োগক সুবিধাৰে সৃষ্টি হয়। গতিকে এনে ক্ষেত্ৰত কাম কৰা লোকৰ চাহিদা হয় ঋতুকালীন। আমি ইয়াক 'ঋতুকালীন নিবনুৱা' বুলি ক'ব পাৰোঁ। আনকি স্ব-নিয়োজিত লোকো ঋতুকালীনভাৱে নিবনুৱা হ'ব পাৰে, বিশেষকৈ কাম চলা সময়ত। ঋতুকালীন নিবনুৱা উন্নত বা অনুন্নত সকলো ধৰণৰ দেশতে পোৱা যায়। ঋতুকালীন নিবনুৱাই কেৱল যে জনশক্তিৰ প্ৰয়োজনতকৈ কম ব্যৱহাৰকেই সূচায় তেনে নহয়, ই উদ্যোগৰ মূলধনৰ ব্যৱহাৰো ঋতুকালীন কৰি পেলায়। মূলধনৰ অভাৱত পৰি থকা উন্নয়নশীল দেশ এখনৰ বাবে উৎপাদনশীল সম্পদৰ অপব্যয়ৰ দৰে গুৰুতৰ সমস্যাৰ সৃষ্টি কৰে।

জলসিঞ্চন, সাৰৰ ব্যৱহাৰ, যন্ত্ৰৰ ব্যৱহাৰ আদিৰ যোগেদি কৃষিকাৰ্যক পূৰ্ণকালীন নিয়োগৰ মাধ্যম কৰি তুলিব পাৰিলে কৃষকৰ ঋতুকালীন নিবনুৱাৰ সমস্যাটো দূৰ কৰিব পৰা যাব। অধিক উৎপাদনশীল কৃষি, দুবাৰ কৃষিকাৰ্য, মিশ্ৰিত কৃষিকাৰ্য, ড্ৰাই ফাৰ্মিং আদি এই ক্ষেত্ৰত বেছ সহায়ক হৈ উঠিব পাৰে। কেৱল নিবনুৱা সমস্যাই যে সমাধান কৰিব তেনে নহয়, ই ৰাষ্ট্ৰীয় আয়ো বৃদ্ধি কৰিব আৰু সমাজৰ সামূহিক উপকাৰো সাধিব। ক্ষুদ্ৰ উদ্যোগৰ প্ৰসাৰ, সামাজিক কল্যাণকৰ প্ৰকল্পবোৰেও (পথ নিৰ্মাণ, জলসিঞ্চন প্ৰকল্প আদি) ঋতুকালীন নিবনুৱাৰ সমস্যা হ্ৰাস কৰাত সহায় কৰিব।

(৩) স্বেচ্ছা নিবনুৱা ঃ

প্ৰতিখন সমাজতে একাংশ লোকে চলিত মজুৰিত শ্ৰম কৰিবলৈ অনীহা প্ৰকাশ কৰে। আন এচামে আকৌ নিবনুৱা হৈ থাকিও আয় নকৰাকৈয়ে অবাধে উপাৰ্জন লাভ কৰি থাকে। তেওঁলোকৰ বাবে নিয়োগৰ সুবিধা আছে, কিন্তু তেওঁলোকে সেই সুবিধা গ্ৰহণ নকৰে। স্বেচ্ছা নিবনুৱা অৱস্থা হৈছে মানৱ শক্তিৰ ৰাষ্ট্ৰীয় অপচয়। কিন্তু এয়া গুৰুতৰ সামাজিক প্ৰতিক্ৰিয়াযুক্ত গহীন সমস্যা নহয়। পূৰ্ণ নিয়োগ থকা অৱস্থাত স্বেচ্ছা নিবনুৱা এটা স্থায়ী সমস্যা।

(৪) সংঘৰ্ষমূলক নিবনুৱা ঃ

সংঘৰ্ষমূলক নিবনুৱা হৈছে সাময়িক অৱস্থাহে। ই বিভিন্ন ৰূপত দেখা দিব পাৰে। যেতিয়া নিয়োগৰ স্থান সলনিৰ বাবে কেতবোৰ শ্ৰমিকে সাময়িকভাৱে কামৰপৰা বিৰত থাকে তাকেই 'সংঘৰ্ষমূলক নিবনুৱা' বুলি কোৱা হয়। একেদৰে হৰতাল আৰু প্ৰতিষ্ঠান 'লক আউট' কৰি বন্ধ ঘোষণা কৰিলেও সাময়িকভাৱে সংঘৰ্ষমূলক সংঘৰ্ষমূলক নিবনুৱাৰ সৃষ্টি হয়। বহু ক্ষেত্ৰত শ্ৰমিক স্থানান্তৰকৰণ হোৱা খেলি-মেলিৰ বাবেও সংঘৰ্ষমূলক নিবনুৱা

সমস্যাই দেখা দিয়ে। নিবনুৱা শ্ৰমিকে খালী পদৰ সন্ধানত ভৌগোলিক আৰু বৃত্তিগতভাৱে স্থান সলনি কৰিবলগীয়া কাৰকৰ বাবেই সংঘৰ্ষমূলক নিবনুৱাৰ সৃষ্টি হয়।

এখন দেশত সম্পূৰ্ণ নিয়োগৰ ব্যৱস্থা থাকিলে তাতে সংঘৰ্ষমূলক নিবনুৱা সমস্যা নেৰানেপেৰাকৈ থাকে বুলি কেইনচ আৰু লাৰ্ণাৰৰ দৰে অৰ্থনীতিবিদে মন্তব্য কৰিছে। শ্ৰমিক লাভ কৰা আৰু খালী পদ লাভ কৰা এই দুয়োটা ক্ষেত্ৰতে দেখা দিয়া অসুবিধাৰ বাবেই সংঘৰ্ষমূলক নিবনুৱা সমস্যাৰ সৃষ্টি হয়। গতিকে সংঘৰ্ষমূলক নিবনুৱাৰ সমস্যা সমাধানৰ বাবে কেতবোৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন হ'ব। তাৰ ভিতৰত চাকৰিৰ সুবিধা ওলোৱাৰ তথ্য প্ৰসাৰ নোহোৱাকৈ ৰখা, নিয়োগ বিনিময় কেন্দ্ৰ পৰা কৰ্মচাৰী নিয়োগৰ ব্যৱস্থা কৰা, পৰিবহন ব্যৱস্থাৰ উন্নতি সাধন আদিয়ে সংঘৰ্ষমূলক নিবনুৱা সমস্যাৰ কেন্দ্ৰৰ পৰা হ্ৰাসকৰণত সহায় কৰে।

(৫) আকস্মিক নিবনুৱা ঃ

অট্টালিকা নিৰ্মাণৰ দৰে কাম, ৰন্ধনবিদ্যা বা কৃষিও দৈনিক ভিত্তিত শ্ৰমিক নিযুক্ত হয়। তাত হ্ৰস্বকালীন চুক্তিৰ বাবে আকস্মিক নিবনুৱাৰ সমস্যাই দেখা দিব পাৰে। সেয়ে যেতিয়া কাম শেষ হোৱাৰ পাছত এজন শ্ৰমিকৰ চুক্তিৰ ম্যাদ উকলি যায়, তেতিয়া তেওঁ অন্য এটা কাম বিচাৰি আঁতৰি যাবলগীয়া হয়। এনেদৰে কাম বিচাৰি যোৱা কাৰ্য পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল আৰু নতুন কাম আৰম্ভ হ'লেহে শ্ৰমিকজনে সেই একোটা প্ৰতিষ্ঠানৰ অধীনত কাম লাভ কৰিব।

একেদৰে জাহাজৰপৰা মাল-বস্তু উঠা-নমা কৰা স্থানতো বস্তু-বাহানি তোলা-নমাৰ কামৰ ভিৰ অনুসৰি আকস্মিক নিবনুৱাৰ সৃষ্টি হয়। কামৰ ভিৰ শেষ হ'লেই অতিৰিক্ত শ্ৰমিকসকল আকস্মিকভাৱে নিবনুৱা হৈ পৰে। ছবি জগততো 'জুনিয়ৰ আৰ্টিষ্ট' বা কনিষ্ঠ শিল্পীৰ ৰূপত আকস্মিক নিবনুৱা দেখা যায়। আকস্মিক নিবনুৱা সমস্যাৰ এটা বিশেষ সমাধান দিয়াটো কঠিন কাম।

(৬) সাংগঠনিক নিবনুৱা ঃ

অৰ্থনীতিত সাংগঠনিক পৰিৱৰ্তন দেখা দিলে সাংগঠনিক নিবনুৱাৰ সমস্যাই দেখা দিয়ে। একোটা উদ্যোগত উৎপাদিত বস্তুৰ চাহিদা কমি গ'লে তাত পৰৱৰ্তী পৰ্যায়ত নিৰ্বিনিয়োজন ঘটে আৰু তাত ক্ৰমে নিয়োগৰ প্ৰয়োজনীয়তা নোহোৱা হৈ পৰে।

বাস্তৱিকতে সাংগঠনিক নিবনুৱা হৈছে অৰ্থনৈতিক অগ্ৰগতি আৰু আধুনিক কালৰ জটিল ঔদ্যোগিক অৰ্থনীতিৰ উদ্ভাৱনী ৰীতিৰ সহগামী। উদাহৰণস্ৱৰূপে এখন নগৰত অৰ্থনৈতিক প্ৰসাৰ ঘটিলে ঘোঁৰাগাড়ীবোৰ ক্ৰমে অপ্ৰচলিত হৈ পৰে। তাৰ ঠাই অটোৰিক্সাই লয়। ফলত ঘোঁৰাগাড়ী চালকসকল নিয়োগহীন হৈ পৰে। তেওঁলোকে অন্য ক্ষেত্ৰত চাকৰি বিচাৰিবলগীয়া হয়। এনে নিবনুৱাকে সাংগঠনিক নিবনুৱা বুলি কোৱা হয়। কিয়নো পৰিবহন ব্যৱস্থাৰ আন্তঃগাঠনিয়ে তেওঁলোকৰ জীৱন সলাই দিয়ে। ক্ৰমে দুৰ্বল হৈ পৰা উদ্যোগৰ চাহিদা পৰিৱৰ্তন অনুসৰি সাংগঠনিক নিবনুৱাৰ সৃষ্টি হয়। আনহাতে, তাৰ সৈতে সংগতি

ৰাখি য'ত চাহিদা বাঢ়ে, তাত সাংগঠনিক নিয়োগৰ সুবিধা বাঢ়ি যায়। এনেদৰে দুৰ্বল উদ্যোগৰপৰা হোৱা সাংগঠনিক নিবনুৱাৰ সমস্যাটি পৰিবৰ্দ্ধনশীল উদ্যোগত নিবনুৱা শ্ৰমিকসকলক নিযুক্তিৰ ব্যৱস্থা কৰি সমাধান কৰিব পৰা যায়।

বহু সময়ত উদ্যোগবোৰৰ স্থানগত গাঁঠনিৰ বাবে সাংগঠনিক নিবনুৱা সমস্যাই ভৌগোলিক প্ৰভাৱ পেলায়। এনে অঞ্চলবোৰত ক্ৰমে দুৰ্বল হৈ পৰা উদ্যোগবোৰ থাকিলে সাংগঠনিক নিবনুৱাৰ সমস্যা থকাৰ সম্ভাৱনা অত্যন্ত বেছি। এনে আঞ্চলিক সাংগঠনিক নিবনুৱাৰ সমস্যা নিবনুৱাৰ সঠিক ভৌগোলিক স্থানান্তকৰণ কৰি বা ঔদ্যোগিকভাৱে দুৰ্বল এলেকাত উদ্যোগ স্থাপন কৰি এনে নিবনুৱা সমস্যা নিৰ্মূল কৰিব পৰা যায়।

(৭) প্ৰযুক্তিগত নিবনুৱা ঃ

অৰ্থনৈতিত প্ৰযুক্তিগত উন্নয়ন সাধিত হ'লেও এক ধৰণৰ সাংগঠনিক নিবনুৱা সমস্যাই দেখা দিয়ে। এনে নিবনুৱাকে প্ৰযুক্তিগত নিবনুৱা বুলি কোৱা হয়। নতুন যন্ত্ৰপাতিৰ প্ৰয়োগ, উৎপাদনৰ উন্নত কৌশলৰ প্ৰয়োগ, শ্ৰমিকৰ সংখ্যা হ্ৰাসকাৰী সৰঞ্জামৰ ব্যৱহাৰ আদিৰ বাবে উদ্যোগত শ্ৰমিকৰ সংখ্যা কমি যাব পাৰে। এনেদৰে সৃষ্টি হোৱা নিবনুৱাকে 'প্ৰযুক্তিগত নিবনুৱা' বুলি কোৱা হয়।

প্ৰযুক্তিগত নিবনুৱা মূলতঃ যন্ত্ৰপাতিৰ প্ৰয়োগৰ ফলতে সৃষ্টি হয়। কিন্তু এয়া সাময়িক অৱস্থাহে। দীঘলীয়া সময়ত দেখা যায় যে অধিক মূলধনৰ ব্যৱহাৰে কাম-কাজলৈ বিভিন্নতা আনে আৰু সহযোগী উদ্যোগৰ জন্ম দিয়ে যাৰ ফলত অতিৰিক্ত নিয়োগৰ সুযোগৰ সৃষ্টি হয় আৰু তাৰ নিবনুৱাসকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়।

উন্নত ৰাষ্ট্ৰসমূহত প্ৰযুক্তিগত নিবনুৱাই বিশেষ সমস্যাৰ সৃষ্টি নকৰে। ইয়াৰ কাৰণ হৈছে তাত ক্ৰমাগতভাৱে প্ৰযুক্তিগত উন্নয়ন চলিয়েই থাকে আৰু হঠাৎ সাধাৰণ প্ৰযুক্তিৰ পৰিৱৰ্তন ঘটোৱা নহয়। ক্ৰমাগতভাৱে প্ৰক্ৰিয়াটো চলিলে শ্ৰমিকসকলৰ সুবিধা হয়।

উন্নয়নশীল দেশবোৰত প্ৰযুক্তিগত সমস্যাটো বেছ গহীন প্ৰকৃতিৰ। ইয়াত প্ৰাচীন প্ৰযুক্তি বাদ দি নতুন মূলধনপ্ৰসূত উন্নত দেশৰ প্ৰযুক্তিৰ ব্যৱহাৰ হয়। পৰিৱৰ্তনৰ এই সময়ছোৱাত শ্ৰমিকসকলেই সৰ্বাধিক ক্ষতিৰ সন্মুখীন হয়। এনে সমস্যা লাঘৱৰ বাবে নতুন ক্ষেত্ৰত নিয়োগৰ নতুন সুবিধা বৃহৎ মাত্ৰাত সৃষ্টি কৰিব পাৰিব লাগিব।

উন্নয়নশীল দেশবোৰত প্ৰযুক্তিগত উন্নয়নে কেৱল যে প্ৰযুক্তিগত নিবনুৱাৰহে সৃষ্টি কৰে তেনে নহয়, ই পুৰনি মূলধন হ্ৰাসো কৰে। উদাহৰণস্বৰূপে কৃষিত নতুন প্ৰযুক্তিৰ ব্যৱহাৰ হ'লে পুৰণি সঁজুলি আৰু গৰু-ম'হবোৰ ব্যৱহাৰ কৰিব নালাগে।

প্ৰযুক্তিগত নিবনুৱাৰ সমস্যাটো কেৱল ক্ষিপ্ৰভাৱে নিয়োগৰ সুযোগ সৃষ্টি কৰিহে সমাধান কৰিব পৰা যায়। ৰাষ্ট্ৰসংঘৰ বিশেষজ্ঞসকলে সেয়ে পৰামৰ্শ দিছে যে ক্ষিপ্ৰ অৰ্থনৈতিক উন্নয়ন হৈছে ৰহস্যজনকভাৱে প্ৰযুক্তিগত নিবনুৱাৰ মহত্বম কাৰণ আৰু মহত্বম সমাধান।

(৮) চক্ৰৱৎ নিবনুৱা ঃ

পুঁজিবাদী, আগশাৰীৰ দেশবোৰত বাণিজ্যচক্ৰ চলি থাকে। বাণিজ্যচক্ৰৰ বিশেষকৈ

মন্দাৱস্থাৰ সময়ছোৱাত দেশবোৰত চক্ৰৱৎ নিবনুৱাৰ সৃষ্টি হয়। বাণিজ্যচক্ৰৰ সংকুচিত সময়ছোৱাত চাহিদা হ্ৰাস হয় আৰু তাৰ ফলত নিৰ্বিনিয়োজন ঘটে, উৎপাদন হ্ৰাস হয় আৰু নিবনুৱা সমস্যাই দেখা দিয়ে। লার্নাৰে ইয়াকে 'অবস্ফীত নিবনুৱা' বুলি কৈছে। কেইনছে কৈছে যে কার্যকৰী চাহিদাৰ অপ্রচুৰতাৰ বাবেই মন্দাৱস্থাৰ নিবনুৱাৰ সৃষ্টি কৰে।

এনে চক্ৰৱৎ নিবনুৱা সমস্যাৰ সমাধান হৈছে অর্থনীতিত মুঠ ব্যয় বৃদ্ধিকৰণ আৰু ইয়াৰ যোগেদি কার্যকৰী চাহিদাৰ স্তৰৰ বৃদ্ধি কৰা। সহজতে ধন পোৱা নীতি আৰু ঘাটি বিত্তীয় ব্যৱস্থাৰ দৰে ব্যৱস্থাৰ কথা এই প্রসংগত কেইনছে উল্লেখ কৰিছে। যিহেতু চক্ৰৱৎ সময়কাল কেতিয়াও স্থায়ী নহয়, সেয়ে চক্ৰৱৎ নিবনুৱা বা ক্ষুদ্রাৰ অৱস্ফীতি নিবনুৱা সমস্যাও এটি হ্ৰস্বকালীন পৰিঘটনাহে।

(৯) দীর্ঘদিনীয়া নিবনুৱা ঃ

যেতিয়া নিবনুৱাৰ সমস্যাটো এখন দেশৰ দীর্ঘদিনীয়া সমস্যা হৈ পৰে তাকেই 'দীর্ঘদিনীয়া নিবনুৱা' (Chronic Unemployment) বুলি কোৱা হয়। দাৰিদ্রৰ আৱর্ত চক্ৰৰ বাবেই উন্নয়নশীল দেশবোৰ দীর্ঘকালীন নিবনুৱা সমস্যাৰ কবলত পৰে। উন্নত সম্পদৰ অভাৱ আৰু ইয়াৰ প্রয়োজনতকৈ কম ব্যৱহাৰ, উচ্চ হাৰৰ জনসংখ্যা বৃদ্ধি, পিছপৰা অৱস্থা, প্রযুক্তিৰ চালুকীয়া অৱস্থা, নিম্ন হাৰৰ মূলধন গঠন আদি কাৰকৰ বাবে উন্নয়নশীল দেশবোৰত দীর্ঘদিনীয়া নিবনুৱাৰ সমস্যাৰ সৃষ্টি হয়।

৬.৫ গ্ৰাম্য নিবনুৱাৰ বৈশিষ্ট্য

(১) বয়স, বর্ণ আৰু অভিজ্ঞতাৰ ভিত্তিত নিবনুৱাৰ হাৰৰ মাজত বৃহৎ বিভিন্নতা আছে।

(২) শ্ৰমৰ বজাৰত উচ্চ হাৰৰ মুনাফা দেখা যায়।

(৩) এই মুনাফা বেছি ক্ষেত্রতে চক্ৰৱৎ আর্থিক মন্দাৰ ফলত শ্ৰমক বজাৰৱপৰা আঁতৰাই আনি নিলগাই ৰখা হয় আৰু আর্থিক বিকাশৰ সময়ত শ্ৰমে নিজেই বজাৰৱপৰা আঁতৰি যাব পাৰে।

(৪) কিছুমান নিয়োগহীনতা চমু সময়ৰ বাবে হ'ব পাৰে আৰু কিছুমান দীঘলীয়া সময়ৰ বাবে হ'ব পাৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিবনুৱা বা নিয়োগহীনতা কি?

.....

.....

প্রশ্ন নং ২ ঃ ছদ্মবেশী নিবনুৱা কি?

.....

.....

প্ৰশ্ন ঃ- ৩ ঃ নিয়োগহীনতাৰ যিকোনো দুটা বৈশিষ্ট্য লিখক।

.....

.....

৬.৬ ভাৰতত গ্ৰাম্য নিবনুৱাৰ উদাহৰণ

নিয়োগহীনতাৰ উদাহৰণ গ্ৰাম্যাঞ্চলতকৈ নগৰাঞ্চলত যথেষ্ট বেছি।

- পুৰুষৰ তুলনাত মহিলাৰ নিবনুৱাৰ হাৰ উচ্চ।
- সামগ্ৰিক নিবনুৱাতকৈ শিক্ষিত নিবনুৱাৰ সংখ্যা যথেষ্ট বেছি।
- উদ্যোগ বা অন্য খণ্ডৰ তুলনাত কৃষিখণ্ডত নিবনুৱাৰ সংখ্যা অধিক। ভাৰতত গ্ৰাম্য নিবনুৱাৰ সংখ্যা ৭.১৫ শতাংশ আৰু নগৰীয়া নিবনুৱাৰ সংখ্যা ৯.৬২ শতাংশ। ভাৰতত মুঠ নিবনুৱাৰ হাৰ হৈছে ৭.৭৯ শতাংশ।

৬.৭ নিয়োগ সৃষ্টিৰ ব্যৱস্থাৱলী

ভাৰতত অধিক নিয়োগৰ সুবিধা সৃষ্টিৰ লক্ষ্যৰে চৰকাৰে বিভিন্ন নিয়োগ সৃষ্টিৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তেনে কেইটামান কাৰ্যসূচী তলত আলোচনা কৰা হ'ল—

(১) **সংহত গ্ৰাম্য উন্নয়ন আঁচনি (আই আৰ ডি পি) ঃ** ১৯৭৮-৭৯ চনত আৰম্ভ কৰা আৰু ১৯৮০ চনৰ দুই অক্টোবৰপৰা সাৰ্বজনীন ৰূপ পোৱা সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ যোগেদি গ্ৰাম্যাঞ্চলৰ দুখীয়া লোকক ৰাজসাহায্য আৰু বেংক ঋণৰ যোগেদি পৰিকল্পনাৰ পৰৱৰ্তী বছৰসমূহত উৎপাদনী নিয়োগৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ১৯৯৯ চনৰ পহিলা মাৰ্চত আই আৰ ডি পি আৰু অন্য সহযোগী আঁচনিসমূহ 'স্ৱৰ্ণজয়ন্তী' গ্ৰাম স্ৱৰোজগাৰ যোজনা' (এছ জি এছ ৰাই)ৰ অধীনত একত্ৰিত কৰা হয়। এই এছ জি এছ ৰাইৰ যোগেদি গ্ৰাম্যঞ্চলৰ দুখীয়া লোকক আত্মসহায় গোট গঠন কৰা, সামৰ্থবৰ্দ্ধন, কামৰ স্তৰ পৰিকল্পনা গাঁঠনিগত সমৰ্থন, প্ৰযুক্তি আৰু বিপননৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

(২) **জৱাহৰ ৰোজগাৰ যোজনা বা জৱাহৰ গ্ৰাম সমৃদ্ধি যোজনা ঃ** মজুৰ নিয়োগ কাৰ্যসূচীৰ অধীনত ষষ্ঠ আৰু সপ্তম পৰিকল্পনাত ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (এন আৰ ই পি) আৰু গ্ৰাম্য ভূমিহীন নিয়োগ নিশ্চয়তা আঁচনি (আৰ এল ই জি পি) আৰম্ভ কৰা হৈছিল। ১৯৮৯ চনত জৱাহৰ ৰোজগাৰ অধীনত এই দুয়োখন আঁচনি একত্ৰিত কৰা হয়। নিবনুৱাৰ বাবে অৰ্থপূৰ্ণ নিয়োগৰ সুবিধা সৃষ্টি কৰাটোৱেই জৱাহৰ ৰোজগাৰ যোজনাৰ উদ্দেশ্য আছিল যাতে তাৰ যোগেদি নিবনুৱা আৰু প্ৰয়োজনতকৈ কম নিয়োগৰ সুবিধা পোৱাসকলে গ্ৰাম্যাঞ্চলৰ অৰ্থনৈতিক আন্তগাঠনি, সমাজ আৰু সামাজিক সম্পদৰ যোগেদি নিজৰ বাবে নিয়োগৰ সুবিধাৰ সৃষ্টি কৰি ল'ব পাৰে।

১৯৯৯ চনৰ পহিলা এপ্ৰিলৰপৰা জৱাহৰ ৰোজগাৰ যোজনাখন পুনৰ আৰম্ভ কৰা হয় আৰু নাম দিয়া হয় 'জৱাহাৰ গ্ৰাম সমৃদ্ধি যোজনা'। সম্প্ৰতি ই গ্ৰাম্য অৰ্থনৈতিক আন্তঃগাঠনি নিৰ্মাণৰ কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে যাৰ গৌণ উদ্দেশ্য হৈছে নিয়োগ সৃষ্টি।

(৩) **গ্ৰাম্যাঞ্চলৰ গৃহ নিৰ্মাণ — ইন্দিৰা আৱাস যোজনা ঃ** ইন্দিৰা আৱাস যোজনা (আই এ ৱাই)ৰ যোগেদি গ্ৰাম্যাঞ্চলৰ দাৰিদ্ৰ সীমাৰেখাৰ তলৰ (বি পি এল) পৰিয়ালক বিনামূল্যে, গৃহনিৰ্মাণ কৰি দিয়া হয়। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকক ইয়াত মূল লক্ষ্যৰূপে লোৱা হৈছে। ১৯৮৯ চনত আঁচনিখন প্ৰথমবাৰলৈ জৱাহৰ ৰোজগাৰ যোজনা (জ আৰ ৱাই)ৰ অন্তৰ্ভুক্ত কৰা হয় আৰু ১৯৯৬ চনত পুনৰ সুকীয়াকৈ আঁচনিখন গ্ৰাম্যাঞ্চলত দৰিদ্ৰ লোকৰবাবে গৃহ নিৰ্মাণৰ আঁচনিৰ ৰূপত আৰম্ভ কৰা হয়।

(৪) **শ্ৰমৰ বাবে খাদ্য আঁচনি ঃ** ২০০০-০১ চনত শ্ৰমৰ বাবে খাদ্য আঁচনিখন আৰম্ভ কৰা হয়। প্ৰথমে এইখন চণ্ডীগড়, গুজৰাট, হিমাচল প্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, ৰাজস্থান, মহাৰাষ্ট্ৰ আৰু উত্তৰাঞ্চল এই আঠখন খৰাংপীড়িত ৰাজ্যত আৰম্ভ কৰা হয়। মজুৰি আদায়ৰ বিনিময়ত খাদ্য নিৰাপত্তা এয়াই এই আঁচনিৰ উদ্দেশ্য আছিল। ৰাজ্যসমূহক বিনামূল্যে খাদ্য-শস্য যোগান ধৰা হৈছিল যদিও ভাৰতীয় খাদ্য নিগমৰ (এফ চি আই) গুদাম ঘৰৰপৰা খাদ্য শস্যৰ যোগানৰ গতি লেহেমীয়া আছিল।

(৫) **সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনা (এছ জি আৰ ৱাই)** ঃ জবহাৰ ৰোজগাৰ যোজনা নিয়োগ নিশ্চিত আচনি আৰু শ্ৰমৰ বাবে খাদ্য আঁচনি একত্ৰিত কৰি ২০০১ চনৰ পহিলা ছেপ্টেম্বৰৰ পৰা 'সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনা' (এছ জি আৰ ৱাই) নামেৰে পুনৰ আৰম্ভ কৰা হয়। এই আঁচনিৰ মূল উদ্দেশ্যৰ ভিতৰত নিয়োগ বৃদ্ধি, গ্ৰাম্যাঞ্চলত স্থায়ী অৰ্থনৈতিক আন্তঃগাঠনি গঢ় দিয়া হয় আৰু দৰিদ্ৰ লোকক খাদ্য আৰু পৰিপুষ্টিৰ নিৰাপত্তা দিয়াৰ লক্ষ্য অব্যাহত থাকে।

(৬) **মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এম জি এন আৰ ই জি এ) ঃ** ২০০৫ চনৰ দুই ফেব্ৰুৱাৰীত আঁচনিখন শুভাৰম্ভ কৰা হয়। আঁচনিখনৰ যোগেদি প্ৰতি বছৰে গাঁৱৰ প্ৰতিটো পৰিয়ালক ১০০ দিনৰ নিশ্চিত নিয়োগৰ ব্যৱস্থা কৰিব বিচৰা হৈছে। প্ৰস্তাৱিত নিয়োগৰ সুবিধাৰ এক তৃতীয়াংশ মহিলাৰ বাবে সংৰক্ষিত থাকিব। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতি নিধি গঠন কৰিব। ৰাজ্য চৰকাৰসমূহেও ৰাজ্যিক নিয়োগ নিশ্চিতি নিধি গঠন কৰি আঁচনি ৰূপায়নৰ দিহা কৰিব। এই আঁচনি মতে যদিহে এজন আবেদকে আবেদন কৰাৰ ১৫ দিনৰ ভিতৰত নিয়োগৰ সুবিধা লাভ নকৰে তেন্তে তেওঁক দৈনিক নিবনুৱাৰ ভাট্টাক দিব লাগিব।

এম জি এন আৰ ই জি পিৰ মূল বৈশিষ্ট্য ঃ

(ক) ধিকাৰ ভিত্তিক কৰ্মসূচী

(খ) নিয়োগৰ সময় নিশ্চিত

(গ) শ্ৰম প্ৰধান কাম

(ঘ) মহিলা সবলীকৰণ

(ঙ) স্বচ্ছতা আৰু দায়বদ্ধতা

(চ) কেন্দ্ৰীয় চৰকাৰৰ যথোপযুক্ত পুঁজি আবণ্টন

(৭) **খাদ্যৰ বাবে কামৰ ৰাষ্ট্ৰীয় আচনি ঃ** ১৪ নৱেম্বৰ ২০০৪ চনত দেশৰ ১৫০ খন সবাতোকৈ পাছপৰা জিলাত এই আঁচনিখন আৰম্ভ কৰা হয়। সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনাক অতিৰিক্ত সুবিধা আৰু সম্পদেৰে শক্তিশালী কৰাই এই আঁচনিৰ লক্ষ্য। ই ১০০ শতাংশ কেন্দ্ৰীয় পুঁজিৰ দ্বাৰা ৰূপায়িত আঁচনি।

(৮) **ৰাষ্ট্ৰীয় গ্ৰামীন আজীৱিকা অভিযান ঃ** কেন্দ্ৰীয় গ্ৰাম্য উন্নয়ন মন্ত্ৰণালয়ে দক্ষতা বিকাশ আৰু নিয়োগৰ উদ্দেশ্যে এই আঁচনি যুগুত কৰিছে। ই ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা মিছন (এন আৰ এল এম)-ৰ অধীনত দাৰিদ্ৰ নিৰ্মূলৰ উদ্দেশ্য 'আজীৱিকা' (২০১১) নামেৰে ৰূপায়িত হৈ আছে। গ্ৰাম্যাঞ্চলৰ দৰিদ্ৰ লোকসকলৰ প্ৰয়োজনবোৰ চিনাক্ত কৰি তেওঁলোকক মাহিলী আয়ৰ ব্যৱস্থা কৰাই এই আঁচনিৰ উদ্দেশ্য। গ্ৰাম্যাঞ্চলত আত্মসহায় গোট গঠন কৰি দুখীয়াক সহায় কৰাও এই আঁচনিৰ লক্ষ্য।

(৯) **প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা ঃ** ২০১৫ চনৰ ২১ মাৰ্চত কেবিনেট ১৪ লাখ যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্যৰে ১১২০ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনিত অনুমোদন জনায়। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ সহায়ত ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ অধীনত এই আঁচনি ৰূপায়ন কৰা হৈছে। দশম আৰু দ্বাদশ শ্ৰেণীত অনুতীৰ্ণ যিবোৰ ল'ৰা-ছোৱালীয়ে শ্ৰম শক্তিত যোগ দিবলৈ ইচ্ছা কৰে তেওঁলোকক এই আঁচনিৰ আওতালি অনাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(১০) **ৰাষ্ট্ৰীয় ঐতিহ্য উন্নয়ন আৰু সমৃদ্ধি যোজনা ঃ** ২০১৫ চনৰ ২১ জানুৱাৰীত এই আঁচনি দেশৰ চহকী সাংস্কৃতিক ঐতিহ্য ৰক্ষা আৰু পুনৰুজ্জীৱনৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছিল। কেন্দ্ৰীয় নগৰ উন্নয়ন মন্ত্ৰণালয়ে এই ৫০০ কোটি টকীয়া আঁচনি ৰূপায়ন কৰিছে। প্ৰথমে এই আঁচনি অমৃতসৰ, বাৰানসী, গয়া, পুৰী, আজমেৰ, মথুৰা, দ্বাৰকা, বাদামী, ৰেলাকান্নি, কাঞ্চিপুৰম, ৰাৰাংগল আৰু অমৰাৱতী এই ১২ খন নগৰত আৰম্ভ কৰা হৈছিল।

এই আঁচনিসমূহে সমাজৰ সকলো শ্ৰেণী লোকৰ উন্নয়ন সাধনৰ যোগেদি সৰ্বাত্মক কল্যাণ ধাৰণাটি যাতে বাস্তবায়িত কৰিব পাৰে সেই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ —

- নিবনুৱাৰ সমস্যা বিশ্বৰ সকলো দেশতে পোৱা এটা গুৰুতৰ সমস্যা। ই চহকী- দুখীয়া সকলো দেশতে আছে।
- নিবনুৱাক দুই প্ৰকাৰে ভাগ কৰিব পাৰি- (১) মুক্ত আৰু (২) ছদ্মবেশী।
- ঋতুকালীন নিবনুৱা উন্নত বা উন্নয়নশীল সকলো দেশতে আছে।
- যেতিয়া নিবনুৱা সমস্যা এখন দেশৰ দীৰ্ঘদিনীয়া সমস্যা হৈ পৰে তেতিয়া তাকে 'দীৰ্ঘকালীন নিবনুৱা' বুলি কোৱা হয়।



৬.৯ অধিক জানিবলৈ

1) B.N. Ghosh and Rama Ghosh,'Concise History of Economic Thought'. Himalaya Publishing House.
2) H.L.Bhatia, 'History of Economic Thought', Vikas publication.
3) P.K.Dhar, Indaian Economy , Kalyani Publications.
4) G. Datt and A. Mahajan, Indian Economy, S. Chand.



৬.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ নিবনুৱা হৈছে এক ধৰণৰ পৰিস্থিতি য'ত মানুহে চলিত মজুৰিত কাম কৰিবলৈ সমৰ্থবান আৰু আগ্ৰহী হ'লেও কামৰ সুযোগ নাপায়। নিবনুৱা সমস্যা কেৱল অদক্ষ শ্ৰমিকৰ ক্ষেত্ৰতে নহয়, দীৰ্ঘ সময়ৰ বাবে সংস্থাপন নোপোৱা দক্ষ শ্ৰমিকৰ ক্ষেত্ৰতো প্ৰযোজ্য।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'ছদ্মবেশী নিবনুৱা'ৰ অৰ্থ হৈছে প্ৰয়োজনাধিক শ্ৰমিকৰ উপস্থিতি য'ত তেওঁলোকক কামৰপৰা আঁতৰাই দিলেও মুঠ উযপাদনত কোনো প্ৰভাৱ নপৰে। অৰ্থাৎ তেওঁলোকৰ উৎপাদনশীলতা শূন্য।

৩নং প্ৰশ্নৰ উত্তৰ ঃ গ্ৰাম্য নিবনুৱাৰ দুটা বৈশিষ্ট্য হৈছে

(ক) বয়স, বৰ্ণ আৰু অভিজ্ঞতা ভেদে নিবনুৱাৰ হাৰৰ মাজত বৃহৎ ভিন্নতা থাকে।

(খ) শ্ৰমৰ বজাৰত অধিক বিপৰ্যয় লক্ষ্য কৰা যায়।



৬.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ঃ ১ ভাৰতত পোৱা ভিন্ন প্ৰকাৰৰ নিবনুৱাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ঃ ২ ভাৰতত গ্ৰাম্য নিবনুৱাৰ বৈশিষ্ট্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ঃ ৩ নিয়োগ সৃষ্টিৰ বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ভাৰতৰ গ্ৰাম্যাঞ্চলত দাৰিদ্ৰ্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ভাৰতত দাৰিদ্ৰতা
৭.৪ দাৰিদ্ৰ আৰু দাৰিদ্ৰ সীমাৰেখাৰ ধাৰণা
৭.৫ দাৰিদ্ৰৰ প্ৰকাৰ
৭.৬ গ্ৰাম্য ভাৰতৰ দাৰিদ্ৰ্যৰ বৈশিষ্ট্যাৱলী
৭.৭ ভাৰতৰ গ্ৰাম্যাঞ্চলৰ দাৰিদ্ৰ্যৰ হাৰ
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্ৰগতিৰ খতিয়ান
৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দাৰিদ্ৰ্য আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- দাৰিদ্ৰ্যৰ প্ৰকাৰ জানিব পাৰিব
- গ্ৰাম্য দাৰিদ্ৰ্যৰ পটভূমি জানিব পাৰিব
- দাৰিদ্ৰ্য নিৰ্মুলৰ কেতবোৰ ব্যৱস্থাৰ ব্যাখ্যা কৰিব পাৰিব

৭.২ পৰিচয়

সমাজৰ উল্লেখযোগ্য অংশ এটা যদিহে বঞ্চিত, দাৰিদ্ৰতাগ্ৰস্ত হৈ থাকে তেন্তে অৰ্থনৈতিক বিকাশ অৰ্থহীন হৈ পৰে। দাৰিদ্ৰ নিৰ্মূল হ'লেহে বিকাশ উন্নয়নত পৰিণত হয়। মানুহে যদি ক্ষুধা, অভাৱ আৰু অনাহাৰত দিন কটাবলগীয়া নহয়, তেন্তে তেওঁলোকে অন্ততঃ নূন্যতম খাদ্য, বস্ত্ৰ, বাসস্থান শিক্ষা আৰু স্বাস্থ্যসেৱা লাভ কৰিব লাগিব। মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পি) চকুত লগা বিকাশ সত্ত্বেও দাৰিদ্ৰ এতিয়াও ভাৰতৰ সন্মুখত অন্যতম বৃহৎ প্ৰত্যাহ্বান হৈ আছে। ই একধৰণৰ সামাজিক প্ৰত্যাহ্বানৰ ৰূপত বৰ্তি আছে আৰু প্ৰকৃততে ই বিশ্বৰ বৃহৎ ঔদ্যোগিক অৰ্থনৈতিক শক্তি হৈ উঠা এখন দেশৰ বাবে বাধা হৈ পৰিছে।

এই অধ্যায়টিত আমি দাৰিদ্ৰৰ ধাৰণা, দাৰিদ্ৰৰ প্ৰকাৰ, দাৰিদ্ৰ্যৰ বৈশিষ্ট্যাৱলী, দাৰিদ্ৰ্য নিৰ্মূলৰ অৰ্থ লোৱা বিভিন্ন ব্যৱস্থাৱলী আদিৰ বিষয়ে আলোচনা কৰিম।

৭.৩ ভাৰতত দাৰিদ্ৰ্যতা

বিশ্বৰ মুঠ দাৰিদ্ৰ লোকৰ এক তৃতীয়াংশই ভাৰতত বাস কৰে। ছাহাৰা মৰুভূমিৰ উপকণ্ঠীয় আফ্ৰিকাত যিমান দৰিদ্ৰ লোক আছে তাতোকৈ অধিক দৰিদ্ৰ লোকে ভাৰতত বাস কৰে। ভাৰতৰ ৭০ শতাংশতকৈয়ো অধিক লোক গ্ৰাম্যাঞ্চলত বাস কৰে। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩৩ শতাংশ বৰঙণি আহে কৃষি আৰু অন্য তৎসম্পৰ্কীয় কাম-কাজৰ পৰা। দেশৰ মুঠ কৰ্মশক্তিৰ ৬০ শতাংশৰো অধিক কৃষিখণ্ডতে নিয়োজিত হৈ আছে। গতিকে যেতিয়া মানুহে ভাৰতৰ আৰ্থসামাজিক বিকাশৰ কথা কয় তেতিয়া আলোচিত হোৱা ভাবাবোধে গুৰুত্বপূৰ্ণ বিষয়টি হৈছে ভাৰতৰ গ্ৰাম্যাঞ্চলৰ লোকসকলৰ জীৱন কিদৰে সলনি হৈছে। আনকি ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনৰ দৰে বিষয়ৰ সামগ্ৰিক তথ্যাদিয়েও গ্ৰাম্য জীৱনৰ প্ৰকৃত ছবিখন ঢাকি ৰাখিব পাৰে।

খাদ্য উৎপাদনৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সাফল্য দেশৰ সফলতাৰ কাহিনীবোৰৰ ভিতৰত অন্যতম ১৯৪৩ চনত বংগৰ দুৰ্ভিক্ষৰ ফলত প্ৰায় ৪০ ভাগ লোকৰ মৃত্যু হৈছিল আৰু তাৰ প্ৰেৰণাতে ১৯৬৭ চনত সেউজ বিপ্লৱ আৰম্ভ হৈছিল। নতুন কৃষি উৎপাদন শৈলী, দিনগতভাৱে উন্নীত শস্য, দুবাৰ কৃষিকাৰ্য আৰু কৃষিভূমিৰ সংবৰ্দ্ধনে ভাৰতক খাদ্যশস্যৰ ক্ষেত্ৰত স্বাৱলম্বী কৰি তোলে। কৃষি কৌশলৰ ধাৰাবাহিক বিকাশে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰে। কিন্তু খৰাঙৰপৰা হাত সৰা আৰু জলসম্পদৰ সংকোচন ইত্যাদি বিষয়ত নতুন কৌশলেও সকাহ দিব পৰা নাই। একেদৰে দেশৰ অৰ্থনৈতিক উন্নতিলৈ গ্ৰাম্যাঞ্চলে অৰিহণা আগবঢ়ালেও গ্ৰাম্যাঞ্চলত বাস কৰা ৩০ কোটি দুখীয়া লোকৰ জীৱনলৈ ই বিশেষ আশাপ্ৰদ পৰিৱৰ্তন আনিব পৰা নাই। দেশে সেই কথা কেতিয়াও লুকুৱাব নোৱাৰে।

গ্ৰাম্য ভাৰতৰ 'বাস্তৱ কাহিনী ক'বলৈ গ'লে ৩০কোটি লোকৰ কথাকে ক'ব লাগিব, যিসকলে দিনটোত এক ডলাৰতকৈয়ো কম উপাৰ্জনেৰে চাৰিজনীয়া পৰিয়াল পোহপাল দিব লাগে। ইয়াত গ্ৰাম্যাঞ্চলৰ চহকী শ্ৰেণীটোৱে অৰ্থাৎ উচ্চ শ্ৰেণী আৰু জমিদাৰসকলে অসহায়সকলক সদায় চিকাৰৰূপে ব্যৱহাৰ কৰে। প্ৰায়ে তেওঁলোকে চৰকাৰী বিষয়াৰ সহায়তে এনে কাম কৰে, যিয়ে তেওঁলোক সহায় আৰু সুৰিক্ষা দিয়ে। এয়া এনে জীৱন য'ত উন্নত ভৱিষ্যতৰ আশা সূৰ্যৰ দৰেই নিলগত। তেওঁলোকৰ ওচৰত একোৱেই আশাপ্ৰদ ঘটনা নঘটে। তথাকথিত 'তথ্য প্ৰযুক্তি বিপ্লৱ'-য়েও তেওঁলোকক সকাহ দিব নোৱাৰে।

এনে পৰিস্থিতিৰ অন্ত পেলোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে যথেষ্ট পৰিমাণৰ ধন ব্যয় কৰিছে। বহু আন্তঃৰাষ্ট্ৰীয় সংস্থায়ো কাম কৰি আছে, কিন্তু দৰিদ্ৰ লোকসকলে যোৱা প্ৰায় ৭০ বছৰে বিশেষ একোৱেই লাভ কৰা নাই। আনকি সাধাৰণ লোকেও এয়া উপলব্ধি কৰিছে যে কোনোবা এটা দিশত গুৰুতৰ ভুল হৈ আছে আৰু অহা ৫০টা বছৰত পৰিস্থিতিৰ উন্নতি সাধন কৰিবলৈ হ'লে কিবা বেলেগ কাম কৰিবই লাগিব।

নিজৰ অৱস্থাৰ উন্নয়নৰ বাবে দৰিদ্ৰ লোকসকলে কেৱল যে সুশিক্ষা লাভৰ সুযোগৰ অভাৱ বা আয়ৰ স্থায়ী উৎসৰ অভাৱত ভুগিছে তেনে নহয়। এই লোকসকল স্থায়ী সামাজিক

আৰু অৰ্থনৈতিক ব্যৱস্থাৰ অভাৱৰ বিকাৰ হৈছে। তেওঁলোকৰ ওপৰত স্থানীয় চহকী লোকসকল জমিদাৰ, ব্যৱসায়ী, ঋণদাতা, বিষয়া আদিয়ে নিয়ন্ত্ৰণ অব্যাহত কৰে। একে সময়তে তেওঁলোকে অধিক ভূমি অধিগ্ৰহণ কৰি; কম মজুৰিত দৰিদ্ৰক কামত খটুৱাই আৰু প্ৰয়োজনত কঠোৰ হাতেৰে দমন কৰি অধিক সম্পদ আৰু ক্ষমতা হস্তাগত কৰি আহিছে। নগৰকেন্দ্ৰিক বজাৰবোৰো আকৌ শোষণৰ আহিলাহে। গ্ৰাম্যাঞ্চলত উৎপাদিত সামগ্ৰী আৰু সেইবোৰৰ দৰ ইমানেই কম যে চৰকাৰী সাহায্য অবিহনে ইয়াত কোনোধৰণৰ মুনাফা লাভ কৰা সম্ভৱ নহয়।

কৃষিৰ উৎপাদন আৰু লাভ বঢ়াবলৈ হ'লে অত্যাধুনিক প্ৰযুক্তিৰে কৃষিকাৰ্য কৰা সৰ্বোত্তম পন্থা। ক্ষুদ্ৰ কৃষকে পৰম্পৰাগত পদ্ধতিৰে কৃষিকাৰ্য কৰাৰ অন্যতম কাৰণ হৈছে পৰ্যাপ্ত পুঁজিৰ অভাৱ। সেয়ে দৰিদ্ৰ কৃষকক নতুন প্ৰযুক্তি ব্যৱহাৰত শিক্ষাদান আৰু তাৰ কাৰ্য ৰূপায়নৰ বাবে বিত্তীয় ঋণ প্ৰদানৰ ব্যৱস্থা কৰাহে যুগুত। এই ক্ষেত্ৰত ব্যক্তিগত প্ৰতিষ্ঠানকো নিয়োগ ব্যৱস্থা কৰি তেওঁলোকৰ অধীনৰ এলেকাৰ হোৱা উৎকৃষ্ট কৃষিকাৰ্যৰ বাবে তেওঁলোকক পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰিব পৰা যায়। এইখিনিতে এই কথা নিশ্চিত কৰা যুগুত যাতে কৃষকে তেওঁলোকৰ প্ৰাপ্য সাহায্য আৰু ধনৰাশি সম্পূৰ্ণকৈ লাভ কৰে আৰু সেয়া অন্য বিষয়াই হস্তগত কৰিব নোৱাৰে।

শুষ্কভূমিত কৃষিকাৰ্যৰ বাবে বিশেষ ভাট্টা প্ৰদানৰ ব্যৱস্থা কৰা উচিত। জলসিঞ্চন, কুঁৱাৰ মেৰামতিকৰণ, পানী সংগ্ৰহ আৰু জমাকৰণৰ যোগেদি জল ব্যৱস্থাপনাৰ ব্যৱস্থা কৰা উচিত। দেশৰ বেছিভাগ এলেকাতে বছৰৰ বেছিখিনি সময় সূৰ্যত পোহৰ পৰা আৰু বতাহ বৈ থকা হেতুকে সৌৰ আৰু বতাহ শক্তিৰ ব্যৱহাৰ কৰি বেছিভাগ এলেকাতে পৰম্পৰাগত শক্তি ৰাজিৰ ব্যৱস্থা কৰিব পৰা যায়। এনে প্ৰযুক্তিৰ ব্যয় হ্ৰাস কৰি আৰু ইয়াৰ বাবদ দীৰ্ঘকালীন বিত্তীয় ঋণৰ ব্যৱস্থাৰেও কৃষিত ব্যয়ৰ মাত্ৰা হ্ৰাস কৰিব পৰা যায়। কৃষিজাত দ্ৰব্যৰ উৎপাদনৰ ক্ষেত্ৰখনত ব্যক্তিগত প্ৰতিষ্ঠানে প্ৰৱেশ কৰি প্ৰতিযোগিতামূলকভাৱে উৎপাদন কৰিলে ইয়াত উন্নত প্ৰযুক্তি আৰু ব্যয়সাধ্য কৌশলৰ প্ৰয়োগ ঘটিব।

বেছিভাগ ক্ষুদ্ৰ কৃষকেই তেওঁলোকৰ উৎপাদিত সামগ্ৰী দুৰৰ বজাৰলৈ নিব নোৱাৰে। ইয়াৰ কাৰণ হৈছে বজাৰ সম্পৰ্কে তেওঁলোকৰ উপযুক্ত তথ্য নাই আৰু পৰিবহন ব্যয় বহনৰ অক্ষমতা। এই ক্ষেত্ৰত চৰকাৰে কৃষকক সমবায় বিপণন ব্যৱস্থা গঢ়ি তুলি সহায় কৰিব পাৰে। লগতে দৈনিক দৰৰ তথ্যও যোগান ধৰিব পাৰে। তদুপৰি সমবায়সমূহে ক্ৰেতা কোম্পানীবোৰৰ সৈতে ঋতুকালীন শস্যৰ স্থিৰ মূল্যমান নিৰ্ধাৰিণ কৰিব পাৰে। দৰ নিৰ্ধাৰণত চৰকাৰী বিষয়াক প্ৰত্যক্ষভাৱে জড়িত নকৰি ক্ষুদ্ৰ কৃষকৰ সামূহিক দৰ নিৰ্ধাৰণ ক্ষমতা বৃদ্ধিতহে ইয়াত লক্ষ্যৰূপে ল'ব লাগে।

ভাৰতত দাৰিদ্ৰতা প্ৰধানকৈ গ্ৰাম্যাঞ্চলতহে আছে। ইয়াত ভূমিহীন শ্ৰমিক আৰু অংশকালীন শ্ৰমিকসকল অৰ্থনীতিৰ সবাতোকৈ তলৰ খাপৰ প্ৰতিনিধি গোট। ইয়াত অনুসূচিত জাতি আৰু জনজাতি, মহিলা, মহিলাই ভৰণ-পোষণ দিয়া পৰিয়াল, বৃদ্ধজন আৰু কন্যা শিশুসকল আনতকৈ অধিক বৈষম্যৰ বলি হ'বলগীয়া হয়। গ্ৰাম্যঞ্চলৰ দৰিদ্ৰসকল প্ৰধানকৈ তেওঁলোকহে, যাৰ ভূমি বা তেনে সম্পদ যথেষ্ট পৰিমাণে সীমিত। ভাৰতৰ গ্ৰাম্যাঞ্চলৰ বৃহৎ সংখক লোকেই

কৃষিকার্যত (মৎস্য পালন আৰু পশুপালনকে ধৰি) হয় শ্ৰমিকৰূপে নহয় ক্ষুদ্ৰ কৃষকৰ ৰূপত জড়িত হৈ আছে।

গ্ৰাম্যাঞ্চলৰ দৰিদ্ৰ লোকৰ কেবাটাও বৈশিষ্ট্য আছে। প্ৰথমে গ্ৰাম্যাঞ্চলৰ দৰিদ্ৰ লোকৰ ৪২ শতাংশই হৈছে অর্থনৈতিকভাৱে পিছপৰা কৃষি শ্ৰমিকৰ গোট। তদুপৰি এই গোটৰ আধাতকৈয়ো অধিকাংশ জন্মসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকেৰে গঠিত। সামগ্ৰিকভাৱে দেশৰ গ্ৰাম্য জনসংখ্যাৰ ২৫ শতাংশ হৈছে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকেৰে গঠিত। সামগ্ৰিকভাৱে দেশৰ গ্ৰাম্য জনসংখ্যাৰ ২৫ শতাংশ হৈছে অনুসূচিত জাতি আৰু অনুসূচিত লোক, কিন্তু দৰিদ্ৰচামৰ প্ৰায় ৪২ শতাংশই হৈছে এছ চি আৰু এছ টি। এই অসাম্যৰ বাবেই এছ চি আৰু এছ চি টিৰ পৰা সুকীয়া ব্যৱস্থা গ্ৰহণ কৰিবলীয়া হৈছে।

দাৰিদ্ৰ হৈছে এক অত্যন্ত জটিল অৱস্থান পাৰস্পৰিক সম্পর্কযুক্ত আৰু ইটোৰ ওপৰত সিটো খাপ খাই পৰা অর্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক বঞ্চনাৰ পৰিপ্ৰেক্ষিততে ইয়াৰ সৃষ্টি। ইয়াৰ ভিতৰত আছে সম্পদৰ অভাৱ, নিম্ন আয়, ক্ষুধা, দুর্বল স্বাস্থ্য, অনিৰাপত্তাবোধ, শাৰীৰিক আৰু মানসিক কষ্ট, সামাজিক বহিষ্কৰণ, অৱনতি আৰু বৈষম্য, ৰাজনৈতিক ক্ষমতাহীনতা আৰু বিশৃংখলাৰ বাবেই ইয়াৰ সৃষ্টি। দুখীয়া লোকৰ সৈতে কথা পাতিলে বুজা যায় যে তেওঁলোকে বাস্তৱিকতে স্থিৰতাৰে জীয়াই থাকিব খোজে, সম্পদ আৰু অধিকাৰৰ আধাৰত নিৰাপত্তা বিচাৰে আৰু স্বাতন্ত্ৰ্য আৰু বাছনিভিত্তিক আত্মসন্মান বিচাৰে।

সেয়ে দাৰিদ্ৰ নির্মূলৰ বাবে নীতি যুগুত কৰোঁতে কেৱল কম আয় আৰু ভোগৰ বিষয়টিক প্ৰাধান্য দিলেই নহ'ব, জটিল সামাজিক দৃষ্টি কোনবোৰত কথাও মনত ৰাখিব লাগিব। সেয়ে চৰকাৰে এছ চি আৰু এছ টি লোকৰ বাবে গ্ৰহণ কৰা উন্নয়নী নীতিবোৰ এনে জটিল সামাজিক দিশবোৰৰ অন্ত পেলাবলৈকেই কৰা একেটা চেষ্টা। দশম পৰিকল্পনাৰ খচৰা পত্ৰত যুক্তি দিয়া হৈছিল যে, বিকাশৰ লাভবোৰ তেনেই সীমিত অংশই লাভ কৰা সুবিধাতহে পৰিণত হৈছে। গ্ৰাম্যাঞ্চলৰ কমেও ৬০ শতাংশ পৰিয়াল আৰু নগৰাঞ্চলৰ ২০ শতাংশ পৰিয়ালৰ ঘৰত বিদ্যুৎসংযোগ নাই, নগৰাঞ্চলৰ ৬০ শতাংশ পৰিয়ালতহে ঘৰৰ ভিতৰত পানীৰ টেপ আৰু তাতোকৈয়ো কম সংখ্যকৰহে শৌচালয় আছে।

কিছুদিনৰ আগলৈকে বিশেষ গুৰুত্ব নোপোৱা পৰিৱেশ প্ৰদূষণৰ বিষয়টোৱেও নগৰাঞ্চলত ক্ৰমে অধিক গুৰুত্ব পাবলৈ আৰম্ভ কৰিছে। নগৰাঞ্চলৰ পৰিৱেশ প্ৰদূষিত হোৱাৰ লগে লগে বস্তি এলেকা বাঢ়ি গৈছে আৰু বায়ু, পানী আৰু ভূমিৰ প্ৰদূষণে নগৰাঞ্চলৰ দৰিদ্ৰৰ জীৱনৰ মানৰ ওপৰত বৃহৎ প্ৰভাৱ পেলাইছে। গ্ৰাম্যাঞ্চলত ভূমি আৰু বনাঞ্চলৰ অৱক্ষয় আৰু ভূগর্ভস্থ জলৰ অতিমাত্ৰা ব্যৱহাৰে খাদ্যশস্য উৎপাদন, পৰম্পৰাগত জলসিঞ্চন ব্যৱস্থা আৰু খোৱা-পানী আহৰণতো ভাবুকিৰ সৃষ্টি কৰিছে।

পৰিয়ালৰ ভিতৰতে আকৌ পুৰুষৰ তুলনাত মহিলাসকল অধিক অসুবিধাজনক স্থিতিত আছে। তেওঁলোকৰ শিক্ষাৰ হাৰ কম (ৰাষ্ট্ৰীয় হিচাপত পুৰুষৰ ৭৬ শতাংশৰ বিপৰীতে ৫৪ শতাংশ) আৰু পৰিয়াল আৰু পৰিবাৰিক সম্পদৰ বিষয়ে সিদ্ধান্ত গ্ৰহণৰ ওপৰত তেওঁলোকৰ

নিয়ন্ত্ৰণো কম। দ্বিতীয়তে, প্ৰতি তিনিটি শিশুৰ ভিতৰত দুটিয়েই কিছুপৰিমাণে বা গুৰুতৰভাৱে অপুষ্টিত ভোগে। দৰিদ্ৰ পৰিয়ালৰ পৰিপুষ্টি মানো শংকাজনক। ইয়াৰ বাদেও দাৰিদ্ৰ, লিংগ আৰু সম্প্ৰদায়গত বৈষম্যও দেশৰ গ্ৰাম্যাঞ্চলবোৰত অনেক। সেয়েহে দাৰিদ্ৰ্য মোচনৰ বাবে বিস্তাৰিত কাৰ্যপন্থা ৰূপায়নে কৰিবলৈ গ'লে এনেবোৰ বাস্তৱিকতা আৰু ইয়াৰ ফলাফলৰ প্ৰাপ্তি লক্ষ্য ৰাখিব লাগিব। এই বাস্তৱতাবোৰ প্ৰত্যন্ত এলেকাবোৰত স্পষ্ট, য'ত বিভিন্ন নিম্ন শ্ৰেণীত লোকে একোটা পিছপৰা এলেকাত বাস কৰে। তেওঁলোক সামূহিক সেৱা যেনে ঃ বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ, ৰাজহুৱা খোৱাপানীৰ সুবিধাৰ্থে স্থাপিত দমকল, সুলভ মূল্যৰ দোকান আদিৰপৰাও নিলগত ৰৈ যায়।

নগৰীয়া দৰিদ্ৰৰ বৈশিষ্ট্য হৈছে বস্তি এলেকা, বৰবাৰী ভূমি বা বহু সময়ত পথতে অত্যন্ত দৰিদ্ৰ ব্যৱস্থাতে বাস কৰি তেওঁলোক জীৱিকা নিৰ্বাহ কৰে। তেওঁলোক প্ৰকৃততে জীৱিকা আৰু বাসস্থানৰ নিশ্চয়তাহীন প্ৰথম প্ৰজন্মৰ প্ৰব্ৰজনকাৰী যাক আৰক্ষী আৰু পৌৰ প্ৰশাৰনেও নিৰ্যাতন চলাইছে। তেওঁলোক স্বাস্থ্য আৰু নিৰাপত্তাৰ সা-সুবিধাহীন স্থানত দখল কৰি থাকে। তেওঁলোকে হকাৰৰ কাম কৰি বা ৰিক্সা চলাই জীৱিকা অৰ্জন কৰে নতুবা ঠিকাদাৰৰ অধীনত ঠিকা শ্ৰমিকৰ কাম কৰে ঠিকাদাৰসকলেও শ্ৰম বা উদ্যোগ আইন নামানে। এনেদৰে জীয়াই থকাৰ যুঁজখনে তেওঁলোকক ক্ৰমে মানৱীয় প্ৰমূল্যহীন আৰু অপৰাধী মানসিকতাৰ গঢ়ি তোলে। এনে সমস্যা ৰোধৰ বাবে গৃহনিৰ্মাণৰ স্থানত অধিক সামাজিক নিয়ন্ত্ৰণ কৰা, নগৰাঞ্চলত কেতবোৰ ঔদ্যোগিক কাম-কাজ বন্ধ কৰা আৰু প্ৰৱজিত শ্ৰমিকৰ সুবিধাৰ্থে শ্ৰম আইনৰ কঠোৰ ৰূপায়ন কৰাৰ প্ৰয়োজন আছে।

চৰম দাৰিদ্ৰ আৰু নিয়োগবিহীনতাৰ বাবেহে গ্ৰাম্যাঞ্চলৰ লোকসকল নগৰাঞ্চললৈ ঢাপলি মেলিবলগীয়া হয়। গতিকে কেৱল নগৰাঞ্চলৰ দাৰিদ্ৰ নিৰ্মূলৰ বাবে চলোৱাই চেষ্টাই বিশেষ কাম নিদিয়ে, কাৰণ নিতৌ চাকৰি আৰু ভাল জীৱনৰ আশাত নহয় নতুন লোকৰ নগৰলৈ প্ৰব্ৰজন ঘটিয়েই থাকিব। অন্যাৰ্থত, গ্ৰাম্যাঞ্চলতকৈ নগৰাঞ্চলত মানৱীয় মৰ্যাদা ৰক্ষাকাৰী তথা মৌলিক সঙ্গ-সুবিধাৰে ভৰা জীৱিকাৰ সৃষ্টি কৰা যথেষ্ট ব্যয়সাধ্য।

ভাৰতত বিভিন্ন চৰকাৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠনে দাৰিদ্ৰ নিৰ্মূলৰ বাবে অনেক আঁচনি লৈছে। তাৰ পৰিপ্ৰেক্ষিততে ভাৰতৰ দাৰিদ্ৰতা নিৰ্মূল আঁচনিৰ বিষয়ে অধ্যয়ন কৰাৰ বিশেষ গুৰুত্ব আছে। এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশত বেছিভাগ লোকেই দৰিদ্ৰ। চহকী দেশতো দৰিদ্ৰ লোক পোৱা যায়। কিন্তু উন্নয়নশীল দেশবোৰতহে এই সমস্যা বেছি জটিল। উৎপাদনৰ সৈতে জড়িত সামন্তবাদী সম্পৰ্কৰ বাবেই দাৰিদ্ৰতাৰ উদ্ভৱ হয়। সকলো দায়িত্বশীল লোক যেনে ঃ শিক্ষাবিদ, ৰাজনীতিবিদ, পৰিকল্পনাকাৰী আৰু সমাজকৰ্মীৰ বাবেই দৰিদ্ৰতা হৈছে একধৰণৰ নৈতিক প্ৰত্যাহ্বান। ভাৰতীয় জনতাৰ যিসকল কৃষিকাৰ্যৰ সৈতে জড়িত সেইসকলৰ দাৰিদ্ৰ্যৰ কথা প্ৰবচনৰ লেখীয়া হৈ পৰিছে। ইয়াক নিৰ্মূল কৰাটো সমাজখনৰ পুনৰগঠন কাৰ্যসূচীৰ অন্যতম। দৰিদ্ৰতা হৈছে বিষয়গত আৰু পৰিসৰণ উভয় দিশৰপৰাই একধৰণৰ জটিল পৰিঘটনা।

ভাৰতীয় অৰ্থনীতি প্ৰায় ২০০ বছৰ ধৰি ব্ৰিটিছৰ অধীনত আছিল। এয়া হৈছে পদ্ধতিগত শোষণৰ এটা দীঘলীয়া অধ্যয়ন। সেয়ে ১৯৪৭ চনত যেতিয়া ভাৰতে স্বাধীনতা পালে তেতিয়া আমি এক দুৰ্বল অৰ্থনীতি আৰু অত্যধিক দৰিদ্ৰত বুৰ যোৱা কৃষক শ্ৰেণীক উত্তৰাধিকাৰী হিচাপে পালোঁ।

ভাৰতত দাৰিদ্ৰ্য এক প্ৰকাৰৰ নিশ্চিত পৰিঘটনা বুলি ধৰা হয়। ইয়াত দৰিদ্ৰ শ্ৰেণীৰ লোকসকল খাদ্যশস্য, মাহজাতীয় শস্য, গাখীৰ, শাক-পাচলি, কাপোৰ-কানি, গ্ৰহণ কৰা কেল'ৰি আদিৰপৰা বঞ্চিত হৈ থাকে আৰু তেওঁলোক জীয়াই থকাৰ বাবে প্ৰয়োজনীয়খিনিত নোপোৱাকৈয়ে জীৱনপাত কৰিবলগীয়া হয়।

৭.৪ দাৰিদ্ৰ আৰু দাৰিদ্ৰ সীমাৰেখাৰ ধাৰণা

দাৰিদ্ৰ্য হৈছে বিশ্বৰ বিভিন্ন দেশে সন্মুখীন হৈ থকা একধৰণৰ বিশেষ সমস্যা। দাৰিদ্ৰ্যৰো এনে কোনো উমৈহতীয়া গ্ৰহণযোগ্য সংজ্ঞা নাই বা থাকিব নোৱাৰে যিটো সকলোতে গ্ৰহণযোগ্য হ'ব পাৰে। বহলভাৱে এয়াই ক'ব পাৰি যে দাৰিদ্ৰ্য এনে একধৰণৰ অৱস্থা, য'ত মানুহে মানুহৰ মৌলিক প্ৰয়োজনখিনিও পূৰণ কৰিব নোৱাৰে। মানুহৰ নূন্যতম প্ৰয়োজনৰ ভিতৰত আছে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যসেৱা। যদিহে এখন দেশৰ বৃহৎসংখ্যক লোক ন্যূনতম সা-সুবিধাখিনিৰপৰাও দীৰ্ঘসময়ৰ বাবে বঞ্চিত হৈ থাকে, তেনে দেশ দাৰিদ্ৰ্যৰ আৱৰ্তচক্ৰৰ ভিতৰত সোমাই পৰা বুলি ধৰি লোৱা হয়। দাৰিদ্ৰ্য সীমাৰেখা হৈছে বিতৰণ আধাৰিত সীমাৰেখা, যি সীমাই দেশৰ বাসিন্দাসকলৰ দৰিদ্ৰ আৰু অ-দৰিদ্ৰ এই দুটা ভাগত বিভক্ত কৰে। এখন দেশ দাৰিদ্ৰ্যৰ ৰূপ কেনে সেয়া জানিবৰ বাবে দাৰিদ্ৰ সীমাৰেখাৰ ধাৰণাটো ব্যৱহাৰ কৰা হয়। সেই অনুসৰি দাৰিদ্ৰ্য সীমাৰ তলত কাম কৰা লোকসকল হৈছে দুখীয়া আৰু তাৰ ওপৰত বাস কৰাসকল হৈছে অ-দৰিদ্ৰ। দাৰিদ্ৰ্য সীমাৰেখাই, সামাজিকভাৱে গ্ৰহণযোগ্য ন্যূনতম জীৱনৰ মান ৰক্ষাৰ চেষ্টা কৰে আৰু সমাজে সেয়া পূৰণৰ চেষ্টা কৰে।

৭.৫ দাৰিদ্ৰ্যৰ প্ৰকাৰ

(১) তুলনামূলক সম্পৰ্কিত দাৰিদ্ৰ্য (Relative poverty)

(২) সম্পূৰ্ণ দাৰিদ্ৰ্য (Absolute poverty)

তুলনামূলক দাৰিদ্ৰ্য ঃ

অৰ্থ ঃ তুলনামূলক দাৰিদ্ৰ্যই অন্য মানুহ, অঞ্চল বা দেশৰ তুলনাত মানুহ কিমান দাৰিদ্ৰ্য সেয়া বুজায়।

উদাহৰণ ঃ যদিহে ৰামৰ আয় শ্যামতকৈ কম, তেন্তে আমি ৰাম তুলনামূলকভাৱে দৰিদ্ৰ বুলি ক'ব পাৰোঁ।

গুৰুত্ব ঃ ই জনসংখ্যাৰ বেলেগ বেলেগ অংশৰ তুলনামূলকস্থিতি সম্পৰ্কে জনাত সহায় কৰে।

সীমাবদ্ধতা ঃ ইয়াৰ যোগেদি কেৱল আয়ৰ আধাৰত জনসংখ্যাৰ বেলেগ বেলেগ অংশৰ তুনলামূলক সম্পৰ্কে এটাহে দেখুৱায়। ইয়াত দৰিদ্ৰজন কিমান দৰিদ্ৰ বা তেওঁ জীৱনৰ মৌলিক ন্যূনতম সা-সুবিধাৰপৰা বঞ্চিত হৈ আছে নেকি তাৰ কোনো বিবেচনা নহয়।

সম্পূৰ্ণ দাৰিদ্ৰ্য ঃ

অৰ্থ ঃ সম্পূৰ্ণ দাৰিদ্ৰ্যই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা লোকৰ মুঠ সংখ্যাক সূচিত কৰে।

উদাহৰণ ঃ সম্পূৰ্ণ দাৰিদ্ৰাৰ হিচাপ মৰ্মে ভাৰতৰ মুঠ জনসংখ্যাৰ ২২ শতাংশ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ বাসিন্দা।

গুৰুত্ব ঃ ভাৰতৰ দৰে কম উন্নয়নৰ দেশবোৰৰ বাবে পৰিয়ালতে সম্পূৰ্ণ দাৰিদ্ৰৰ ধাৰণাটোৰ গুৰুত্ব আছে। ইয়াত অলেখ দৰিদ্ৰ আছে। তেওঁলোকৰ হিচাপ-নিকাচত ই সহায় কৰে।

সীমাবদ্ধতা ঃ সম্পূৰ্ণ দাৰিদ্ৰ্যৰ জোখ ল'বলৈ ব্যৱহাৰ কৰা 'দাৰিদ্ৰ্য সীমাৰেখা'ৰ ধাৰণাটোৱে অতি দৰিদ্ৰ আৰু সাধাৰণ দৰিদ্ৰৰ মাজত কোনো পাৰ্থক্য নাৰাখে। তদুপৰি ই নিৰক্ষৰতা, ভগ্নস্বাস্থ্য, সম্পদ আহৰণত অসামৰ্থ্যতা, সাধাৰণ বা ৰাজনৈতিক স্বাধীনতাৰ অভাৱ বা বৈষম্য আদি যিবোৰ কাৰকৰ বাবে দাৰিদ্ৰৰ উদ্ভৱ হ'ব পাৰে সেই সামাজিক কাৰকবোৰ বিবেচনা নকৰে।

৭.৬ দাৰিদ্ৰ্যৰ বৈশিষ্ট্যাৱলী

(১) **ক্ষুধা, অন্নহীনতা আৰু অপুষ্টি ঃ** দৰিদ্ৰ পৰিয়ালৰ মৌলিক সমস্যা হৈছে অন্নহীনতা আৰু ক্ষুধা। দৰিদ্ৰসকলৰ মাজত অপুষ্টিও যথেষ্ট বেছি।

(২) **দুৰ্বল স্বাস্থ্য ঃ** ভগ্ন স্বাস্থ্য, অক্ষমতা বা গুৰুতৰ অসুস্থতাৰ বাবে তেওঁলোক শাৰীৰিকভাৱে দুৰ্বল। তেওঁলোকৰ সন্তান জীয়াই থকাৰ সম্ভাৱনা কম বা সু-স্বাস্থ্যৰে জন্মাৰ সম্ভাৱনা কম।

(৩) **সীমিত অৰ্থনৈতিক সা-সুবিধা ঃ** শিক্ষাগত অৰ্হতা আৰু দক্ষতাৰ অভাৱৰ বাবে তেওঁলোকৰ অৰ্থনৈতিক সা-সুবিধাও সীমিত। সেয়ে তেওঁলোকৰ জীৱন-বৃত্তিও অস্থিৰ। তেওঁলোকে নিয়োগকৰ্তাৰপৰা কেতিয়াও নিজৰ ন্যায্য মজুৰি আদায়ৰ বাবে আলোচনা কৰিব নোৱাৰে আৰু তেনেদৰে তেওঁলোক শোষণৰ বলি হয়।

(৪) **দুৰ্বল স্বাস্থ্য ঃ** তেওঁলোকে ঋণদাঁতা মহাজনৰপৰ অতি উচ্চ হাৰৰ সুদত ঋণ লয় আৰু এনেদৰে দীৰ্ঘকালীন ঋণগ্ৰস্ততাত সোমাই যাব পাৰে।

(৫) **বিদ্যুৎ আৰু পানীৰ সুবিধাৰ অভাৱ ঃ** বেছিভাগ দৰিদ্ৰ পৰিয়ালতে বিদ্যুৎ সংযোগ নাই। তেওঁলোকে খতি আৰু গোবৰ সিতা ব্যৱহাৰ কৰি ৰন্ধা-বঢ়া কৰে। দৰিদ্ৰ শ্ৰেণীৰ লোকৰ এটা বৃহৎ অংশই পৰিষ্কাৰ খোৱাপানীও নাপায়।

(৬) **লিংগ অসমতা ঃ** নিয়োগৰ সা-সুবিধা, শিক্ষা আৰু সিদ্ধান্ত গ্ৰহণত পৰিয়ালৰ ভিতৰতে লিংগ অসমতা দেখা যায়। দৰিদ্ৰ মহিলাসকলে মাতৃত্বৰ সময়ত উপযুক্ত পৰিচৰ্যা লাভ নকৰে।

(৭) **ডাঙৰ পৰিয়াল ঃ** দুখীয়া লোকৰ পৰিয়ালৰ আকৃতি ডাঙৰ। তাৰ বাবেও তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা বেয়া হৈ পৰে।



অগ্ৰগতিৰ নিৰিক্ষণ

প্ৰশ্ন নং ১ঃ দাৰিদ্ৰ কি?

.....

.....

প্ৰশ্ন নং ২ঃ সম্পৰ্কিত আৰু সম্পূৰ্ণ দাৰিদ্ৰৰ প্ৰভেদ লিখা

.....

.....

প্ৰশ্ন নং ৩ঃ দাৰিদ্ৰ্য সীমাৰেখা কি?

.....

.....

৭.৭ ভাৰতৰ গ্ৰাম্যাঞ্চলত দাৰিদ্ৰ্যৰ হাৰ

গ্ৰাম্য ভাৰতক ভাৰতৰ হৃদয় বুলি কোৱা হয়। পিছে বাস্তৱতে ভাৰতৰ গ্ৰাম্যাঞ্চলত বাস কৰা লোকসকলৰ জীৱন অত্যন্ত দৰিদ্ৰতাৰে ভৰা। বিভিন্ন প্ৰচেষ্টা সত্ত্বেও দৰিদ্ৰ গাঁওবাসীৰ অৱস্থা আজিও সন্তোষজনক হৈ উঠা নাই। ২০১১ চনৰ আৰ্থ-সামাজিক আৰু জাতি পিয়লৰ কেইটামান তথ্য তলত উল্লেখ কৰা হ'ল—

- **অনুসূচিত জাতি, অনুসূচিত জনজাতি ঃ** গ্ৰাম্যাঞ্চলত সকলো পৰিয়ালৰ ভিতৰত প্ৰায় ১৮.৪৩ শতাংশ হৈছে অনুসূচিত জাতিৰ আৰু ১০.৯৭ শতাংশ হৈছে অনুসূচিত জনজাতিৰ লোক।
- **আয়ৰ প্ৰধান উৎস ঃ** গ্ৰাম্যাঞ্চলৰ মানুহৰ আয়ৰ অন্যতম উৎস হৈছে শাৰীৰিক শ্ৰম আৰু কৃষিকাৰ্য। সকলো পৰিয়ালৰ ভিতৰত প্ৰায় ৫১ শতাংশই শাৰীৰিক অংশকালীন শ্ৰমিকৰ ৰূপত কাম কৰে আৰু তাৰ ভিতৰৰে ৩০ শতাংশই কৃষিকাৰ্যত আত্মনিয়োগ কৰে।
- **বঞ্চনা ঃ** পিয়লৰ তথ্যমতে গ্ৰাম্যাঞ্চলৰ প্ৰায় ৪৮.৫ শতাংশ পৰিয়ালেই বঞ্চনাৰ বলি হৈছে।
- **সম্পত্তি ঃ** গ্ৰাম্যাঞ্চলৰ মাথোঁ ১১.০৪ শতাংশ পৰিয়ালৰহে ঘৰত ৰেফ্ৰিজাৰেটৰ আছে আৰু ২৯.৬৯ শতাংশৰ ঘৰত দুচকীয়া বাহন, নাও আদিৰ দৰে বাহন আছে।
- **আয়কৰ ঃ** গ্ৰাম্যাঞ্চলৰ মাত্ৰ ৪.৫৮ শতাংশ পৰিয়ালে আয়কৰ দিয়ে।
- **ভূমিৰ মালিকীস্বত্ত্ব ঃ** গ্ৰাম্য পৰিয়ালৰ প্ৰায় ৫৬ শতাংশৰে নিজাকৈ ভূমি নাই।

- **গ্ৰাম্যাঞ্চলৰ ঘৰৰ আকাৰ ঃ** প্ৰায় ৫৪ শতাংশ পৰিয়ালৰে ঘৰ এটা বা দুটা কোঠাৰ। তাৰ ভিতৰত ১৩ শতাংশ লোক একোঠলীয়া ঘৰত থাকে।

৭.৮ দাৰিদ্ৰ নিৰ্মূলৰ ব্যৱস্থাৱলী

দাৰিদ্ৰ নিৰ্মূলকৰণ দেশৰ সন্মুখত এটা অন্যতম প্ৰত্যাহ্বান। যোৱা দুটা দশকত দেশত দাৰিদ্ৰ্য ক্ৰমে কমি আহিছে যদিও জনসংখ্যা বৃদ্ধি ঘটা হেতুকে দৰিদ্ৰ লোকৰ সংখ্যা একেই আছে। চৰকাৰে স্ব-নিয়োজন আৰু মজুৰিৰ বিনিময়ত নিয়োজন-উভয়ৰ বাবে বিশেষভাৱে দাৰিদ্ৰ্য নিৰ্মূলকৰণ আঁচনি যুগুতাই উলিয়াইছে। তলত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন 'স্ব-নিয়োজন আঁচনি' আৰু 'মজুৰিভিত্তিক নিয়োজন আঁচনি'ৰ বিষয়ে আলোচনা কৰা হ'ল—

স্বনিয়োজন আঁচনি —

চৰকাৰে ৰূপায়ন কৰা কেইখনমান স্বনিয়োজন আঁচনি এনেধৰণৰ—

(১) গ্ৰাম্য নিয়োগ সৃষ্টি আঁচনি (আৰ ই জি পি) ঃ গ্ৰাম্যাঞ্চল আৰু ক্ষুদ্ৰ নগৰাঞ্চলত স্বনিয়োজনৰ সুবিধা সৃষ্টিৰ বাবে চৰকাৰে এই এই কাৰ্যসূচী গ্ৰহণ কৰিছে।

- খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগ ইয়াৰ ৰূপায়ন কৰিছে।
- ক্ষুদ্ৰ উদ্যোগ স্থাপনত বেংকে এই আঁচনিৰ অধীনত ঋণদান কৰে।

(২) প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনা (পি এম আৰ ৱাই) ঃ এই আঁচনিমৰ্মে কম আয়ৰ শিক্ষিত নিবনুৱাক অৰ্থ সাহায্য দি উদ্যোগ স্থাপনৰ যোগেদি নিয়োগ সৃষ্টিত সুবিধা দিয়া হয়।

- অষ্টম পৰিকল্পনাত (১৯৯২-৯৭) এই আঁচনিৰ যোগেদি সাত লাখ ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ লক্ষ্য লোৱা হৈছিল।
- ২০০৩-০৪ বৰ্ষলৈ এই আঁচনিমৰ্মে ৩০ লক্ষাধিক লোকে নিযুক্তি পাইছে।

(৩) স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা (এছ জি এছ ৱাই) ঃ এছ জি এছ ৱাইৰ যোগেদি ক্ষুদ্ৰ উদ্যোগৰ বিকাশ ঘটাই হিতাধিকাৰী পৰিয়ালসমূহক (স্বৰোজগাৰীক) দাৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ তুলি অনাত সহায় কৰিব বিচৰা হৈছে। তাৰবাবে আত্মসহায় গোট (এছ এইচ জি) গঠনৰ দিহা কৰা হৈছে।

- এই আঁচনিৰ সুবিধা পাবলৈ আত্মসহায় গোট গঠন কৰা প্ৰয়োজন।
- প্ৰথমে তেওঁলোকে কিছু ধন সঞ্চয় কৰি নিজৰ মাজতে ক্ষুদ্ৰ ঋণৰূপে লেনদেন কৰিব লাগিব।
- পাছত বেংকৰ যোগেদি চৰকাৰে গোটবোৰক আংশিক সাহায্য দিয়ে যাতে গোটৰ যোগেদি সদস্যসকল স্বনিয়োজিত হ'ব পাৰে।

মজুৰিভিত্তিৰ নিয়োগৰ কাৰ্যসূচী ঃ চৰকাৰে মজুৰিভিত্তিক নিয়োগ সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি গ্ৰাম্যাঞ্চলত বাস কৰা দাৰিদ্ৰ অদক্ষ শ্ৰমিকসকলৰ সংস্থাপনৰ দিহা কৰিছে। তেনে কেইখনমান আঁচনি হৈছে ঃ

(ক) সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনা (এছ জি আৰ ৱাই) ঃ এই আঁচনিৰ যোগেদি শ্ৰমভিত্তিক

নিয়োগৰ ব্যৱস্থা কৰি অতিৰিক্ত আৰু সহযোগী নিযুক্তিৰে খাদ্যৰ নিৰাপত্তা আৰু পুষ্টিকৰ খাদ্য লাভৰ সুযোগ বৃদ্ধি কৰিব বিচৰা হৈছে।

- মজুৰি খাদ্যশস্য আৰু নগদ ধন উভয় প্ৰকাৰেই দিয়া হয়।
- মজুৰিভিত্তিক নিয়োগৰ বাবে আগ্ৰহী সকলো লোকৰ বাবেই (গ্ৰাম্যাঞ্চলৰ) এই আঁচনি মুকলি আছে। শাৰীৰিক শ্ৰম আৰু দক্ষতাৰ প্ৰয়োজন নোহোৱা কামৰ বাবেহি তেওঁলোকক নিয়োগ কৰা হয়।

(খ) ৰাষ্ট্ৰীয় কামৰ বাবে খাদ্য আঁচনি (এন এফ ডব্লিউ পি) ঃ ২০০৪ চনত এই আঁচনি আৰম্ভ কৰা হৈছিল। মজুৰি লাভৰ বাবে সহযোগী নিয়োগৰ সৃষ্টি কৰাটো এই আঁচনিৰ উদ্দেশ্য আছিল।

- দেশৰ ১৫০ খন সবাতোকৈ পাছপৰা জিলাত আঁচনিখন প্ৰথমে ৰূপায়নৰ দিহা কৰা হৈছিল। এছ জি আৰ ৰাইৰ অধীনত অতিৰিক্ত সম্পদ সৃষ্টিহে এই আঁচনি লোৱা হৈছিল।
- এই আঁচনি ১০০ শতাংশই কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ৰূপায়িত হৈছে।
- এম জি এন আৰ ই জি-এৰ লক্ষ্য হৈছে গ্ৰাম্য অঞ্চলৰ লোকৰ বাবে বছৰত ১০০ দিনৰ মজুৰিভিত্তিক নিযুক্তি নিশ্চিতকৰণেৰে জীৱনৰ নিৰাপত্তা প্ৰদান কৰে। ইয়াৰ বাবে পৰিয়ালসমূহৰ অদক্ষ লোকসকলে শ্ৰম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা প্ৰয়োজন।
- এই আঁচনি ৰূপায়িত হৈ থকা স্থানত আগ্ৰহীসকলে ন্যূনতম মজুৰিত কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিব লাগে।



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- দাৰিদ্ৰতা হৈছে বিশ্বৰ বহুকেইখন দেশ আক্ৰান্ত হোৱা একধৰণৰ জটিল সমস্যা।
- দাৰিদ্ৰ্য দুইপ্ৰকাৰৰ— তুলনামূলক দাৰিদ্ৰ্য আৰু সম্পূৰ্ণ দাৰিদ্ৰ্য।
- দাৰিদ্ৰ্য সীমা হৈছে বিতৰণৰ ভিত্তিত স্থিৰ কৰা একপ্ৰকাৰৰ কাল্পনিক সীমা, যিডালে দেশৰ জনসংখ্যাক দৰিদ্ৰ আৰু অদৰিদ্ৰ বুলি বিভাজিত কৰে।
- চৰকাৰে স্বনিয়োজন আৰু মজুৰিভিত্তিক নিয়োগ উফয় প্ৰকাৰৰ দাৰিদ্ৰ্য নিৰ্মূলকৰণ আঁচনিৰ যোগেদি বহু বছৰ ধৰি দৰিদ্ৰতা নিৰ্মূলৰ চেষ্টা চলাই আছে।



৭.১০ অধিক জানিবলৈ

1) B.N. Ghosh and Rama Ghosh, 'Concise History of Economic Thought'. Himalaya Publishing House.

2) H.L.Bhatia, 'History of Economic Thought', Vikas publication.

3) P.K.Dhar, Indaian Economy, Kalyani Publications.

4) G. Datt and A. Mahajan, Indian Economy, S. Chand.



৭.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ দৰিদ্ৰতা হৈছে মানুহে নিজৰ জীৱনৰ মৌলিক প্ৰয়োজনখিনিও পূৰণ কৰিব নোৱাৰা এটা অৱস্থা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পৰ্কিত বা তুলনামূলক দৰিদ্ৰতা হৈছে মানুহৰ সৈতে মানুহৰ দৰিদ্ৰতাৰ তুলনা। এই তুলনা অঞ্চল বা দেশৰ মাজতো হয়। আনহাতে সম্পূৰ্ণ দৰিদ্ৰতা হৈছে দাৰিদ্ৰ সীমাৰ তলত কাম কৰা মুঠ লোকৰ অৱস্থা।

তুলনামূলক দৰিদ্ৰতাই জনসংখ্যাৰ জনসংখ্যাৰ বেলেগ বেলেগ ভাগৰ মাজত দৰিদ্ৰতাৰ স্থিতি বুজাত সহায় কৰে। আনহাতে সম্পূৰ্ণ দৰিদ্ৰতাই ভাৰতৰ দৰে দেশতহে কম উন্নত দেশত দেখা যায়। ইয়াত দৰিদ্ৰৰ সংখ্যা বহুত। সম্পূৰ্ণ দৰিদ্ৰতাই দুখীয়াৰ সংখ্যা গণনাত সহায় কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দাৰিদ্ৰ্য সীমাৰেখা হৈছে বিতৰণভিত্তিক সীমা যিডাল সীমাৰেখাই দেশৰ মানুহক দৰিদ্ৰ আৰু অ-দৰিদ্ৰ এই দুভাগত বিভক্ত কৰে।



৭.১২ আৰ্হি প্ৰশ্নাৱলী

প্ৰশ্ন ১ঃ ভাৰতৰ দৰিদ্ৰতাৰ বৈশিষ্ট্যাৱলী চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতৰ গ্ৰাম্য দৰিদ্ৰতাৰ হাৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ভাৰত চৰকাৰে গ্ৰহণ কৰা দৰিদ্ৰতা নিৰ্মূলৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ গ্রাম্য উন্নয়নত প্রযুক্তিৰ ভূমিকা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ গ্রাম্য প্রযুক্তিৰ অর্থ

৮.৪ কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ অর্থ

৮.৫ সেউজ বিপ্লৱ আৰু আধুনিক কৃষি পদ্ধতিৰ ওপৰত ইয়াৰ প্রভাৱ

৮.৬ শ্বেতবিপ্লৱ আৰু নীল বিপ্লৱ-এটা চমু ধাৰণা

৮.৭ গ্রাম্য উন্নয়নত প্রযুক্তিৰ ভূমিকা

৮.৮ কৃষি আৰু আনুষাঙ্গিক খণ্ডবোৰত গ্রাম্য প্রযুক্তিৰ গুৰুত্ব

৮.৯ প্রযুক্তিৰ ব্যৱহাৰ প্রসঙ্গত

৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১১ অধিক জানিবলৈ

৮.১২ অগ্রগতিৰ খতিয়ান

৮.১৩ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গ্রাম্য প্রযুক্তিৰ চিনাক্তকৰণ কৰিব পাৰিব
- গ্রাম্য উন্নয়নত প্রযুক্তিৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- কৃষি আৰু আনুষাঙ্গিক খণ্ডত প্রযুক্তিৰ গুৰুত্ব সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- গ্রাম্য অর্থনীতিত প্রযুক্তিৰ ব্যৱহাৰৰ প্রাসঙ্গিক বিষয়বোৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

গ্রাম্য উন্নয়ন এটা অতি গুৰুত্বপূর্ণ বিষয় যিহেতু এই অঞ্চলবোৰৰ উন্নয়নেহে এখন ৰাষ্ট্রক উন্নতিৰ পথত আগুৱাই নিয়ে। যিহেতু কৃষিয়েই গ্রাম্য ভাৰতৰ ৰাজহাড় স্বৰূপ সেয়েহে কৃষিখণ্ডৰ উৎপাদন বঢ়াবৰ বাবে পুৰণি পদ্ধতি বা উৎপাদন কৌশলৰ আধুনিকীকৰণৰ প্রয়োজন হৈছে। কৃষি আৰু আনুষাঙ্গিক খণ্ড বুলিলে কৃষিৰ লগত সম্পর্কিত বিষয়বোৰ যেনে- পশুধন, বনাঞ্চল আৰু কাঠনি, মীনমহল ইত্যাদিও অন্তর্ভুক্ত হৈ থাকে। দেশখনৰ উন্নয়নৰ ক্ষেত্রত কৃষি ভিত্তিক উদ্যোগ বোৰবো এক গুৰুত্বপূর্ণ ভূমিকা আছে। উৎপাদন বৃদ্ধিৰ বাবে প্রযুক্তি বা উৎপাদন কৌশলৰ উন্নয়নৰ বিশেষ তাতৎপর্য্য আছে। কাম্য উৎপাদন আৰু লাভৰ পৰিমাণো প্রযুক্তি

বিদ্যাৰ উন্নয়নৰ ওপৰত নির্ভৰশীল হোৱা দেখা যায়। ই সুসম বা ভাৰসম্য আঞ্চলিক উন্নয়নতো সহায় কৰিব। মুঠৰ ওপৰত দেশখনৰ সৰ্ব্বাঙ্গীন উন্নয়নত ই বৰঙনি যোগাব। বৰ্তমানৰ তীব্র পৰিবর্তনকামী পৰিৱেশৰ পৰিপ্রেক্ষিতত পুৰণি প্রযুক্তিবিদ্যা বেচি দিনলৈ কার্য্যকৰী হৈ নাথাকিব। কিন্তু আধুনিক প্রযুক্তি বিদ্যা ব্যৱহাৰৰ ফলত উৎপাদন ব্যৱস্থাটোৰ উন্নতিত সুবিধা হোৱাৰ লগতে উৎপাদিত বস্তুৰ গুণগত মানদণ্ডবোৰো উন্নতি হ'ব।

৮.৩ গ্রাম্য প্রযুক্তিৰ অর্থ

গাওঁ অঞ্চলৰ কৃষি আৰু আনুষাঙ্গিক আন আন খণ্ডবোৰৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰা উৎপাদন কৌশল বা প্রযুক্তি বিদ্যাকে গ্রাম্যপ্রযুক্তি বুলি কোৱা হয়। এই অঞ্চলবোৰৰ উন্নয়নৰ বাবে যি ধৰণৰ প্রযুক্তি বিদ্যা নির্ব্বাচন কৰা হয় সি স্থানীয় লোকসকলৰ প্রয়োজন পূৰোৱাৰ লগতে সেইমানুহবোৰৰ আর্থসামাজিক হাবিয়াসৰ লগত খাপ খাব লাগিব। আটাইতকৈ গুৰুত্বপূর্ণ কথাতো হৈছে যিবোৰ মানুহক উদ্দেশ্য কৰি লোৱা হয় তেওঁ লোকে যেন সেই প্রযুক্তিবিদ্যা বহনক্ষম ভাবে গ্রহণ কৰিবলৈ সমর্থবান হয়।

গ্রাম্য প্রযুক্তিৰ বৈশিষ্ট্যবোৰ বিশেষকৈ তলত দিয়া ধৰণৰ হোৱা দেখা যায়-

- ইয়াক সাধাৰণতে কৃষি আৰু আনুষাঙ্গিক খণ্ডবোৰত প্রয়োগ কৰা হয়
- ই দৰাচলতে শ্রমনিবিড় পদ্ধতিৰ
- ইয়াৰ প্রয়োগ পদ্ধতি সহজ-সৰল
- গ্রাম্যপ্রযুক্তি সাধাৰণতে স্থানীয় পৰিবেশৰ লগত সম্পর্কিত হোৱা দেখা যায়।



অগ্রতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক—

গ্রাম্য প্রযুক্তি..... সম্পর্কিত।

৮.৪ কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ অর্থ

গ্রাম্য প্রযুক্তিৰ বিষয়ে আলোচনা কৰিলৈ যোৱাৰ আগতে কৃষি আৰু আনুষাঙ্গিকখণ্ডৰ মানেনো কি বুজাতো প্রয়োজন হয়, কাৰণ ইয়ে হৈছে গ্রাম্যাঞ্চলৰ মূলভেটি। কৃষি আৰু আনুষাঙ্গিক খণ্ডই এই অঞ্চলবোৰত বসবাস কৰা মানুহৰ আয় উপার্জনৰ প্রধান উৎস। সেয়েহে ই এই অঞ্চলবোৰৰ লগতে সমগ্র অর্থব্যৱস্থাটোৰো উন্নয়নৰ মূল স্তম্ভ হিচাপে কাম কৰে।

ভাৰতৰ অর্থব্যৱস্থাত তিনিটা খণ্ড আছে— প্রাথমিক খণ্ড, গৌণ খণ্ড আৰু সেৱা খণ্ড। গাঁও অঞ্চলবোৰৰ উন্নয়নৰ বাবে প্রাথমিক খণ্ড অর্থাৎ কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ গুৰুত্ব আটাইতকৈবেছি। শস্যবোৰ আৰু পশুধন উৎপাদনৰ কলাকৌশলক সামৰি প্রাথমিক খণ্ডটো গঠিত হৈছে। ই প্রধানতঃ প্রাকৃতিক সম্পদৰ ওপৰত নির্ভৰ শীল। বহল অর্থত বুজাবলৈ হ'লে—

উদ্ভিদ আৰু প্ৰাণীবোৰৰ পৰা প্ৰয়োজনীয় বস্তু উৎপাদনৰ লগত নিহিত হৈ থকা আটাইবোৰ কার্য্যক সামৰিলৈ কৃষি আৰু আনুষাঙ্গিক খণ্ডটো গঠিত হৈছে। কৃষি প্ৰাথমিক খণ্ডটোৱে উদ্ভিদ আৰু জন্তুবোৰৰ পৰা উপযোগী বস্তু উৎপাদনকৰাৰ লগত নিহিত হৈ থকা আটাইবোৰ কার্য্যকে সামৰি লয়। ইয়াৰ লগতে ভূমিকর্ষণ (Soil cultivation), শস্য আৰু পশুধন পৰিচলনা আৰু বস্তুৰ উৎপাদন প্ৰক্ৰিয়া আৰু তাৰ বজাৰ বা ক্ৰয়বিক্ৰয়ৰ কার্য্যবোৰো অন্তর্ভুক্ত হৈ থাকে। দুগ্ধপাম, পশুধনৰ পৰিচালনা, মীন মহল, হাঁহ -কুকুৰাৰ পাম, খনিবোৰ আৰু বনাঞ্চল আদি আনুষাঙ্গিক খণ্ডৰ ভিতৰত সোমায় থাকে । ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ গাঁও অঞ্চলবোৰৰ উন্নয়নৰক্ষেত্ৰত কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূর্ণ।

৮.৫ সেউজ বিপ্লৱ আৰু আধুনিক কৃষিৰ ওপৰত ইয়াৰ প্ৰভাৱ

১৯৬০ ৰ দশকত আৰম্ভ হোৱা সেউজ বিপ্লৱৰ ভাৰতৰ কৃষিখণ্ডৰ ওপৰত যথেষ্ট ধনাত্মক প্ৰভাৱ আছে। এম, এচ, স্বামীনাথন ভাৰতৰ সেউজ বিপ্লৱৰ পিতৃস্বৰূপ, ভাৰতৰ কৃষিখণ্ডক নিম্ন উৎপাদনশীলতাৰ পৰা অধিক উৎপাদনশীল খণ্ডলৈ পৰিবর্তন কৰাত ই বৰ সহায় কৰিছিল। আৰম্ভণীতে ঘাইকৈ পাঞ্জাৱ, হাৰিয়ানা আৰু পশ্চিম উত্তৰ প্ৰদেশত খাদ্যশস্যৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰিলেও ক্ৰমান্বয়ে দেশখনৰ বিভিন্ন অঞ্চলত একেটাগতিত নহলেও ই বিয়পি পৰিছিল। অধিক উৎপাদনক্ষম বীজ (HYV Seeds) আৰু বর্দ্ধিত হাৰত সাৰ আৰু জলসিঞ্চনৰ কৌশল প্ৰয়োগ কৰাৰ ফলত কৃষিখণ্ডত উৎপাদনৰ পৰিমাণ বৃদ্ধিপোৱাৰ লগতে এই বিপ্লৱে খাদ্যশস্য উৎপাদনৰ ক্ষেত্ৰত দেশখনক আত্মনির্ভৰশীল হোৱাৰ পথত আগুৱায় নিছিলে।

ভাৰতৰ অর্থব্যৱস্থাত সেউজবিপ্লৱৰ ব্যাপক প্ৰভাৱ তলত দিয়া ধৰণৰ

- **কৃষিৰ উৎপাদন বৃদ্ধিঃ** দেশখনত HYV কৌশল ব্যৱহাৰ কৰাৰ কাৰণে কৃষিখণ্ডত উৎপাদনৰ পৰিমাণ লক্ষনীয় ভাবে বৃদ্ধি পোৱাতো পৰিলক্ষিত হৈছিল। গমৰ উৎপাদনৰ পৰিমাণ ১৯৬৫ -৬৬ চনৰ ৮.৮ নিযুত টনৰ পৰা ১৯৯১ -৯২ চনত ১৮৪ নিযুত টনলৈ বৃদ্ধি পাইছিল। অন্যান্য খাদ্যশস্যৰ উৎপাদনৰ পৰিমাণো যথেষ্ট পৰিমানে বৃদ্ধি পাইছিল। ১৯৬৫ -৬৬ চনৰ তুলনাত ১৯৮৯ -৯০ চনত বার্লি আদি শস্যৰ উৎপাদন ৭১% আৰু গমৰ উৎপাদন ১০৪% বৃদ্ধি পাইছিল। ১৯৬৯ -৭০ চনক ভিত্তি বছৰ হিচাপে লৈ কৃষি উৎপাদনৰ সূচক ১৯৬৫ -৬৬ চনৰ ৮৮.৯% পৰা ১৯৯১-৯২ চনত ১৫৬% লৈ অর্থাৎ প্ৰায় ১০০% বৃদ্ধি পোৱতো নির্দ্দেশ কৰিছিল।
- **নিয়োগ** ঃ নতুন কৃষি কৌশলে বহুতৰপীয়া কৃষিব্যৱস্থা সম্ভবপৰ কৰি কৃষি খণ্ডত বৃহৎ সংখ্যক মানুহক নিযুক্তিৰ সুবিধা প্ৰদান কৰিছিল।
- **খেতিয়কৰ প্ৰাচুর্য্য সমৃদ্ধিঃ** পথাৰত শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে ধনীখেতিয়কসকলৰ উপার্জন বৃদ্ধি পাইছিল আৰু তেঁওলোক সমৃদ্ধিশালী হৈ পৰিছিল। ধনী আৰু দুখীয়াশ্রেণীৰ মাজত বৈষম্য প্ৰকট থকাৰ কাৰণে দুখীয়া খেতিয়কসকল বিশেষ লাভবান হ'ব পৰা নাছিল।

- **খাদ্যশস্যৰ আমদানি হ্রাস ঃ** সেউজ বিপ্লৱৰ ডাঙৰ সুবিধা আছিল খাদ্যশস্যৰ উৎপাদন বৃদ্ধি পোৱাতো। ইয়াৰ ফলত খ্যদ্য শস্যৰ আমদানিৰ পৰিমাণ বহু পৰিমাণে হ্রাস পাইছিল। সেয়েহে খাদ্যশস্যৰ ক্ষেত্রত আত্মনির্ভৰশীল হোৱাৰ লগতে ভাৰতবর্ষই আন দেশবোৰলৈ খাদ্যশস্য ৰপ্তানি কৰিবলৈ সমর্থবান হৈছিল।
- **বজাৰমুখী কৃষি ব্যৱস্থা ঃ** যিহেতু শস্য উৎপাদনৰ ক্ষেত্রত উদ্বৃত্ত আছিল সেয়েহে খেতিয়াকসকল বজাৰমুখী হৈ পৰিছিল। তেওঁলোকৰ উদ্বৃত্ত বা ৰাহি হোৱা শস্য বিক্রী কৰাৰ বাবে খেতিয়কসকল বজাৰমুখী হৈ পৰিছিল।
- **পুঁজিবাদী খেতি ঃ** ১০ হেক্টৰতকৈ অধিক মাটি থকা ধনী (ডাঙৰ) খেতিয়কসকলে সর্বাধিক সুবিধা লাভ কৰিছিল। কাৰণ যন্ত্রপাতি, সাৰ, উন্নতবীজ আদিৰ দৰে উন্নত প্রযুক্তিৰ বাবে তেওঁলোকে যিহেতু বেছি মূলধন বিনিয়োগ কৰিব পাৰিছিল।সেয়েহে ই পুঁজিবাদী কৃষিব্যৱস্থাৰ প্রতি উৎসাহিত কৰিছিল।

  উদ্যোগিক বিকাশঃ সেউজবিপ্লবৰ ফলত বিভিন্নধৰণৰ আহিলা-পাতিযেনে- ট্রেক্টৰ, ধানকটা মেচিন, মৰণামৰা মেচিন,ডিজেল ইঞ্জিন,বৈদ্যুতিক মটৰ, পাম্পছেট্, ইত্যাদিৰ প্রয়োজন হৈছিল। এইবোৰৰ উপৰিও ৰাসায়নিক সাৰ,কীটনাশক, ৰোগনাশক দৰৱ আদিৰ চাহিদাও বহু পৰিমাণে বৃদ্ধি পাইছিলে। সেয়েহে এইবোৰৰ সুযোগ লৈ উদ্যোগবোৰে বৃহদায়তনৰ ভিত্তিতসেইবোৰ উৎপাদন কৰিছিল। এই সময়ছোৱাৰ ভিতৰত বিভিন্ন প্রকাৰৰ কৃষি ভিত্তিক উদ্যোগৰ সৃষ্টি হৈছিল।
- **খেতিয়কৰ চিন্তাধাৰাৰ পৰিবর্তনঃ** সেউজ বিপ্লৱৰ ফলত অতীজৰে পৰা চলি অহা প্রাচীন কৃষি পদ্ধতিৰ সলনি কৰাৰ প্রতি খেতিয়কসকলৰ মানসিকতা (চিন্তাধাৰাৰ)ৰ পৰিৱর্তন ঘটিছিল। তেওঁলোকে শেহতীয়া প্রযুক্তি বিদ্যাক আকোৱালিলৈ কৃষিক্ষেত্রখনত গতিশীল পৰিবর্তন আনিবলৈ চেষ্টা কৰিছিল। সেয়েহে এই ধনাত্মক প্রভাবে দেশখনৰ অর্থ ব্যৱস্থাৰ উন্নতি সাধিছিল।

৮.৬ শ্বেতবিপ্লৱ আৰু নীল বিপ্লৱৰ এটি চমু ধাৰণা

- **শ্বেতবিপ্লৱ** ঃ ভার্গীজ কোৰেইন (Varghese Kurein) ভাৰতৰ শ্বেত বিপ্লৱৰ পিতৃ স্বৰূপ। তেওঁ এগৰাকী সামাজিক উদ্যোগী পুৰুষ আছিল। যিজনৰ অযুত লিটাৰৰ ধাৰণা বা অপাৰেশ্যন ফ্লাডে ১৯৯৮ চনত আমেৰিকাক চেৰপেলাই গাখীৰ উৎপাদনৰক্ষেত্রত ভাৰতক শ্রেষ্ঠস্থানত প্রতিষ্ঠা কৰিছিল। গাখীৰ উৎপাদনৰ ক্ষেত্রত থকা ঘাটি দূৰ কৰি শ্বেতবিল্লৰে ভাৰতক বৃহৎ পৰিমাণৰ গাখীৰ উৎপাদনকাৰী দেশ এখনলৈ ৰূপান্তৰিত কৰিছিল। এই বিপ্লৱৰ লক্ষ্য আছিল গাখীৰৰ যোগান বৃদ্ধি কৰা।
- **নীল বিপ্লৱঃ** ভাৰতৰ নীল বিপ্লৱৰ পিতৃস্বৰূ আছিল ড ° অৰুণ কৃষ্ণণ তেওঁৰ লক্ষ্য আছিল মাছ আৰু সামুদ্রিক সামগ্রীৰ উৎপাদন বৃদ্ধি কৰা। পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাৰ কালচোৱাত ১৯৭০ চনত ভাৰতত এই বিপ্লৱৰ সূচনা হৈছিল। ভাৰত চৰকাৰে ১৯৭০

চনত যেতিয়া মীনখেতিয়কৰ উন্নয়ন এজেঞ্চী (FFDA) আৰম্ভ কৰিছিল, তাৰ সমসাময়িক ভাবে ভাৰতবর্ষত নীলবিপ্লৱ গঢ়ি উঠিছিল। লগতে 'একুৱা কালচাৰ'ৰ উন্নয়নৰ বাবে The Brakish Water Fish Farm Agency ও স্থাপন কৰা হৈছিল।

মাছৰ প্রজনন, মৎস্যপালন,মৎস্য বিপণন আৰু মৎস্য ৰপ্তানিৰক্ষেত্রত নতুন প্রযুক্তি কৌশল গ্রহণ কৰি নীলবিপ্লৱে ভাৰতৰ একুৱা কালচাৰৰ ক্ষেত্রত এক বৈপ্লবিক উন্নতি সাধন কৰিছিল। এইবোৰৰ উপৰিও তলত উল্লেখ কৰা আন কিছুমান বিপ্লৱ ভাৰতবর্ষত সংঘটিত হোৱা দেখা যায়-

- Pink Revolution ঃ পিয়াজ / হাঁহ কুকুৰা
- Silver Revolution ঃ কণী / কুকুৰা উৎপাদন
- Round Revolution ঃ আলু উৎপাদন
- Golden Revolution ঃ মৌপালন আৰু উদ্যান শস্য
- Grey Revolution ঃ সাৰ উৎপাদন
- Brown Revolution ঃ চামৰা উদ্যোগ
- Red Revolutionঃ মাংস ও বিলাহী উৎপাদন
- Black Revolution ঃ পেট্রোলিয়াম উৎপাদন
- Rainbow Revolution ঃ ফল-মূল উৎপন্ন
- Yellow Revolutionঃ তেলৰবীজ,খোৱাতেল বিশেষকৈ সৰিয়হ আৰু বেলিফুলৰ গুটি উৎপাদন
- Golden Fibre Revolution ঃ মৰাপাট উৎপাদন
- Silver Fibre Revolution ঃ কপাহ উৎপাদন
- Evergreen Revolution ঃ কৃষিৰ সর্ব্বঙ্গীন উন্নয়ন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কৃষি আৰু আনুষাঙ্গিকখণ্ডৰ উন্নয়নৰ বাবে হোৱা চাৰিটা বিপ্লৱৰ নাম লিখক। (১০ টা শব্দৰ ভিতৰত)

.....

৮.৭ গ্রাম্য উন্নয়নত প্রযুক্তিৰ ভূমিকা

গ্রাম্য অর্থনীতিৰ পৰিবর্তন ঘটোৱাত প্রযুক্তিবিদ্যাই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। প্রযুক্তিবিদ্যাৰ অগ্রগতি অৱশ্যেই এটা গুৰুত্বপূর্ণ উপাদান যিয়ে অর্থনৈতিক উন্নয়নত সহায় কৰে। এইখিনিতে আপোনাৰ মনত এটা প্রশ্নৰ উদয় হ'ব পাৰে— প্রযুক্তিবিদ্যাৰ অগ্রগতিৰ মানে কি? উত্তৰটো হ'ব— ই হৈছে উৎপাদন পদ্ধতিৰ ক্ষেত্রত হোৱা এক প্রকাৰৰ পৰিবর্তন যিয়ে সাধাৰণতে উৎপন্ন বস্তুৰ পৰিমাণ বৃদ্ধিত সহায় কৰে। প্রযুক্তি বিদ্যামানে কেৱল বিজ্ঞান সন্মত পদ্ধতি

সমূহৰে সমষ্টি নহয় আন কিছুমান প্রক্রিয়াও ইয়াৰ মাজত সোমাই থাকে। পদ্ধতিসমূহ ব্যৱহাৰ কৰি উৎপাদন প্রক্রিয়া চলাওতে কম খৰচতে ভাল বস্তু উৎপাদন কৰাটোকে লক্ষ্য হিচাপে লোৱাতো উচিত। উপযুক্ত প্রযুক্তিবিদ্যাৰ মাজত, পানী যোগান, উন্নতমানৰ বীজ প্রয়োগ আদিৰ লগতে বৈজ্ঞানিকপদ্ধতি আৰু সা-সৰঞ্জাম ব্যৱহাৰ কৰা, বিষয়টোও অন্তর্ভুক্ত হৈ থাকে।

গ্রাম্য উন্নয়নৰক্ষেত্রত উপযুক্ত ভড়াল ব্যৱস্থা (ওৱেৰ হাউচ) আৰু কৃষিজাত সামগ্রীৰ পৰিবহনৰ বিষয়টোৰো গুৰুত্ব আছে। যিহেতু উৎপাদিত শস্যৰ সংৰক্ষণ আৰু বিতৰণৰ বিজ্ঞানসম্মত পদ্ধতিয়ে ভালবজাৰৰ সুবিধা দিয়ে , সেয়েহে এই বিষয়সমূহ বিবেচনা কৰাটো অতিপ্রয়োজনীয়া।

গ্রাম্য প্রযুক্তি বিদ্যাৰ উন্নতিয়ে গাঁও অঞ্চলত বসবাস কৰা মানুহৰ অন্যান্য মৌলিক সা-সুবিধাৰ ওপৰতো আলোকপাত কৰা উচিত। আমাৰ গ্রাম্য অর্থনীতিক শক্তিশালী আৰু আত্মনির্ভৰশীল কৰি তোলাটোৱে মাত্র গ্রাম্য প্রযুক্তিৰ বাবে গুৰুত্বপূর্ণ কথা নহয় বৰং দেশখনৰ গ্রাম্যাঞ্চলত বসবাস কৰা বৃহৎ সংখ্যক জনসংখ্যাৰ জীৱন ধাৰণৰ গুণগত মানদণ্ডৰ উন্নতি সাধন কৰাৰ বাবেও ই অত্যাৱশ্যকীয়। তেতিয়াহে আমি দেশখনৰ আকাঙ্খিত উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পাৰিম।

৮.৮ কৃষি আৰু আনুষাঙ্গিক খণ্ডবোৰত গ্রাম্য প্রযুক্তিৰ গুৰুত্ব

ভাৰতবর্ষৰ অর্থনীতিত আয় উপার্জনৰ বাবে কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ ভূমিকা বিশেষ ভাবে উল্লেখনীয়। ই কৃষিভিত্তিক উদ্যোগবোৰৰ বিকাশসাধনৰক্ষেত্রটো অৱশ্যেই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। গাঁও অঞ্চলত বাস কৰা ৫৮% ঘৰ পৰিয়ালৰ আয়ৰ প্রধান উৎস হৈছে কৃষি। প্রতিবেদন অনুসৰি মীনমহল, বনাঞ্চলৰ লগতে কৃষিখণ্ড হৈছে আমাৰ দেশখনৰ মুঠ ঘৰুৱা জাতীয় উৎপন্নলৈ (Gross Domestic Product) বৰঙণি আগবঢ়োৱা আটাইতকৈ বৃহৎখণ্ড। ভাৰতৰৰ কেন্দ্রীয় পৰিসংখ্যা কার্য্যালয় (Central Statistical Office) ৰ দ্বিতীয় পৰিশোধিত হিচাপ অনুসৰি কৃষি আৰু আনুষাঙ্গিক খণ্ড (কৃষি, পশুধন, বনাঞ্চল আৰু মীনমহল) ৰ অংশ আছিল মুঠ ঘৰুৱা উৎপন্নৰ ১৭.৩% ২০১৬-১৭ বর্ষত (২০১১-১২ বর্ষৰ মূল্যস্তৰত) হ'ব বুলি আশা কৰা হৈছিল।

মচলা আৰু মচলা জাতীয় সামগ্রীৰ ভাৰত হৈছে আটাইতকৈ বৃহৎ উৎপাদনকাৰী, উপভোক্তা আৰু ৰপ্তানিকাৰী দেশ। বিশ্বৰ ফল উৎপাদনকাৰী দেশবোৰৰ ভিতৰত ভাৰতৰ স্থান ২ নম্বৰত। শাক-পাচলি উৎপাদনৰ ক্ষেত্রটো ভাৰত আগৰণুৱা। আগতীয়াকৈ কৰা হিচাপৰ তথ্য অনুসৰি ২০১৬-১৭ বর্ষত ভাৰতত উৎপাদন হোৱা উদ্যান শস্যৰ পৰিমাণ ২৮৭.৩ নিযুত টন হ'ব বুলি উল্লেখ কৰা হৈছিল। কৃষি আৰু তেনেধৰণৰ সামগ্রী উৎপাদনৰ ক্ষেত্রত ভাৰতৰ স্থান পৃথিৱীৰ দেশবোৰৰ ভিতৰত তৃতীয়। ভাৰতৰ ৰপ্তানী সামগ্রীৰ ১০% ই কৃষিজাত সামগ্রী আৰু ভাৰতৰ ৰপ্তানীকৃত সামগ্রীৰ ভিতৰত কৃষি সামগ্রীৰ স্থান চতুর্থ। ভাৰতৰ কৃষিভিত্তক উদ্যোগসমূহৰ বহুতো ভাগত ভগোৱা হয় যেনে— বেতৰ সামগ্রীৰ উদ্যোগ, দুগ্ধজাত সামগ্রী উদ্যোগ, প্রস্তুতখাদ্য,

সংৰক্ষিত খাদ্য যেনে- মাছ, মাংস, হাঁহ- কুকুৰা আৰু খাদ্য শস্য।

ভাৰত চৰকাৰৰ কৃষিমন্ত্রণালয়ৰ অধীনত থকা কৃষি আৰু সমবায় বিভাগে আমাৰ দেশখনৰ কৃষিখণ্ডৰ বিকাশৰ ক্ষেত্রত এক সক্রিয় ভূমিকা লোৱাৰ লগতে দায়বদ্ধ হোৱাও দেখা যায়। ভাৰতৰ কৃষি্ আৰু আনুষাঙ্গিক খণ্ডৰ উন্নয়নৰ কাৰণে ই ৰাষ্ট্রীয় ডায়েৰী উন্নয়নবোর্ডৰ দৰে আন আন সংস্থাবোৰো পৰিচলনা কৰে।

ভাৰতৰ কৃষি্ আৰু আনুষঙ্গিক খণ্ডৰক্ষেত্রত গ্রাম্য প্রযুক্তিবিদ্যাৰ ভূমিকাবোৰ হৈছে—

- **বর্দ্ধিত উৎপাদনৰ পৰিমানঃ** বিভিন্ন প্রকাৰৰ প্রযুক্তি কৌশলৰ উন্নয়নৰ সহায়ৰ ফলত কৃষিখণ্ডৰ উৎপাদনৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। বিভিন্ন প্রকাৰৰ সাৰ, কীটনাশক ঔষধপাতি, যথোপযুক্ত জলসিঞ্চনৰ সুবিধা, উচ্চ মানৰ বীজ আদি ব্যৱহাৰৰ বাবে কৃষিখণ্ডত উৎপন্ন বস্তুৰ পৰিমাণ বৃদ্ধি পাইছে। ওপৰত আলোচনা কৰি অহা বিভিন্ন বিপ্লৱবোৰৰ জড়িয়তে সর্ব্বধিক উৎপাদনৰ লক্ষ্যত উপনীত হ'বৰ কাৰণে কৃষি আৰু আনুষাঙ্গিকখণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহা হৈছে।
- **মিতব্যয়ীতাঃ** খেতিয়কসকলে উন্নতপ্রযুক্তিৰ সহায়ত কম শ্রম আৰু কম খৰচতে খেতি কৰিব পৰা হোৱাৰ লগতে কম সময়ত কম মানুহে বেছি কাম কৰিব পৰা হৈছে। প্লেণ্টাৰচ (Planters), হাৰভেষ্টৰ (Harvesters) ৰ ব্যৱহাৰৰ ফলত উৎপাদন প্রক্রিয়াটো সহজ হৈছে। কৃষিৰ ক্ষেত্রত যিহেতু উৎপাদনৰ পৰা বিতৰণলৈ সকলো ক্ষেত্রতে সময় আৰু ব্যয়ৰ কথাটো বিশেষভাৱে গুৰুত্বপূর্ণ:, সেয়েহে প্রযুক্তিৰ ব্যৱহাৰৰ ফলত ব্যয় আৰু সময়ৰ ক্ষেত্রত মিতব্যয়ীতা আহি পৰে।
- **বজাৰ মুখী ব্যৱস্থা**— আধুনিক পৰিবহন ব্যৱস্থাৰ সুবিধাৰ ব্যৱহাৰে কৃষিজাত সামগ্রীবোৰ সময়মতে বজাৰ গৈ পোৱাত সহায় কৰিছে। আধুনিক পৰিবহন ব্যৱস্থাই দূৰত থকা মানুহবোৰৰ বাবে সজীৱতা থকা বস্তুবোৰ সহজলভ্য কৰি তুলিছে। আধুনিকপৰিবহণ ব্যৱস্থাৰ সুবিধাবোৰে খেতিয়কসকলকতেঁওলোকৰ পথাৰলৈ সাৰ আৰু অন্যান্যসমগ্রী অনাত সহায় কৰে । একেদৰে উৎপাদনৰ ঠাইৰপৰা উৎপাদিত সামগ্রীবোৰ উপভোগৰ ঠাইলৈ সৰবৰাহ কৰাতো সহায় কৰে।
- **ঘাটি শস্য উৎপাদনৰ ঠাইবোৰক ৰাহি শস্য উৎপাদানৰ ঠাইলে পৰিবর্তন কৰাঃ** মৰুভূমি অঞ্চলত খেতিয়কবোৰে প্রযুক্তিৰ সহায়ত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। কৃষি সম্বন্ধীয় জৈৱ প্রযুক্তি ব্যৱহাৰ কৰি মৰুভূমি অঞ্চলতো শস্য উৎপাদন কৰিব পৰা হৈছে। এওঁলোকৰ মাজৰ সৰহভাগ খেতিয়কে ধান খেতি কৰে। যাৰ বাবে পানীৰ যথেষ্ট প্রয়োজন। আধুনিক প্রযুক্তিবিদ্যাৰ জড়িয়তে নতুন জলসিঞ্চন ব্যৱস্থা ব্যৱহাৰ কৰি তেওঁলোকে ধানখেতিৰ বাবে প্রয়োজনীয় জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। ডাঙৰ পথাৰবোৰত জলসিঞ্চনৰ বাবে আধুনিক পানী দিয়া আহিলা ব্যৱহাৰ কৰা হৈছে। ই শস্যবিলাকৰ বৃদ্ধিৰ বাবে প্রয়োজনীয় পানী যথেষ্ট পৰিমানে পোৱাত সহায় কৰে। কিছুমান খেতিয়কে পানীত গছবোৰৰ পুষ্টিৰবাবে দৰব আৰু সাৰ মিলাই দিয়ে যিয়ে শস্যবিলাকৰ বৃদ্ধিত সহায় কৰি সেই

অঞ্চলবোৰক ঘাটিশস্য উৎপাদনৰক্ষেত্রৰ পৰা ৰাহিশস্য উৎপাদনৰ ক্ষেত্রলৈ পৰিবর্তন কৰিছে।

- **আমদানি বিকল্প আৰু ৰপ্তনি প্রসাৰ** ঃ উন্নত প্রযুক্তি কৌশল ব্যৱহাৰ কৰাৰ ফলত শস্য উৎপাদনৰ পৰিমান উচ্চ হাৰত বৃদ্ধি পাইছে। ইয়াৰ ফল স্বৰূপে দেশখনৰ জনসাধাৰণে শস্য উৎপাদনৰ ক্ষেত্রত আত্মনির্ভৰশীল হোৱাৰ লগতে বিদেশৰ পৰা খাদ্যসামগ্রী আমদানি কৰাৰ পৰিবর্তে নিজৰ উৎপাদনৰ ওপৰত নির্ভৰ কৰিব পৰা হৈছে লগতে দেশৰ উদ্বৃত্ত শস্য আনদেশবোৰলৈ ৰপ্তানি কৰি খেতিয়কৰ আয়ৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে জাতীয় আয়লৈও বৰঙণি যোগাইছে।
- **গ্রাম্য দৰিদ্রতাৰ হ্রাসকৰণ** ঃ আধুনিক প্রযুক্তি বিদ্যাৰ উন্নতিৰ লগে লগে খেতিয়ক সকলে তেওঁলোকৰ পুৰণি কলীয়া মনোভাব এৰি গতিশীল পৰিবর্তনক সাৱটি লৈছে। তেওঁলোকে আধুনিক প্রযুক্তি কৌশলগ্রহণ কৰি কৃষি আৰু আনুষাঙ্গিক খণ্ডক বিকাশৰ দিশত আগবঢ়াই নিছে। ইয়াৰ ফলত গ্রাম্যাঞ্চলত দৰিদ্রতাৰ হাৰ বা স্তৰ কিছু পৰিমাণে হ্রাস পাইছে।
- **পৰিৱেশৰ বহনক্ষমতা আৰু ভৱিষ্যত কৃষিৰ উৎপাদনশীলতা** ঃ দেশখনৰ বহু অংশতে অত্যাধিক পানী নিষ্কাসন (Overpumping) আৰু বন্ধপানী (Water logging) এটা ভয়াৱহ সমস্যা আৰু কৃষিৰ প্রাথমিক কামবোৰৰ ক্ষেত্রত ই প্রধান প্রতিবন্ধক হিচাপে দেখা দিয়ে। জলবিভাজিকা (Watershed Management) পৰিচলনা আঁচনিৰ জড়িয়তে ৰাইজে ভূমি পৰিকল্পনাত জড়িত হৈ কৃষিকার্যত নিয়োজিত হোৱাত, উক্ত আঁচনিখনে ভূমিক সুৰক্ষা দিয়ে, পানী ধৰি ৰখাৰ ক্ষমতা বঢ়ায়। উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ আৰু শস্য উৎপাদনৰ ক্ষেত্রত ভিন্নতাকৰণৰ জড়িয়তে জলবিভাজিকা কার্য্যসূচীয়ে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰে। কৃষিৰ গৱেষণাৰ প্রসাৰ, বিভিন্ন প্রকাৰৰ শস্য বীজ সৃষ্টি লগতে বিভিন্ন কৃষি পদ্ধতিৰ ক্ষেত্রত উন্নতিসাধন কৰা আদি এইক্ষেত্রত বিশেষ ভাবে গ্রহণযোগ্য বুলি গণ্য কৰিব পাৰি।
- **নিয়োগ সৃষ্টি** ঃ দ্বিবিধ শষ্য উৎপাদন অর্থাৎ শস্য উৎপাদনৰ একেটা ঋতুতে একেখিনি মাটিতে দুবিধ শস্য উৎপাদনৰ ব্যৱস্থা গ্রহণ কৰাৰ ফলত বহু সংখ্যক মানুহক কর্ম্মসংস্থান দিব পৰা যায়, লগতে মানুহবোৰক হাঁহ-কুকুৰা পাম, ডায়েৰী, উদ্যোগ, মীনমহল আদিতো নিয়োগৰ ব্যৱস্থা কৰিব পৰা যায়। প্রযুক্তি বিদ্যাৰ ব্যৱহাৰে গ্রাম্যাঞ্চলত বহুসংখ্যক মানুহৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰে। গাঁও অঞ্চলত কৃষিভিত্তিক উদ্যোগৰ বিকাশ সাধনৰ জৰিয়তে নিয়োগ সৃষ্টিৰ পৰিসৰ বঢ়াব পৰা যায়।
- **কৃষিৰ ক্ষেত্রত তথ্য প্রযুক্তিৰ বৈপ্লৱিক প্রভাব** ঃ কৃষিৰ বিভিন্ন ক্ষেত্রত তথ্য প্রযুক্তিৰ এটা গুৰুত্বপূর্ণ ভূমিকা আছে। যথাযোগ্য মানুহবোৰক সময়মতে খবৰবোৰ জনোৱাতো কৃতকার্য্যতা লাভৰ এটা চাবি কাঠি। ই খেতিয়ক সকলক সময়মতে সঠিক সংবাদ যোগান ধৰি কার্য্যকৰী আৰু উপযুক্ত সিদ্ধান্ত লোৱাত সহায় কৰে। প্রযুক্তিব্যৱহাৰ কৰি উৎপাদনৰ গতি বিধি লক্ষ্য কৰি থাকিব পাৰি। কৃষিৰ ক্ষেত্রত তথ্য প্রযুক্তিৰ নতুন সম্প্রসাৰণৰে

লোৱা পদক্ষেপ সমূহ যেনেঃ কৃষিবিহাৰ (Krishivihar), আই- কিষাণ (i-Kisan), ই-কুটিৰ (i-Kutir), ই- চাগু (e-Sagoo), ই- চাউপল (e-Chaupal), আই-চি টি মডেলচ (ICT Models)- এগ্ৰৱেব (Agroweb), এগ্ৰপেডিয়া (Agro pedia), এগ্ৰিনভেট(Agrinnovate) ইত্যাদিৰে ভাৰতীয় কৃষি ব্যৱস্থাই উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে।

আগন্তুক বছৰবোৰত কৃষিৰ আন্তঃগাথনি যেনে- জলসিঞ্চনৰ সুবিধা, ওৱেৰ হাউচিং (War ehousing) আৰু কল্ডষ্টৰেজ (Cold Storage) ইত্যাদিৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধিৰ ফলত ভাৰতৰ কৃষিব্যৱস্থাই বহুতো সুবিধাৰে উপকৃত হ'ব বুলি আশা কৰা হৈছে। ক্ৰমহ্ৰাসমান ব্যয় আৰু কম সময়, উন্নত পৰিচালনা আৰু ৰাজহ সম্বন্ধীয় অনুপ্ৰেৰণা ইত্যাদি বিষয়ে অৰ্থনৈতিক বিকাশত নিশ্চিত ভাবে বৰঙণি আগবঢ়াব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ NDDB, CSO, GDP ৰ পূৰ্ণ অৰ্থ লিখক।

প্ৰশ্ন নং ৪ ঃ কৃষিৰ উৎপাদন বৃদ্ধি কৰিবলৈ বিভিন্ন প্ৰকাৰ তথ্য প্ৰযুক্তিগত ব্যবস্থ্যাবোৰ কি কি? (২০ টা শব্দৰ ভিতৰত)

.....

.....

৮.৯ প্ৰযুক্তি ব্যৱহাৰ প্ৰসঙ্গত

ভাৰতবৰ্ষত প্ৰযুক্তিৰ ব্যৱহাৰ মুঠেও সাবলীল নহয়। কৃষি আৰু আনুষাঙ্গিক খণ্ডত প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান প্ৰত্যাহ্বানৰ সন্মুখিন হ'ব লগা হয়; সেইবোৰ হৈছে—

- প্ৰথমতে প্ৰযুক্তি সম্বন্ধীয় সজাগতা দেশখনৰ সকলো অঞ্চলতে সমান নহয় গাঁও অঞ্চলৰ সৰহ ভাগ মানুহেই প্ৰযুক্তিৰ অগ্ৰসৰতাৰ বিষয়ে সজাগ নহয়। সেয়েহে তেওঁলোকে নতুন প্ৰযুক্তিৰ ব্যৱহাৰৰ প্ৰতি আগ্ৰহী নহয়। পাঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰৰ খেতিয়কে নতুন প্ৰযুক্তি গ্ৰহণ কৰিছে যদিও আন কিছুমান ৰাজ্যত খেতিয়কসকলে এতিয়াও পুৰণিকলীয়া পদ্ধতিয়েই ব্যৱহাৰ কৰি আছে।
- গাঁওবোৰত শিক্ষিতৰ হাৰো সাধাৰণতে নিম্ন হোৱা দেখা যায়। সাধাৰণ শিক্ষাৰ লগতে কম্পিউটাৰ শিক্ষাৰ অভাবেও নতুন প্ৰযুক্তি কৌশল ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰতিবন্ধক হিচাপে দেখা দিয়ে। শিক্ষাৰ অভাবৰ বাবে খেতিয়কসকল অজ্ঞ হোৱা বাবে তেওঁলোকে নতুন পৰিবৰ্তন গ্ৰহণ কৰিব নিবিচাৰে।
- কিছুমান খেতিয়কে নতুন প্ৰযুক্তি গ্ৰহণ কৰিবলৈ একেবাৰে অনিচ্ছুক হোৱা দেখা যায়। তেওঁলোকৰ এনে মনোভাবৰ বাবে কৃষি আৰু আনুষাঙ্গিক খণ্ড অনগ্ৰসৰ অৱস্থাত থাকে।
- পুঁজি বা মূলধনৰ অভাবৰ কাৰণেও দুখীয়া খেতিয়কসকলে উন্নত প্ৰযুক্তি কৌশল কিনিবলৈ

আৰু ব্যৱহাৰ কৰিবলৈ সক্ষম নহয়। বীজ- সাৰ, পশুধনৰ খাদ্য যথেষ্ট ব্যয় বহুল হোৱা দেখা যায়। ইয়াৰ ফলত ধনী খেতিয়কসকল ধনী হৈ গৈ থাকে আৰু দুখীয়া খেতিয়কসকল দুখীয়া হৈ গৈ থাকে। সকলোশ্রেণীৰ খেতিয়কৰ সমানে উন্নতি নহয়।

- বানপানী, ভূমি ক্ষয়, ভূমিকম্প আদি প্রাকৃতিক দুর্য্যোগৰ বাবেও কেতিয়াবা প্রযুক্তিবোৰৰ যথোপযুক্ত ব্যৱহাৰ কৰিব পৰা নাযায়।
- বিজুলীযোগানৰ ক্ষেত্রত সঘনে দেখা দিয়া বেমেজালীয়েও প্রযুক্তি গ্রহণ কৰাত প্রতিবন্ধকতা হিচাবে দেখা দিয়ে । বিদ্যুৎ যোগানৰ নাটনিৰ বাবে গাওঁ অঞ্চলত নতুন প্রযুক্তি কৌশলবোৰ কৃতকার্যতাৰে ব্যৱহাৰ কৰিব পৰা নাযায়।
- উপযুক্ত পৰিবহন ব্যৱস্থাৰ অভাবত উৎপন্ন বস্তুবোৰ বহুসময়ত সময়মতে পঠিয়াব পৰা নাযায়, লগতে দালাল বা মধ্যভোগী সকলক দিবলগা কমিচন (উপঢৌকন) ৰ বাবে বস্তুবোৰৰ দাম বৃদ্ধি পালেও খেতিয়কসকলক কমমূল্য আদায় দিয়া হয়।
- প্রযুক্তিকৌশল ব্যৱহাৰৰ কাৰণে খেতিয়ক সকলক প্রশিক্ষণ দিয়াৰ সুবিধা নথকাৰ বাবে প্রযুক্তি ব্যৱহাৰৰ পৰা হ'ব পৰা লাভালাভৰ পৰিমাপ ব্যৱস্থাও সুবিধাজনক নহয় লগতে উপযুক্ত স্বাস্থ্যবিধিৰ অভাবৰ বাবে গাহৰি, কুকুৰা, মাছ আদি বিভিন্ন বেমাৰত আক্রান্তহোৱা দেখা যায়। ই কৃষি আৰু আনুসাঙ্গিক খণ্ডৰ উন্নয়নৰ ক্ষেত্রত ভয়ৰ কাৰণ হৈ পৰে।
- আধুনিক কুকুৰা পাম, মাছৰ পোনা জন্মোৱা ব্যৱস্থা,খেতিপথাৰ, দুগ্ধপাম, মীণ মহল আদিৰ পর্য্যবেক্ষণৰ ওপৰত বিশেষ ভাবে আলোক পাত নকৰাৰ ফলত কৃষক সকলৰ লাভৰ পৰিমান কম হোৱা দেখা যায়দি।
- অত্যাধিক প্রযুক্তিৰ ব্যৱহাৰে পৰিবেশৰ প্রতি সন্ত্রাস সৃষ্টি কৰাৰ লগতে বিভিন্ন প্রকাৰৰ প্রদূষণৰ সৃষ্টি কৰি পৰিবেশৰ ধ্বংস সাধন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শুদ্ধ উত্তৰটো বাচি উলিয়াওক-

ভাৰতবর্ষত শিক্ষিতৰ হাৰ বেছি /কম।



৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গ্রাম্য প্রযুক্তিয়ে কৃষি আৰু আনুসঙ্গিক খণ্ডৰ উৎপাদন বৃদ্ধিত সহায় কৰে আৰু দেশখন অর্থনীতিৰ বিকাশ সাধন কৰে।
- কৃষিবিপ্লৱ (সেউজবিপ্লৱ,নীলবিপ্লৱ শ্বেতবিপ্লৱ ইত্যাদি বিভিন্ন ধৰণৰ বিপ্লৱবোৰৰ কৃষি আৰু আনুষাঙ্গিকখণ্ডবোৰৰ উৎপাদন বৃদ্ধিৰ ওপৰত এটা ধনাত্মক প্রভাব আছে।

- কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ ক্ষেত্রত চৰকাৰে লোৱা পদক্ষেপ বোৰে প্রাথমিক খণ্ডৰ উন্নয়নত নিশ্চিত ভাবে সহায় কৰিব।
- ওৱেৰ হাউচিং (Ware housing) আৰু কল্ডষ্টৰেজ (Cold Storage), পানী যোগানৰ ব্যৱস্থা ইত্যাদিৰ লগতে অন্যান্য প্রযুক্তি বোৰে উৎপাদনৰ পৰিমাণ বৃদ্ধিত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।
- ইন্টাৰনেট প্রযুক্তি (Internet Technology) এ কৃষি আৰু আনুষাঙ্গিক খণ্ডত বৈপ্লৱিক পৰিবর্তন আনিছে।

নিম্ন সজাগতাৰ স্তৰ, নিৰক্ষৰতা, উপযুক্ত প্রশিক্ষণৰ সুবিধাৰ অভাৱ, সঘনে হোৱা বিদ্যুৎৰ কর্ত্তন, পর্য্যবেক্ষণৰ অভাব, অনুপযুক্ত পৰিবহন ব্যৱস্থা ইত্যাদি বিষয় বোৰে কৃষি আৰু আনুসাঙ্গিক খণ্ডত প্রযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্রত প্রত্যাহ্বান হিচাপে দেখা দিছে।

৮.১১ অধিক জানিবলৈ

1) Singh,K. (2009). *Rural Development Principles, Policies and Management.* New Delhi: Sage Publications.

2) Sreedhar, G. and Rajasekhar, D. (2014). *Rural Development in India (Strategies and Processes).* New Delhi: Concept Publishing Company (P) Ltd.

৮.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৃষি

২ নং প্রশ্নৰ উত্তৰ ঃ সেউজ বিপ্লৱ, নীল বিপ্লৱ, শ্বেত বিপ্লৱ আৰু হালধীয়া বিপ্লৱ।

৩ নং প্রশ্নৰ উত্তৰ ঃ পূর্ণ অর্থসমূহ হৈছে—

NDDB: National Dairy Development Board (ৰাষ্ট্রীয় দুগ্ধপাম উন্নয়ন বোর্ড)

CSO: Central Statistics Office (কেন্দ্রীয় পৰিসংখ্যা কার্য্যালয়)

GDP: Gross Domestic Product (মুঠ ঘৰুৱা উৎপাদন)

৪ নং প্রশ্নৰ উত্তৰ ঃ কৃষিৰ উৎপাদনশীলতা আগবঢ়ায় নিবৰ কাৰণে লোৱা তথ্য প্রযুক্তিগত ব্যৱস্থাবোৰ হৈছে কৃষিবিহাৰ (Krishivihar), আই কিষাণ (i-Kishan), ই কুটিৰ (e-Kutir) ই -চাগো (e-Sagoo), আই-চি-টি-মডেলচ (ICT Models), এগ্রৱেব (Agroweb), এগ্রপেডিয়া (Agropedia), এগ্রিন'ভেট (Agrinnovate)।

৫ নং প্রশ্নৰ উত্তৰ ঃ কম (নিম্ন)



৮.১৩ আৰ্হি প্ৰশ্ন

অতি চুটি প্ৰশ্ন

১ নং প্ৰশ্ন ঃ গ্ৰাম্য প্ৰযুক্তিৰ অৰ্থ লিখক।

২ নং প্ৰশ্ন ঃ কৃষি আৰু আনুষাঙ্গিক খণ্ডৰ অৰ্থ লিখক।

৩ নং প্ৰশ্ন ঃ নীলবিপ্লৱ আৰু শ্বেত বিপ্লৱৰ সংজ্ঞা আগবঢ়াওক।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ কৃষিখণ্ডত তথ্য প্ৰযুক্তিৰ গুৰুত্ব আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ কৃষিৰ পুৰণি পদ্ধতিবোৰৰ আধুনিকিকৰণৰ কিয় প্ৰয়োজন ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ গাঁও উন্নয়নৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ভূমিকা আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ সেউজ বিপ্লৱ আৰু ইয়াৰ আধুনিক কৃষিপদ্ধতিৰ ওপৰত প্ৰভাবৰ বিষয়ে লিখক।

২ নং প্ৰশ্ন ঃ কৃষি আৰু আনুষাঙ্গিক খণ্ডত প্ৰযুক্তিবিদ্যাৰ ভূমিকা আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ কৃষি আৰু আনুষাঙ্গিক খণ্ডত প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰ ক্ষেত্ৰত উদ্ভৱ হোৱা প্ৰত্যাহ্বানবোৰৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৯ ঃ ভাৰতৰ গ্ৰাম্য বিত্তত বাণিজ্যিক বেংকৰ ভূমিকা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ অগ্ৰগতি

৯.৪ অগ্ৰাধিকাৰ খণ্ডৰ ঋণ

৯.৫ অগ্ৰণী বেংক আঁচনি

৯.৫.১ অগ্ৰণী বেংক আঁচনিৰ উদ্দেশ্য আৰু সীমাবদ্ধতা

৯.৬ ১৯৯০ চনৰ পৰা বাণিজ্যিক বেংকৰ জৰিয়তে ভাৰত চৰকাৰে বিভিন্ন খণ্ডত ৰূপায়িত কৰা কিছুমান প্ৰধান আঁচনিৰ পৰ্যালোচনা

৯.৬.১ এই আঁচনিসমূহ ৰূপায়নত থকা মূখ্য অসুবিধাসমূহ

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্ৰগতিৰ খতিয়ান

৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বাণিজ্যিক বেংকৰ অৰ্থ আৰু অগ্ৰগতি সম্পৰ্কে অৱগত হ'ব
- ঋণৰ অগ্ৰাধিকাৰ খণ্ডৰ অৰ্থৰ বিষয়ে জানিব পাৰিব
- অগ্ৰণী বেংকৰ আঁচনিসমূহৰ ব্যাখ্যা কৰিব পাৰিব
- ১৯৯০ চনৰ পৰা ভাৰত চৰকাৰে বাণিজ্যিক বেংকৰ সহায়ত লোৱা বিভিন্ন আঁচনিসমূহৰ বিশ্লেষণ কৰিব পাৰিব
- এই আঁচনিসমূহ কাৰ্য্যকৰীকৰণত চৰকাৰে সন্মুখীন হোৱা অসুবিধাসমূহৰ চিনাক্তকৰণ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয়

বাণিজ্যিক বেংক এনে এক বিত্তীয় প্ৰতিষ্ঠান যি জনসাধাৰণৰ পৰা জমা ধন গ্ৰহণ কৰে আৰু লাভৰ উদ্দেশ্যে সাধাৰণ জনসাধাৰণক ঋণ প্ৰদান কৰে। সাধাৰণতে বাণিজ্যিক বেংকে জনসাধাৰণক ব্যৱসায় বাণিজ্যৰ বাবে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণ প্ৰদান কৰে।

আধুনিক দৃষ্টিত, ১৮ শতিকাৰ শেষৰ পিনে ভাৰতবৰ্ষত বেংক ব্যৱস্থাৰ আৰম্ভণি হৈছিল।

১৭৭০ চনতেই পোন প্ৰথমবাৰৰ বাবে হিন্দুস্থান বেংক স্থাপন হৈছিল আৰু ই ১৮৩২ চনত বন্ধ হৈ গৈছিল। আন এটা বেংক— General Bank of India, ১৭৮৬ চনত স্থাপিত হৈছিল আৰু ইয়াৰ পৰিসমাপ্তি ঘটিছিল ১৭৯১ চনত। ১৮০৯ চনৰ পৰা ১৮৪৩ চনৰ ভিতৰত বেঙ্গল, বোম্বে আৰু মাদ্ৰাজ বেংক নামেৰে তিনিটা বেংকৰ আৰম্ভণি হৈছিল আৰু ১৯২১ চনত এই তিনিটাক একেলগে চামিল কৰি ভাৰতীয় ইম্পেৰিয়েল বেংক গঠন কৰা হৈছিল। পিছলৈ এই বেংকটোৱেই ১৯৫৫ চনত ভাৰতীয় ষ্টেট বেংক হিচাপে জনাজাত হয়। ১৯৩৫ চনত ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপন নোহোৱালৈকে ভাৰতীয় ষ্টেট বেংকেই চৰকাৰী বেংক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

বৰ্তমান ভাৰতৰ বাণিজ্যিক বেংকসমূহ তালিকাভুক্ত আৰু তালিকা বহিৰ্ভূত এই দুটা ভাগত ভাগ কৰা হৈছে। তালিকা ভুক্ত বেংকসমূহ ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ ৰ দ্বিতীয় সূচীৰ অন্তৰ্ভুক্ত। তালিকাভুক্ত বেংকসমূহ আকৌ ৰাষ্ট্ৰীয়কৃত বেংক, ভাৰতীয় ষ্টেট বেংক তথা ইয়াৰ সহযোগী (বৰ্তমান চামিলীকৰণ হৈছে), আঞ্চলিক গ্ৰামীন বেংক (Regional Rual Bank), বিদেশী বেংক আৰু অন্যান্য ব্যক্তিগত খণ্ডৰ বেংক হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। বেংক নিয়ন্ত্ৰণ আইন ১৯৪৯ চনৰ দ্বাৰা নিয়ন্ত্ৰিত তালিকা অন্তৰ্ভুক্ত আৰু বহিৰ্ভূত দুয়োবিধ বেংকেই বাণিজ্যিক বেংক বোলা হয়।

বেংকৰ এক বিশেষ খণ্ডৰ পৰা এক কম সংখ্যক অগ্ৰাধিকাৰ খণ্ড যেনে— কৃষি আৰু অন্যান্য খণ্ড, ক্ষুদ্ৰ আৰু কুটিৰ শিল্প আৰু ক্ষুদ্ৰ ব্যৱসায় আৰু প্ৰতিষ্ঠানক ঋণ প্ৰদান কৰা ব্যৱস্থাই হ'ল অগ্ৰাধিকাৰ খণ্ডৰ ঋণৰ পদ্ধতি (Priority Sector Lending)। গাডগিল (Gadgil) অধ্যয়নৰ পৰামৰ্শৰ ফলশ্ৰুতি অনুসৰিয়েই অগ্ৰাধিকাৰ অনুসৰি ঋণ প্ৰদান কৰিবলৈ অগ্ৰণী বেংক আঁচনি ১৯৬৯ চনত প্ৰস্তুত কৰা হয়।

কৃষি আৰু অন্যান্য কুটিৰ শিল্প আদি বিভিন্ন খণ্ডক উন্নত পৰ্যায়লৈ আনিবলৈ ১৯৯০ চনৰে পৰা বাণিজ্যিক বেংকে বিভিন্ন আঁচনি হাতত লৈ আহিছে।

৯.৩ ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ অগ্ৰগতি

আৰম্ভণিতে উল্লেখ কৰা হৈছে যে ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ ইতিহাস যথেষ্ট পুৰণি। কিন্তু ইয়াত আমি স্বাধীনোত্তৰ কালত ভাৰতৰ বাণিজ্যিক বেংকৰ ক্ৰমবিকাশৰ বিষয়ে আলোচনা কৰিম। স্বাধীনতাৰ পিছত বাণিজ্যিক বেংকৰ উন্নয়নৰ এক অভাবনীয় পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এই পৰিৱৰ্তনসমূহৰ ভিতৰত বেংক ৰাষ্ট্ৰীয়কৰণ, ৰিজাৰ্ভ বেংকৰ দ্বাৰা বেংকৰ নিয়ন্ত্ৰণ ব্যৱস্থা, হিচাব নিয়ন্ত্ৰণ আৰু বেংক একত্ৰিকৰণ, জমাধনৰ বৃদ্ধি, জমাধনৰ গঠনৰ পৰিৱৰ্তন, বেংক শাখা বৃদ্ধি, অগ্ৰণী বেংক ব্যৱস্থা, নতুন বেংক পদ্ধতি আৰু ঠাই উন্নয়ন, বেংক কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি, উৎপাদন আৰু লাভ, বাছেলৰ নিয়ম অৱলম্বন ইত্যাদি উল্লেখ্যযোগ্য পৰিৱৰ্তন। এই সময়ছোৱাত বাণিজ্যিক বেংকৰ বিকাশ আৰু উন্নয়ন তলত আলোচনা কৰা হ'ল—

- **বেংক ৰাষ্ট্ৰীয়কৰণ ঃ** স্বাধীনতাৰ কালছোৱাত বেংক ৰাষ্ট্ৰীয়কৰণ বাণিজ্যিক বেংকৰ এটা অতি উল্লেখনীয় উন্নয়নৰ পদক্ষেপ। ইয়াৰ দ্বাৰা চৰকাৰী খণ্ডই বাণিজ্যিক বেংকসমূহৰ

ওপৰত এক বিশেষ প্ৰভাব বিস্তাৰ কৰিছে। ৰাষ্ট্ৰীয়কৰণ কৰা সৰ্বপ্ৰথম বেংকটোৱেই হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক যিটো ১৯৪৯ চনতে ৰাষ্ট্ৰীয়কৃত হয়। ইয়াৰ পিছত ইম্পেৰিয়েল বেংক ৰাষ্ট্ৰীয়কৃত হয় আৰু ইয়েই ১৯৫৫ চনৰ জুলাই মাহৰ পৰা ভাৰতীয় ষ্টেট বেংক হিচাপে জনাজাত হয়। তাৰ পিছত ভাৰত চৰকাৰে আঠটা ৰাজ্যিক সহযোগী বেংকক ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা পৰিচালিত সহযোগী বেংক হিচাপে পৰিৱৰ্তিত কৰে, ইয়াৰে দুটা বেংকক ১৯৬৩ চনত চামিল কৰি, সৰ্বমুঠ সহযোগী বেংকৰ সংখ্যা সাতটালৈ হ্ৰাস কৰে। ১৯৬৯ চনৰ জুলাই মাহত চৈধ্যটা বেংকক ৰাষ্ট্ৰীয়কৃত কৰে আৰু তাৰ পিছত ১৯৮০ চনৰ এপ্ৰিল মাহত আকৌ ছটা বেংক ৰাষ্ট্ৰীয়কৃত কৰা হয়।

- **ৰিজাৰ্ভ বেংকৰ দ্বাৰা বাণিজ্যিক বেংকৰ নিয়ন্ত্ৰণঃ** আন এটা উল্লেখযোগ্য উন্নয়ন হ'ল বাণিজ্যিক বেংকৰ ওপৰত ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণ। ভাৰতীয় বেংক ব্যৱস্থাৰ নিয়ন্ত্ৰণ আৰু কৰ্তৃত্বৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে ক্ৰমবৰ্দ্ধমান ৰূপত নিজৰ ভূমিকা পালন কৰে। এই সুবিধা বাণিজ্যিক বেংক নিয়ন্ত্ৰণ আইন আৰু বিভিন্ন সময়ত হোৱা আইন সংশোধনৰ দ্বাৰা সম্ভৱ হৈছে। এই আইনৰ দ্বাৰা ৰিজাৰ্ভ বেংকক বেংক ব্যৱস্থাসমূহক পৰিচালনা কৰা ক্ষমতা তথা কৰ্তৃত্ব প্ৰদান কৰা হৈছে। এই ক্ষমতাসমূহৰ ভিতৰত বেংকৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ পৰা আৰম্ভ কৰি পৰিসম্পাদিত আদি সকলো দিশ সামৰি লোৱা হৈছে।
- **বেংক অৱসায়ন আৰু একত্ৰিকৰণঃ** বেংক অৱসায়ন আৰু একত্ৰিকৰণ বাণিজ্যিক বেংকৰ উন্নয়নৰ আন এটা উল্লেখযোগ্য পদক্ষেপ। ১৯৫১ চনৰ শেষৰ ফালে কৰ্মৰত মুঠ ১৮৮টা গ্ৰামীন বেংকসহ মুঠ ৫৬৬ বাণিজ্যিক বেংকক একত্ৰিকৰণৰ জৰিয়তে ১৯৯০ চনৰ শেষৰ ফালে এই সংখ্যা হ্ৰাস হৈ ২৭১ হয়গৈ। ৰিজাৰ্ভ বেংকৰ শৃংখলাবদ্ধ নিৰানিকৰণ তথা উদ্দেশ্যমূলক নীতিৰ আধাৰত নিম্ন মানদণ্ড তথা অদৃশ্যমান বেংকসমূহৰ অনুজ্ঞাপত্ৰ বাতিলকৰণ, একত্ৰিকৰণ আৰু অৱসায়নৰ দ্বাৰা এই কাৰ্য ফলপ্ৰসূ হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বহু ক্ষুদ্ৰ তথা সঠিকভাৱে পৰিচালনা কৰিব নোৱৰা বেংকৰ সংখ্যা অপৰিকল্পিতভাৱে বৃদ্ধি পাইছিল। বেংক ব্যৱস্থাৰ দুৰ্বলতাই এইবোৰৰ উৎসৰ প্ৰধান কাৰণ আছিল। সঘনাই বেংকসমূহৰ ব্যৰ্থতাই জনসাধাৰণৰ মাজত বেংক ব্যৱস্থাৰ প্ৰতি সম্ভৱত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সেই কাৰণেই বেংক ব্যৱস্থাক এক শক্তিশালীৰূপত থিয় কৰাবলৈ একত্ৰিকৰণৰ নিচিনা সবল পদক্ষেপ ল'বলৈ বাধ্য হৈছিল। এই পদক্ষেপ বেংক ব্যৱস্থাৰ উন্নতিৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ আছে। ক্ষুদ্ৰ বেংকসমূহ বৃহৎ বেংকৰ দ্বাৰা পৰিচালিত হোৱাত আন এটা অসুবিধাৰ সৃষ্টি হৈছে, সেয়া হ'ল ক্ষুদ্ৰ ঋণ লোৱা সকলে স্থানীয় বেংকৰ পৰা যিমান পৰিমাণে সেৱা লাভ কৰিছিল সেয়া বৃহৎ বেংকসমূহৰ পৰা পোৱাত ব্যৰ্থ হৈছে।
- **বেংকৰ শাখা সম্প্ৰসাৰণঃ** বেংক ৰাষ্ট্ৰীয়কৃত হোৱাৰ পিছৰ বাণিজ্যিক বেংকসমূহৰ শাখাৰ এক ব্যাপক ৰূপত সম্প্ৰসাৰণ হয়। বিশেষকৈ ১৯৬৯ চনৰ জুলাই মাহত ১৪টা প্ৰধান

বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৃত হোৱাৰ পিছত বিস্তৃত ভৌগলিক অঞ্চল সাঙুৰি বেংকৰ উপযোগীতা সৰ্বসাধাৰণে ভোগ কৰিবলৈ সক্ষম হৈছে। ১৯৫৬ চনলৈ বেংকৰ নতুন শাখা খুলিবলৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰোতে ৰিজাৰ্ভ বেংকে এক বিশেষ সাৱধানতা অৱলম্বন কৰা পৰিলক্ষিত হয়। সম্প্ৰসাৰণৰ পৰিৱৰ্তে বেংকসমূহক বেছি সুদৃঢ় আৰু সবল কৰাত গুৰুত্ব প্ৰদান কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে প্ৰধানতঃ ক্ষুদ্ৰ বেংকসমূহ বৃহৎ বেংকৰ লগত একত্ৰিকৰণৰ যোগেদি তালিকা বহিৰ্ভূত বেংকসমূহৰ শাখাবোৰ বন্ধ হৈ গৈছিল আৰু ধাৰাবাহিকভাৱে বেংকৰ কাৰ্যালয়বোৰৰ সংখ্যা হ্ৰাস হৈছিল। ১৯৬২ চনৰ জুলাই মাহৰ পৰা ৰিজাৰ্ভ বেংকে অনুন্নত অঞ্চল বা বেংকৰ সেৱা নথকা স্থানত বেংকৰ সেৱা উৎসাহিত কৰিবলৈ বেংকৰ শাখাৰ সম্প্ৰসাৰণে এক শৃংখলাবদ্ধ ক্ৰমসূচী অনুসৰণ কৰে। এই ক্ৰমসূচীৰ অধীনত, ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈ, বেংকৰ শাখাৰ সংখ্যা দুগুণলৈ বৃদ্ধি পায় ৫০০০ৰ পৰা ১১০০০ পৰ্যন্ত হয়।

- **অগ্ৰণী বেংক আঁচনি ঃ বেংক আৰু অঞ্চল উন্নয়নৰ নতুন কৌশল ঃ** বেংক ৰাষ্ট্ৰীয়কৰণৰ পৰৱৰ্তী পৰ্যায়ত বেংকৰ শাখা সম্প্ৰসাৰণ আৰু মুখ্য বেংক আঁচনি দুয়োতাই আভ্যন্তৰীণভাৱে এটা আনটোৰ লগত জড়িত। এই আঁচনিখন, ৰাষ্ট্ৰীয় ঋণ পৰিষদ (National Credit Council) ৰ গাডগিল গোটৰ (Gadgil Group) ৰ দ্বাৰা অনুমোদিত। দেশৰ বৈচিত্ৰময় অৱস্থাৰ বাবে এই দলে দৃষ্টি নিক্ষেপ কৰিছিল আৰু স্থানীয় অৱস্থাৰ ওপৰত ভিত্তি কৰি উপযুক্ত ঋণ দিয়াৰ বাবে এক প্ৰয়াস কৰা হৈছিল। এই অনুসৰি, অধ্যয়ন গোট (Study Group)এ মুখ্য সূচীত বেংকসমূহৰ নেতৃত্বত দেশৰ সকলো জিলাতে পৰ্যায়ক্ৰমে আৰু সুপৰিকল্পিতভাৱে বেংকৰ সৰ্বাঙ্গীন সুবিধা প্ৰদানৰ দায়িত্ব ল'বলৈ পৰামৰ্শ দিয়ে। বেংকৰ ঋণ প্ৰদান স্থানীয় উন্নয়নৰ বাবে কাৰ্যকৰীকৰণৰ আহিলা হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছিল। এই আঁচনিৰ আধাৰত গৃহীত হোৱা দেশৰ মুখ্যসূচীত অন্তৰ্ভূক্ত ৰাজহুৱা খণ্ডৰ সকলো বেংক ৩৯৮খন জিলাৰ মাজত ভগোৱা হৈছিল আৰু এইটো ধাৰণা কৰা হৈছিল যে বেংকৰ সম্প্ৰসাৰণ আৰু সমবায়ৰ কাৰ্যপ্ৰণালী সঞ্চালনৰ ক্ষেত্ৰত বাণিজ্যিক বেংক আৰু অন্যান্য বিত্তীয় অনুষ্ঠানসমূহে নিজৰ নিজৰ জিলাত প্ৰধান ভূমিকা গ্ৰহণ কৰিব। পৰ্যায়ক্ৰমে, বেংকৰ শাখা স্থাপনৰ বাবে বেংকৰ সেৱা আগবঢ়োৱা স্থানৰ চিনাক্তকৰণৰ বাবে প্ৰতিটো মুখ্য বেংকৰ দ্বাৰা জিলাসমূহ সমীক্ষা কৰাটো প্ৰত্যাশিত আছিল। বেংকসমূহে স্থানীয় সমস্যাসমূহ অধ্যয়ন আৰু চিনাক্ত কৰিব লাগে আৰু সুসংগঠিত ঋণ পৰিকল্পনাৰ দ্বাৰা উপাদানৰ যোগান, উৎপাদন, মজুত, বজাৰ ব্যৱস্থা আৰু অন্যান্য সুবিধাৰ ব্যৱস্থা কৰিব লাগে।
- **জমা ধনৰ উন্নয়ন ঃ** বেংক ব্যৱস্থাৰ অইন এটা গুৰুত্বপূৰ্ণ উন্নয়ন হৈছে ১৯৬১ চনৰ পিছৰে পৰা বেংকৰ মুঠ জমা ধনৰ পৰিমাণ তাৎপৰ্যমূলকভাৱে বৃদ্ধি হয়। প্ৰকৃত আয়ৰ বৃদ্ধি, বেংক সেৱাৰ সম্প্ৰসাৰণ, বেংক সেৱাৰ প্ৰতি আগ্ৰহ তথা অভ্যাস, বেংক সেৱাৰ সবলীকৰণ আৰু বেংকত জমাধনৰ ওপৰত সুদৰ হাৰ বৃদ্ধি আদিয়ে বেংকৰ জমা ধনৰ পৰিমাণ বৃদ্ধিৰ

কাৰণ হিচাপে পৰিলক্ষিত হয়।

- **জমা ধনৰ সংগঠনৰ পৰিৱৰ্তন ঃ** এক নিৰ্দিষ্ট সময়ৰ ভিতৰত চাহিদা আমানত আৰু সময় আমানতৰ মাজৰ সম্পৰ্কৰ অনুপাতৰ এটা উল্লেখযোগ্য পৰিৱৰ্তন হৈছে। সাম্প্ৰতিক বছৰসমূহত সময় আমানত অংশৰ পৰিমাণ সৰ্বমুঠ জমাধনৰ পৰিমাণত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

  জমাধন গঠনৰ এই আমোল পৰিৱৰ্তনৰ কাৰণসমূহ বিশেষকৈ যেনে— ব্যৱসায়িক প্ৰতিষ্ঠানৰ সলনি প্ৰতিখন ঘৰৰ জমাকৰ্তাৰ সপক্ষে পৰিৱেশ, দেশত বেংক সেৱাৰ সম্প্ৰসাৰণ, সঞ্চিত আমানতৰ ধন উঠাই লোৱা, শিথিলকৰণ নিৰ্ধাৰিত সময় আৰু সঞ্চিত আমানতৰ হিচাপত সুতৰ হাৰ বৃদ্ধি, ১৯৬১ চনৰ পিছত চলিত হিচাপৰ ওপৰত সুদ প্ৰদানত বাধা আৰোপ, ১৯৭৮ চনৰ পৰা জমা ধনৰ গঠনৰ পৰিৱৰ্তনৰ পিছত সাধাৰণ সঞ্চয়তকৈ সময় নিৰ্ধাৰিত আমানতৰ জমাৰ সপক্ষে অনুকুল হৈছে।

- **বেংক কৰ্মচাৰী, উৎপাদন ক্ষমতা আৰু লাভ ঃ** বেংকৰ কাৰ্যালয় আৰু বেংকৰ সেৱা বৃদ্ধিৰ সমসাময়িকভাৱে বেংক কৰ্মচাৰীৰ সংখ্যাও বৃদ্ধি হৈছে। ১৯৫৮ চনত ৭৯ হাজাৰ কৰ্মচাৰীৰ পৰা ১৯৯০ চনত ১০ লাখলৈ বৃদ্ধি পায়। কিন্তু দ্ৰুতগতিত বেংকৰ শাখা সম্প্ৰসাৰণে গ্ৰাহক সেৱাৰ মানদণ্ড তথা উৎপাদন ক্ষমতাৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলায়। এই দ্ৰুত সম্প্ৰসাৰণৰ ফলত উৎপাদন ক্ষমতা আৰু গ্ৰাহক সেৱাৰ গুণগত মানদণ্ড বহু নিম্নগামী হয়। এইটো জনসাধাৰণ আৰু কৰ্তৃপক্ষৰ বাবে এক চিন্তাৰ কাৰণ হৈছে। ইয়াৰ কাৰণে অন্যান্য বিষয়বস্তুৰ লগতে মুঠ আয়ৰ প্ৰতি টকা হিচাপত বেংকৰ মুনাফা বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হয়। এই মুনাফাৰ নিম্নগামীৰ কাৰণ আংশিকভাৱে বেংকৰশাখা সম্প্ৰসাৰণকে জগৰীয়া কৰিব পাৰি।

৯.৪ অগ্ৰাধিকাৰ খণ্ডৰ ঋণ

এই শাখাত আমি অগ্ৰাধিকাৰ খণ্ডৰ ঋণৰ বিষয়ে আলোচনা কৰিব ওলাইছো। অগ্ৰাধিকাৰ খণ্ডৰ ঋণ প্ৰদান বুলিলে সাধাৰণতে এনেকুৱা এটা পদ্ধতি বা ব্যৱস্থা বুজায় যাৰ দ্বাৰা বেংকে ইচ্ছুক খণ্ডত ঋণ দিবলৈ সক্ষম হয়। কিছু বিশেষ খণ্ড যেনে কৃষি তথা আনুষংগিক কৰ্ম, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ প্ৰতিষ্ঠান, দৰিদ্ৰজনৰ বাবে বাসস্থান, ছাত্ৰৰ বাবে শিক্ষা আৰু অন্যান্য পিছপৰা শ্ৰেণী আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে বেংকৰ পৰা সুবিধা প্ৰদান কৰিবলৈ বিশেষকৈ ঋণ দিবলৈ ৰিজাৰ্ভ বেংকে বাণিজ্যিক বেংকসমূহক গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদান কৰিছে।

এইটো সাধাৰণতে পৰিলক্ষিত হয় যে সমবিতৰণৰ অভাবৰ বাবে অৰ্থনীতিৰ কিছুমান খণ্ডই সময়মতে পৰ্য্যাপ্তভাৱে ঋণ পাবলৈ অসমৰ্থ হয়। তালিকাযুক্ত বাণিজ্যিক বেংকসমূহক ৰিজাৰ্ভ বেংকে তলত দিয়া ধৰণে ভাগ কৰিছে—

- কৃষি আৰু আনুষাংগিক কৰ্মৰাজি
- অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান

- ৰপ্তানি ঋণ
- শিক্ষা
- বাসস্থান
- সামাজিক আন্তগাঁঠনি, পুনৰ নবীকৰণ শক্তি আৰু অন্যান্য।

কৃষিকর্মক আকৌ তিনিটা ভাগত ভাগ কৰা হৈছে, যেনে—

- পাম ঋণ
- কৃষি আন্তগাঁথনি
- কৃষিৰ অন্তর্গত কর্ম

বেংকৰ অগ্রাধিকাৰ খণ্ডৰ মূল লক্ষ্য আৰু উপলক্ষ্যসমূহ তলত আলোচনা কৰা হ'ল—

শ্রেণী বর্ণ	ঘৰুৱা তালিকাযুক্ত বাণিজ্যিক বেংক (আঞ্চলিক গ্রামীন বেংক আৰু ২০টা বা অধিক শাখা থকা ক্ষুদ্র বিত্তীয় বেংক	২০টাতকৈ কম সংখ্যা থকা বিদেশী বেংক
মুঠ অগ্রাধিকাৰ খণ্ড	সামঞ্জস্যপূর্ণ প্রকৃত বেংক ঋণৰ ৪০% অথবা নিয়মবর্হিভূত উদ্ধৃত	পর্যায়ক্রমে ২০২০ চনৰ ভিতৰত অথবা নিয়মবর্হিভূত উদ্ধৃত পত্র সামঞ্জস্যপূর্ণ বেংক ঋণৰ ৪০% পত্রৰ ঋণ সমকক্ষ ৰাশিৰ যিটোৰ উদ্ধতম হয়
কৃষি	সামঞ্জস্যপূর্ণ অৱশিষ্ট বেংক ঋণৰ ১৮% (ANBC) অথবা নিয়ম বহির্ভূত উদ্ধৃত পত্র প্রকাশৰ যিটো উদ্ধতম। কৃষিৰ বাবে লক্ষৰ ১৮%, সামঞ্জস্য পূর্ণ অৱশিষ্ট বেংক ঋণৰ (ANBC) অথবা নিয়ম বহির্ভূত উদ্ধৃত পত্র প্রকাশৰ ভিতৰত যিটো উদ্ধতম তাক ক্ষুদ্র আৰু উপান্তৰ কৃষকৰ বাবে নির্দেশনা দিয়া হৈছে।	প্রযোজ্য নহয়
ক্ষুদ্র প্রতিষ্ঠান	সামঞ্জস্য পূর্ণ অৱশিষ্ট বেংক আসনৰ ৭.৫% বা নিয়ম বহির্ভূত উদ্ধৃত পত্র প্রকাশৰ যিটো উচ্চ	প্রযোজ্য নহয়
উচ্চ শ্রেণীৰ পৰা দুর্বল শ্রেণীলৈ	সামঞ্জস্য পূর্ণ অৱশিষ্ট বেংক ঋণৰ প্রয়োজন নহয়।১০% বা নিয়ম বহির্ভূত উদ্ধৃত পত্রপ্রকাশৰ ভিতৰত যিটো উচ্চ	প্রযোজ্য নহয়

উৎস ঃ ভাৰতৰ ৰিজার্ভ বেংক।

অগ্ৰাধিকাৰ খণ্ডৰ অন্তৰ্গত, উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন ১৯৫১ চন আৰু চৰকাৰৰ সময়ে সময়ে উল্লেখিত প্ৰথম সূচীৰ আধাৰত নিয়োজিত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানৰ বাবে বেংক ঋণৰ কোনো সীমা নিৰ্দেশনা নাই। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উন্নয়ন প্ৰতিষ্ঠান আইন ২০০৬ (MSMED Act, 2006) ৰ আধাৰত উৎপাদন ক্ষেত্ৰ আৰু যান্ত্ৰিক কল-কাৰখানাত বিনিয়োগ কৰা ধনৰ হিচাপত উৎপাদিত প্ৰতিষ্ঠানবোৰ ব্যাখ্যা কৰা হৈছে।

২০১৮ চনৰ ১ মাৰ্চৰ পৰা কাৰ্যকৰী হোৱাকৈ, ২০০৬ MSMED আইনৰ অধীনত বেংকে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহত ঋণৰ সীমা নিৰ্ধাৰণ নকৰাকৈ অগ্ৰাধিকাৰ খণ্ডৰ তালিকাযুক্ত বেংকসমূহক ঋণ দিয়াৰ ব্যৱস্থা কৰে।

সামাজিক আন্তঃগাঁথনি নিৰ্মাণ কাৰ্যাৱলী যেনে— বিদ্যালয়, স্বাস্থ্য সেৱা, খোৱা পানীৰ সুবিধা আৰু অনাময় ব্যৱস্থা আদিৰ বাবে বেংক ঋণৰ সীমা ঋণ লওঁতাৰ ২য় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীৰ কেন্দ্ৰসমূহ অগ্ৰাধিকাৰ খণ্ডৰ আধাৰত শ্ৰেণী বিভাজন কৰা হৈছে। কিছুমান নিয়মাৱলীৰ চর্ত সাপেক্ষে সামাজিক আন্তঃগাঁথনিৰ অন্তৰ্গত পানী যোগান আৰু অনাময় সুবিধাৰ বাবে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণসমূহ ব্যক্তি আৰু আত্মসহায়ক গোটৰ সদস্যলৈ বেংকৰ ঋণসমূহ সম্প্ৰসাৰিত কৰিবলৈ অগ্ৰাধিকাৰ খণ্ডৰ আধাৰত শ্ৰেণীভুক্ত কৰা হৈছে।

'পুনৰ নৱীকৰণ শক্তি' অন্তৰ্গত যেনে— সৌৰ শক্তি উৎপাদন, জৈৱিক শক্তি উৎপাদন, বায়ু শক্তি, অতি ক্ষুদ্ৰ জলবিদ্যুৎ শক্তি উৎপাদন আৰু অপৰম্পৰাগত শক্তিৰ আধাৰত ব্যৱহাৰ হোৱা জনসাধাৰণৰ সেৱা যেনে— পথাৰত পোহৰৰ ব্যৱস্থা আৰু গ্ৰাম্য বৈদ্যুতিকৰণ আদি অগ্ৰাধিকাৰ খণ্ডৰ শ্ৰেণীৰ অন্তৰ্গত ঋণ লওঁতাসকলক বেংকে প্ৰদান কৰা, ঋণৰ মূল্য ১৫০ নিযুতলৈ সীমা নিৰ্ধাৰণ কৰিছে।

অগ্ৰাধিকাৰ খণ্ডৰ আধাৰত শ্ৰেণীভুক্ত বা শ্ৰেণী বহিৰ্ভূত যিকোনো ব্যক্তিলৈ শিক্ষা আৰু বৃত্তিগত শিক্ষাৰ বাবে ঋণৰ মূল্য ১ নিযুতকৈ নিৰ্ধাৰণ কৰিছে। যদিহে মহানগৰৰ প্ৰতিটো গৃহৰ মূল্য ৪৫ নিযুত আৰু অন্যান্য কেন্দ্ৰৰ গৃহৰ মূল্য ৩ নিযুতৰ অধিক নহয়, তেতিয়া অগ্ৰাধিকাৰ খণ্ডৰ অন্তৰ্গত মহানগৰত (জনসংখ্যা ১০ লাখ বা ততোধিক) আৰু অইন কেন্দ্ৰত গৃহ ক্ৰয় বা নিৰ্মাণৰ বাবে প্ৰতি পৰিয়ালৰ প্ৰতিটো গৃহৰ বাবদ প্ৰতিজন ব্যক্তিলৈ ঋণৰ মূল্য মহানগৰৰ বাবে ৩৫ নিযুত আৰু অন্যান্য কেন্দ্ৰৰ বাবে ২৫ নিযুতৰ সীমা নিৰ্ধাৰণৰ বাবে বিবেচনা কৰা হৈছে। বেংকৰ নিজৰ কৰ্মচাৰীৰ বাবে বেংকৰ গৃহ ঋণ অগ্ৰাধিকাৰ খণ্ডৰ অধীনত বিবেচনাৰ যোগ্য নহ'ব।

৯.৫ অগ্ৰণী বেংক আঁচনি

অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ পৰা বেংক ঋণৰ অগ্ৰাধিকাৰ খণ্ড নিদ্ধাৰণ কৰিবলৈ ১৯৬৭ চনত ৰাষ্ট্ৰীয় ঋণ পৰিষদ (National credit council) স্থাপন কৰা হৈছিল। ১৯৬৮ চনৰ অক্টোবৰ মাহত ৰাষ্ট্ৰীয় ঋণ পৰিষদে অধ্যাপক দি আৰ গাডগিলৰ অধ্যক্ষতাত সামাজিক উদ্দেশ্যবোৰ কাৰ্যকৰী কৰিবলৈ সাংগঠনিক আৰ্হিত এটা অধ্যয়ন গোটৰ নিযুক্তি দিছিল। এই গোটৰ প্ৰতিবেদনত

প্ৰকাশ পাইছিল যে ১৯৬৭ চনৰ জুন মাহলৈ বাণিজ্যিক বেংকসমূহে মাত্ৰ ৫০০ গাঁওহে সামৰি ল'বলৈ সামৰ্থ্য হৈছিল। মুঠ আনুষ্ঠানিক ঋণৰ ৩৯% কৃষি ঋণৰ অংশ। এই আনুষ্ঠানিক ঋণত বাণিজ্যিক বেংকসমূহে অতি নগণ্য অংশ মাত্ৰ ১% হে ঋণ প্ৰদান কৰে। বাকী সমূহ ঋণ সমবায় সংস্থাৰ দ্বাৰা প্ৰাপ্ত হয়। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে সাধাৰণতে গ্ৰামীন এলেকা আৰু বিশেষকৈ অনগ্ৰসৰ অঞ্চলসমূহত বাণিজ্যিক বেংকসমূহে প্ৰয়োজনীয় বেংকৰ সেৱা প্ৰদানত মনোযোগ দিয়াত ব্যৰ্থ হৈছে। ইয়াৰ উপৰিও কৃষি, ক্ষুদ্ৰ উদ্যোগ আৰু সহকাৰী কাৰ্য্যৰ প্ৰয়োজনীয় ঋণক সম্পূৰ্ণভাৱে আওকাণ কৰা পৰিলক্ষিত হৈছে। গতিকে, স্থান সংক্ৰান্তিক আৰু গাঁথনিগত পাৰ্থক্যৰ মাজত এক সংযোগী প্ৰয়াস গ্ৰহণ কৰিবলৈ গেডগিল গোটে পৰামৰ্শ দিছিল পিছলৈ ১৯৬৯ চনত সৰ্বভাৰতীয় গ্ৰামীন ঋণ পৰ্যালোচনা সমিতিয়ে অনুমোদন কৰে আৰু গ্ৰামীন এলেকাৰ বিত্তীয় কাৰ্যৰ আগভাগ বৃদ্ধি কৰিবলৈ পৰামৰ্শ দিয়ে।

মুখ্য বেংকৰ আঁচনিৰ মূল ধাৰণাটো হ'ল লক্ষ্যকেন্দ্ৰিক আৰু বেংকৰ সেৱাৰ 'আঞ্চলিক প্ৰয়াস'ৰ উপস্থিতি। বেংক সমিতিৰ প্ৰধান এছ নৰিমানে 'আঞ্চলিক প্ৰয়াস'ৰ বাবে জিলাসমূহক একগোট হিচাবে আৰু প্ৰতিখন জিলাত এটা বিশেষ বেংকক মুখ্য বেংক হিচাপে কৰ্তব্য পালন কৰিবলৈ সিদ্ধান্ত প্ৰদান কৰিছিল।

মুখ্য বেংকৰ আঁচনিৰ অধীনত বেংক সেৱা বিশেষকৈ শাখা সম্প্ৰসাৰণ আৰু ঋণ পৰিকল্পনাৰ বাবে প্ৰতিখন জিলাতে বেংকৰ কামত সহযোগ আৰু নেতৃত্ব ল'বলৈ, প্ৰতিখন জিলাতে বিভিন্ন বেংকক (ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড)ৰ এটা বেংকক দায়িত্ব দিয়া হয়। গ্ৰামীন অৰ্থনীতিত ঋণৰ প্ৰয়োজন পূৰাবলৈ, বেংকৰ শাখা সম্প্ৰসাৰণৰ দ্বাৰা সুবিধা প্ৰদান কৰিবলৈ জিলাসমূহৰ দ্বাৰা নিয়োজিত সকলো ঋণ প্ৰদান কৰা সংস্থাসমূহৰ প্ৰয়াসত সমন্বয়ৰ ভূমিকা পালন কৰিবলৈ মুখ্য বেংকে এক নেতৃত্বৰ ভূমিকা পালন কৰে। লাহে লাহে প্ৰধান মহানগৰসমূহ যেনে মুম্বাই, কলকতা, চেন্নাই আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়, দিল্লী আৰু গোৱাক বাদ দি দেশৰ প্ৰতিখন জিলাতে ৰাজহুৱা বেংক আৰু কেইটামান ক্ষুদ্ৰ বেংকৰ মাজৰ পৰা অনুমোদন জনোৱা হৈছে। পিছলৈ কেন্দ্ৰীয় শাসিত অঞ্চলৰ গোৱা, দমন দিউ, দিল্লী আৰু চণ্ডীগড়ৰ গ্ৰামীন এলেকাসমূহো মুখ্য বেংক আঁচনিৰ অধীনত অনা হয়।

মুখ্য বেংক আঁচনিৰ দ্বিতীয় আৰু গুৰুত্বপূৰ্ণ পৰ্যায়টো হ'ল জিলা ঋণ পৰিকল্পনা আৰু ইয়াৰ কাৰ্যকৰীকৰণ। পূৰ্বে যদিও ঋণৰ কিছু গাঁথনিগত সুৰুঙা চিনাক্ত কৰা হৈছিল, কিন্তু বেংক ৰাষ্ট্ৰীয়কৰণৰ পিছতহে সুব্যৱস্থাৰ প্ৰবৰ্তন কৰা হৈছিল। আৰম্ভণিতে যিবিলাক খণ্ড অৱহেলিত হৈছিল, সেইবিলাক অগ্ৰাধিকাৰৰ মৰ্যদা আৰু বেংকসমূহক সেই খণ্ডবোৰত ঋণ প্ৰদানত বেছি কেন্দ্ৰীভূত হ'বলৈ আদেশ দিয়া হৈছিল।

মুখ্য বেংক আঁচনিৰ সংস্কাৰমূলক পৰামৰ্শৰ বাবে ভাৰত চৰকাৰে উষা থোৰাটৰ নেতৃত্বত এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰি দিছিল। বিশেষকৈ বৰ্দ্ধিত ব্যক্তিগত খণ্ড আৰু স্বতন্ত্ৰৰ পৰিৱেশত বেংক খণ্ডৰ প্ৰত্যাহ্বানসমূহ আৰু মুখ্য বেংক আঁচনি খনক কেনেকৈ পূৰ্ণজীৱিত কৰিব পাৰি, তাৰে পৰামৰ্শ দিবলৈ এই মণ্ডলীক দায়িত্ব দিছিল। সমিতিয়ে এই আঁচনিৰ বৃদ্ধিৰ

বাবে অনুমোদন কৰিছিল আৰু কেৱল চৰকাৰী ঋণ আঁচনিসমূহকে পৰ্যবেক্ষণ নকৰি বিত্তীয় সুবিধাৰ অন্তৰ্ভুক্তৰে অধিক সূক্ষ্মভাৱে মনোনিৱেশ কৰিবলৈ পৰামৰ্শ দিছে। বেছিভাগ সন্মিলনতে মুখ্য বেংকৰ আঁচনিসমূহ পৰ্যালোচনা কৰোতে চৰকাৰৰ পৃষ্ঠপোষকতাত চলি থকা আঁচনি, জমা ঋণৰ অনুপাত্ৰ, পুনৰুদ্ধাৰ কাৰ্য সম্পাদন আৰু অন্যান্য গতানুগতিক পুনৰীক্ষণতে আবদ্ধ থাকে বুলি সমিতিয়ে ব্যক্ত কৰিছে। মুঠ অগ্ৰাধিকাৰ খণ্ডৰ ঋণৰ ০.৪% অগ্ৰণী বেংক আঁচনিৰ ঋণৰ বাবে নিৰ্দ্ধাৰণ কৰা হয়। সেই কাৰণে, ৰাজ্যিক পৰ্যায়ৰ বেংক সমিতি আৰু জিলা পৰামৰ্শ দাতা সমিতিয়ে চৰকাৰী পৃষ্ঠপোষকতাৰ আঁচনিসমূহতকৈ বিত্তীয় সংযোজনত সমৰ্থবান আৰু বাধা দিয়া দিশবোৰৰ ওপৰত আলোচনা কৰিবলৈ সময় অতিবাহিত কৰে।

অগ্ৰণী বেংকৰ আঁচনিসমূহৰ উন্নতিকৰণৰ বাবে উষা থোৰাট সমিতিয়ে দিয়া পৰামৰ্শৰলী তলত দিয়া হ'ল—

- অগ্ৰণী বেংক আঁচনিসমূহে দেশৰ অনা বেংক এলেকাত বিত্তীয় সংযোজনৰ গতি ধাৰাবাহিকভাৱে চলাই যাব লাগে।
- যিবিলাক অঞ্চলত ব্যক্তিগত খণ্ডৰ বেংকৰ উপস্থিতি আছে তাতে অগ্ৰণী বেংকৰ আঁচনি ব্যাপক ৰূপত ৰূপায়ণ কৰিবলৈ ব্যক্তিগত খণ্ডৰ বেংকসমূহক দিব লাগে।
- বাণিজ্যিক সংবাদৰ আৰ্হিৰ বৃদ্ধিকৰণ আৰু বেংক সেৱা ২০০০ তকৈ অধিক জনসংখ্যা থকা গ্ৰাম্য এলেকাত উপলব্ধ কৰিবলৈ আৰু কম ধনৰাশিৰে হিচাপবহী খোলোতে আপোনাৰ গ্ৰাহকক জনা (KYC- Know Your Costomer) নিয়মৰ উপশম ঘটোৱা।

৯.৫.১ অগ্ৰণী বেংক আঁচনিৰ উদ্দেশ্য আৰু সীমাবদ্ধতা

অগ্ৰণী বেংকৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল—

- প্ৰথম আৰু গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল নিবনুৱা আৰু অৰ্ধ নিবনুৱাৰ দূৰীকৰণ।
- দুখীয়া আৰু অতিকৈ দুখীয়া মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা।
- আন এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল সমাজৰ দুৰ্বল শ্ৰেণীৰ মূল প্ৰয়োজনীয়তা উপলব্ধ কৰা।

এই উদ্দেশ্যসমূহ হাতত লোৱা হৈছে যদিও এইটোও পৰিলক্ষিত হৈছে যে মুখ্য বেংক আঁচনিৰ উদ্দেশ্যসমূহ সম্পূৰ্ণভাৱে সফল হ'ব পৰা নাই। ইয়াৰ মূল কাৰণসমূহ হ'ল—

- সঘনাই নীতি প্ৰণালীৰ পৰিৱৰ্তন, কাৰ্যকৰী জটিলতা আৰু বিত্তীয় সংযোজনৰ দিশসমূহৰ কাৰণে এই আঁচনিয়ে লক্ষ্যত উপনীত হ'ব পৰা নাই।
- এফালে পৰিকল্পনা অধিকাৰী আৰু বেংক প্ৰতিষ্ঠানৰ কাৰ্য্যৱলী আৰু আনহাতে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীন উন্নয়ন বেংক (NABARD) আৰু মুখ্য বেংক এই দুয়োটা পক্ষৰ মাজত সমন্বয়ৰ অভাৱৰ বাবে লক্ষ্যত উপনীত নোহোৱাৰ আন

এটা গুৰুত্বপূৰ্ণ কাৰণ। সেয়েহে ইয়াৰ ওপৰত মনোনিবেশ কৰাটো যথেষ্ট প্ৰয়োজনীয়। জিলা পৰ্যায়ৰ পৰিকল্পনা গোটক সবলীকৰণৰ দ্বাৰা উপযুক্তভাৱে ঋণ প্ৰস্তুত কৰাতো বাঞ্ছনীয় যাতে ঋণ প্ৰস্তুত প্ৰণালীত কোনোধৰণৰ বিসংগতিয়ে দেখা নিদিয়ে।

- সময়ৰ লগে লগে অগ্ৰণী বেংক আঁচনি আৰু ইয়াৰ লগত সংলগ্ন হৈ থকা বেংকৰ জিলা পৰ্যায়ৰ সমন্বয় সমিতিসমূহ নিষ্ক্ৰীয় হোৱা পৰিলক্ষিত হয়।
- এই আঁচনিসমূহ পুনৰ কাৰ্যক্ষম কৰিবৰ বাবে বিভাগীয় লক্ষ্যসমূহত উপনীত হোৱা, বেংকৰ ব্যৱসায়িক লেনদেনত মনোযোগ দিয়া, আনকি প্ৰতিটো খণ্ডৰ লক্ষ্য প্ৰাপ্তিৰ বাবেও জৰুৰী নিৰ্দেশনাৰ প্ৰয়োজন।
- বিভিন্ন সমিতি যেনে খণ্ড পৰ্যায়ৰ বেংক সমিতি, জিলা সমন্বয় সমিতি আৰু জিলা পুনৰীক্ষণ সমিতিসমূহে গুৰুত্ব সহকাৰে কাৰ্য সম্পাদন কৰা কেতিয়াবাহে দেখিবলৈ পোৱা যায়।
- অগ্ৰণী বেংক আঁচনিৰ হিচাপৰ কোনো তথ্য নাই আৰু অগ্ৰাধিকাৰ খণ্ডৰ ঋণ ব্যৱস্থাৰ হিচাপৰ লগত ইয়াৰ কোনো মিল থকা দেখা নাযায়।

অগ্ৰণী বেংকসমূহ উপযুক্তভাৱে পৰিচালনা কৰিবৰ বাবে কিছুমান পৰামৰ্শ তলত দিয়া ধৰণৰ-

- অগ্ৰণী বেংকসমূহৰ অসুবিধাসমূহ আঁতৰাই ইয়াক পুনৰজীৱিত কৰা প্ৰয়োজন। যাতে ই এক শক্তিশালী আহিলা হিচাপে জিলাসমূহৰ বেংকবিলাকৰ মাজত এক প্ৰকৃত সমন্বয় বজায় ৰখাত সহায় হয়।
- এই আঁচনিয়ে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ ব্যাপক যোগদানৰ যোগেদি বিত্তীয় সংযোজনৰ সম্পূৰ্ণ লক্ষ্যত উপনীত হ'ব পাৰিব।
- অগ্ৰণী বেংক আঁচনিৰ প্ৰধান অসুবিধা হ'ল কাৰ্যকৰীকৰণ সমস্যা। নিশ্চিতভাৱে, বিত্তীয় সংযোজনৰ দ্বাৰা প্ৰত্যেক বেংক আৰু জিলা পৰ্যায়ৰ মাজৰ বিত্তীয় সংযোজনৰ মাজত এক একতাপূৰ্ণ সমন্ধ স্থাপন কৰাত সুবিধা হ'ব।
- এফালৰ পৰা প্ৰত্যেক অঞ্চল বা স্থানত এক অৰ্থপূৰ্ণ বিত্তীয় সংযোজনৰ লক্ষ্যত উপনীত হ'বলৈ অঞ্চলসমূহত এক বিশেষ আৰু নিৰ্দিষ্ট বেংকক দায়িত্ব প্ৰদান কৰিব লাগে।
- বেংকসমূহে আধুনিক পদ্ধতি যেনে সম্পূৰ্ণ কম্পিউটাৰ প্ৰয়োগ তথা তথ্যৰ পৰিচালনা সঠিক ৰূপত কৰিব লাগিব আৰু সাময়িক প্ৰতিবেদন আৰু পুনৰীক্ষণ প্ৰতিবেদন, বাৰ্ষিক খচৰা পৰিকল্পনাৰ প্ৰতিবেদন আৰু বিত্তীয় সংযোজনৰ পৰিকল্পনাও বেংকসমূহে তৈয়াৰ কৰিব লাগিব।
- জিলা পৰ্যায়ৰ পৰামৰ্শদাতা সমিতিবোৰৰ প্ৰয়োজনীয় দোষ ত্ৰুটিবোৰ আঁতৰাই, এক ফলপ্ৰসু আঁচনি হিচাপে পৰিগণিত কৰিব লাগিব।

- সকলো সদস্য বেংকক সক্ৰিয়ভাৱে জড়িত কৰি অগ্ৰণী বেংক আঁচনিক এক ফলদায়ক আঁচনি হিচাপে উপস্থাপন কৰিব লাগিব।



চিন্তা চৰ্চা কৰক ১

দেশৰ সমগ্ৰ বেংক ব্যৱস্থাৰ সংস্কাৰৰ বাবে অগ্ৰণী বেংক আঁচনি গুৰুত্বপূৰ্ণ বুলি আপুনি ভাবানে? মতামত দিয়ক।

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ/অশুদ্ধ বিচাৰ কৰক-

(ক) ১৯৬৭ চনত ৰাষ্ট্ৰীয় ঋণ পৰিষদ স্থাপন হৈছিল (শুদ্ধ/অশুদ্ধ)

(খ) ১৯৪৯ চনৰ পহিলা জানুৱাৰীত প্ৰথম ৰাষ্ট্ৰীয় বেংকটো হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক। (শুদ্ধ/অশুদ্ধ)

৯.৬ ১৯৯০ চনৰ পৰা বাণিজ্যিক বেংকৰ জৰিয়তে ভাৰত চৰকাৰে বিভিন্ন খণ্ডত ৰূপায়িত কৰা কিছুমান প্ৰধান আঁচনিৰ পৰ্যালোচনা

ভাৰত চৰকাৰৰ মন্ত্ৰালয়সমূহে সময়ে সময়ে বিভিন্ন চৰকাৰী আঁচনি গ্ৰহণ কৰে। সেই আঁচনিসমূহ, কেন্দ্ৰীয়, ৰাজ্যিক বা দুয়োখন চৰকাৰৰ যৌথ প্ৰচেষ্টাত কাৰ্যকৰী কৰা হয়। ১৯৯০ চনৰ পৰা বাণিজ্যিক বেংকৰ যোগেদি ভাৰত চৰকাৰে কাৰ্যকৰী কৰা কিছুমান আঁচনি তলত আলোচনা কৰা হ'ল—

- **ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন ২০০৫** (NREGA) ঃ কৰ্মৰ অধিকাৰ (Rights to work) ৰ লক্ষ্যক নিশ্চিত প্ৰদান কৰিবলৈ ভাৰতীয় শ্ৰম আৰু সামাজিক সুৰক্ষা ব্যৱস্থাৰ পদক্ষেপ হিচাপে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (NREGA) পিছলৈ মহাত্মা গান্ধী নিয়োগ নিশ্চিত আইন (MGNREGA) প্ৰণয়ন কৰে। গাঁও অঞ্চলৰ জীৱনধাৰণৰ মানৰ সুৰক্ষা প্ৰদান আৰু বৃদ্ধি কৰিবলৈ প্ৰতিঘৰ পৰিয়ালৰ স্বইচ্ছাই অদক্ষ শাৰীৰিক শ্ৰম কৰিব পৰা সাবালক সদস্যক বিত্তীয় বৰ্ষত ১০০ দিনৰ মজুৰি পাব পৰা কৰ্ম সংস্থাপন দিয়াটোৱেই এই আঁচনিৰ লক্ষ্য তথা উদ্দেশ্য। এই আঁচনিখন পি ভি নৰসিংহ ৰাওৰ চৰকাৰৰ সময়তে ১৯৯১ চনত প্ৰথমবাৰৰ বাবে প্ৰস্তাৱিত হৈছিল। পিছত সদনত চূড়ান্তভাৱে গৃহীত হয় আৰু ভাৰতৰ ৬২৫খন জিলাত কাৰ্যকৰী হয়। পৰীক্ষামূলক অভিজ্ঞতাৰ ভিত্তিত, এই নিয়োগ নিশ্চিত আইনখন, ২০০৮ চনৰ ১ এপ্ৰিলৰ পৰা ভাৰতৰ সকলো জিলাকে সামৰি ইয়াৰ পৰিসৰ বৃদ্ধি কৰা হয়। চৰকাৰৰ এই পদক্ষেপক 'বিশ্বৰ ভিতৰত সৰ্ববৃহৎ আৰু সৰ্বোচ্চ অভিলাষী সামাজিক সুৰক্ষা আৰু লোক কল্যাণ কৰ্ম আঁচনি' বুলি ভাবমূৰ্তি সৃষ্টি আৰু

সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ২০১৪ চনৰ বিশ্ব উন্নয়ন প্ৰতিবেদনত, বিশ্ব বেংক গ্ৰাম্য উন্নয়নৰ এক নক্ষত্ৰ সদৃশ উদাহৰণ হিচাপে ইয়াক উল্লেখ কৰিছে। প্ৰথমতে, এই আঁচনিখনে প্ৰতিঘৰ গাঁৱৰ পৰিয়ালৰ স্বইচ্ছাই শাৰীৰিক শ্ৰম কৰিব পৰা সাবালক সদস্যক এক বিত্তীয় বৰ্ষত ১০০ দিনৰ মজুৰি দিব পৰাকৈ কৰ্মসংস্থান দিয়াটোৱেই উদ্দেশ্য আছিল। এই আঁচনিৰ আন এটা লক্ষ্য হ'ল স্থাবৰ সম্পত্তি গড় দিয়া, ৰাষ্টা বনোৱা, আলি পদুলি নিৰ্মাণ, পুখুৰী খন্দা ইত্যাদি আবেদনকাৰীক তেওঁৰ বাসস্থানৰ ৫ কিলোমিটাৰৰ ভিতৰত নিয়োজিত কৰিব লাগিব আৰু সৰ্ব নিম্ন মজুৰি দিব লাগিব। যদি আবেদন কৰা তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত কৰ্ম প্ৰদান কৰিব পৰা নাযায়। তেন্তে তেওঁক নিবনৱা ভাট্টা দিব লাগিব। এইদৰে এই আঁচনিৰ জৰিয়তে নিয়োগক এক আইনগত অধিকাৰ প্ৰদান কৰা হৈছে। এই আঁচনি প্ৰধানকৈ গাঁও পঞ্চায়তসমূহে ৰূপায়ণ কৰিব লাগে। ইয়াত ঠিকাদাৰক জড়িত কৰাত নিষেধাজ্ঞা আৰোপ কৰা আছে। ইয়াত শ্ৰম প্ৰাধান্য যেনে— জনসাধাৰণৰ বাবে আন্তঃগাঁথনি, খৰাং আক্ৰান্তক সাহায্য, বাননিয়ন্ত্ৰণ আদি কাৰ্যৰ বেছি অগ্ৰাধিকাৰ দিয়া হয়। অৰ্থনৈতিক সুৰক্ষা আৰু গ্ৰাম্য সম্পত্তি সৃষ্টিৰ উপৰিও, মহাত্মা গান্ধী নিয়োগ নিশ্চিত আঁচনিয়ে পৰিৱেশ সুৰক্ষা, গ্ৰাম্য মহিলা সবলীকৰণ, চহৰ-গাঁৱৰ মাজত প্ৰব্ৰজন হ্ৰাস, সামাজিক ন্যায় পৃষ্ঠপোষকতা কৰা আদি অন্যান্য কাৰ্যত সহায় কৰে। এই আঁচনিক উদগনি দিবলৈ সক্ৰিয় পৰিচালনা আৰু ৰূপায়ণত আইনগত সুৰক্ষা প্ৰদানৰ ব্যৱস্থা আছে। এই আইনখনে বিতংভাৱে নীতি আৰু ৰূপায়ণৰ লগত জড়িত সহায়ক শক্তিসমূহ, মঞ্জুৰিকৃত কৰ্মৰ সূচী, বিত্তীয় গাঁঠনি, নিৰীক্ষণ আৰু পৰ্যালোচনা আৰু গুৰুত্বপূৰ্ণ দিশটো হ'ল সচ্ছতা আৰু দায়িত্ব আৰোপ আদি সকলো উল্লেখ কৰিছে।

- **প্ৰধানমন্ত্ৰী জন ধন যোজনা** (PMJDY) ঃ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে ২০১৪ চনৰ স্বাধীনতা দিৱসৰ দিনা দেশৰ প্ৰতি পৰিয়ালকে বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ যোগেদি ৰাষ্ট্ৰীয় লক্ষ্য হিচাপে বিশ্বজনীন বেংক সেৱা প্ৰদান কৰিবলৈ, বিত্তীয় সাক্ষৰতা, ঋণৰ উপলব্ধ, বীমা আৰু অৱসৰকালীন সুবিধা সামগ্ৰিকভাৱে বিতৰণ কৰিবলৈ 'প্ৰধানমন্ত্ৰী জনধন যোজনা' ঘোষণা কৰিছিল। ইয়াৰ দ্বাৰা বেংকত কোনো সঞ্চয় নথকা ব্যক্তিয়ে কোনো নিম্নতম ৰাশিৰ পইচাৰ অবিহনে বেংকৰ হিচাপ বহী খুলিবলৈ সমৰ্থ হৈছিল। আনকি স্ব-স্বীকাৰোক্তিৰ ওপৰত ভিত্তি কৰি কোনো প্ৰয়োজনীয় কাৰ্যালয় সংক্ৰান্তীয় নথি-পত্ৰ অবিহনেও হিচাপ বহি খুলিব পৰা ব্যৱস্থা কৰা হৈছে।
- **প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা** (PMSBY) ঃ এইখন বাণিজ্যিক বেংকৰদ্বাৰা প্ৰযোজ্য হোৱা এখন গুৰুত্বপূৰ্ণ আঁচনি। এই আচঁনিয়ে ১৮-৭০ বছৰ বয়সৰ, যিসকলে ৩১ মে'ৰ আগতে বেংকৰ হিচাপ বহী খোলাত যোগ দিয়াৰ ইচ্ছা প্ৰকাশ কৰিছিল আৰু যিসকলে স্বয়ংকৃত জমা ৰাশিৰ ব্যৱস্থা ৩১ মে'ৰ অগতে কৰিবলৈ সক্ষম হৈছিল, আৰু বছৰি পুনৰ নবীকৰণ ১ জুনৰ পৰা ৩১ মে'ৰ ভিতৰত কৰিছিল, তেনে লোক সকল ইয়াৰ অন্তৰ্ভুক্ত আছিল। ইয়াৰ উপৰিও এই আচঁনিত 'আধাৰ' থকাটো বাঞ্ছনীয় আছিল। এই আঁচনিৰ

অধীনত দুর্ঘটনাজনিত মৃত্যুৰ সাম্ভাব্য ক্ষতিৰ বাবে ২ লাখ মূল্যৰ আবৃতকৰণ আৰু আংশিকভাৱে ঘূণীয়া হ'লে ১ লাখ টকাৰ ক্ষতিৰ বাবে আবৃতকৰণ ব্যৱস্থা উপলব্ধ। বীমা কিস্তিৰ বাবদ বছৰি ১২ টকা হাৰত এবাৰ বেংকৰ সঞ্চয়ৰ হিচাপৰ পৰা স্বয়ংক্রিয় জমা ব্যৱস্থাৰ দ্বাৰা জমা হয়। এই আঁচনি ৰাজহুৱা খণ্ডৰ বেংকৰ দ্বাৰাহে প্রদান কৰা হয়।

- **অটল পেনচন যোজনা** (Atal Pension Yojana) ঃ অসংগঠনিক খণ্ডক উদ্দেশ্য কৰিয়েই চৰকাৰী পৃষ্ঠপোষকতাত এই আঁচনিৰ প্রবর্তন কৰা হৈছে। এই আঁচনিৰ অধীনত চৰকাৰী বৰঙণিৰ লগত সামঞ্জস্য থকাকৈ এক নির্দিষ্ট পৰিসৰৰ ভিতৰত জনসাধাৰণক স্বইচ্ছাই বৰঙণি প্রদান কৰিবলৈ অনুমতি দিয়ে। ২০১৫ চনৰ বাজেট ভাষণত বিত্তমন্ত্রী অৰুণ জেটলীয়ে এই আঁচনি উল্লেখ কৰিছিল। ২০১৫ চনৰ ৯ মে' তাৰিখে কলকতা চহৰত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে এই আঁচনিৰ শুভ উদ্বোধন কৰে। ২০১৫ চনৰ মে' মাহৰ তথ্য অনুসৰি, ভাৰতবর্ষৰ মাথো ২০% জনসংখ্যাৰহে যিকোনো পেনচনৰ সুবিধা আছে। অটল পেনচন আঁচনিৰ যোগেদি অসংগঠিত খণ্ডত পেনচনৰ সংখ্যা বৃদ্ধি কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।
- **প্রধানমন্ত্রী জীৱনজ্যোতি বীমা যোজনা** (Pradhan Mantri Jeevan Jyoti Bima Yojana) ঃ ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত এই বীমা আঁচনি প্রণয়ন কৰা হয়। প্রথমতে, ২০১৫ চনৰ ফেব্রুৱাৰী মাহত বাজেটৰ ভাষণত তদানিন্তন বিত্তীয়মন্ত্রী অৰুণ জেটলীয়ে এই আঁচনিৰ বিষয়ে উল্লেখ কৰিছিল আৰু প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ২০১৫ চনৰ ৯ মে' তাৰিখে কলকতাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ২০১৫ চনৰ মে' মাহৰ তথ্য অনুসৰি ভাৰতবর্ষৰ জনসংখ্যাৰ মাথো ২০% লোকৰ বাবে জীৱন বীমাৰ সুবিধা উপলব্ধ আৰু সেই কাৰণে এই আঁচনিৰ দ্বাৰা জীৱন বীমাৰ সংখ্যা বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।
- **প্রধানমন্ত্রী মুদ্রা যোজনা** ঃ এই আঁচনিখন ২০১৫ চনৰ ৮ এপ্রিলত উদ্বোধন কৰা হৈছিল। এই আঁচনিৰ অধীনত ৫০,০০০ টকাৰ তলৰ ৰাশিৰ ঋণক 'শিশু', ৫০,০০০ টকাৰ পৰা ৫ লাখ মূল্যৰ ঋণক 'কিশোৰ' আৰু ৫ লাখৰ পৰা ১০ লাখ মূল্য ৰাশিৰ ঋণক 'তৰুণ' উপ আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছে। এই ঋণৰ বাবে কোনো সমান্তৰাল বস্তু বেংকত জামিন হিচাপে দিব নালাগে। এই পদক্ষেপৰ দ্বাৰা যুৱক, শিক্ষিত বা দক্ষ শ্রমিকসকলৰ মাজত প্রথম প্রজন্মৰ ব্যৱসায় স্থাপনৰ সুযোগৰ অনুপ্রেৰণা আৰু দৃঢ়তা বৃদ্ধিৰ বাবে লগতে বর্তমানৰ ক্ষুদ্র ব্যৱসায়ীসকলক তেওঁলোকৰ কর্মৰাজী সম্প্রসাৰণ কৰিবলৈ এই আঁচনিয়ে সহায় আগবঢ়ায়। ২০১৯ চনৰ ৩১ মার্চ তাৰিখলৈ ৩,২১,৭২২ কোটি টকা (১,৪২,৩৪৫ কোটি টকা শিশু, ১০৪,৩৮৬ কোটি টকা কিশোৰ আৰু ৭৪,৯৯১ কোটি টকা 'তৰুণ' শ্রেণীৰ বাবে) পুনৰ অনুমোদন কৰা হৈছে।
- **ষ্টেন্দ আপ ইণ্ডিয়া আঁচনি** (Stand up India Scheme): ভাৰত চৰকাৰে ২০১৬ চনৰ ৫ এপ্রিল তাৰিখে, এই আঁচনি শুভাৰম্ভ কৰে। এই আঁচনিৰ জৰিয়তে অতি কমেও এজন অনুসূচীত জাতি বা জনজাতিৰ ঋণ লওতাক আৰু অতি কমেও এগৰাকী মহিলা ঋণ

লওতাক প্ৰথমবাৰৰ প্ৰতিষ্ঠান স্থাপন কৰিবলৈ বেংকৰ ১০ লাখ টকা ৰাশিৰ পৰা ১ কোটি টকা ৰাশিৰ মূল্য ঋণ হিচাপে প্ৰদান কৰে। এই প্ৰতিষ্ঠানসমূহ উৎপাদিত অথবা সেৱা খণ্ডৰ হ'ব পাৰে। এই আঁচনি ৰূপায়ণৰ জৰিয়তে তালিকাযুক্ত বাণিজ্যিক বেংক অতি কমেও ২.৫ লাখ ঋণৰ হিতাধিকাৰীক সামৰি ল'ব লাগিব। সমগ্ৰ দেশতে এই আঁচনিৰ তালিকাযুক্ত বাণিজ্যিক বেংকৰ জৰিয়তে ৰূপায়ণ আৰু সম্প্ৰসাৰণ কৰা হৈছে।

৯.৬.১ এই আঁচনিসমূহ ৰূপায়নত থকা মূখ্য অসুবিধাসমূহ

যদিও এই আচঁনিসমূহ চৰকাৰে বিভিন্ন উদ্দেশ্য পুৰণৰ অৰ্থে আগবঢ়াইছিল, কিন্তু এই আচঁনিসমূহে তলত দিয়া অসুবিধা সমূহৰ সন্মুখীন হোৱা দেখা যায়-

- উপযুক্ত তথ্যৰ অভাৱৰ বাবে এই আচঁনিয়ে কিমান মানুহক সামৰি ল'ব বা কিমান সংখ্যক উপকৃত হ'ব তাক জনা নাযায়।
- জনসাধাৰণৰ মাজত সজাগতাৰ অভাৱৰ বাবেও এই আচঁনিসমূহ ঠিকমতে প্ৰযোজ্য নহয়, ফলত উপকৃতৰ সংখ্যাও সীমিত হয়।
- এই আচঁনিসমূহৰ বাবে অযোগ্য ব্যক্তিৰ নাম অন্তৰ্ভুক্তিৰ বাবেও এই আচঁনিসমূহ ফলৱতী হ'ব পৰা নাই।
- ৰাজনৈতিক হস্তক্ষেপৰ বাবে যিসকল ব্যক্তিয়ে এই আচঁনিৰ আচল দাবীদাৰ হয়, তেওঁলোকক বঞ্চিত কৰি অযোগ্য ব্যক্তিৰ নাম সংযোজনৰ ফলত আচঁনিসমূহৰ সফলতা সীমিত হৈছে।
- বেংকৰ হিচাপ বহী নথকাৰ বাবেও এই আচঁনিসমূহৰ দ্বাৰা উপকৃত হোৱাৰ সংখ্যা কম।
- যথোপযুক্ত নিৰীক্ষণ ব্যৱস্থা নথকাও এই আচঁনিসমূহৰ অন্য এটা বিফলতা বুলিব পাৰি। এইক্ষেত্ৰত চৰকাৰে স্বাধীনভাৱে নিৰীক্ষণ কৰাৰ বাবে একোটা গোট সৃষ্টি কৰিলেহে এই আচঁনিসমূহ সচাঁ অৰ্থত ফলপ্ৰসু হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ শুদ্ধ/অশুদ্ধ বিচাৰ কৰক-

(ক) ভাৰতৰ অসংগঠিত খণ্ডৰ বাবে 'অটল পেনচন যোজনা' লক্ষ্য কৰি লোৱা হৈছে। (শুদ্ধ/অশুদ্ধ)

(খ) 'কৰ্মৰ অধিকাৰ'ৰ নিশ্চিত প্ৰদান কৰাটোৱে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ লক্ষ্য আৰু উদ্দেশ্য। (শুদ্ধ/অশুদ্ধ)



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাণিজ্যিক বেংকে জনসাধাৰণৰ পৰা জমাধান সংগ্ৰহ কৰি, উপাৰ্জন কৰাৰ উদ্দেশ্য সেই ধন ৰাশিক বিনিয়োগৰ বাবে ঋণ হিচাপে প্ৰদান কৰা কাৰ্য্য সম্পাদন কৰে।
- বাণিজ্যিক বেংক মানে বেংক নিয়ন্ত্ৰণ আইন ১৯৪৯ৰ অধীনৰ নিয়ন্ত্ৰিত তালিকাযুক্ত আৰু তালিকা বৰ্হিভূত দুয়োবিধ বাণিজ্যিক বেংকক সূচায়।
- ভাৰতবৰ্ষৰ আধুনিক বেংক ব্যৱস্থা, আধুনিক দৃষ্টিত ১৮ শতিকাৰ শেষাৰ্দ্ধত আৰম্ভণি হৈছিল। ভাৰতৰ বাণিজ্যিক বেংকসমূহ তালিকাযুক্ত আৰু তালিকা বৰ্হিভূত হিচাপে শ্ৰেণীভুক্ত কৰা হয়।
- তালিকাযুক্ত বেংকসমূহ আকৌ বিভিন্ন ভাগত বিভক্ত কৰা হৈছে, যেনে— ৰাষ্ট্ৰীয়কৃত বেংক ভাৰতীয় ষ্টেট বেংক আৰু ইয়াৰ সহযোগী আঞ্চলিক গ্ৰামীন বেংক, বিদেশী বেংক আৰু অন্যান্য ভাৰতীয় ব্যক্তিগত খণ্ডৰ বেংকসমূহ।
- ঋণৰ অগ্ৰাধিকাৰ খণ্ড ব্যৱস্থাৰ দ্বাৰা বেংকৰ ঋণৰ এটা বিশেষ অংশৰ পৰা এক কম সংখ্যক অগ্ৰাধিকাৰ খণ্ডৰ যেনে কৃষি তথা ইয়াৰ সহযোগী, ক্ষুদ্ৰ আৰু অতিক্ষুদ্ৰ ব্যৱসায় আৰু প্ৰতিষ্ঠানক ঋণ প্ৰদান কৰা হয়।
- অগ্ৰণী বেংক আঁচনি ১৯৬৯ চনত ভাৰতবৰ্ষত পোনপ্ৰথমবাৰৰ বাবে বাণিজ্যিক বেংকৰ অগ্ৰণী বেংক আঁচনিখন আৰম্ভণি কৰা হৈছিল। অৰ্থ ব্যৱস্থাৰ বিভিন্ন খণ্ডৰ বাবে বেংক ঋণ অগ্ৰাধিকাৰ খণ্ড নিৰ্ধাৰণ কৰিবলৈ গাডগিল অধ্যয়ন গোটে দিয়া পৰামৰ্শৱলীবোৰৰ ফলশ্ৰুতিয়ে অগ্ৰণী বেংক আঁচনি।
- ১৯১০ চনৰ পৰা বিভিন্ন খণ্ডত যেনে কৃষি, পশু, কৃষিজাত তথা কুটিৰ শিল্পক এক সবলৰূপ দিবলৈ বাণিজ্যিক বেংকসমূহে বিভিন্ন আঁচনি হাতত লৈছে।



৯.৮ অধিক জানিবলৈ

1) Bhole, L.M. (2017). *Financial Institutions and Market.* Kindle Edition

2) Gupta, S.B. (2010). *Monetary Economics: Institutions, Theory and Policy.* New Delhi: S. Chand & Company Ltd.



৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ



৯.১০ আৰ্হি প্ৰশ্ন

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত বাণিজ্যিক বেংকৰ উন্নয়নৰ বিষয়ে আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষৰ বেংক খণ্ডৰ অগ্ৰণী বেংকৰ আঁচনিখনৰ বিষয়ে পৰ্যালোচনা কৰক।

৩ নং প্ৰশ্ন ঃ বাণিজ্যিক বেংকৰ অগ্ৰাধিকাৰ খণ্ডৰ ঋণৰ বিষয়ে আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ ১৯৯০ চনৰ পৰা ভাৰত চৰকাৰে বাণিজ্যিক বেংকৰ সহায়ত গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ আঞ্চলিক গাঁৱলীয়া বেংক

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ আঞ্চলিক গাঁৱলীয়া বেংকৰ উদ্দেশ্যবোৰ
১০.৪ আঞ্চলিক গাঁৱলীয়া বেংকৰ কার্য্যৱলী
১০.৫ আঞ্চলিক গাঁৱলীয়া বেংকৰ অগ্রগতিৰ আৰু কার্য্যকলাপৰ মূল্যয়ন
১০.৬ আঞ্চলিক গাঁৱলীয়া বেংকৰ কার্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- আঞ্চলিক গাঁৱলীয়া বেংকৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- আঞ্চলিক গাঁৱলীয়া বেংকৰ উদ্দেশ্যবোৰ আৰু এই বেংকৰ বিভিন্ন কার্য্যবোৰ বুজি পাব
- এই পর্য্যন্ত আঞ্চলিক গাঁৱলীয়া বেংকৰবোৰে লাভ কৰা অগ্রগতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- আঞ্চলিক গাঁৱলীয়া বেংকৰ কার্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ণ বা পর্য্যবেক্ষণ কৰিব পাৰিব।

১০.২ পৰিচয়

আধুনিক অর্থব্যৱস্থাৰ কাম কাজবোৰৰ ক্ষেত্রত বেংক সেৱাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দেশ এখনৰ অর্থব্যৱস্থাত এই বেংকবোৰ এটা গুৰুত্বপূর্ণ অংশ। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ মুঠ জনসংখ্যাৰ ৬৮.৮৪ শতাংশ লোকেই গাঁৱত বাস কৰে। ভাৰতৰ ৫৮ শতাংশ মানুহৰ জীৱিকাৰ উপায় হৈছে কৃষি। ভাৰতবর্ষত বহুতো কৃষিভিত্তিক উদ্যোগ আছে। ভাৰতৰ মুঠ ঘৰুৱা উৎপন্নলৈ কৃষিখণ্ডৰ বৰঙণি হৈছে ১৭.৩২ শতাংশ আৰু ২০১৬-১৭ বিত্তীয় বর্ষৰ কৃষি-খণ্ডৰ মুঠ সংযোজিত মূল্যত আয়ৰ পৰিমাণ হ'ল ২৩.৮২ লাখ কৌটি টকা। সেয়েহে গ্রাম্য অর্থনীতিৰ উন্নতি হোৱাতো অত্যাৱশ্যকীয়। এই ক্ষেত্রত বেংক আৰু বিত্তীয় প্রতিষ্ঠানসমূহে এটা প্রধান ভূমিকা পালন কৰিব পাৰে।

গাঁওবোৰৰ বিত্তীয় দৃশ্যপটত ব্যক্তিগত মুদ্রা ধাৰলৈ দিয়া মানুহে পালন কৰি অহা ভূমিকাৰ বিষয়ে আমি সকলোৱেই অৱগত। গাঁৱৰ মানুহবোৰৰ কৃষি আৰু গাঁৱৰ পৰিৱেশত গঢ়ি তোলা উদ্যোগবোৰৰ প্রয়োজন অনুসৰি এই ঋণদাতা সকলে অর্থৰ যোগান ধৰে। এই ঋণদাতা সকলে অনা অনুষ্ঠানিক কাম কৰাৰ লগতে অত্যাধিক সুদৰ হাৰ দাবী কৰি ঋণীসকলক (টকা ধাৰে লোৱা মানুহবোৰক) বহু সময়ত শোষণ কৰি অহা দেখা গৈছিল। সেয়েহে টকা ধাৰলৈ দিয়া মানুহৰ ঠাইত আনুষ্ঠানিক ব্যৱস্থা এটা গ্রহণ কৰাটো অত্যাৱশ্যকীয় হৈ পৰিছিল।

এনেবোৰ পৰিস্থিতিৰ পৰিপ্রেক্ষিতত নৰসিংহম কমিটিৰ কার্য্যকৰী দলৰ (Narshimham Committee Working Group) বিবৃতিৰ ওপৰত ভিত্তি কৰি আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপন কৰিবলৈ ১৯৭৫ চনত এখন অধ্যাদেশ গ্রহণ কৰা হৈছিল। আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ গঠন প্রক্রিয়া আৰু কার্য্যাৱলী নিৰূপণৰ কাৰণে ১৯৭৬ চনত আঞ্চলিক গাঁৱলীয়া বেংক আইন (The RRB Act) খনো গ্রহণ কৰা হৈছিল। পাঁচ কোটি টকা মূলধন হিচাপে লৈ ৫টা আঞ্চলিক গাঁৱলীয়া বেংক স্থাপন কৰি ১৯৭৫ চনৰ ২ অক্টোবৰত আঞ্চলিক গাঁৱলীয়া বেংক স্থাপনৰ প্রাৰম্ভিক পদক্ষেপ লোৱা হৈছিল। আঞ্চলিক গাঁৱলীয়া বেংকবোৰে গাঁও আৰু অর্দ্ধচহৰ বা গাঁওৰ দাঁতি কাষৰীয়া সৰু চহৰবোৰৰ বাবে বিত্তীয় সম্পদ সংগ্রহ কৰে আৰু প্রধানতঃ ক্ষুদ্র আৰু উপান্ত বা প্রান্তীয় খেতিয়ক, কৃষক শ্রমিক আৰু গাঁৱলীয়া কাৰিকৰ সকলক ঋণ আগবঢ়ায়। এই বেংকবোৰৰ কার্য্যক্ষেত্র তেনেই সীমিত।

আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ মালিকীস্বত্ব কেন্দ্রীয় চৰকাৰ, সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু উদ্যোগক্তা বেংক প্রতিষ্ঠানৰ ওপৰত যৌথ ভাৱে থাকে। মুঠ পুজিৰ ৫০ শতাংশ কেন্দ্রীয় চৰকাৰৰ, ৩৫ শতাংশ উদ্যোক্তা বেংকৰ আৰু ১৫ শতাংশ সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ পৰা আহে। এই অধ্যায়টিত আমি আঞ্চলিক গাঁৱলীয়া বেংকৰ বিষয়ে সবিশেষ আলোচনা কৰিম।

১০.৩ আঞ্চলিক গাঁৱলীয়া বেংকৰ উদ্দেশ্যবোৰ

আঞ্চলিক গাঁৱলীয়া বেংকৰ প্রাথমিক উদ্দেশ্যবোৰ তলত আলোচনা কৰা হ'ল-

- ক্ষুদ্র আৰু প্রান্তিক খেতিয়ক আৰু ভূমিহীন শ্রমিক সকলক ৰেহাই দিয়া সুদৰ হাৰত (নিম্নহাৰৰ সুদত) ঋণৰ সুবিধা প্রদান কৰা আৰু ঋণৰ যোগান ধৰাৰ লগতে সহজ আৰু সুলভ ঋণৰ ব্যৱস্থা কৰি গাঁৱৰ কাৰিকৰ আৰু ক্ষুদ্র উদ্যোগীবোৰক উৎপাদনশীল কার্য্যত নিয়োজিত হৈ থাকিবলৈ উৎসাহ প্রদান কৰা।
- কৃষিখণ্ডলৈ সহজ সুদৰ হাৰত আর্থিক সাহার্য্য আগবঢ়াই দেশখনৰ গ্রাম্য অর্থনীতিক উন্নয়ণৰ বাবে উদ্যমী কৰি তোলাৰ লগতে একে সময়তে গাঁও অঞ্চলৰ ব্যৱসায়-বাণিজ্য, উদ্যোগ আৰু অন্যান্য উৎপাদন কার্য্যবোৰক উৎসাহিত কৰিবলৈ আঞ্চলিক গাঁৱলীয়া বেংকবোৰে ৰেহাই মূল্যত সহজ বিত্ত যোগান ধৰি উৎসাহ প্রদান কৰে।
- গাঁওবাসীক তেওঁলোকৰ সঞ্চয়ৰ ধন বেংকত জমা ৰাখিবলৈ উৎসাহিত কৰি গাঁৱলীয়া মানুহৰ মাজত বেংকীয় অভ্যাস গঢ়ি তোলা আৰু তাৰ জৰিয়তে মূলধন গঠনৰ লগতে

গ্রাম্য অর্থনীতিৰ বিকাশত বৰঙণি যোগোৱা।

- নিয়োগৰ সুবিধা সৃষ্টি কৰি গাঁও অঞ্চলত শিক্ষিত যুৱক সকলক নিযুক্তিৰ সুবিধা প্রদান কৰা।
- গাঁৱলীয়া বেংকৰ ব্যয় হ্রাস কৰা।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংক বুলিলে কি বুজা যায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২ নং প্রশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপনৰ প্রাৰম্ভিক প্রচেষ্টা কেতিয়া কৰা হৈছিল? (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

৩ নং প্রশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংক বোৰ আৰম্ভ কৰাৰ সময়ত ইয়াৰ বিত্তীয় স্থিতি কেনে আছিল? (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

৪ নং প্রশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকৰ মালিকীস্বত্ব কাৰ হাতত থাকে? (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

১০.৪ আঞ্চলিক গাঁৱলীয়া বেংকৰ কার্য্যৱলী

আঞ্চলিক গাঁৱলীয়া বেংকৰ উদ্দেশ্যবোৰৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে গ্রাম্য সমাজখনৰ উত্থানৰ ক্ষেত্রত এই বেংকবোৰে এটা প্রধান ভূমিকা গ্রহণ কৰিব পাৰে। "গাঁওৰ সম্পদৰ কাম্য ব্যৱহাৰ আৰু উৎপাদনশীল অর্থত সম্পদ প্রয়োগ কৰি আঞ্চলিক গাঁৱলীয়া বেংকবোৰে গ্রাম্যঞ্চলত অর্থনৈতিক উন্নয়ন প্রক্রিয়াক সহজসাধ্য কৰি তুলিব পাৰে" এই কথাটো অর্থনীতিবিদসকল আৰু চৰকাৰেও মানি লৈছে। সেয়েহে গ্রাম্য বিত্তযোগানৰ বাবে এই বেংকবোৰক এটা প্রধান অনুষ্ঠান বুলি গণ্য কৰা হয়। প্রত্যেকটা আঞ্চলিক গাঁৱলীয়া বেংকক অনুসূচিত বাণিজ্যিক বেংকৰ সমমর্য্যদা দিয়াৰ লগতে বেংক ব্যৱসায় চলাবলৈ ক্ষমতা প্রদান কৰা হৈছে। আমানত সংগ্রহ কৰা আৰু ব্যক্তিগত বা দলবদ্ধ ঋণ প্রদানৰ বাবে এই বেংকবোৰ দায়বদ্ধ।

ওপৰত উল্লেখ কৰা বিষয়ৰ ওপৰত ভিত্তি কৰি আমি এতিয়া তলত দিয়া ধৰণে আঞ্চলিক গাঁৱলীয়া বেংকৰ কামবোৰ আলোচনা কৰিম হ'ক। যিহেতু আঞ্চলিক গাঁৱলীয়া বেংকৰ কামবোৰৰ এখন বিস্তৃত তালিকা প্রস্তুত কৰা সম্ভৱ নহয় সেয়েহে আমি এই বেংকবোৰৰ দুটা প্রধান কাম

যেনে - আমানত গ্রহণ (সংগ্রহ) আৰু ঋণ প্রদানৰ বিষয়ে বহলভাৱে আলোচনা কৰিম।

- **আমানত গ্রহণ ঃ**

আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ এটা গুৰুত্বপূর্ণ কাম (দায়বদ্ধতা) হৈছে, গ্রাম্য আমানত (জমা) সংগ্রহ কৰা। গাঁৱৰ ৰাইজক তেওঁলোকৰ সঞ্চয় কৰা ধন বেংকত জমা থবলৈ উৎসাহিত কৰিবলৈ এনে বেংকবোৰ দায়বদ্ধ হোৱা দেখা যায়। সেয়েহে আঞ্চলিক গাঁৱলীয়া বেংকবোৰে বিভিন্ন জমা হিচাপ যেনে স্থায়ী হিচাপ, চলিত হিচাপ আৰু সঞ্চয়ী হিচাপ আদিৰ ব্যৱস্থা কৰিব লগা হয়। বাণিজ্যিক বেংকবোৰৰ দৰেই আঞ্চলিক গাঁৱলীয়া বেংকবোৰেও চকুত পৰাকৈ সুদ দিয়াৰ ব্যৱস্থা কৰি আমানতকাৰী সকলক তেওঁলোকৰ ধন বেংকত জমা থবলৈ উৎসাহিত কৰে।

- **ঋণ প্রদান ঃ**

আঞ্চলিক গাঁৱলীয়া বেংকৰ আন এটা গুৰুত্ব পূর্ণ কাম হৈছে খেতিয়ক সকলক সস্তীয়া (সুলভ) ঋণ প্রদানৰ ব্যৱস্থা কৰা। অৱশ্যেই গাঁৱৰ জনসাধাৰণক সস্তীয়া আৰু সহজ ঋণৰ সুবিধা প্রদান কৰাৰ জৰিয়তে গ্রাম্য অর্থনীতিৰ উত্থান ঘটোৱাৰ উদ্দেশ্যৰেই আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপন কৰা হৈছিলে, সেয়েহে আঞ্চলিক গাঁৱলীয়া বেংকবোৰে ক্ষুদ্র আৰু প্রান্তীয় খেতিয়ক, কৃষি বনুৱা, কাৰিকৰ, ক্ষুদ্র আৰু প্রান্তীয় উদ্যোক্তা আৰু লগতে গাঁওবোৰৰ অন্যান্য আর্থিক ভাৱে পিছপৰা আৰু দুর্বল শ্রেণীৰ লোকক সস্তীয়া আৰু সহজ ঋণৰ যোগান ধৰে। সামান্য লিখা-পঢ়া ব্যৱস্থা আৰু আনুষ্ঠানিক নিয়মৰ মাজেৰে এনে ঋণৰ সুবিধা প্রদান কৰা হয় যাতে গাঁও বাসীয়ে ঋণৰ বাবে বেংকলৈ আহিবলৈ অনিচ্ছা নেদেখুৱায়। তদুপৰি এই সহজ ঋণ দানৰ সুবিধা প্রদান কৰাৰ কাৰণ হৈছে গাঁৱৰ দুখীয়া আৰু সহজসৰল মানুহবোৰ যেন মহাজনৰ শোষণৰ কবলত নপৰে। আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপন কৰাৰ পূর্বে মহাজন শ্রেণীটোৱে গাঁওবাসীক বহুত ধৰণে শোষণ কৰিছিল। সময়ত ঋণ পৰিশোধ কৰিব নোৱাৰিলে দুখীয়া মানুহবোৰক তেওঁলোকৰ মাটি-বাৰী আৰু অন্য পৰিসম্পদ মহাজন বিলাকক দি দিবলৈ বাধ্য কৰাইছিল। সেয়েহে দুখীয়া গাওঁবাসী মহাজনৰ দ্বাৰা শোষিত হোৱাৰ ফলত গ্রাম্য অর্থনীতি শোষণৰ অর্থনীতিত পৰিণত হৈছিল। ইয়াৰ ফলস্বৰূপে গ্রাম্য অর্থনীতিৰ বিকাশ বাধাগ্রস্থ হৈছিল। আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপনৰ ফলত এই সমস্যাবোৰৰ অন্ত পৰিব বুলি আশা কৰা হৈছিল।

ওপৰত উল্লেখ কৰা কাম দুবিধৰ লগতে আঞ্চলিক গাঁৱলীয়া বেংকবোৰে কৰা অন্যান্য গুৰুত্বপূর্ণ কামবোৰ হৈছে—

- আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ লক্ষ্য হৈছে অনুঘটকৰ ভূমিকা পালন কৰা আৰু তাৰ জৰিয়তে অঞ্চলটোৰ অর্থনৈতিক বিকাশৰ প্রক্রিয়াটো আগুৱাই নিয়া।
- আঞ্চলিক গাঁৱলীয়া বেংকৰ আন এটা গুৰুত্বপূর্ণ কাম হৈছে গাঁৱবাসীৰ মাজত বেংকীয় অভ্যাসৰ প্রতি স্পৃহা জগাই তোলা আৰু তাৰ জৰিয়তে অঞ্চলটোৰ অর্থনৈতিক উন্নয়ণৰ বাবে সঞ্চয় (মূলধন) সংগ্রহ কৰা।
- আঞ্চলিক গাঁৱলীয়া বেংকবোৰে অঞ্চলটোৰ বেপাৰ-বাণিজ্যক উৎসাহিত কৰি গাঁৱৰ

যুৱকসকলৰ বাবে নিয়োগৰ সুযোগ বৃদ্ধি কৰে।

- আঞ্চলিক গাঁৱলীয়া বেংকবোৰে গাঁও অঞ্চলৰ কাৰিকৰ আৰু উদ্যোগবোৰক উৎসাহিত কৰি অঞ্চলটোত উদ্যোগীক কাম কাজৰ প্রসাৰ ঘটায়।
- গাঁওবিলাকৰ ক্ষেত্রত কিছুমান বিশেষ অঞ্চলভিত্তিক প্রয়োজন আছে যিবোৰ সমগ্র দেশখনৰ কাৰণে প্রস্তুত কৰা নীতি (আঁচনি) সমূহে সামৰি ল'ব নোৱাৰে, সেয়েহে আঞ্চলিক গাঁৱলীয়া বেংকবোৰে অঞ্চল বিশেষে গাঁৱবাসী সকলৰ বিশেষ প্রয়োজন পূৰণ কৰে।
- সকলোবোৰ গাঁও আৰু অঞ্চল একে সমান নহয় আৰু প্রত্যেকখন গাঁও বা অঞ্চলৰে সুকীয়া সুকীয়া, সমস্যা আছে। আঞ্চলিক গাঁৱলীয়া বেংকবোৰে এই বিশেষ সমস্যাবোৰ সমাধানৰ বাবে প্রয়োজন পূৰণ কৰি দেশখনৰ বিভিন্ন অঞ্চলৰ মাজত থকা অর্থনৈতিক বৈষম্য দূৰ কৰে।



অগ্রগতি নিৰীক্ষণ

৫ নং প্রশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকৰ দুটা প্রাথমিক কার্য্যৰ নাম লিখক। (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

৬ নং প্রশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকবোৰে কেনেদৰে নিয়োগ সাম্ভাব্যতা (নিয়োগৰ সুযোগ) বৃদ্ধি কৰিবলৈ চেষ্টা কৰে। (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

১০.৫ আঞ্চলিক গাঁৱলীয়া বেংকৰ অগ্রগতি আৰু কার্য্যকলাপৰ মূল্যায়ণ

১৯৭৫ চনত স্থাপন কৰা আঞ্চলিক গাঁৱলীয়া বেংকবোৰে দেশখনৰ গাঁও অঞ্চলৰ অর্থনৈতিক উন্নয়নৰ ক্ষেত্রত প্রামাণিক (চূড়ান্ত) ভূমিকা পালন কৰি আহিছে। ভাৰত চৰকাৰে গ্রহণ কৰা বহু এজেন্সি দৃষ্টিকোণ (multiagency approach) ত কৃষি ঋণ যোগানৰ ক্ষেত্রত আঞ্চলিক গাঁৱলীয়া বেংকবোৰে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। কৃষি উদ্যোগ, বেপাৰ-বাণিজ্য আৰু অন্যান্য উৎপাদনশীল কামৰ বাবে বিত্তৰ যোগান ধৰি গ্রাম্য অর্থনীতিৰ উন্নয়ন সাধনৰ লক্ষ্যৰে স্থাপন কৰা এই বেংকবোৰৰ স্থান গ্রাম্য অর্থনীতিৰ উন্নয়নৰ ক্ষেত্রত অপৰিহার্য্য। ভাৰতৰ বিত্তীয় দৃশ্যপটত সেই বেংকবোৰে বিগত ৩৭ বছৰে বিশেষ স্থান লাভ কৰি আহিছে। প্রতিষ্ঠা কৰা দিনৰে পৰা আঞ্চলিক গাঁৱলীয়া বেংকবোৰে মহাজন (টকা ধাৰে দিয়া মানুহ) বোৰৰ অনৈতিক কার্য্যৰোধ কৰাৰ ক্ষেত্রত শক্তিশালী প্রত্যাহ্বান জনাই আহিছে।

এটা বেংকৰ শাঁখাৰ সংখ্যা আৰু শাঁখাৰ সম্প্রসাৰণে বেংকৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে যিহেতু তাৰ জৰিয়তেহে বেংকবোৰে গ্রাহক সকলৰ ওচৰ চাপিব পাৰে। ২০১৯ চনৰ

১ মার্চত ভাৰতবর্ষত ৫৩ টা আঞ্চলিক গাঁৱলীয়া বেংকে মুঠ ৬২০ খন জিলাক সামৰি লৈছে। ভাৰতৰ ৰাজ্য বিলাকৰ ভিতৰত উত্তৰ প্ৰদেশত আটাইতকৈ বেছি সংখ্যক আঞ্চলিক গাঁৱলীয়া বেংক আছে। তলত দিয়া তালিকাখনৰ (১নং তালিকা) পৰা ভাৰতত আঞ্চলিক গাঁৱলীয়া বেংকৰ বিকাশ আৰু ইহঁতে সামৰি লোৱা ক্ষেত্ৰখনৰ ধাৰণা এটা কৰিব পৰা যায়।

তালিকা ঃ ১ শাখা আৰু আঞ্চলিক গাঁৱলীয়া বেংকে সামৰি লোৱা জিলাবোৰ

বর্ষ	আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা	শাখাৰ সংখ্যা	জিলাৰ সংখ্যা	আমানতৰ পৰিমাণ (কোটি টকাৰ হিচাপত)	পাবলগীয়া আগধন (কোটি টকাৰ হিচাপত)	জমা / ঋণ অনুপাত
১৯৭৫	৬	১৭	১২	০.২	০.১	৫০%
১৯৮৫	১৮৮	১২৬০৬	৩৩৩	১২৮৫.৮২	২৪৩.৩৮	১০৯.৪৮%
১৯৯৫	১৯৬	১৪৫০৯	৪২৫	১১১৪১	৬২৯১	৫৬%
২০০৫	১৯৬	১৪৪৮৪	৫২৩	৬২১৪৩	৩২৮৭০	৫৭%
২০১৫	৫৬	২০৩৪২	৬৪৮	২৭৩০৮১	১৯৪৭৮৫	৬৬.৩%

উৎসঃ RBA database/rbi.org.in

ওপৰৰ তালিকাখনৰ পৰা দেখা গৈছে যে আঞ্চলিক গাঁৱলীয়া বেংকবোৰে ইতিমধ্যে এক দীর্ঘকাল অতিক্ৰম কৰিছে। এই সুদীর্ঘ কালছোৱাত এই বেংকৰ শাঁখাৰ সংখ্যা ১৯৭৫ চনত থকা ১৭টাৰ পৰা বাঢ়ি গৈ ২০১৫ চনত ২০৩৪২ টা হৈছে গৈ। এই বেংকবিধে সামৰি লোৱা জিলাৰ সংখ্যা ১৯৭৫ চনত আছিল মাত্ৰ ১২ খন, ২০১৫ চনত ই সামৰি লোৱা জিলাৰ সংখ্যা হৈছে গৈ ৬৪৮ খন। অৱশ্যে জমা হোৱা আমানত আৰু বেংকটোৱে আগৱঢ়োৱা ঋণৰ পৰিমাণৰ ধাৰাৰ ক্ষেত্ৰত হ্ৰাস-বৃদ্ধি (উঠা-নমা) হোৱাতো পৰিলক্ষিত হৈছে যাৰ ফলস্বৰূপে নগদ জমাৰ অনুপাত (cash deposit ratio) ৰ ক্ষেত্ৰতো হ্ৰাস-বৃদ্ধি ঘটিছে।

এইখিনিতে উল্লেখ কৰিব লাগিব যে ৰাজ্যিক ভিত্তিত আঞ্চলিক গাঁৱলীয়া বেংকৰ সম্প্ৰসাৰণে ভাৰতৰ গ্ৰাম্য অর্থনীতিৰ ক্ষেত্ৰত উল্লেখনীয় পৰিৱর্তন আনিছে। ২০১৭ চনৰ ১ মার্চত ৰাজ্য অনুসৰি এই বেংকৰ শাঁখাৰ সংখ্যা আৰু ই সামৰি লোৱা জিলাৰ সংখ্যা তলত দিয়া ২নং তালিকাত দাঙি ধৰা হ'ল —

তালিকা ঃ ২ ৰাজ্য অনুসৰি আঞ্চলিক গাঁৱলীয়া বেংকৰ প্ৰসাৰ আৰু নেটৱর্কে সামৰি লোৱা তথ্য ২০১৭ বর্ষ

ক্ৰমিক নম্বৰ	ৰাজ্যৰ নাম	আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা	শাখাৰ সংখ্যা	সামৰি লোৱা জিলাৰ সংখ্যা
১	অন্ধ্ৰ প্ৰদেশ	৪	১৬৪২	২৩
২	অৰুণাচল প্ৰদেশ	১	৩০	৮
৩	অসম	২	৪২৮	২৭
৪	বিহাৰ	৩	১৭১৮	৩৮

৫	চট্ৰিশ গড়	৩	৫৫৫	২৮
৬	গুজৰাট	৩	৫২৯	২৬
৭	হাৰিয়ানা	২	৫০৭	২৩
৮	হিমাচল প্ৰদেশ	২	১৮৮	১২
৯	জম্মু আৰু কাশ্মীৰ	২	৩২৩	২৬
১০	ঝাৰখণ্ড	২	৪৪২	২৪
১১	কৰ্ণাটক	৩	১৪৬০	৩০
১২	কেৰেলা	২	৫০৬	১৫
১৩	মধ্যপ্ৰদেশ	৩	১১৩২	৫০
১৪	মহাৰাষ্ট্ৰ	২	৬৪৫	৩৩
১৫	মনিপুৰ	১	২৮	৯
১৬	মেঘালয়	১	৭৬	৭
১৭	মিজোৰাম	১	৭১	৮
১৮	টেলেঙ্গানা	২	৯২	৭
১৯	নাগালেণ্ড	১	১০	৫
২০	উৰিষ্যা	২	৯০১	৩০
২১	পণ্ডিচেৰী	১	৩০	২
২২	পাঞ্জাৰ	৩	৩১১	২৪
২৩	ৰাজস্থান	৩	১১৫৭	৩৬
২৪	তামিলনাড়ু	২	৩৭৪	৩১
২৫	ত্ৰিপুৰা	১	১৩৩	৮
২৬	উত্তৰ প্ৰদেশ	৮	৩৫১৮	৮১
২৭	উত্তৰাঞ্চল	১	২৩৭	১৩
২৮	পশ্চিমবঙ্গ	৩	৯২১	১৮
	সৰ্বমুঠ	৫৬	১৭৮৫৬	৬৩৫


উৎসঃ RBI data base/www/rbi.org.in

ভাৰতৰ ২৮ খন ৰাজ্যত আঞ্চলিক গাঁৱলীয়া বেংকৰ সম্প্রসাৰণ সম্পূর্ণভাৱে প্রশংসনীয়। ২০১৭ চনৰ ১ মার্চ তাৰিখলৈ দেশখনত ৬৩৫ খন জিলাক সামৰি ১৭৮৫৬ টা শাখাই বেংক সেৱা আগবঢ়াই আছে। উত্তৰ প্রদেশত ৮১ খন জিলাক সামৰি ৩৫১৮ টা শাখা আছে, ই দেশৰ ভিতৰতে সর্বোচ্চ। আনহাতে নাগালেণ্ডত ৫খন জিলাক সামৰি মাত্র ১০টা শাঁখাহে আছে অর্থাৎ ই দেশৰ ভিতৰত সর্বনিম্ন স্থানত আছে।

তালিকা ঃ ৩ আঞ্চলিক গাঁৱলীয়া বেংকৰ আমানত সংগ্রহ

বর্ষ	আমানত	বিকাশৰ হাৰ (%)
২০০৭-০৮	৪৮৪৯২.৬	২১.৬৪
২০০৮-০৯	৫৮৯৮৪.৩	১৪.৯৫
২০০৯-১০	৬৭৪২০.১	২১.২৭
২০১০-১১	৯৮৯১৭.১	২০.৩১
২০১১-১২	১১৬৩৮৫	১৭.৬৬
২০১২-১৩	১৩৭০৭৮	১৭.৮৮
২০১৩-১৪	১৫৯৬৬০	১৬.৪৭
২০১৪-১৫	১৭৮৪২০	১৭.৪৪
২০১৫-১৬	১৯৪৭৮৫	১৯.৪৩
২০১৬-১৭	২২৩৫৬২	১৮.৫২

উৎসঃ www.nabard.org.in



৩নং তালিকাখনত ২০০৭-০৮ চনৰ পৰা ২০১৬-১৭ চনত আঞ্চলিক গাঁৱলীয়া বেংকৰ আমানত সংগ্রহৰ ছবি এখন দাঙি ধৰা হৈছে। ওপৰত দিয়া তথ্যৰ পৰা আমানতৰ বিকাশৰ হাৰ বিভিন্ন বছৰত দুদুল্যমান (উঠা-নমা) অৱস্থাত থকা দেখা গৈছে। কিন্তু আমি যদি সমগ্র ধাৰাটো

চাও তেনেহলে দেখা পামযে ২০০৭-০৮ ৰ পৰা ২০১৬-১৭ৰ কালছোৱাত আমানত সংগ্রহৰ বিকাশৰ হাৰ নিম্নগামী হৈছে।

১০.৬ আঞ্চলিক গাঁৱলীয়া বেংকৰ কার্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন

গ্রাম্য অর্থনীতিৰ বাবে সেৱা আগবঢ়োৱা আৰু তাৰ উত্থানৰ কাৰণে কাম কৰাৰ উদ্দেশ্যে আঞ্চলিক গাঁৱলীয়া বেংকবোৰ গ্রাম্যাঞ্চলত স্থাপন কৰা হৈছিল। ১৯৭৫ চনত এই বেংকবোৰৰ কাম কাজ আৰম্ভ কৰাৰে পৰা এক দীর্ঘকাল ইতিমধ্যে পাৰ হৈ গ'ল। সেয়েহে এই বেংকবোৰে কেনেদৰে কার্য্য সম্পাদন কৰি আহিছে তাক পৰীক্ষা কৰি চোৱাৰ উপযুক্ত সময় আহি পৰিছে। আমানত (জমা সংগ্রহ) গ্রহণ কৰা আৰু ঋণ প্রদান, যিহেতু এই দুটা গুৰুত্বপূর্ণ কাম এই বেংকবোৰে কৰি আহিছে, সেয়েহে আমি বিগত দহটা (২০০৭-২০১৭ বর্ষ) বর্ষত এই দুটা ক্ষেত্রত তেওঁলোকে কৰা কার্য্য সম্পাদনৰ পর্য্যবেক্ষণ কৰি তেওঁলোকৰ লাভ লোকচানৰ ছবিখন বিশ্লেষণ কৰিমহঁক।

৪নং তালিকা ঃ ২০০৭-২০১৭ বর্ষত ভাৰতৰ আঞ্চলিক গাঁৱলীয়া বেংকৰ আমানত সংগ্রহ আৰু ঋণদানৰ তথ্য

আলোচ্য বিষয়বোৰ	২০০৭	২০১৭
আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা	৯৬	৫৬
আমানত	৮৩১৪৩-৫৫	৩,৭১,৯১০
ঋণ আৰু আগধন (ঘুৰাই পাবলগীয়া)	৪৮৪৯২.৫৯	২,২৬,১৭৫
লাভ উপার্জন কৰা আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা	৮১	৪৯
লাভৰ পৰিমাণ (কোটি টকাত) (A)	৯২৬.৪৮	২৬০৪
লোকচান ভৰা আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা	১৫	৭
লোকচানৰ পৰিমাণ (কোটি টকাত) (B)	৩০১.২৫	৩৮৭
আঞ্চলিক গাঁৱলীয়া বেংকৰ প্রকৃত লাভৰ পৰিমাণ (A-B)	৬২৫.২৩	২২১৮

ওপৰৰ তালিকাখনৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে বিগত দহটা বছৰত আঞ্চলিক গাঁৱলীয়া বেংকৰ প্রকৃত লাভৰ পৰিমাণ বৃদ্ধি পাইছে আৰু লোকচানৰ পৰিমাণ হ্রাস পাইছে। অৱশ্যে এইটোও উল্লেখ কৰিব লাগিব যে এই একে সময়ছোৱাত আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা ভয়াবহ ভাৱে হ্রাস পাইছে ২০০৭ বর্ষত থকা ৯৬ টা বেংকৰ বিপৰীতে ২০১৭ বর্ষত ইয়াৰ সংখ্যা ৫৬ টা হৈছেগৈ। আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা হ্রাস পোৱা আৰু এই বেংকবোৰে লোকচান ভৰিব লগীয়া হোৱাটোক কেতিয়াও মঙ্গলজনক বুলি ক'ব নোৱাৰি। ই ভাৰতবর্ষত আঞ্চলিক গাঁৱলীয়া বেংকৰ অৱস্থা তিমিৰাচ্ছন্ন কৰা যেন লাগে।

আঞ্চলিক গাঁৱলীয়া বেংকৰ আন এটা সফলতা হৈছে দেশখনৰ সকলোবোৰ জিলাৰ গ্ৰাম্যাঞ্চলত ইয়াৰ সেৱাৰ সম্প্ৰসাৰণ ঘটোৱা। আটাইবোৰ জিলাকে সামৰি লোৱাৰ লক্ষ্যটো বহু পৰিমাণে বাস্তৱত ৰূপায়িত হৈছে।

অৱশ্যে আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ সন্মুখত কিছুমান প্ৰত্যাহ্বান আহি পৰিছে যিবোৰে তেওঁলোকক কৃতকাৰ্য্যতাৰ জখলাখনত ওপৱলৈ উঠি যোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এনে এটা প্ৰত্যাহ্বান হৈছে ব্যক্তিগত বেংকৰ ভীষণ প্ৰতিযোগিতাৰ সন্মুখীন হোৱাতো। আঞ্চলিক গাঁৱলীয়া বেংকবোৰে তেওঁলোকৰ প্ৰতিদ্বন্দি ব্যক্তিগত বেংকবোৰৰ দৰে সুবিধাবোৰ দিব নোৱাৰে। এইক্ষেত্ৰত আন এটা প্ৰত্যাহ্বান হৈছে অপ্ৰদৰ্শিত সম্পদ যাৰ সৃষ্টি হয় সৱহভাগ ঋণীয়ে তেওঁলোকৰ ঋণ পৰিশোধ কৰিব নোৱাৰাৰ ফলত। ইয়াৰ ফলত আঞ্চলিক গাঁৱলীয়া বেংকবোৰে বৃহৎ পৰিমাণৰ লোকচান ভৰিব লগা হয়।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৰসিংহম কমিটিৰ ৰৰ্কিং গ্ৰুপৰ পৰামৰ্শ অনুসৰি আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপন কৰিবলৈ ১৯৭৫ চনত এখন অধ্যাদেশ জাৰি কৰা হয়।
- আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ গঠন প্ৰণালী আৰু কাৰ্য্যাৱলী নিৰ্দ্ধাৰণ কৰিবলৈ ১৯৭৬ চনত আঞ্চলিক গাঁৱলীয়া বেংক আইন খনত অনুমোদন জনোৱা হয়।
- ৫ কোটি টকা মূলধন হিচাপে লৈ ৫টা বেংক স্থাপন কৰি ১৯৭৫ চনৰ ২ অক্টোবৰত আঞ্চলিক গাঁৱলীয়া বেংকৰ শুভাৰম্ভ কৰা হয়।
- আঞ্চলিক গাঁৱলীয়া বেংকবোৰে গাঁও আৰু অৰ্দ্ধনগৰ অঞ্চলৰ বাবে বিত্তীয় সম্পদ সংগ্ৰহ কৰে আৰু প্ৰধানতঃ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক, কৃষিজীৱি শ্ৰমিক, গাঁৱৰ কাৰিকৰ শ্ৰেণীলৈ ঋণৰ সুবিধা আগবঢ়ায়, এই বেংকবোৰৰ কাৰ্য্যক্ষেত্ৰ সীমিত।
- আঞ্চলিক গাঁৱলীয়া বেংকৰ মালিকীস্বত্ব কেন্দ্ৰীয় চৰকাৰ, সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু নেতৃত্ব লোৱা বেংকৰ ওপৰত যৌথভাৱে থাকে।
- আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ মূল উদ্দেশ্য হৈছে- গ্ৰাম্য ঋণব্যৱস্থাৰ প্ৰসাৰ কৰা আৰু গাঁওবিলাকৰ অৰ্থনৈতিক উন্নয়নৰ বাবে উৎসাহ প্ৰদান কৰা।
- আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ প্ৰধান কাম দুটা হৈছে আমানত সংগ্ৰহ কৰা আৰু ঋণ প্ৰদান কৰা।



১০.৮ অধিক জানিবলৈ

1) Annual Report of NABARD, various years.
2) Arora, R.C.K. (1979). *Integrated Rural Development.* New Delhi: S.Chand & Co.
3) Datt and Mahajan. (2015). *Indian Economy.* New Delhi: S. Chand & Co. Ltd.
4) Reddy, K. V. (2007). *Rural Development in India (Poverty and development).* New Delhi: Himalaya Publishing House.
5) Singh, K. (2010). *Rural Development: Principles, Policies and Management.* Sage Publications India Pvt. Ltd.
6) Sisodia, Y. S. (2007). *Rural Development: Macro-Micro Realities.* New Delhi: Rawat Publications.
7) Tiwary, Bind Kumar. 'Achievement Evaluation of Regional Rural Banks in India'. Indian Journal of Applied Research. Volume 2. Issue 11. Pg: 78 to 81.



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আঞ্চলিক গাঁৱলীয়া বেংকবোৰ এক প্রকাৰৰ বিত্তীয় প্রতিষ্ঠান যিয়ে গাঁও আৰু অৰ্দ্ধনগৰ অঞ্চলৰ বাবে বিত্তীয় সম্পদ সংগ্রহ কৰে আৰু প্রধানতঃ ক্ষুদ্র আৰু উপান্ত কৃষক, কৃষি বনুৱা আৰু গাঁওৰ কাৰিকৰবোৰক ঋণ প্রদান কৰে। এই বেংকবোৰৰ কার্য্যক্ষেত্র তেনেই সীমিত।

২ নং প্রশ্নৰ উত্তৰ ঃ ২ অক্টোবৰ, ১৯৭৫।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৫ কোটি টকা।

৪ নং প্রশ্নৰ উত্তৰ ঃ এনে বেংকৰ মালিকীস্বত্ব কেন্দ্রীয় চৰকাৰ, সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু নেতৃত্ব লোৱা বেংকৰ ওপৰত যৌথ ভাৱে থাকে।

৫ নং প্রশ্নৰ উত্তৰ ঃ আমানত সংগ্রহ বা আমানত গ্রহণ কৰা আৰু ঋণ প্রদান কৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ বাণিজ্য আৰু ব্যৱসায়ক উৎসাহ দিয়াৰ জৰিয়তে।



১০.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকৰ সংজ্ঞা দিয়ক।

২ নং প্ৰশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকৰ প্ৰধান লক্ষ্যটো উল্লেখ কৰক।

৩ নং প্ৰশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকৰ এটা গুৰুত্বপূৰ্ণ দায়বদ্ধতা হৈছে গ্ৰাম্য অঞ্চলৰ সঞ্চয় সংগ্ৰহ কৰা - ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত আঞ্চলিক গাঁৱলীয়া বেংকবোৰ স্থাপনৰ অন্তৰালত থকা উদ্দেশ্যবোৰ আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ আঞ্চলিক গাঁৱলীয়া বেংকৰ কাৰ্য্যৱলীবোৰ আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত আঞ্চলিক গাঁৱলীয়া বেংকবোৰৰ কাম কাজৰ এটা সমালোচনাত্মক মূল্যায়ন কৰক।

*** ***** ***

অধ্যায় ১১ঃ নাবার্ড (NABARD)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ নাবার্ডৰ উদ্দেশ্য আৰু কার্য্যৱলী
১১.৪ নাবার্ডৰ অগ্রগতি আৰু কার্য্যকলাপৰ মূল্যায়ন
১১.৫ নাবার্ডৰ কার্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ান
১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নাবার্ডৰ উদ্দেশ্য আৰু কার্য্যাৱলীৰ বিষয়ে অৱগত হ'ব
- নাবার্ডৰ অগ্রগতি আৰু কার্য্যকলাপৰ বিষয়ে অৱগত হ'ব
- নাবার্ডৰ কার্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন কৰিব পাৰিব।

১১.২ পৰিচয়

ৰাষ্ট্রীয় কৃষি আৰু গ্রাম্য উন্নয়ন বেংক (National Bank for Agriculture and Rural Development : NABARD) ১৯৮২ চনৰ ১২ জুলাইত ভাৰত চৰকাৰৰ চাৰিটা ভিন্ন অনুষ্ঠান মিলিত হৈ গঠিত হয়। ৰিজার্ভ বেংক অব ইণ্ডিয়াৰ কৃষি ঋণ উন্নয়ন, কৃষি পুনৰ বিত্তায়ন আৰু উন্নয়ন নিগম (ARDC), ৰাষ্ট্রীয় কৃষি ঋণ (সুস্থিৰকৰণ) পুঁজি, ৰাষ্ট্রীয় কৃষি ঋণ (দীর্ঘকালীন) পুঁজি—এই সকলো একত্রিত হৈ ৰাষ্ট্রীয় কৃষি আৰু গ্রাম্য উন্নয়ন বেংক গঠন কৰে। এই বেংক গ্রাম্য উন্নয়নৰ এটি মাধ্যম হিচাপে ভূমিকা গ্রহণ কৰিবলৈ অগ্রসৰ হয় আৰু ই দেশৰ গ্রাম্যাঞ্চলত কৃষিৰ বিকাশৰ ক্ষেত্রত প্রয়োজনীয় আর্থিক সা-সুবিধা যোগান ধৰি আহিছে।

১১.৩ নাবার্ডৰ উদ্দেশ্য আৰু কার্য্যৱলী

নাবার্ডৰ উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল—

- গ্রাম্যাঞ্চলৰ উন্নয়নত প্রধানতঃ গুৰুত্ব আৰোপ কৰা।

- সমগ্র দেশৰ গ্রাম্য ঋণ ব্যৱস্থাৰ কেন্দ্রবিন্দু হিচাপে ভূমিকা পালন কৰা।
- গ্রাম্য উন্নয়নৰ লগত জড়িত থকা বিভিন্ন সংগঠন আৰু অনুষ্ঠানসমূহৰ মাজত সমন্বয় স্থাপন কৰা।
- গ্রাম্যাঞ্চলৰ বিভিন্ন কুটিৰ শিল্প, কাৰু-শিল্প, থলুৱা ক্ষুদ্র উদ্যোগ, হস্তশিল্পৰ লগত জড়িত কাৰুশিল্পী, খনিকৰ তথা কৃষকসকলক উদগনি দিবলৈ বিনিয়োগৰ ঋণ আগবঢ়োৱা।
- গ্রাম্যাঞ্চলৰ উন্নয়ন প্রক্রিয়া অব্যাহত ৰাখিবলৈ ৰাজ্যিক ভূমি উন্নয়নী বেংক, ৰাজ্যিক সমবায় বেংক, আঞ্চলিক গাঁৱলীয়া বেংক আৰু অন্যান্য বাণিজ্যিক বেংকলৈ পুনৰ বিত্তায়নৰ (Re-finance) সুবিধা আগবঢ়োৱা।
- গ্রাম্যাঞ্চলত উন্নয়নমূলক কাম-কাজৰ নিৰীক্ষণ আৰু পর্য্যবেক্ষণ কৰা।
- ভাৰত চৰকাৰ, ৰিজার্ভ বেংক অব ইণ্ডিয়া (RBI) আৰু ৰাজ্য চৰকাৰৰ মাজত যোগসূত্র বজাই ৰখা।

নাবার্ডৰ কার্য্যসমূহ তলত উল্লেখ কৰা ধৰণৰ—

- **ঋণ পৰিকল্পনা ঃ** বেংক ঋণৰ যোগেদি কৃষি আৰু আনুষাঙ্গিক ক্ষেত্রৰ সম্ভাব্য উন্নয়নৰ বাবে জিলাভিত্তিক ঋণদান আঁচনি যুগুত কৰাটো হ'ল ইয়াৰ কার্যসূচীৰ অন্তর্গত। ইয়াৰ উপৰি তৃণমূল পর্যায়ত গ্রাম্য বিত্তীয় অনুষ্ঠানসমূহৰ বাবে ঋণৰ যোগান, বিত্তীয় তথা ঋণদানৰ নীতি প্রয়োগ আৰু যাৱতীয় নির্দেশনাসমূহ নিৰীক্ষণ কৰাও নাবার্ডৰ উল্লেখনীয় কার্য্য।
- **বিত্তীয় সেৱা ঃ** গ্রাম্যাঞ্চলত বিনিয়োগ আৰু উৎপাদনমূলক কার্য্যৰ সফলতাৰ বাবে এই বেংকে বিত্তীয় সংস্থাসমূহক পুনৰ বিত্তায়নৰ সুবিধা প্রদান কৰে। ইয়াৰ উপৰি গ্রাম্যাঞ্চলৰ সামাজিক বুনিয়াদ বর্তি থকা সমবায় সমিতিসমূহ সবলীকৰণ কৰাৰ বাবে আৰু সামাজিক বুনিয়াদ সুদৃঢ় কৰাৰ বাবে নাবার্ডে ৰাজ্য চৰকাৰৰ জৰিয়তে হিতাধিকাৰীলৈ ঋণৰ সুবিধা আগবঢ়ায়। বেচৰকাৰী সংগঠনৰ ক্ষুদ্র ঋণ উদ্ভাৱন প্রক্রিয়া, অনা আনুষ্ঠানিক সংস্থাসমূহৰ বিত্তীয় প্রকল্পসমূহ নিৰীক্ষণ আৰু মূল্যায়নো নাবার্ডৰ জৰিয়তে কৰা হয়।
- **উন্নীতকৰণ আৰু উন্নয়ন ঃ** গ্রাহক সংগঠনসমূহৰ আনুষ্ঠানিক বিকাশ, সহযোগী অনুষ্ঠানসমূহৰ সক্ষমতা নির্মাণ এই কার্য্যৰ অন্তর্ভুক্ত। ঋণ প্রদানৰ ক্ষেত্রত উন্নয়নৰ নতুন আর্হিসমূহ পৰীক্ষা কৰা আৰু সেইসমূহ কার্য্যকৰী কৰি তোলা। উদ্ভাৱনমূলক ধাৰণাক সমর্থন আগবঢ়োৱা, গৱেষণা তথা যথোচিত পৰামর্শৰ মাধ্যমেৰে ভাৰত চৰকাৰ আৰু ৰিজার্ভ বেংকৰ মাজত সমন্বয় স্থাপন কৰা।
- **পৰিদর্শন ঃ** সমবায় বেংক আৰু আঞ্চলিক গ্রামীন বেংকৰ কাম-কাজ পৰিদর্শন কৰা আৰু সামাজিক প্রগতিৰ বাবে উপযুক্ত দিহা-পৰামর্শ দিয়া।

১১.৪ নাবার্ডৰ অগ্রগতি আৰু কার্য্যকলাপৰ মূল্যায়ন

এক সুসংহত গ্রাম্য উন্নয়নৰ উদ্দেশ্যে নাবার্ডৰ বিকাশমূলক কার্য্যব্যৱস্থা আৰোপিত কৰা

হছে, যাতে ই গ্রাম্যাঞ্চলত কৃষি, ক্ষুদ্র উদ্যোগ, হস্ততাঁত, হস্তশিল্প আৰু গ্রাম্য শিল্পৰ লগত জড়িত শিল্পী-কাৰিকৰসকলৰ উন্নতি সাধনত প্রচুৰ বৰঙণি যোগাব পাৰে। নাবার্ডে বিভিন্ন ঋণদাতাক আনুষ্ঠানিক ঋণৰ সুবিধা আগবঢ়োৱাৰ উপৰি বিভিন্ন দিশৰ কার্য্য সম্পাদন কৰে। ইয়াৰ উপৰি ভাৰত চৰকাৰৰ বিভিন্ন প্রকল্পৰ সহযোগী ৰূপেও নাবার্ডে সেৱা আগবঢ়ায়।

- **ব্যৱসায়িক কার্য্য ব্যৱস্থাসমূহ ঃ**
  - **উৎপাদন ক্ষেত্রলৈ ঋণ ঃ** ২০১২-১৩ চনত নাবার্ডে গ্রাম্য বিত্তীয় অনুষ্ঠানসমূহৰ বিকাশ, সক্ষমতা নির্মাণ আৰু পৰিদর্শনৰ বাবে হ্রস্বকালীন আৰু দীর্ঘকালীন ঋণ যোগান ধৰাৰ আঁচনি গ্রহণ কৰে। তেতিয়াৰ পৰা ই জিলা আৰু গাঁও পর্য্যায়ত ঋণদান আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্রত মুখ্য ভূমিকা গ্রহণ কৰি আহিছে। তলৰ তালিকাখনত বিভিন্ন গ্রাম্য আৰু বিত্তীয় অনুষ্ঠানলৈ নাবার্ডৰ অনুমোদিত বিত্তৰ পৰিমাণ দেখুওৱা হৈছে—

তালিকা ১ঃ গ্রাম্য বিত্তীয় অনুষ্ঠানসমূহলৈ অনুমোদিত ঋণৰ সীমা

ক্রমিক নং	বর্ষ	পৰিমাণ (কোটি টকাত)
১	২০১২-১৩	৬৬,৪১৮
২	২০১৩-১৪	৮১,২০৪
৩	২০১৪-১৫	৯০,৬২০
৪	২০১৫-১৬	৭১,৪৯৭
৫	২০১৬-১৭	৭৬,৫২৬
৬	২০১৭-১৮	৩০,২৭২
৭	২০১৮-১৯	২২,৭৪৬

উৎস ঃ নাবার্ডৰ বার্ষিক প্রতিবেদন

  - **বিনিয়োগ ঋণ ঃ** ২০১২-১৩ চনৰ বার্ষিক প্রতিবেদন অনুসৰি ২০১৩ চনৰ ৩১ মার্চত নাবার্ডে গ্রাম্যাঞ্চলৰ বাবে ১৬,২৯২.২৬ কোটি টকা অনুমোদন কৰিছিল। ইয়াৰে ৩২ শতাংশ পথ উন্নয়নৰ বাবে, ২৫ শতাংশ জলসিঞ্চনৰ বাবে, ১৩ শতাংশ গ্রাম্য সেতু নির্মাণৰ বাবে, ১১ শতাংশ সামাজিক খণ্ডৰ বাবে আৰু ৯ শতাংশ কৃষিভিত্তিক প্রকল্পৰ বাবে বিতৰণ কৰা হৈছিল। ২০১৭-১৮ চনত অনুমোদিত ২৫,০০০ কোটি টকাৰ ভিতৰত ১১ শতাংশ কৃষিৰ বাবে, ৩৫ শতাংশ জলসিঞ্চনৰ বাবে, ১০ শতাংশ সেতু নির্মাণৰ বাবে, ২৬ শতাংশ গ্রাম্য বাট-পথ নির্মাণৰ বাবে আৰু ১৮ শতাংশ সামাজিক খণ্ডৰ বাবে আগবঢ়োৱা হৈছিল। ২০১৮-১৯ চনত অনুমোদিত ২৮,০০০ কোটি টকাৰ ভিতৰত ১৪ শতাংশ কৃষিৰ বাবে, ৫১ শতাংশ জলসিঞ্চনৰ বাবে, ৪ শতাংশ গ্রাম্য সেতু নির্মাণৰ বাবে, ১৮ শতাংশ গ্রাম্য বাট-পথ নির্মাণৰ বাবে আৰু ১৩ শতাংশ সামাজিক খণ্ডৰ বাবে আগবঢ়োৱা হৈছিল।
  - **গ্রাম্য বুনিয়াদ উন্নয়ন পুঁজি (RIDF) ঃ** দেশৰ বিভিন্ন ৰাজ্য চৰকাৰৰ সৈতে যুটীয়া উদ্যোগত গ্রাম্য বুনিয়াদ উন্নয়ন পুঁজি গঠন কৰাটো নাবার্ডৰ এটা প্রধান কার্য্যসূচী। এই পুঁজিয়ে

বিভিন্ন প্রকল্পৰ কার্য্যসূচী হাতত লোৱাৰ উপৰি বাণিজ্যিক বেংকসমূহলৈও বিত্ত যোগান ধৰে। এই গ্রাম্য বুনিয়াদ উন্নয়ন পুঁজি (RIDF) গঠনৰ পিছৰ পৰাই নাবার্ডে গ্রামাঞ্চলৰ বুনিয়াদ গঠনক এক গুৰুত্বপূর্ণ বিষয় হিচাপে বিবেচনা কৰে। নিম্নলিখিত তালিকাখনে গ্রাম্য বুনিয়াদ উন্নয়ন পুঁজিৰ তৰফৰ পৰা গ্রাম্য বিত্তীয় অনুষ্ঠানসমূহলৈ প্রতিটো বর্ষত নাবার্ডৰ অনুমোদিত ঋণ দেখুৱায়।

তালিকা ২ ঃ বর্ষ অনুসৰি RIDFৰ অন্তর্গত নাবার্ডৰ ঋণ বিতৰণ

ক্রমিক নং	বর্ষ	পৰিমাণ (কোটি টকাত)
১	২০১৩-১৪	২০,০০০
২	২০১৪-১৫	২৫,০০০
৩	২০১৫-১৬	২৫,০০০
৪	২০১৬-১৭	২৫,০০০
৫	২০১৭-১৮	২৫,০০০
৬	২০১৮-১৯	২৮,০০০

উৎস ঃ নাবার্ডৰ বার্ষিক প্রতিবেদন

- **নতুন ব্যৱসায়িক পদক্ষেপ ঃ** ২০১০ চনত নাবার্ডে পৰিৱর্তিত ব্যৱসায়িক পৰিৱেশৰ প্রয়োজনসমূহ পূৰণ কৰিবৰ বাবে ব্যৱসায়িক পদক্ষেপ বিভাগ (Business Initiatives Department/BID) নামেৰে এটা বিভাগ গঠন কৰে। এই বিভাগে নতুন আৰু চলিত ব্যৱসায় প্রতিষ্ঠানসমূহলৈ প্রত্যক্ষভাৱে ঋণ আগবঢ়ায়, যাতে গ্রাম্য অর্থনীতিৰ উত্তৰণত অধিক সহায় হয়। সেইবাবে নাবার্ডে BIDৰ অধীনত বিভিন্ন সামগ্রীৰ উৎপাদন নিশ্চিত কৰিছে।
  - **নাবার্ডৰ বুনিয়াদী উন্নয়ন সহযোগিতা** (NABARD Infrustucture Development Assistence/NIDA) ঃ গ্রাম্য বুনিয়াদী প্রকল্পসমূহলৈ পুঁজি যোগানৰ উদ্দেশ্যে নাবার্ডে নতুন ঋণ ব্যৱস্থাৰ সৃষ্টি কৰে। ২০১০ চনৰ পৰা ২০১৮-২০১৯ বিত্তীয় বর্ষ সম্পূর্ণ হোৱালৈকে এই NIDAৰ অধীনত ৮০জন সদস্যই ৩০,৫৭৫ কোটি টকা লাভ কৰে। এই আঁচনিৰ অধীনত শক্তি নৱীকৰণ, পণ্যাগাৰ, পথ আৰু দলং নির্মাণ, জলসিঞ্চন আদি খণ্ডসমূহ সামৰি লোৱা হয়।
  - **উৎপাদনকাৰীৰ সংগঠন বিকাশ পুঁজি** (Producers Organization Development Fund) ঃ দেশৰ কৃষক শ্রেণীৰ উন্নয়নৰ বাবে ২০১১ চনত নাবার্ডে 'উৎপাদনকাৰীৰ সংগঠন বিকাশ পুঁজি' প্রতিষ্ঠা কৰে। আৰম্ভণি পর্য্যায়ত ইয়াত বিনিয়োগৰ পৰিমাণ আছিল ৫০ কোটি টকা। যিকোনো পঞ্জীয়নভুক্ত উৎপাদন প্রতিষ্ঠান (যেনে— ১৯৫৬ চনৰ ৫৮১নং অনুচ্ছেদৰ অন্তর্ভুক্ত উৎপাদন প্রতিষ্ঠান), উৎপাদনকাৰীসকলৰ সমবায় সমিতি, পঞ্জীয়নভুক্ত কৃষক ফেডাৰেছন, মেকছ (MACS/Matually Aided Cooperative Society), উদ্যোগিক সমবায় সমিতি, অন্যান্য পঞ্জীয়নভুক্ত সংস্থা,

প্রাথমিক কৃষি সমবায় সমিতি (Primary Agricultural Cooperative Society/SACS) ইত্যাদিয়ে পুঁজিৰ বাবে আৱেদন জনাব পাৰে। উৎপাদনকাৰীৰ সংগঠনসমূহৰ প্ৰতি ৰাইজৰ সমৰ্থন সুদৃঢ় কৰি তুলিবলৈ নাবার্ডে উৎপাদনকাৰীৰ সংগঠন উন্নয়ন পুঁজিৰ (Producer Organization Development Fund/PODF) ৫৫.৯৫ কোটি টকা ৩৪টা উৎপাদনকাৰী সংগঠনলৈ আগবঢ়ায়।

- **কেন্দ্ৰীয় সমবায় বেংকলৈ হ্ৰস্বকালীন প্ৰত্যক্ষ পুনৰ বিত্তায়নঃ** বৈদ্যনাথ কমিটীৰ পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় সমবায় বেংকসমূহে ৰিজাৰ্ভ বেংকৰ অনুমতিপ্ৰাপ্ত যিকোনো অনুষ্ঠানৰ পৰা পুঁজি সংগ্ৰহ কৰিব পাৰে। নাবার্ডে এই আঁচনিৰ অধীনত হ্ৰস্বকালীন ভিন্ন উদ্দেশ্যসম্পন্ন ঋণদান আঁচনিৰ সৃষ্টি কৰে। এই আঁচনিয়ে ২০১০ চনত সমবায় বেংকসমূহলৈ ঋণ আগবঢ়ায়।
- **সমবায় বেংকসমূহৰ বাবে ক'ৰ (Core) বেংকিং প্ৰকল্পৰ সূচনা ঃ** সমবায় বেংক পদ্ধতিৰ বাবে সমন্বিত পদ্ধতিৰ সমাধান, সমবায়ৰ জৰিয়তে সমবায় বেংকসমূহক একোটা উচ্চ প্ৰযুক্তিগত ক্ষেত্ৰলৈ আগবঢ়াই নিয়া নাবার্ডৰ লক্ষ্য। অন্য বেংকসমূহৰ লগত যাতে ই প্ৰতিযোগিতাত নামিব পাৰে আৰু বাণিজ্যিক বিকাশৰ দিশত অগ্ৰসৰ হ'ব পাৰে সেই কথাতো গুৰুত্ব দিয়া হয়।

- **উন্নয়নমূলক পদক্ষেপ ঃ** কৃষিক্ষেত্ৰৰ উন্নতি সাধন কৰাটো নাবার্ডৰ প্ৰধান লক্ষ্য হিচাপে পৰিগণিত হৈ আহিছে। সেয়ে এই লক্ষ্যত উপনীত হ'বৰ বাবে ই বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰে কিছুমান উল্লেখ কৰা হ'ল—
  - **জলচ্ছেদ উন্নয়ন পুঁজি (Watershad Development Fund) ঃ** ১৯৯৯-২০০০ চনত নাবার্ডে প্ৰাৰম্ভিক ২০০ কোটি টকাৰে সৈতে জলচ্ছেদ উন্নয়ন পুঁজি গঠন কৰে। এই পুঁজিৰ মূল লক্ষ্যসমূহ আছিল ভূমি আৰু জল সংৰক্ষণ, জলবায়ুৰ পৰিৱৰ্তন গ্ৰহণ আৰু উপশম, জলসম্পদৰ উচিত আৰু বহনক্ষম ব্যৱহাৰ, কৃষিপামৰ উৎপাদন বৃদ্ধি, কৃষকৰ উৎপাদনশীলতা আৰু আয় বৃদ্ধি, উন্নত কৌশল আৰু নিয়োগৰ সুযোগ বৃদ্ধি, ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকৰ সুযোগ বৃদ্ধি, কৃষকৰ আৰ্থ-সামাজিক অৱস্থাৰ বিকাশ ইত্যাদি।
  - **পাম উদ্ভাৱন আৰু উন্নীতকৰণ পুঁজি (Farm Innovation and Promotion Fund/FIPF) আৰু কৃষকৰ প্ৰযুক্তি স্থানান্তৰকৰণ পুঁজি (Farmers' Technology Transfer Fund) ঃ** ২০১৪ চনৰ ২৬ জুলাইত নাবার্ডে পাম খণ্ড উন্নীতকৰণৰ পুঁজিৰ সৃষ্টি কৰিছিল। এই পুঁজি পূৰ্বৰ পাম উদ্ভাৱন আৰু উন্নীতকৰণ আৰু কৃষকৰ প্ৰযুক্তি স্থানান্তৰণ পুঁজি দুটা একেলগ কৰি গঠন কৰা হৈছিল। এই পুঁজিয়ে উদ্ভাৱনীমূলক আৰু প্ৰায়োগিক ধাৰণাৰ তথা সম্ভাৱনাপূৰ্ণ প্ৰকল্পসমূহৰ ওপৰত আলোকপাত কৰে। লগতে ই কৃষি আৰু আনুষাঙ্গিক ক্ষেত্ৰত কৃষকৰ উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধিৰ উদ্দেশ্য প্ৰযুক্তি স্থানান্তৰকৰণত গুৰুত্ব আৰোপ কৰে।
  - **কৃষক সংঘ (Farmers' Club) ঃ** ১৯৮২ চনত NABARD নাবার্ড প্ৰতিষ্ঠা হোৱাৰ

১১.৫ নাবার্ডৰ কার্য্যৱলীৰ সমালোচনাত্মক মূল্যায়ন

১৯৬৩ চনত ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়াই (RBI) কৃষি উন্নয়নৰ ক্ষেত্ৰত বিনিয়োগ ঋণ সমৰ্থন কৰাৰ ববে হ্ৰস্বকালীন আৰু মধ্যকালীন ঋণ আগবঢ়োৱাৰ উদ্দেশ্যে কৃষি পুনৰ বিত্তায়ন নিগম (Agricultural Refinance Corporation/ARC) গঠন কৰে। পিছলৈ এই অনুষ্ঠানক কৃষি পুনৰ বিত্তায়ন আৰু উন্নয়ন নিগম (Agricultural Refinance and Development Corporation/ARDC) নামেৰে পুনৰ নামাকৰণ কৰা হয়। তেতিয়া ই কেৱল পুনৰ বিত্তায়নৰ সংস্থা হৈ নাথাকি উন্নয়নমূলক কার্য্যত অধিক ভূমিকা পালন কৰিবলৈ ল'লে। ১৯৮২ চনত নাবার্ডে ৰিজাৰ্ভ বেংকৰ কৃষি ঋণ বিভাগ (Agricultural Credit Department/ACD), গ্ৰাম্য পৰিকল্পনা আৰু ঋণ কোষ (Rural Planning and Credit Cell/RPCC) আৰু কৃষি পুনৰ বিত্তায়ন আৰু উন্নয়ন নিগমৰ দায়িত্ব গ্ৰহণ কৰে। বর্তমান নাবার্ডৰ পুনৰ বিত্তায়ন বিভাগটোৱে হ্ৰস্বকালীন আৰু দীর্ঘকালীন বিত্তীয় কার্য্যসমূহ সম্পাদন কৰে।

- **হ্ৰস্বকালীন বিত্ত ঃ** নাবার্ডে পুনৰ বিত্তীয় সাহায্য প্ৰদান আৰু ঋণ দান পদ্ধতিৰে বিভিন্ন অনুষ্ঠানক ঋণ আগবঢ়ায় আৰু এনেবোৰ ঋণ সমবায় বেংক, আঞ্চলিক গ্ৰামীন বেংক আদিক উৎপাদন, বজাৰকৰণ আৰু ক্ৰয় কার্য্য সম্পন্ন কৰাৰ বাবে প্ৰদান কৰা হয়। এই ঋণবোৰ নির্দ্দিষ্ট সময়সীমাৰ ম্যাদ বা চাহিদাৰ ভিত্তিত ১৮ মাহৰ ভিতৰত পৰিশোধ কৰিব লাগে। হ্ৰস্বকালীন পুনৰ বিত্তায়নৰ মূল লক্ষ্য হ'ল— বেংকসমূহৰ সম্পদৰ যোগান ধৰা আৰু গাঁথনিগত পর্য্যায়ত ঋণৰ ধাৰা অব্যাহত ৰাখা।

এই হ্ৰস্বকালীন কার্য্যসমূহত নিম্নলিখিত বিষয়সমূহ অন্তর্ভূক্ত হৈ আছে—

- ঋতুজনিত কৃষিকার্য্যৰ বাবে ৰাজ্যিক সমবায় বেংক আৰু আঞ্চলিক গ্ৰামীন বেংকসমূহলৈ হ্ৰস্ব-কালীন পুনৰ বিত্ত যোগান ধৰা।
- ৰাজ্যিক সমবায় বেংক আৰু আঞ্চলিক গ্ৰামীন বেংকসমূহক ঋতুজনিত কৃষি কার্য্যৰ বাহিৰে আন কার্য্যৰ বাবে ঋণ প্ৰদানৰ উদ্দেশ্যে হ্ৰস্ব-কালীন বিত্তৰ যোগান ধৰা।
- অনুসূচীৰ অন্তর্ভূক্ত বাণিজ্যিক বেংক, ৰাজ্যিক সমবায় বেংক আৰু আঞ্চলিক গ্ৰামীন বেংকলৈ গ্ৰাম্য শিপিনীসকলক ঋণ দিয়াৰ বাবে হ্ৰস্বকালীন পুনৰ বিত্ত যোগান ধৰা।

  নাবার্ডে আঞ্চলিক গ্ৰাম্য বেংক আৰু সমবায় বেংকসমূহক নির্দেশাৱলী আগবঢ়ায় আৰু নিয়ন্ত্ৰণ কৰে। সমবায় বেংকসমূহ দুই প্ৰকাৰৰ— নগৰ সমবায় বেংক আৰু গ্ৰাম্য সমবায় বেংক।

- **দীর্ঘকালীন/মধ্যকালীন বিত্ত যোগানঃ** নাবার্ডে কৃষকসকলৰ আৰু গ্ৰাম্য কাৰিকৰসকলৰ বাবে বিনিয়োগ ঋণ আগবঢ়োৱাৰ উদ্দেশ্য তলত উল্লেখিত অনুষ্ঠানসমূহলৈ দীর্ঘকালীন আৰু মধ্যকালীন পুনৰ বিত্তায়নৰ সুবিধা প্ৰদান কৰে-
  - অনুসূচীৰ অন্তর্ভূক্ত বাণিজ্যিক বেংক

- আঞ্চলিক গাঁৱলীয়া বেংক
  - কেন্দ্রীয় জিলা সমবায় বেংক
  - ৰাজ্যিক কৃষি সমবায় আৰু উন্নয়ন বেংক
  - প্রাথমিক নগৰ সমবায় বেংক
  - কৃষি উন্নয়ন বিত্তীয় প্রতিষ্ঠান
  - নাবার্ড বিত্তীয় সেৱা নিগম
  - উত্তৰ-পূব উন্নয়ন বিত্তীয় সমবায় নিগম
  - অনা-বেংকিং বিত্তীয় প্রতিষ্ঠান (NBFCs)
  - ৰিজার্ভ বেংকৰ দ্বাৰা অনুমোদিত অন্য যিকোনো বিত্তীয় অনুষ্ঠান।

ঋতুভিত্তিক কৃষিকার্য্যত বিত্ত যোগানৰ বাবে নাবার্ডে ৰাজ্যিক সমবায় বেংক আৰু আঞ্চলিক গ্রাম্য বেংকসমূহলৈ হ্রস্বকালীন শস্য ঋণ আগবঢ়ায়। এই ঋণ সেইসকল কৃষকক প্রদান কৰা হয়, যিসকলৰ শস্য প্রাকৃতিক দুর্য্যোগৰ বাবে নষ্ট হৈছে।


- **ৰাজ্য চৰকাৰলৈ দীর্ঘকালীন ঋণ ঃ** সমবায় ঋণদাতা অনুষ্ঠানসমূহৰ মূলধনৰ অংশলৈ বৰঙণি যোগোৱাৰ উদ্দেশ্যে নাবার্ডে ৰাজ্য চৰকাৰসমূহক দীর্ঘকালীন ঋণ প্রদান কৰে আৰু কৃষি ঋণৰ প্রয়োজনীয়তা পূৰণ কৰে।
- **কিষাণ ক্রেডিট কার্ড ঃ** দেশৰ কৃষকসকলৰ উৎপাদন ব্যয়ৰ প্রয়োজনীয়তাক সুসংহতভাৱে আৰু সময় অনুসাৰে পূৰণ কৰিব পৰাকৈ ১৯৯৮-৯৯ চনত ভাৰত চৰকাৰে 'কিষাণ ক্রেডিট কার্ড'ৰ আৰম্ভণি কৰে। বাণিজ্যিক বেংক, আঞ্চলিক গাঁৱলীয়া বেংক, সমবায় বেংকৰ অংশগ্রহণেৰে এক বিশাল পৰিসৰত এই আঁচনি ৰূপায়ণ কৰা হৈছিল। ৰিজার্ভ বেংকে বাণিজ্যিক বেংকৰ এই আঁচনিসমূহ নিৰীক্ষণ কৰে। নাবার্ডে আৰ, ভি, গুপ্তা কমিটীৰ পৰামর্শাৱলীৰ ভিত্তিত 'কিষাণ ক্রেডিট কার্ড'ৰ আৰ্হি তৈয়াৰ কৰিছিল। এই আঁচনিৰ জৰিয়তে কৃষকসকলে বিভিন্ন কৃষিজাত সামগ্রী, যেনে— বীজ, সাৰ, কীটনাশক দ্রব্য আদি ক্রয় কৰিব পাৰে আৰু উৎপাদন প্রক্রিয়াৰ বাবে প্রয়োজনীয় নগদ ধনো লাভ কৰিবলৈ সক্ষম হয়।

নাবার্ডে আঞ্চলিক গ্রামীন বেংক, সমবায় বেংক, কিষাণ ক্রেডিট কার্ড, আত্মসহায়ক গোটৰ নির্দেশাৱলী আদি নিয়ন্ত্রণ কৰাৰ উপৰি বিত্ত দান আৰু পুনৰ বিত্তায়নৰ সুবিধা প্রদান কৰে। আমি জানো যে যেতিয়া বেংক বা কোনো বিত্তীয় অনুষ্ঠানে এজন গ্রাহকক প্রত্যক্ষভাৱে বিত্ত যোগান ধৰে, তেতিয়া সেই ঋণক প্রত্যক্ষ ঋণ বুলি কোৱা হয়। উদাহৰণস্বৰূপে, যিকোনো এটা বাণিজ্যিক বেংকে, যেনে SBI বা অন্য বেংকে ইয়াৰ গ্রাহকক প্রত্যক্ষভাৱে সেৱা আগবঢ়াব পাৰে। কিন্তু পুনৰ বিত্তায়নৰ ক্ষেত্রত নাবার্ডে আঞ্চলিক গ্রামীন বেংক আৰু সমবায় বেংকক হ্রস্বকালীন ঋণ প্রদান কৰে।

সেই ঋণ যদি আঞ্চলিক গ্রামীন বেংক আৰু সমবায় বেংকে গ্রাহকক প্রত্যক্ষভাৱে আগবঢ়ায়, তেতিয়া সেই ঋণক নাবার্ডৰ পুনৰ বিত্তায়ন বুলি কোৱা হয়। সেয়েহে, পুনৰ বিত্তায়ন বুলিলে তৃতীয় এটা উৎসৰ পৰা গ্রাহকক সামগ্রী আৰু সেৱা আগবঢ়োৱাটো বুজায়। আনহাতে,

এত্যক্ষ বিত্তৰ ক্ষেত্ৰত নাবার্ডে কোনো স্বীকৃত বজাৰ ফেডাৰেছন আৰু সমবায় বেংকসমূহৰ বাবে ঋণ আগবঢ়ায়। নাবার্ডে দেশৰ আত্মসহায়ক গোটসমূহ, MSME, কৃষি আৰু আনুষংগিক ব্যৱসায়, যেনে— হাঁহ-কুকুৰা পালন, মীনপালন, পশুপালন আদিৰ বাবে ১৫ বছৰৰ হ্ৰস্বকালীন ঋণ আগবঢ়ায়। এই পুনৰ বিত্তায়ন কার্য্যসূচী আঞ্চলিক গ্ৰামীন বেংক নতুবা বাণিজ্যিক বেংকসমূহৰ যোগেদি লোৱা হয়।

অগ্রগতিৰ নিৰীক্ষণ



প্রশ্ন নং ১ ঃ নাবার্ড (NABARD) কোন চনত প্রতিষ্ঠা হৈছিল?

.....

প্রশ্ন নং ২ ঃ ARDCৰ সম্পূর্ণ নাম কি?

.....

প্রশ্ন নং ৩ ঃ নাবার্ডৰ দুটা উদ্দেশ্য উল্লেখ কৰক। (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

প্রশ্ন নং ৪ ঃ নাবার্ডৰ দুটা কার্য্য উল্লেখ কৰক। (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৮২ চনত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক (National Bank for Agriculture and Rural Development/NABARD) প্রতিষ্ঠা হৈছিল।
- RBIৰ কৃষি ঋণ উন্নয়ন, কৃষি পুনৰ বিত্তায়ন আৰু উন্নয়ন সমিতি (Agricultural Refinance and Development Corporation/ARDC), ৰাষ্ট্ৰীয় কৃষি ঋণ (সুস্থিৰকৰণ) পুঁজি আৰু ৰাষ্ট্ৰীয় কৃষি ঋণ (দীর্ঘকালীন) পুঁজি, RBI– সকলো মিলিত হৈ নাবার্ড গঠন কৰে।
- কৃষিৰ বিকাশ, কৃষক আৰু স্থানীয় কাৰিকৰসকলক হ্ৰস্বকালীন আৰু দীর্ঘকালীন বিনিয়োগ ঋণ আগবঢ়োৱাৰ উদ্দেশ্যে নাবার্ডক গ্ৰামোন্নয়ন আৰু পুনৰ বিত্তায়নৰ দায়িত্ব অর্পণ কৰা হৈছে।
- বিনিয়োগ কার্য্য অব্যাহত ৰাখিবৰ বাবে আৰু যথোচিত ঋণৰ সুবিধা প্রদানৰ বাবে বিভিন্ন বিত্তীয় অনুষ্ঠানলৈ নাবার্ডে দীর্ঘকালীন আৰু মধ্যকালীন পুনৰ বিত্তায়নযোগ্য ঋণ আগবঢ়ায়।
- নাবার্ডৰ কেইটামান নতুন ব্যৱসায়িক পদক্ষেপ হ'ল— ভিন্ন উদ্দেশ্যসম্পন্ন হ্ৰস্বকালীন ঋণ, সমন্বয় বেংক ব্যৱস্থা ইত্যাদি।।
- জলচ্ছেদ উন্নয়ন পুঁজি, পাম উদ্ভাৱন আৰু উন্নয়ন পুঁজি আৰু কৃষকৰ প্রযুক্তি স্থানান্তৰকৰণ পুঁজি, কৃষক সংঘ, প্রাকৃতিক সম্পদ পৰিচালনা ভিত্তিক ছাতিসদৃশ কার্য্যসূচী, জনজাতি উন্নয়ন পুঁজি, আত্মসহায়ক গোটৰ সমন্বয় আঁচনি আদি হ'ল নাবার্ডৰ বিশেষকেইটামান উন্নয়নমূলক পদক্ষেপ।



১১.৭ অধিক জানিবলৈ

Jain, S., & Mathur, D. (2012). 'Efficacy of NABARD in Indian rural development'. International Journal of Management Research and Reviews. 2(3), 394.

2) Soni, B. K. & Trivedi, J. C. (2015). 'An Empirical Study on Farmers Club Programme: An Innovative Initiative of National Bank for Agriculture and Rural Development (NABARD)'. Journal of Rural and Industrial Development. 3(1), 16.



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮২ চনত নাবার্ড প্রতিষ্ঠা হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ARDCৰ সম্পূর্ণ নাম— Agricultural Refinance and Development Corporation। (কৃষি পুনৰ বিত্তায়ন আৰু উন্নয়ন নিগম)

৩ নং প্রশ্নৰ উত্তৰ ঃ নাবার্ডৰ দুটা উদ্দেশ্য হ'ল— (ক) গ্রাম্য উন্নয়নক প্রধান গুৰুত্ব দিয়া আৰু (খ) সমগ্র দেশৰ গ্রাম্য ঋণ ব্যৱস্থাৰ কেন্দ্রবিন্দু হিচাপে ভূমিকা পালন কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ নাবার্ডৰ দুটা কার্য্য হ'ল— (ক) ঋণ পৰিকল্পনা গ্রহণ কৰা (খ) বিত্তীয় সেৱা আগবঢ়োৱা।



১১.৯ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ নাবার্ডৰ উদ্দেশ্য আৰু কার্য্যাৱলী কি কি?

প্রশ্ন ২ ঃ নাবার্ডে কি কি কার্য্য হাতত লৈছে?

প্রশ্ন ৩ ঃ বেংকৰ সম্পদ বৃদ্ধিৰ বাবে নাবার্ডে হাতত লোৱা হ্রস্বকালীন পুনৰ বিত্তায়নসমূহ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ চমুটোকা লিখক

কিষাণ ক্রেডিট কার্ড

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ নাবার্ডৰ উদ্দেশ্যসমূহ বিতংকৈ বর্ণনা কৰক।

প্রশ্ন ২ ঃ নাবার্ডৰ কার্য্যৱলী মূল্যায়ন কৰক।

প্রশ্ন ৩ ঃ ভাৰতত কৃষি উন্নয়নৰ বাবে নাবার্ডে কি কি কার্য্যসূচী গ্রহণ কৰিছে? বর্ণনা কৰক।

*** ***** ***